ৰঙালী
বিহুৰ বিশেষ
২০২৬

# অসমীয়া বৰ্ণিল

অষ্টম বৰ্ষ, সংখ্যা - ৪, এপ্ৰিল’ ২০২৬



## প্ৰাণত ৰং বোলোৱা ব’হাগ

### অসমীয়া সমাজৰ বাপতিসাহোন ব’হাগ বিহুৰ

### ৰঙালী বিহু আৰু বিৱৰ্তন

## গামোচা

মডেল ঃ প্ৰিয়াশ্ৰী নেওগ

https://axomiyabornil.blogspot.com
Axomiyabornil
Axomiyabornil

# অসমীয়া বৰ্ণিল

ডিব্ৰুগড় | অষ্টম বছৰ, সংখ্যা - ৪
এপ্ৰিল, ২০২৬ | মূল্যঃ ৫০/-
Dibrugarh | Vol. VIII, Issue - 4
April, 2026 | Price Rs. 50/-



## মুখ্য কাৰ্যালয়

**অসমীয়া বৰ্ণিল**

চাবুৱা, ডিব্ৰুগড় - ৭৮৬ ১৮৪
হোৱাটচ্ এপ নম্বৰ ঃ
৮৬৩৮৮ ২৫৪৮৬
ইমেইলঃ
bornilmagazine2019@gmail.com



**উপদেষ্টা**
ড° অনিল শইকীয়া
কলমজিৎ কলিতা

**উপঃ সম্পাদক**
সুৰভি ডেকা
ৰশ্মিৰেখা দুৱৰা
মোহিনী মোহন কলিতা

**সহঃ সম্পাদক**
কাব্যশ্ৰী বৰপাত্ৰ
জানমণি নাথ
মৃদুপৱন চেতিয়া

**প্ৰকাশক**
জীৱকান্ত ফুকন
ডিম্পল গগৈ

**সদস্য/সদস্যা**
ভাস্বতী ডেকা
নিবিড় পলাশ
সংগীতা মৰাণ
লোচন বৰা
ধনমণি বৰদলৈ
বিষ্ণুপ্ৰাণ গগৈ
মুন শৰ্মা


## ভিতৰত


- বসন্তৰ উপাসনা | ৩

**অনুভৱ**

- ব'হাগৰ অনুভৱ | ৫
  - কৰবী বৰ্মন কলিতা
- হেঁপাহৰ ৰঙালী | ৭
  - আয়শা ছিদ্দিকা (আছৰি)
- সংক্ষিপ্ততে ব'হাগ | ৯
  - অংশুমান শইকীয়া
- ব'হাগৰ অনুভৱ | ১০
  - জাহ্নৱী দাস





**প্ৰবন্ধ**

- ৰঙালী বিহু আৰু বিৱৰ্তন | ১১
  - পুলকেশ ৰায় বৰুৱা
- ব'হাগ অসমীয়া জাতিৰ আয়ুসৰেখা | ১৪
  - মিণ্টু (অভিজ্ঞান) বৈশ্য
- অসমীয়া সমাজৰ বাপতিসাহোন ব'হাগ বিহুৰ | ১৭
  - ড° ৰমেশ কুমাৰ কাকতি
- বিহু নামত উদ্ভিদ আৰু ইয়াৰ সংৰক্ষণৰ চিন্তা | ২২
  - নিৰু দত্ত
- অসমীয়া জাতিৰ... | ২৯
  - নিৰ্মালি বৰা হাজৰিকা
- বিহু গীতত প্ৰতিফলিত... | ৩২
  - নৱেন শইকীয়া
- অসমীয়া সমাজ জীৱনত বিহু | ৫৭
  - অজিত বৰুৱা





মুখ্য সম্পাদক ঃ আইলুং লাহন সম্পাদক ঃ ডিম্পল গগৈ
হোৱাটচ্ এপ নম্বৰ - ৮৬৩৮৮ ২৫৪৮৬ | ইমেইলঃ bornilmagazine2019@gmail.com

- বিহু মঞ্চৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব | ৬০
  - নিবেদিতা হাজৰিকা
- ৰঙালী বিহু... | ৬৪
  - দীপিকা মালাকাৰ
- ব'হাগ বিহু আৰু... | ৬৭
  - অমৰ বৰুৱা


## গল্প


- সুবাসিত ব'হাগ | ৪০
  - কাব্যশ্ৰী দত্ত
- আন্ধাৰৰ পিছত পোহৰ | ৪৮
  - মিনাক্ষী কলিতা
- ব'হাগৰ ৰং | ৫১
  - প্ৰীতিৰেখা দাস
- শব্দহীন যন্ত্ৰণা | ৫৪
  - পৰিস্মিতা বৰা হাজৰিকা




## এক মিনিটৰ গল্প


- বিবৰ্ণ পৃষ্ঠা আঁতৰাই | ৭৩
  - এমিলী ফুকন
- আজিৰ বিহু | ৭৫
  - অদ্ৰিক শইকীয়া
- বন্ধুত্ব | ৭৭
  - অনিন্দিতা কলিতা
- এটা অৰ্ধমৃত তৰাৰ কাহিনী | ৭৯
  - জ্ঞানশ্ৰী শইকীয়া
- নিশাৰ বুকুত... | ৮১
  - পৱন কামান
- মোৰ হৃদয়ত নীৰৱে... | ৮৩
  - মণিজ্যোতি বৰগোহাঁই




## কবিসকল


খনিতা পাঠক, দিগ দিগন্ত বৰুৱা, বিকাশ হাজৰিক, পংখী ফুকন, বৰ্ণালী ভট্টাচাৰ্য, প্ৰজ্বলিতা হাজৰিকা, কৰবী দাস, ভনিতা কলিতা, ৰঞ্জন শইকীয়া, নিৰঞ্জন ঠেঙাল, নিতুল নাথ, ৰিজু মণি বৰা, কৰিশ্মা নেওগ, দিপজ্যোতি কমল মহন্ত, অৰুন্ধতী কোঁৱৰ, দেৱযানী পাঠক শৰ্মা, দীপশিখা বৰুৱা, প্ৰতীক্ষা গোস্বামী, পম্পী বৰুৱা

৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৭০,৭১, ৭২


## অন্যান্য


- প্ৰাণত ৰং বোলোৱা ব'হাগ | ৯১
  - চন্দনা ভাগৱতী
- গামোচা ইতিহাস... | ৯৪
  - ৰাখী মণি কলিতা
- শিপাৰ টান ঃ ককা... | ৯৫
  - ৰাজশ্ৰী সেনাপতি গগৈ
- বসন্তৰ আৱাহন আৰু... | ৯৭
  - কুণ্ডিল হাজৰিকা
- ব'হাগ বিহু পৌৰাণিক... | ৯৮
  - থগেন বৰা
- বিহু আৰু অসমৰ জলবায়ু... | ১০০
  - ৰঞ্জিত চুতীয়া
- ব'হাগ বিহুত ব্যৱহাৰ হোৱা... | ১০২
  - জিনুমণি সাধনী বৰা
- আত্মবিশ্লেষণে মনত... | ১০৬
  - প্ৰাণ প্ৰতিমা বড়া
- ফুলৰ মেলাতে | ১০৮
  - প্ৰিয়ম ৰাগিণী
- লুইত আৰু ব'হাগ | ১১২
  - বিজিত মহন্ত
- ৰঙালী বিহু অসমৰ | ১১৩
  - নীলোৎপল শইকীয়া

- জুবিন দৰ্শন | ১১৮


## ঃঃ নিয়মীয়া শিতান ঃঃ


- অণুগল্প | ৮৫-৮৭
- অনুবাদ কবিতা | ৮৮-৮৯
- গ্ৰন্থ আলোচনা | ১১৫
- নীলা খামৰ চিঠি | ১২৫
- ৰেচিপি | ১৩২
- ভ্ৰমণ কাহিনী | ১৩৫
- মডেল পৃষ্ঠা | ১৩৭



ডিটিপি/অংগসজ্জা/কভাৰ ডিজাইনঃ **ডিম্পল গগৈ**

ফটো ঃ ইণ্টাৰনেটৰ পৰা সংগ্ৰহ

বেটুপাত মডেল ঃ প্ৰিয়াশ্ৰী নেওগ

Published by Jibakanta Phukon & Dimpal Gogoi on behalf of Asomiya BORNIL, Printed by Bornil Print & Publication, Chabua, Dibrugarh - 786184

# বসন্তৰ উপাসনা

কলুষিত শব্দ, বতাহ, প্ৰকৃতিক বিশুদ্ধ কৰাৰ বাবে তোমাৰ আগমনী অত্যাৱশ্যকীয়, হে' ঋতুৰাজ বসন্ত! আমি যুদ্ধ নিবিচৰা সাধাৰণ জীৱ, আমি উপাসনা কৰিব খোজোঁ শান্তিৰ-সমৃদ্ধিৰ!

বসন্তৰ আগমনীৰ বাবে সৃষ্টি হ'বলগীয়া উৎসাহৰ বিপৰীতে অসমৰ চুকে-কোণে মাথোঁ বিয়পি আছিল বিধানসভাৰ নিৰ্বাচন উপলক্ষে মিথ্যাচাৰৰ দুৰ্গন্ধ। যিটো সময়ত অসমৰ চুকে-কোণে বিয়পিব লাগিছিল নাহৰ-তগৰ-কপৌফুলৰ সুবাস, কুঁহিপাতৰ ৰঙত প্ৰশান্তি, সেই সময়ত প্ৰদূষিত হৈছিল অসমৰ প্ৰকৃতি শাসন-বিৰোধীৰ চৰম লজ্জাহীন শব্দৰে, ভিন্ন মতাদৰ্শৰ নিকৃষ্ট কাৰ্যকলাপৰ বাতৰিৰে!

এই ব'হাগত জুবিন গাৰ্গ নাই, তেওঁৰ কণ্ঠত নতুন বিহুগীত নাই। মঞ্চত তেওঁ গীত পৰিৱেশন কৰিবলৈ অহাৰ কোনো প্ৰচাৰ নাই। চৌপাশে মাথোঁ হাহাকাৰ পৰিস্থিতি। অভাৱনীয়ভাৱে বৃদ্ধি হোৱা প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সময়তো সমগ্ৰ অসম ১২৫০ টকীয়া আঁচনিতে সন্তুষ্ট! কিহৰ উৎসাহত এনেদৰে উন্মাদপ্ৰায় হ'বলৈ ধৰিছে অসমীয়া নাৰীশক্তি? কেনেদৰে ম'বাইল স্ক্ৰীনত মগ্ন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰে ১০০ ৰ ভিতৰত ১০০ নাইবা ১০০ ৰ ভিতৰত ৯৯ শতাংশ নম্বৰ? আমি যি দেখিছোঁ, সেয়া ১০০ শতাংশ সঁচানে? সঁচাকৈয়ে মানুহৰ জীৱবোৰ ফেইচবুকত দেখাৰ দৰেই সপোন সপোন যেন লগাকৈ সুখৰনে? ভাৰ্চুৱেল পৃথিৱীৰ ৰঙীন পৰ্দাৰ আঁৰত প্ৰকৃত জীৱনত চলি থকা গধুৰ হা-হুমুনিয়াহবোৰৰ বোজাত ভাঙিব ধৰা সুস্থ সামাজিক ব্যৱস্থাৰ পয়ালগা ছবিখনে বৰকৈ কষ্ট দিয়ে। ইমান ভংগুৰ হৃদয়েৰে, ফোঁপোলা অহংকাৰেৰে কেনেদৰে জীয়াই আছে মানুহবোৰ?

যিখন অসমীয়া সমাজ কৃষিকৰ্মৰে সমৃদ্ধ আছিল, য'ত বসন্তৰ উপাসনা হৈছিল উৰ্বৰতাৰ কামনাৰে, সেই সমাজখন যেন ক্ৰমান্বয়ে হেৰাই গৈছে কৰ্মবিমুখ মনোভাৱৰ জকমকীয়া সপোনৰ মায়াজালত! ব'হাগৰ প্ৰথমজাক বৰষুণে চুই যোৱা অসমী আইৰ বুকুৰপৰা ওলোৱা সেই গোন্ধ ল'বলৈ আহৰি ক'ত এতিয়াৰ অসমীয়াৰ? ক'ত হেৰাই গ'ল ঘৰে ঘৰে বিহু গাবলৈ কৰা কণমানিবোৰৰ বিহু - আখৰাৰ উথপথপবোৰ? বিহু কৰ্মশালাৰ প্ৰতিযোগিতাই পাৰিবনে ঘূৰাই আনিব সেই নিভাঁজ আৱেগবোৰৰ উত্তাপ?

কিয় আমি ইমান বেছিকৈ প্ৰতিযোগিতাৰ মাজত সোমাই পৰিছোঁ ? বসন্তই জানো বুজিব সলনি হোৱা আমাৰ মনবোৰক ? নুবুজে বাবেই গছবোৰত কুঁহিপাত মেলিছে, নাহৰ-তগৰ-কপৌ ফুলিছে, কুলি-কেতেকীৰ মাতে আকাশ-বতাহ ৰজন জনাইছে। ব'হাগ, সলনি নহ'বা তুমি মানুহবোৰৰ দৰে। প্ৰথম ভালপোৱাৰ সেই মায়াময় সময়বোৰৰ দৰেই হৈ থাকক তোমাৰ অনুভৱ। তোমাৰ পৰশত জীপাল হৈ পৰক এক স্বপ্ন- জীয়াই থকাৰ- কাকো বেয়া নোপোৱাৰ আৰু উৰ্বৰ হৈ উঠাৰ সকলোৰে মন- মানৱীয় বিচাৰ ধাৰাৰে।

সকলোকে বসন্তৰ শুভকামনা জনালোঁ...।

**-আইলুং লাহন**
মুখ্য সম্পাদক, অসমীয়া বৰ্ণিল




# ব'হাগৰ অনুভৱ

— কৰবী বৰ্মন কলিতা

যুৰীয়া শালিকীয়ে আগচোতালত মনৰ উলাহত পাখি দুখন জুবুৰিয়ায়। গছৰ পাত সৰি লঠঙা হোৱা ডালবোৰত মেঘে অমৃত চতিয়াই নতুনকৈ সেউজীয়া কৰি তোলে আৰু কৰ্মশক্তিৰ নতুন প্ৰতিশ্ৰুতিৰে প্ৰাণ দিয়ে। বতাহত ব'হাগৰ গোন্ধই চৌদিশ আনন্দময় কৰি তোলে।

ব'হাগৰ হেঁপাহ! এতিয়াও মনত পৰে- আঙুলিত মায়ে লগাই দিয়া জেতুকাৰ ৰং, কুলিৰ মাত আৰু কপৌফুল ফুলাৰ সেই বতৰৰ কথা। দেউতাই বিহু বুলি দিয়া নতুন ফ্ৰকটো পিন্ধি তেওঁলোকৰ সৈতে বিহুতলীত গণশিল্পী শ্ৰদ্ধাৰ খগেন মহন্ত আৰু অৰ্চনা মহন্তৰ গীতৰ অনুষ্ঠান চাবলৈ যোৱা দিনবোৰে আজিও নষ্টালজিয়া কৰি তোলে।

এতিয়া পিছে বিহুৰ অনুষ্ঠান চোৱাৰ প্ৰতি সেই দুৰ্বলতা নাইকিয়া হ'ল। আমাৰ দিনত ব'হাগত মুক্তি লাভ কৰা 'জানমণি' বা 'অঞ্জনা'ৰ দৰে বিহুসুৰীয়া গীতৰ কেছেটবোৰৰ বাবে যি অধীৰ আগ্ৰহেৰে ৰৈ আছিলোঁ, সেই আমেজ এতিয়া ক'ৰবাত হেৰাল। যিহেতু এতিয়া বাৰমাহেই দেখোন বিহু! টি.ভি খুলিলেই বিহুগীত-নৃত্য; পিকনিকত বিহু, পাৰ্টিত বিহু, আনকি সৰু-সুৰা ঘৰুৱা অনুষ্ঠানতো বিহু। এসময়ত আমি বিহুৰ পিঠা, লাৰু আৰু সান্দহৰ বাবে মাঘ বিহু অহালৈ এটা সম্পূৰ্ণ বছৰ অপেক্ষা

*ব'হাগ বিহুৰ লগত বৰ্তমান ওতপ্ৰোতভাৱে সাঙোৰ খাই পৰা অন্য এটা বিষয় হ'ল- 'বিহু কৰ্মশালা'। আমাৰ সংস্কৃতি আৰু কৃষ্টিৰ স্বকীয়তা বজাই ৰখাটো ভাল কথা। কৰ্মশালাৰ জৰিয়তে নতুন প্ৰজন্মক বিহু শিকাটো আদৰণীয়। কিন্তু সচৰাচৰ দেখা যায় যে, একাংশ আয়োজকে কৰ্মশালাৰ নামত অভিভাৱকৰ পৰা লোৱা ধনৰ বিনিময়ত নিউজ চেনেলত বাতৰি পৰিৱেশন কৰিয়েই দায়িত্ব সামৰে।*

কৰিছিলোঁ। এতিয়া তেনেবোৰ খাদ্য সামগ্ৰী বাৰ মাহেই বজাৰত সুলভ।

আকৌ ব'হাগ মানেই কিছুমান বিশেষ ফুলৰ মতলীয়া কৰা সুবাস। বিহুৱতীৰ খোপা শুৱাবলৈ তামোল গছত ওলমি থকা কপৌপাহ, পদূলিৰ নাহৰৰ পৰা আগচোতালৰ খৰিকাজাঁই, গধূলিগোলাপ, গুটিমালি, তগৰ, মালতী আৰু কাঁইটীয়া গছৰ আঁৰৰ দুৰ্লভ কেতেকী ফুল। ফুলৰ প্ৰতি থকা সৰুৰে পৰা ভালপোৱাৰ বাবেই হয়তো এই সুবাসবোৰে মোক বাৰুকৈয়ে আনন্দিত কৰিছিল। আজিৰ প্ৰজন্মৰ বাবে হয়তো এনেবোৰ ফুল অপৰিচিত। আমাৰ কৃষকসকলৰ মাজতো ফুলৰ খেতিৰ প্ৰতি আগ্ৰহ কম। ফুলৰ জীৱনচক্ৰ ক্ষন্তেকীয়া হোৱা বাবে আৰু ব্যৱসায়িক অনিশ্চয়তাৰ বাবেই হয়তো তেওঁলোকে ইয়াত মনোনিৱেশ নকৰে। ফলত বহু ফুল এতিয়া হেৰাই যোৱাৰ উপক্ৰম হৈছে।

ব'হাগ বিহুৰ লগত বৰ্তমান ওতপ্ৰোতভাৱে সাঙোৰ খাই পৰা অন্য এটা বিষয় হ'ল- 'বিহু কৰ্মশালা'। আমাৰ সংস্কৃতি আৰু কৃষ্টিৰ স্বকীয়তা বজাই ৰখাটো ভাল কথা। কৰ্মশালাৰ জৰিয়তে নতুন প্ৰজন্মক বিহু শিকাটো আদৰণীয়। কিন্তু সচৰাচৰ দেখা যায় যে, একাংশ আয়োজকে কৰ্মশালাৰ নামত অভিভাৱকৰ পৰা লোৱা ধনৰ বিনিময়ত নিউজ চেনেলত বাতৰি পৰিৱেশন কৰিয়েই দায়িত্ব সামৰে। পইচাৰ বিনিময়ত নিজৰ সন্তান টি.ভিত ওলাব, তাতে ফেইচবুকৰ 'লাইক, কমেণ্ট'ৰ সংখ্যা জোখাত অভিভাৱক আৰু সন্তানো ব্যস্ত। কিন্তু ইয়াৰ মাজত সন্তানে সৃষ্টিশীল মানসিকতা গঢ়ি তুলিবলৈ সুযোগ পাইছেনে? দিনটোৰ স্কুল, টিউচনৰ অন্তত মাত্ৰ ১০-১৫ দিনৰ লৰা-ঢপৰাত বিহুৰ গীত, নৃত্য, বাদ্য বা গহনাৰ প্ৰকৃত তাৎপৰ্য কিমানখিনি আয়ত্ত কৰিব পাৰিছে, সেয়াহে লক্ষণীয়।

বিহুৰ আয়োজকসকললৈও কিছু কথা মনলৈ আহে। সকলোকে দোষাৰোপ কৰিব খোজা নাই, কিন্তু একাংশৰ মনোভাব চিন্তনীয়। বিহুৰ তিনি-চাৰি মাহ আগৰে পৰা 'গ্লেমাৰ' থকা শিল্পীক কিমান দামত কিনিব পাৰি আৰু কেনেকৈ আনতকৈ জাকজমকতাৰে বিহুতলীখন পোহৰাই তুলিব পাৰি তাৰেই গুণা-গঁথা চলে। তাৰ পিছত আৰম্ভ হয় চান্দা উঠোৱাৰ পৰ্ব। আজিৰ প্ৰজন্মৰ ৰুচি অনুসৰি অনুষ্ঠান পতাটো বেয়া নহয়, কিন্তু ইয়াৰ মাজত আমাৰ পুৰণি শিল্পীসকল অৱহেলিত হোৱা নাইনে? তেওঁলোকক ৰাইজৰ পৰা আঁতৰাই ৰখা হৈছে নেকি? বহু অনুষ্ঠানত কেৱল বিহু কুঁৱৰী বা বিহুৰাণী প্ৰতিযোগিতা আৰু স্পনচাৰৰ দৌৰহে দেখিবলৈ পোৱা যায়।

সময়ৰ পৰিৱৰ্তনৰ দাবী হয়তো এইবোৰ। পথাৰৰ বিহু আহি মঞ্চ পালেহি। আমাৰ দিনত বিহুক যেনেকৈ পাইছিলোঁ, এতিয়াৰ প্ৰজন্মই হয়তো বৰ্তমানৰ ৰূপটোকে মনত ৰাখিব। সময়ৰ গতিশীলতাৰ মাজতো বিহুৱে নিজা বৈশিষ্ট্যৰে আগুৱাই গৈ আছে আৰু ভৱিষ্যতেও গৈ থাকিব।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

### আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

# হেঁপাহৰ ৰঙালী

— আয়শা ছিদ্দিকা (আছৰি)

বসন্তৰ আগমনে যেতিয়া প্ৰকৃতিৰ বুকুত নতুনত্বৰ জোৱাৰ তোলে, তেতিয়াই অসমীয়া মানুহৰ মন-প্ৰাণো বিহুৰ আনন্দত মতলীয়া হৈ পৰে। অসমীয়া জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ আৰু আমাৰ চহকী কৃষি সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত উৎসৱটোৱেই হ'ল ৰঙালী বিহু। এই বিহু অসমীয়া জাতিৰ স্বাভিমান, কৃষ্টি আৰু ঐক্যৰ এক অনন্য নিদৰ্শন। চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হোৱা এই ব'হাগ বিহুৱে অসমীয়া সমাজখনক একতাৰ এনাজৰীৰে বান্ধি ৰাখে আৰু জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোকে একত্ৰিত কৰে।

প্ৰকৃতিৰ সৈতে ৰঙালী বিহুৰ সম্পৰ্ক অতি গভীৰ। শীতৰ জড়তা আঁতৰাই গছত নতুন কুঁহিপাত ওলোৱা, কুলিৰ মিঠা মাতত আকাশ-বতাহ কঁপি উঠা আৰু কপৌফুলে বিহুৱতীৰ খোপাত সৌন্দৰ্য চৰোৱা এই সময়ছোৱাত সমগ্ৰ পৰিৱেশেই এক উৎসৱমুখৰ ৰূপ ধাৰণ কৰে। অসমীয়া গ্ৰাম্য সমাজত বিহুৰ প্ৰস্তুতি বহু আগৰে পৰাই আৰম্ভ হয়। তাঁতশালত বিহুৱান বা গামোচা বোৱা, ঢেঁকীৰ গুমগুমনিৰে পিঠাপনা প্ৰস্তুত কৰা আৰু ডেকাসকলে ঢোল-পেঁপালৈ বিহুৰ বাবে সাজু হোৱা দৃশ্যই প্ৰতিজন অসমীয়াৰ হৃদয়ত এক শিহৰণ তোলে।

ৰঙালী বিহুৰ সাতদিনক 'সাত বিহু' বুলি জনা যায় আৰু প্ৰতিটো দিনৰে এক সুকীয়া তাৎপৰ্য আছে। গৰু বিহুৰ দিনা কৃষিজীৱী সমাজখনে তেওঁলোকৰ প্ৰধান সহায়ক গৰু-ম'হবোৰক নদী বা পুখুৰীলৈ নি মাহ-হালধিৰে ঘঁহি গা ধোৱাই নতুন পঘাৰে বান্ধে। 'লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা' বুলি গৰুক আশীৰ্বাদ দিয়ে। ইয়াৰ পাছদিনা মানুহ বিহু। আৰু সেইদিনা সকলোৱে নতুন কাপোৰ পিন্ধি জ্যেষ্ঠজনক সেৱা



*প্ৰকৃতিৰ সৈতে ৰঙালী বিহুৰ সম্পৰ্ক অতি গভীৰ। শীতৰ জড়তা আঁতৰাই গছত নতুন কুঁহিপাত ওলোৱা, কুলিৰ মিঠা মাতত আকাশ-বতাহ কঁপি উঠা আৰু কপৌফুলে বিহুৱতীৰ খোপাত সৌন্দৰ্য চৰোৱা এই সময়ছোৱাত সমগ্ৰ পৰিৱেশেই এক উৎসৱমুখৰ ৰূপ ধাৰণ কৰে। অসমীয়া গ্ৰাম্য সমাজত বিহুৰ প্ৰস্তুতি বহু আগৰে পৰাই আৰম্ভ হয়। তাঁতশালত বিহুৱান বা গামোচা বোৱা, ঢেঁকীৰ গুমগুমনিৰে পিঠাপনা প্ৰস্তুত কৰা আৰু ডেকাসকলে ঢোল-পেঁপালৈ বিহুৰ বাবে সাজু হোৱা দৃশ্যই প্ৰতিজন অসমীয়াৰ হৃদয়ত এক শিহৰণ তোলে।*

কৰে আৰু বিহুৱান দি আশীৰ্বাদ লয়। আত্মীয়-স্বজনৰ মাজত হোৱা এই আন্তৰিকতাই সমাজত ভাতৃত্ববোধ বৃদ্ধি কৰে। ইয়াৰ উপৰিও গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, চেনেহী বিহু আৰু চেৰা বিহু আদি এই সকলোবোৰ মিলি বিহুক পূৰ্ণতা প্ৰদান কৰে।

বিহুৰ প্ৰধান আকৰ্ষণ হ'ল বিহুনাচ আৰু বিহুগীত। ঢোলৰ চাপত, পেঁপাৰ লহৰত আৰু গগনাৰ সুৰত ডেকা-গাভৰুৰ বিহুনাচ সঁচাকৈয়ে আকৰ্ষণীয়। মুকলি পথাৰত বা গছৰ তলত বিহু মৰাটো এক প্ৰাচীন পৰম্পৰা। আনহাতে, হুঁচৰি দলবোৰে ঘৰে ঘৰে গৈ গৃহস্থৰ কুশল কামনা কৰি আশীৰ্বাদ প্ৰদান কৰে। বিহুগীতৰ পদবোৰত প্ৰেমৰ কথাৰ লগতে অসমীয়া সমাজৰ কৃষি প্ৰণালী, ঐতিহাসিক ঘটনা আৰু মানুহৰ দৈনন্দিন জীৱনৰ সংগ্ৰামৰ কথাও প্ৰতিফলিত হয়। বিহুৱে অসমীয়াক নিজৰ অস্তিত্বৰ সৈতে পৰিচয় কৰাই দিয়ে আৰু থলুৱা বাদ্যযন্ত্ৰসমূহৰ গুৰুত্ব সোঁৱৰাই দিয়ে।

বৰ্তমান সময়ত বিহুৱে গোলকীকৰণৰ যুগত মঞ্চত স্থান পাইছে। চহৰীয়া জীৱনত বিহু সন্মিলনবোৰে অসমীয়া কৃষ্টি-সংস্কৃতিক ধৰি ৰখাত বিশেষ ভূমিকা পালন কৰাও পৰিলক্ষিত হয়। সমাজ এখন যিমানেই আধুনিক নহওক কিয়, ব'হাগ বিহুৰ মাদকতা এতিয়াও প্ৰতিজন অসমীয়াৰ ৰক্তত প্ৰৱাহিত হৈ আছে। ৰঙালী বিহুৱে আমাক শিকায় কেনেকৈ বিভেদৰ মাজতো ঐক্য বিচাৰি পাব পাৰি আৰু কেনেকৈ প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হৈ নিজৰ সংস্কৃতিৰ গৌৰৱ ৰক্ষা কৰিব পাৰি। এই বিহুৱেই অসমীয়াৰ পৰিচয় আৰু চিৰকাল ই আমাৰ মাজত জীয়াই থাকক।

শেষত, সকলোকে হেঁপাহৰ ৰঙালী বিহুৰ আন্তৰিক ওলগ যাঁচিলো। নতুন বছৰৰ নতুন দিনবোৰ প্ৰতিজন অসমীয়াৰ জীৱনলৈ সুখ-সমৃদ্ধি আৰু শান্তি কঢ়িয়াই আনক।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অনুবাদ শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

## আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

অনুভৱ



# সংক্ষিপ্ততে ব'হাগ

— অংশুমান শইকীয়া

অসমীয়া জাতীয় জীৱনৰ স্বাভিমান, বৈচিত্ৰ্যময় সংস্কৃতিৰ বৰঘৰ ব'হাগ মাহটি কেৱল জাতিটোৰ আয়ুস ৰেখাই নহয়, বৰঞ্চ ই হৈছে নতুনত্ব, আশা আৰু বিশ্বাসৰ কাম্যভূমি। বহু ঘাত-প্ৰতিঘাত, পোৰা-নোপোৰা তথা সুখ-দুখেৰে পৰিপূৰ্ণ সুদীৰ্ঘ এঘাৰটা মাহ অতিক্ৰম কৰি ধৰালৈ যেতিয়া ব'হাগ নামি আহে প্ৰতিগৰাকী স্বাভিমানী অসমীয়াৰ মনবোৰ ৰঙীন আৰু আশাৰে জীপাল হৈ পৰে। সপোনআৰু প্ৰকৃতিয়েও ন-সেউজৰ আভূষণেৰে আনন্দ মনেৰে ৰং-ধেমালি কৰে। নতুন সাজেৰে সজ্জিত হৈ উঠে বহুতৰে আশা। তজবজীয়া পথাৰখনলৈ চাই খেতিয়কসকলেও নতুন বিপ্লৱৰ কাৰণে মনত সাহস বান্ধে, শিপিনীসকলে তাঁতশালত বহুদিনীয়া সঞ্চিত স্বপ্নবোৰ সূতাৰে বোলাই তোলে। ব'হাগতেই বহু প্ৰেমিক-প্ৰেমিকাৰ যুগ্ম জীৱনৰ সপোনে পাখি মেলে নতুবা কুঁহি মেলে কোনো নতুন প্ৰেম পুষ্পই। বিহুটিত চেনাইলৈ বুলি বৈ থোৱা ফুলাম গোমোচাখনেও ব'হাগতেই লক্ষ্যপ্ৰাপ্তি কৰে। সাত বিহুৰ মাদকতাই বৰ অসমৰ ঐক্য আৰু সম্প্ৰীতিক বাৰুকৈয়ে প্ৰতিফলিত কৰে। গাঁৱৰ সকলোৰে লগ হৈ বিহু মৰা, হুঁচৰি গোৱা আদিবোৰে কেৱল সাংস্কৃতিক চেতনাকে প্ৰতিনিধিত্ব নকৰে, ইবোৰে জাতীয় সমন্বয় আৰু ভাতৃত্ববোধৰ বাৰ্তাও বহন কৰে। তদুপৰি মাহজোৰাকৈ আয়োজিত বিহুৰ অনুষ্ঠানসমূহে থলুৱা অৰ্থনীতিৰ ভেটিটোক দৃঢ় কৰি তুলিছে।

সেয়েহে কাব্যিক অনুভৱেৰে-

*কুলিয়ে বিনালে কপৌপাহি গোন্ধালে*
*ফুলিলে ভেবেলী লতা।*
*ঘৰে ঘৰে হুঁচৰি জোৰো আহা ককাই*
*আমাৰ বাণী সমন্বয়, ঐক্য আৰু একতা।*

*বহু ঘাত-প্ৰতিঘাত, পোৰা-নোপোৰা তথা সুখ-দুখেৰে পৰিপূৰ্ণ সুদীৰ্ঘ এঘাৰটা মাহ অতিক্ৰম কৰি ধৰালৈ যেতিয়া ব'হাগ নামি আহে প্ৰতিগৰাকী স্বাভিমানী অসমীয়াৰ মনবোৰ ৰঙীন আৰু আশাৰে জীপাল হৈ পৰে। সপোন আৰু প্ৰকৃতিয়েও ন-সেউজৰ আভূষণেৰে আনন্দ মনেৰে ৰং-ধেমালি কৰে।*

# ব’হাগৰ অনুভৱ

— জাহ্নৱী দাস



*ব’হাগ মাথোঁ এটি ঋতু নহয়*
*নহয় ব’হাগ এটি মাহ*
*অসমীয়া জাতিৰ ই আয়ুস ৰেখা*
*গণ জীৱনৰ ই সাহ। -ভূপেন হাজৰিকা*

অসম আৰু অসমীয়া জাতিৰ প্ৰাণ, পৰিচয়, আনন্দৰ উৎসৱ ৰঙালী বিহু বছৰে বছৰে আহিছে আৰু গৈছে। কিন্তু অসমীয়া জাতিৰ আয়ুসৰেখাত কিছুমান নিষ্ঠুৰ দানৱৰ ক’লা ছাঁ পৰিছে। মাহ-হালধিৰে নোৱাবলৈ কিমান আশাৰে বছৰৰ সেই এটা দিনৰ বাবে অপেক্ষাত থাকে। কিন্তু গোহালিৰ পৰা গণ জীৱনৰ প্ৰধান সাহ লৈ গৈছে। শুনিবলৈ অসহনীয় হ’লেও সঁচা এইয়ে যে আমাৰ মাজৰে কিছুমান অসমীয়া জাতিৰ আৰু অসমৰ বিৰোধীয়ে অলপমান মাথোঁ অৰ্থৰ মোহত পৰি নিজৰ ভৰিত নিজেই কোৰ মাৰিছে। গতিকে সময় আহিল কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি স্বজাতিৰ বিৰোধী পাষণ্ডবোৰক চিনাক্ত কৰি এসেকনি দিয়াৰ বাবে একগোট হ’ব লাগিব। গৰু চুৰি কৰি নিয়া মানে সেই মানুহ ঘৰৰ মুখৰ পৰা ভাত নিয়াকে বুজায়। আধুনিক যন্ত্ৰসমূহে গৰুৰ কৰিবলগীয়া কাৰ্য সম্পন্ন কৰিছে যদিও মানুহৰ আৱেগত আঘাত হানিছে, গৰু বিহুৰ দিনটো এতিয়া উৰুকা যেন লগা হৈছে। এনেদৰে দিন পাৰ হ’লে এদিন সাত বিহুৰ এটি বিহুৰ (গৰু বিহুৰ) অস্তিত্ব নাইকিয়া হৈ যাব।

**অনুভৱ**

*গতিকে সময় আহিল কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি স্বজাতিৰ বিৰোধী পাষণ্ডবোৰক চিনাক্ত কৰি এসেকনি দিয়াৰ বাবে একগোট হ’ব লাগিব। গৰু চুৰি কৰি নিয়া মানে সেই মানুহ ঘৰৰ মুখৰ পৰা ভাত নিয়াকে বুজায়।*

প্ৰবন্ধ



# ৰঙালী বিহু আৰু বিৱৰ্তন

— পুলকেশ ৰায় বৰুৱা

আকুল অন্তৰৰ নিভৃত কোণত আৱাহনী সংগীত বজা ৰঙালীৰ ৰং-বিৰঙী কথাবোৰ যেন অমৃত সমান। ধূলিয়ৰি ফাগুনে আঁচল উৰুৱাই প্ৰকৃতিক উকা উকা কৰা পৰিৱেশত ৰঙালীৰ বতৰৰ সুৰভিয়ে সানে প্ৰাকৃতিক শ্যামলিমা। ন-কুঁহিপাতৰ লয়লাস ভংগিমা আৰু বতাহৰ মিঠা আঁচোৰ লাগি গছ-বিৰিখে ৰূপ-শোভাৰ বৰ্ণময় ৰূপসুধাৰ সৃষ্টি হয়। প্ৰাপ্তিৰ প্ৰাচুৰ্যত উপচি পৰা এয়াই ৰঙালীৰ মনগহন হৰি নিয়া বা-বতৰা। লমালমে লাগি থকা ফল-মূলৰ গছ এজোপাৰ এচুকত বহি কুলি চৰাইজনীয়ে যেতিয়া মাত মাতি অনন্য সুন্দৰ সময়গাথাৰ সৃষ্টি কৰে, সেয়া হৈছে উতনুৱা ব'হাগৰ উপকৰণ। প্ৰেমিক যুগলৰ মন থৌকিবাথৌ হয়; ইজনে-সিজনক নিজৰ কৰি লোৱাৰ উদগ্ৰ বাসনা জাগে ৰঙালী বিহুৰ পৰত। প্ৰেমিক চৰাইৰ কমোৱা তুলাৰ দৰে উৰি ফুৰা ভাব, ভাষাবোৰ ক্ৰমশঃ দুখন হৃদয়ৰ মাজত বিলীন হৈ যায় নান্দনিক সময়কণত। আলফুল মৰমেৰে প্ৰেমিকাৰ খোপাত যেতিয়া কপৌফুলত সুশোভিত দৃষ্টিনন্দন মালাধাৰি প্ৰেমিকে সন্তৰ্পণে গুজি দিয়ে তাৰ সমান মায়াময়, সৌন্দৰ্যময়, মায়াগাথা আৰু হ'ব পাৰে জানো! মুঠৰ ওপৰত, ব'হাগ বিহুৰ সৌৰভে আবাল-বৃদ্ধ-বনিতা সকলোৰে অন্তৰৰ সোঁমাজত ৰণদুন্দভি বজায়। মানুহৰ আশা-হেঁপাহ-সপোনে ন-পোখা মেলে ৰঙৰ ভৰুণ পৃথিৱীখনত। কৈ থাকো মানে ওৰকে নপৰা ৰঙালীৰ কত যে কথা! সুন্দৰৰ আৰাধনাৰ লেছেৰি বুটলি, ইজনে-সিজনক তৃপ্তিত ডুবি ৰঙালীৰ বতৰত কত যে হৃদয়ৰ অৰ্গল খুলি ম'বাইলত মেছেজ দিয়ে! এইহেন বসন্তকালীন সময়ছোৱাত নাহৰ গছৰ ফুলৰ কি সুঘ্ৰাণ! ফুলে পলাশ, আমে হেজাৰ বিজাৰ মলিয়াই, কঁঠালেও আপোন মনে মুচি পেলায়, আকাশত মৃদু মধুৰ মেঘৰ খেলৰ আৰম্ভণিৰে বৰিষাৰ আগমনৰ সময় হয়। এই ৰঙালীৰ মহমহীয়া বতৰত। আমাৰ বাপতিসাহোন ৰঙালী বিহুৰ ঐতিহ্য আৰু পৰম্পৰা অতিকে প্ৰাচীন। বিহু

মূলতঃ কৃষিভিত্তিক অনুষ্ঠান। এই জাতীয় উৎসৱ অসমীয়া জাতিৰ আয়ুসৰেখা। অসমৰ সামাজিক গাঁথনিৰ দৰেই বিহু উৎসৱত আৰ্য, অষ্ট্ৰিক, আলপাইন আৰু মংগোলীয় সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে আৰু প্ৰত্যেক সভ্যতাৰে অৱদান বিহুৰ লগত এনেদৰে মিহলি হৈ পৰিছে যে এতিয়া সেই বৈশিষ্ট্যসমূহ সহজে পৃথক কৰা সম্ভৱ নহয়। হাবিৰ তলৰ বিহুক ৰাজকীয় মৰ্যাদা দিয়াৰ ক্ষেত্ৰত আহোম স্বৰ্গদেউসকলৰ বিশেষ ভূমিকা অনস্বীকাৰ্য। চুতীয়া ৰজাসকলৰো বিহুৰ পৃষ্ঠপোষকতাৰ কথা সৰ্বজনবিদিত। ইতিহাসে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ কলা-সংস্কৃতিৰ প্ৰীতিৰ কথা আমাক সোঁৱৰাই দিয়ে। তেখেতৰ বদান্যতাত বিহু হুঁচৰিয়ে ৰংঘৰৰ বাকৰিত স্থান পাইছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ নামো এইক্ষেত্ৰত সুঁৱৰিবলগীয়া। স্বৰ্গদেউসকলৰ বিহুৰ প্ৰতি ভালপোৱাৰ উমান পোৱা যায়-

*"স্বৰ্গদেউ উলালে বাটচ'ৰাৰ মুখলে*
*দুলীয়াই পাতিলে দোলা*
*কাণত জিলিকে কাণৰে জাংফাই*
*গাতে গোমচেঙৰ চোলা।"*

বিহুৰ বিৱৰ্তনৰ মাজতেই অসমীয়া সংস্কৃতিৰ উৎপত্তি আৰু গঠন প্ৰক্ৰিয়া জড়িত হৈ আছে। মানুহে কৃষিকৰ্মৰ সৈতে সংপৃক্ত হৈ থাকোতে যেতিয়া খেতি চপাই আনিছিল তেতিয়াই বিমল আনন্দ লভিছিল। তেনেকৈ সমূহীয়াকৈ আনন্দ ভগাই লোৱাৰ অচিলাতে এক ৰীতিলৈ পৰিৱৰ্তন হ'ল আৰু কালক্ৰমত বিহু উৎসৱত পৰিণত হ'ল। ড° লীলা গগৈয়ে 'অসমৰ সংস্কৃতি' শীৰ্ষক গ্ৰন্থখনত এনেদৰে কৈছে- "অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি, অসমীয়া সংস্কৃতিত অষ্ট্ৰিক আৰু মংগোলীয় সংস্কৃতিয়ে পলস পেলাই সাৰুৱা কৰি থৈ যোৱা বহল পথাৰতে আলপাইন আৰু আৰ্য সংস্কৃতিয়ে গা কৰি উঠিছিল। আৰ্যসকলে ক'ব খোজে বিহু শব্দটো বিষুৱ বা বিষুৱণ শব্দৰ পৰা আহিছে। এই ধাৰণাৰ সমৰ্থনত কেৱল বেদ শাস্ত্ৰকেইখনৰ উদ্ধৃতি দিয়াৰ বাহিৰে ইয়াৰ আন কোনো বৈজ্ঞানিক তথ্য নাই। বিহু শব্দটো বিষুৱ বা বিষুৱণ শব্দৰ পৰা আৰু সামবেদৰ বেয় শব্দৰ লগত অৰ্থ জড়িত বিসু শব্দৰ পৰা উৎপত্তি হোৱা হ'লে আজি আমি বিহু সৰ্বভাৰতীয় ৰূপত দেখিবলৈ পালোহেঁতেন। কিন্তু আজিৰ সময়ত প্ৰধানকৈ উজনি অসমৰ বাদে ভাৰতৰ আন ঠাইত বিহুনাচ আৰু পৰম্পৰা দেখিবলৈ পোৱা নাযায়।"

পৰিৱৰ্তন বোৱঁতী সুঁতিৰ দৰে। বিৱৰ্তনৰ চাকনৈয়াত তেনেই স্বাভাৱিক। ইয়াণ্ডাবু সন্ধিৰ অচিলা লৈ অসমত ব্ৰিটিছৰ শাসন ভাৱ আৰম্ভ হৈছিল। ব্ৰিটিছৰ ৰাজত্ব সাপেক্ষে অসমলৈ পশ্চিমীয়া সংস্কৃতিৰ আমদানি ঘটিছিল। অসমৰ থলুৱা সংস্কৃতিৰ ওপৰত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰিল। ক্ৰমশঃ অন্য এক বাটে পোনা মেলিলে। ১৯৪১ চনত মহেশ্বৰ নেওগৰ দৰে উদিয়মান ডেকাই শিৱসাগৰত গছতলৰ বিহু মঞ্চলৈ আদৰি আনে। ক্ৰমান্বয়ে চহা জীৱনৰ অংগাংগি হৈ বিহুৱে মঞ্চত ঠাই পালে। অসমীয়াৰ প্ৰাণৰ ৰঙালী বিহুটিক সময়তৰ

*বিহু অসমীয়াৰ আৱেগ। বিহুৰ ৰীতি-নীতি, পৰম্পৰাৰ কিছু সালসলনি হ'লেও বিহুৰ প্ৰতি টান প্ৰতিজন অসমীয়াৰ আছে। নৱপ্ৰজন্মই নিজৰ সংস্কৃতিৰ প্ৰতি আগ্ৰহী হৈ জাতিৰ স্বকীয়তা বজাই ৰখা আৰু উত্তৰ পুৰুষৰ বাবে সংৰক্ষণ কৰাৰ উদ্দেশ্যে আগবাঢ়ি আহিব লাগিব। আমি সততে মনত ৰাখিব লাগিব- সংস্কৃতি থাকিলেহে এটা জাতি স্বৰূপাৰ্থত জীয়াই থাকিব। জ্যোতিপ্ৰসাদৰ ভাষাত 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে।'*

আঁচোৰ পৰি আধুনিকতাই ঠাই পালে। অসমীয়া শিপিনীয়ে বৈ উলোৱা তাঁতশালৰ কাপোৰবোৰ লাহে লাহে অন্তৰ্ধান ঘটিল। মেচিনৰ মেৰপেছত সোমাল গামোচা, মেখেলা-চাদৰ। বৰ্হিৰাজ্যৰ পৰা আমদানি কৰা হ'ল গামোচাসহ অনেক সামগ্ৰী। থলুৱা শিল্পীয়ে মাধমাৰ খালে।

ঠিক তেনেদৰে বিহুনাম, বিহুনাচ সকলোতে আধুনিকতাৰ পৰশে চুমি গ'ল। বিহুনামৰ ঠাই বিহুসুৰীয়া গীত হ'ল। মঞ্চ বিহুত সাংস্কৃতিক সন্ধিয়াৰ পয়োভৰ ঘটিল। লাখে লাখে টকা দি গায়ক গায়িকাক নিমন্ত্ৰণ কৰা হ'ল। বিহুৰ আনন্দৰ লহৰ কালৰ কুটিল গতিত অন্যফালে ঢাল খাব ধৰিছে। থলুৱা বাদ্য ঢোল, পেঁপা, গগনা, সুতুলি আদিৰ ঠাইত পশ্চিমীয়া কী'বৰ্ড, গীটাৰৰ সংযোগ ঘটিল। মঞ্চ বিহুত বিহু প্ৰদৰ্শনতকৈয়ো বিভিন্ন প্ৰতিযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায় আৰু এই বিহু মূলতঃ দৰ্শকক আমোদ দিবলৈ কৰা হয়। নীতি নিৰ্দেশনা আওতাত লাহেকৈ বিহু সোমাই পৰিল। ফলত বিহু নৃত্য গীতে এক প্ৰদৰ্শনমূলক কলাৰ ৰূপ লয়। মঞ্চ বিহুৰ জনপ্ৰিয়তাৰ কোবত প্ৰকৃত গছতলৰ বিহু বিলুপ্তপ্ৰায় হৈ পৰে। লক্ষ্যণীয় কথা এই যে- দৃশ্য শ্ৰব্যৰ মাধ্যমৰ মাজেদি প্ৰদৰ্শিত বিহুসূৰীয়া গীত-মাত নতুন প্ৰজন্মৰ মাজত অতিকৈ জনপ্ৰিয় হোৱা দেখা গ'ল।

সময়ৰ ধামখুমায়াত পৰি সংস্কৃতিয়েও মোট সলাব ধৰিছে। মুঠতে বিহু আহি আহি বিৱৰ্তনৰ বিভিন্ন স্তৰ অতিক্ৰমী আজিৰ এই অৱস্থা পাইছেহি। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন পটভূমিত বিহুৰ স্বকীয় বৈশিষ্ট্যত দেখ দেখ পৰিৱৰ্তন চকুত পৰাটো স্বাভাৱিক। চকুৰ পচাৰত দেখা গৈছে বিহুৰ বজাৰকেন্দ্ৰিকতা। বিহু এতিয়া কেৱল উৎসৱ নহয়, ই এক বাণিজ্যিক ৰূপ ধাৰণ কৰিছে য'ত বিহুৰ পোচাক তথা অনুষ্ঠানসমূহৰ চৰ্চা বেছি হয়। বিহু মঞ্চবোৰত বহুজাতিক কোম্পানীৰ বেনাৰ-পোষ্টাৰ আদি দেখা যায়।

বিহু অসমীয়াৰ আৱেগ। বিহুৰ ৰীতি-নীতি, পৰম্পৰাৰ কিছু সালসলনি হ'লেও বিহুৰ প্ৰতি টান প্ৰতিজন অসমীয়াৰ আছে। নৱপ্ৰজন্মই নিজৰ সংস্কৃতিৰ প্ৰতি আগ্ৰহী হৈ জাতিৰ স্বকীয়তা বজাই ৰখা আৰু উত্তৰ পুৰুষৰ বাবে সংৰক্ষণ কৰাৰ উদ্দেশ্যে আগবাঢ়ি আহিব লাগিব। আমি সততে মনত ৰাখিব লাগিব- সংস্কৃতি থাকিলেহে এটা জাতি স্বৰূপাৰ্থত জীয়াই থাকিব। জ্যোতিপ্ৰসাদৰ ভাষাত 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে।' সংস্কৃতি বোৰঁতী নৈ হয়, গতিকে নৈয়ে সময়ৰ লগে লগে গতি সলাবই। ই তেনেই স্বাভাৱিক। কিন্তু আমি যেন শিপা উভালি পৰাৰ উপক্ৰম হৈছে। পিছে মূল অবিহনে জীয়াই থকাটো জানো সম্ভৱ! অসমীয়া সংস্কৃতিৰ পৰিচায়ক হেঁপাহৰ ৰঙালী বিহুটি যাতে অপসংস্কৃতিলৈ পৰ্যবক্ষিত নহয় তাৰ বাবে প্ৰত্যেক অসমীয়াই অধিক দায়বদ্ধ হোৱাটো খুবেই জৰুৰী বিষয়।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

### আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com



# ব'হাগ অসমীয়া জাতিৰ আয়ুসৰেখা

— মিণ্টু (অভিজ্ঞান) বৈশ্য

ব'হাগ, অসম আৰু অসমীয়াৰ গভীৰ উশাহ। সৌ তাহানিৰে পৰা আদৰ্শৰ আঁত ধৰি ব'হাগে আছে জাতিটোৰ সাৰথি হৈ। সেয়েহে লুইত পুত্ৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে কয়-

*ব'হাগ মাথোঁ এটি ঋতু নহয়*
*নহয় ব'হাগ এটি মাহ*
*অসমীয়া জাতিৰ ই আয়ুস ৰেখা*
*গণ জীৱনৰ ই সাহ।*

ব'হাগ অসমীয়া জনজীৱনৰ হৃদস্পন্দন। এই ব'হাগেই লঠঙা বিৰিখক সেউজীয়া সাজেৰে সজাই সেউজমতী কৰি তোলে। চেতনাৰ প্ৰৱাহস্থলীত এই ব'হাগেই নব্য সম্ভাৱনা সিঁচে। সেয়েহে ব'হাগ লুইতৰ ঢৌৱে ঢৌৱে তৰংগায়িত। পখীৰ কলৰৱতো ব'হাগ উদ্ভাসিত। আইতাৰ তাঁতশালত ব'হাগে আঁকে নৱ নৱ চিত্ৰ। কোনোবা গাভৰুৰ মনৰ প্ৰান্তৰত ব'হাগে গায় নিত্য প্ৰত্যাশাৰ গান। ব'হাগ আৰু খেতিয়কৰ মাজতো আছে এক নিবিড় সম্পৰ্ক। যদিওবা আজিৰ ব'হাগ সৌ তাহানিৰ নহয়। তাহানিৰ ব'হাগ আছিল মুকলিমূৰীয়া, নাছিল কোনো সংশয়। আজিৰ ব'হাগ চিন্তাক্লিষ্ট। ভাৰাক্ৰান্ত। ব্ৰিটিছৰ অপশাসনৰ কবলত পৰি পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ এচাম সুবিধাবাদীয়ে বিহুটোক বিঘ্নিত কৰিছিল। যাৰ ফলশ্ৰুতিত পথাৰৰ ব'হাগ গৈ মঞ্চত উঠিছিল। এইখিনিতে এটা প্ৰশ্ন মঞ্চ বিহুৰ প্ৰয়োজন কি

আছিল? বিহুটোক কৃত্রিমতাৰ গৰাহলৈ ঠেলি দিয়াৰ বোধকৰোঁ কোনো আৱশ্যক নাছিল। বোধকৰোঁ সংস্কৃতিৰ সোঁত সলনি হয়, কোনোকালে স্থবিৰ নহয়। কিন্তু বিহুটোৰ স্বকীয় মৰ্যাদা অক্ষুণ্ণ ৰখাটো অসমীয়াৰ গধুৰ দায়িত্ব। এয়া ব'হাগৰ স্বকীয় স্বৰূপ নাছিল। হলিৰাম ঢেকিয়াল ফুকনে বিহুক অশোভন বুলি নিন্দা কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনেও বিহুক ব্যাভিচাৰ আখ্যা দিছিল। কবি তথা বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱা আৰু আসাম বান্ধৱে বিহুৰ পৰিৱৰ্তে দুৰ্গা পূজা অনুষ্ঠিত হ'ব লাগে বুলি মতপোষণ কৰিছিল। ১৮৯৮ চনত বুদ্ধিন্দ্ৰনাথ দিহিলিয়াল ভট্টাচাৰ্যই বিহুক নিষিদ্ধ কৰিবলৈ ব্ৰিটিছ চৰকাৰ আৰু প্ৰশাসনক আহ্বান জনাইছিল আৰু সেই আহ্বান ব্ৰিটিছ চৰকাৰে গ্ৰহণ কৰি এচাম তোষামোদ কাৰী বিষয়াৰ সৈতে মিলিত হৈ বিহুক নিষিদ্ধ কৰিছিল। সেই সময়তে কিন্তু ঢোলৰ ওজা মৈমত টাটিঙা হাজৰিকা আৰু চেনি গাভৰুই গুৱাহাটীত গৰ্ডন চাহাবৰ আগত বিহু নাচি প্ৰমাণ কৰিছিল- বিহু নাচত অশ্লীলতাৰ পৰিৱৰ্তে অসমীয়াৰ অস্তিত্ব আছে। জীৱনৰ কলাত্মক উপস্থাপন আছে। উল্লেখযোগ্য যে মৈমত টাটিঙা হাজৰিকা এজন মুচলমান ব্যক্তি আছিল। এইখিনিতে মনলৈ আৰু এটি চিন্তা আহিছে, ধৰ্মযুদ্ধ, তথা বৰ্ণযুদ্ধই নকৈ যেন ভাইৰাছ হৈ বিয়পিছে অসমীয়াৰ মনত। মুচলমান বিদ্বেষ আৰু এক বৃহৎ যুদ্ধ সাম্প্ৰতিক সময়ৰ যেন মাৰাত্মক ৰোগ। এই ৰোগে এদিন অসমীয়াৰ অস্তিত্ব বিপন্ন কৰাটো নিশ্চিত। সেয়া নৌহওঁতেই আমি বিচাৰোঁ ৰাম আৰু ৰহিমে একেখন গামোচাকে লৈ একেটি সুৰতেই বাঁহীটি বজাই স্বজাতিৰ কল্যানৰ গীতকে জুৰক। এইদৰে,

*লুইতৰে পাৰৰে আমি অসমীয়া*
*নহওঁ মুচলমান হিন্দু*
*জাতিৰ নিচিনা নাই কোনো জনা*
*সবাই লগ হৈ চাফ চাফ কৰোঁ*
*বিহুৰ এই আনন্দ।*

যিদৰে বিহুক লৈ বহুজনেই অপবাদ দিছিল তাৰ সমান্তৰালকৈ এদল যোদ্ধাই বিহুক জীয়াই ৰাখিবলৈও অক্লান্ত চেষ্টা কৰিছে, সেয়া শলাগনীয়। লক্ষ্মীনাথ বেজবৰুৱাই লিখিছিল, বিহুৱে কাকো দুখ নিদিয়ে। সকলোকে ৰং দিয়ে। সেই দেখি বিহুক লোকে হাঁহে, বেয়া পায়। পশ্চিমবঙ্গৰ বিশিষ্ট লোক সংস্কৃতিৰ গৱেষক হেমাংগ বিশ্বাস ডাঙৰীয়াই লিখিছে-

"অসমত যি নাই, বিহুনামত/বিহুগীতত সি নাই। বিহুনামত/বিহুগীতত যি আছে, অসমত সিয়েই আছে।" বিহু জাতীয় সম্প্ৰীতিৰ বাহক। চৈয়দ আব্দুল মালিকৰ 'সূৰ্য্যমুখী ফুলৰ স্বপ্ন'ত বিহুৰ অনন্য স্বৰূপ প্ৰকাশিত হয়। বিহুগীতৰ অমিয় ধাৰা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত ড° ভূপেন হাজৰিকা, খগেন মহন্তকে আদি কৰি বহু শিল্পীৰ কষ্ট উল্লেখযোগ্য। তাৰোপৰি জুবিন গাৰ্গ, ভিতালী দাস আদি প্ৰাণৰ শিল্পীও বিহুগীতৰ আধুনিক ধাৰাটি জনমানসত প্ৰতিষ্ঠা কৰে।

*হেমাংগ বিশ্বাসে বৰ সুন্দৰকৈ এটা কথা প্ৰকাশ কৰিছে- "ধৰ্ম প্ৰভাৱমুক্ত ইহজাগতিকতা আৰু শ্ৰমশীল জীৱনৰ প্ৰতি অসীম মমতাই বিহুৰ স্বকীয় দৰ্শন"। এইখিনিতে ৰামকুমাৰে তিনিটা বিহুৰ ভিতৰত কৈছে "ইহাৰ মধ্যে চৈত্ৰ বিহুকেই জাতীয় পৰ্ব বলা যাইতে পাৰে।" লেখক প্ৰসেনজিৎ চৌধুৰীয়ে ৰামকুমাৰৰ এই বাক্য উদ্ধৃত কৰি কৈছে যে, "খুউব সম্ভৱ ব'হাগ বিহুক প্ৰকৃত অৰ্থত জাতীয় উৎসৱৰ মৰ্যদা দিয়া প্ৰথম মানুহজন বংগদেশীয় ব্ৰাহ্ম প্ৰচাৰক ৰামকুমাৰ বিদ্যাৰত্ন। কিয়নো ১৮৮১ চনৰ পূৰ্বে কোনোবাই নিঃসংকোচে ব'হাগ বিহুক জাতীয় উৎসৱ বুলি অভিহিত কৰাৰ তথ্য আমি এতিয়ালৈকে পোৱা নাই।"*

হেমাংগ বিশ্বাসে বৰ সুন্দৰকৈ এটা কথা প্ৰকাশ কৰিছে- "ধৰ্ম প্ৰভাৱমুক্ত ইহজাগতিকতা আৰু শ্ৰমশীল জীৱনৰ প্ৰতি অসীম মমতাই বিহুৰ স্বকীয় দৰ্শন"। এইখিনিতে ৰামকুমাৰে তিনিটা বিহুৰ ভিতৰত কৈছে "ইহাৰ মধ্যে চৈত্ৰ বিহুকেই জাতীয় পৰ্ব বলা যাইতে পাৰে।" লেখক প্ৰসেনজিৎ চৌধুৰীয়ে ৰামকুমাৰৰ এই বাক্য উদ্ধৃত কৰি কৈছে যে, "খুউব সম্ভৱ ব'হাগ বিহুক প্ৰকৃত অৰ্থত জাতীয় উৎসৱৰ মৰ্যদা দিয়া প্ৰথম মানুহজন বংগদেশীয় ব্ৰাহ্ম প্ৰচাৰক ৰামকুমাৰ বিদ্যাৰত্ন। কিয়নো ১৮৮১ চনৰ পূৰ্বে কোনোবাই নিঃসংকোচে ব'হাগ বিহুক জাতীয় উৎসৱ বুলি অভিহিত কৰাৰ তথ্য আমি এতিয়ালৈকে পোৱা নাই।" আজিৰ বিহু প্ৰতিযোগিতামুখী, ব্যৱসায় কেন্দ্ৰিক। আজি ডেকা গাভৰুৱে ৰাতি এপৰলৈকে গাঁৱে গাঁৱে গৃহস্থৰ কুশলাৰ্থে হুঁচৰি নাগায়। চান্দাৰ লালসাই মোহাচ্ছন্ন কৰা এচাম অসমীয়াই আজি বিহুটোৰ স্বাভিমান ব্যাহত কৰাটো পৰিলক্ষিত হয়। বিহুটোক অত্যধিক প্ৰতিযোগিতামুখৰ কৰি সাধাৰণ দুখীয়া অৰ্থনৈতিকভাৱে দুৰ্বল মানুহখিনিৰ পৰা যেন আঁতৰাই ৰখা হৈছে। ইয়াত মাথোঁ ধনী ব্যৱসায়ী তথা প্ৰতিষ্ঠানসমূহক অগ্ৰাধিকাৰ দিয়া হৈছে য'ত অসমীয়াৰ বাপতিসাহোন বিহুটোৰ স্বকীয় অস্তিত্ব বিপদাপন্ন হৈছে। আজিৰ গাভৰুৱে তাঁতশাল/মাটিশালত বৈ চেনাইক বিহুৱান নিদিয়ে। তাৰ পৰিৱৰ্তে বজাৰৰ মেচিনত বোৱা গামোচা উপহাৰ দিয়ে। আজি ঢেঁকীশালত শুনিবলৈ পোৱা নাযায়,

*"ঢেঁকী দি থাকোঁতে তোলৈ মনত পৰে,*
*বাঢ়নী হাতত লৈ কান্দো...*
*আবৈ ধান লেচীয়া বানিবি কেতিয়া,*
*কুলাতকৈ চালনী ঘন... ।"*

আজিকালি অতি দুৰ্ভাগ্যজনকভাৱে এইখন অসমতে গৰু বিহুৰ দিনাখন কুকুৰক গা ধুওৱাও দেখা যায়। জীৱ প্ৰেম কৰাটো আৱশ্যক। কিন্তু অত্যাধুনিকতাৰ কবলত পৰি অসমীয়াই নিজৰ বিনাশকাল নিজেই মাতি আনিছে, সেয়েহে সুধাকণ্ঠই গীতৰ কথাৰে স্বজাতিক সাৱধান বাণী শুনাই এইদৰে,

*আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্ত্বনা লভিলে নহ'ব,*
*আজিৰ অসমীয়াই নিজক নিচিনিলে*
*অসম ৰসাতলে যাব... ।*

সেই হেতুকে হতাশগ্ৰস্ত হৈ দুচকুত বিৰহৰ জুই লৈ মহেন্দ্ৰ হাজৰিকাদেৱে গীতৰ কথাৰে কয়,

*কঙালী পঠিয়ালো সুখে-দুখে*
*ভোগালীত হেৰালে ভোগ*
*এইহেন ৰঙালীও কঙাল কৰিলে কোনে*
*জুই জ্বলিছে দুচকুত... ।*

আজি জেতুকা পাতৰ বোলৰ পৰিৱৰ্তে নাচনীয়ে হাতত আল্টা, মেহেন্দী লগাই। খোপাত প্লাষ্টিকৰ কপৌফুল পিন্ধে। বৰ্হমথুৰি বহু সংখ্যকে চিনিয়েই নাপায়। মাথোঁ বাহ্যিক আড়ম্বৰতা ৰক্ষা কৰিবলৈহে বিহুটি উদযাপিত হয় যেন বোধ হয়। শেষত যি ব'হাগে জাতিটোৰ মন প্ৰাণ ধোৱাই চিৰপ্ৰশস্ত কৰি ৰাখে আমি সেই ব'হাগেই বিচাৰোঁ। আমি সেই বিহু বিচাৰোঁ যি কেৱল ফাংচন নহয়। ক্লান্তজনৰ অশ্ৰু মচি স্বজনক শান্ত, সজীৱ, নিৰোগী কৰি ৰখাই যেন বিহুৰ মূল লক্ষ্য হওঁক। বিহু জাতিটোৰ জীয়াৰ শক্তি হৈ থাকক। বিহু ফাংচনৰ নামত যুৱ শক্তি উশৃংখলিত কিম্বা পতিত নহওক। যুৱ শক্তি উদ্যমী হৈ বিহুটিক জীয়াই ৰখাৰ হেতু প্ৰতিজ্ঞাবদ্ধ হওঁক। ব'হাগ অসম আৰু অসমীয়াৰ গৌৰৱৰ বাহক হৈ থাকক। অন্ততঃ সুধাকণ্ঠৰ ভাষাৰেই ক'ব বিচাৰিছোঁ,

*বিহুটি বছৰি আহিবা*
*অসমী আইকে জগাবা*
*বিপদৰ কালতো মাহ-হালধিৰে*
*জাতিটোৰ দেহ মন ধোৱাবা।*




## অসমীয়া সমাজৰ বাপতিসাহোন ব'হাগ বিহুৰ

# অন্য এক দিশ- সাত বিহু

— ড° ৰমেশ কুমাৰ

অসমৰ ভৌগোলিক আৱেষ্টনীৰ মাজত বসবাস কৰা, বিভিন্ন ধৰ্মাৱলম্বী আৰু বিভিন্ন ভাষা-ভাষী লোকসকলে অসমৰ নাগৰিক হিচাপে, জাতীয় পৰিচয় অটুট ৰখাৰ বাবে পালন কৰা উৎসৱসমূহৰ ভিতৰত ব'হাগ বিহুৰ স্থান অস্বীকাৰ্য বাবেই চাগৈ ব'হাগ বিহুক অসমৰ বাপতিসাহোন বিহু নাইবা অসমৰ জাতীয় উৎসৱ বোলা হয়।

অসমৰ লগতে ভাৰত তথা বিশ্বৰ বিভিন্ন স্থানত বাসকৰা অসমীয়ামূলৰ লোকসকলে নিজা নিজা বাসস্থানৰ স্থানত একত্ৰিত হৈ বিহু পালন কৰা দেখা যায়। অসমীয়া সমাজত উদযাপন কৰা কাতিবিহু বা কঙালী বিহু, মাঘবিহু বা ভোগালী বিহু আৰু ব'হাগ বিহু বা ৰঙালী বিহুৰ এক বিশেষ বৈশিষ্ট্য হ'ল, জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো লোকে বৰ আদৰেৰে বিহু পালন কৰে। অৱশ্যে ব'হাগ বিহুৰ স্থান অলপ সুকীয়া। কাৰণ তিনিওটা বিহুৰ ভিতৰত ব'হাগ বিহুত অসমীয়া মূলৰ মানুহৰ মাজত উলহ-মালহ যথেষ্ট হোৱা দেখা যায়।

অসমৰ জনসমাজৰ লগতে বিহু বিশেষজ্ঞসকলৰ বিশ্বাস কৰে যে বিহু মূলতঃ এক কৃষি ভিত্তিক উৎসৱ। দৰাচলতে অসম এখন কৃষি ভিত্তিক অৰ্থনীতি। দৰাচলতে অসম এখন কৃষি ভিত্তিক অৰ্থনীতি। কৃষিৰ লগত সম্পৰ্ক ৰাখি অসমত তিনিটা বিহু পালন কৰা হয়। এই বিহু তিনিটা হ'ল- ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু।

অসমৰ সমাজখনৰ সাংস্কৃতিক জগতখনৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যায় যে ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰাই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ বিভিন্ন নৃগোষ্ঠীয় লোকসকলে তেওঁলোকৰ নিজা নিজা উৎসৱ-অনুষ্ঠানসমূহ পালন কৰি আহিলেও সাম্প্ৰতিক সময়ত জাতি-ধৰ্ম-নিৰ্বিশেষে অসমৰ সকলো খিলঞ্জীয়া মানুহে বিহুক সমন্বয়ৰ প্ৰতীক সদৃশ জাতীয় উৎসৱ বুলি আদৰি লোৱা দেখা যায়। ভাৰতবৰ্ষৰ বিভিন্ন স্থানত বসবাস কৰা অসমীয়া মানুহৰ অন্যতম সাংস্কৃতিক পৰিচয় হ'ল 'বিহু'। এসময়ত বিহু আছিল মুকলি পথাৰ নাইবা গছতলত ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালীসকলে বিহুগীত গাই নাচি-বাগি আনন্দ-ফূৰ্তি কৰা এটি উৎসৱ। এতিয়া কিন্তু বিহু গছতলৰ

পৰা মাথোঁ ষ্টেজলৈ প্ৰৱেশ কৰিয়েই ক্ষান্ত থকা নাই। এতিয়া বিহু সংস্কৃতি দূৰদৰ্শন-ইণ্টাৰনেটটো প্ৰৱেশ কৰিলে। তদুপৰি প্ৰৱাসী অসমীয়াসকলৰ আন্তৰিক প্ৰচেষ্টাত বিহু সংস্কৃতি সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বিদেশৰ বিভিন্ন মঞ্চটো আদৰ সমাদৰ পাবলৈ সমৰ্থ হৈছে।

বিশেষজ্ঞসকলে বিভিন্ন গৱেষণাৰ পৰা মতপোষণ কৰিছে যে বিহু মূলতঃ মংগোলীয় ঠাল-ঠেঙুলিসকলৰ উৎসৱ। অষ্ট্ৰিকসকলৰ পিছতে অসমৰ ভূ-খণ্ডলৈ অহা তিব্বতবৰ্মী আৰু তাইসকলে বিহুক অসমৰ জাতীয় উৎসৱৰূপে প্ৰতিষ্ঠা কৰিছিল। অসমৰ অন্যতম অংগ বড়োসকলৰ মাজত কাতিগাছা (কাতি বিহু), দোমাছি (ভোগালী বিহু), বৈছাগু বা বাইছাগু (ব'হাগ বিহু) আদিৰ প্ৰচলন আছে। অসমীয়া সমাজৰ আন এটি গুৰুত্বপূৰ্ণ জনজাতি মিচিংসকলে আলি-আয়ে-লৃগাংৰ লগতে কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু পালন কৰে। অসমীয়া সমাজত গুৰুত্বপূৰ্ণ স্থান দখল কৰা চুতীয়া, মৰাণ, মটক, কছাৰী, ডিমাচা, তিৱা, ৰাভা আদি আৰু তাইসকলে বিহুক বৈছাগু, বিছু, বুচু, বিছুৱা, দোমাহী, পয়হু, পিহু আদি বিভিন্ন নামেৰে প্ৰাক-ঐতিহাসিক দিনৰে পৰা পালন কৰি আহিছিল। এই সকলোবোৰ উৎসৱেই বসন্তকালীন আৰু কৃষিভিত্তিক উৎসৱ।

মংগোলীয়সকলৰ ভিতৰত চুতীয়াসকলে উজনি অসমৰ শদিয়া অঞ্চলক কেন্দ্ৰ কৰি আহোমসকল অহাৰ বহু আগতেই এখন শক্তিশালী ৰাজ্য স্থাপন কৰিছিল। চুতীয়াসকলৰ ৰাজত্ব কালতেই এই ভূ-খণ্ডত পোনপ্ৰথমে বিহুৱে পোখা মেলিছিল আৰু পৰৱৰ্তী সময়ত আহোমসকলে ইয়াৰ লালন-পালন কৰিছিল। ড° পৰন চন্দ্ৰ শইকীয়াই ৰচনা কৰা 'দেউৰী চুতীয়া'ত তথ্য সহকাৰে উল্লেখ কৰিছে যে, 'চুতীয়া ভাষাত বিহুক (বিচু) বুলি কোৱা হয়। 'বি' মানে অতি, 'চু' মানে আনন্দময় বুজায়। গতিকে, 'বিচু' শব্দটি কালক্ৰমত অপ্ৰভংশ হৈ 'বিহু' শব্দৰ উৎপত্তি হৈছে।' বিহু বিষয়ৰ ওপৰত গবেষণা কৰা গৱেষক ডিম্বেশ্বৰ গগৈয়ে মত প্ৰকাশ কৰিছে যে, টাই ভাষাৰ 'পয়হু' শব্দই গো-পূজা বা গো-উৎসৱ বুজায়। 'পয়' মানে উৎসৱ আৰু 'হু' মানে গৰু।... ব'হাগ বিহুৰ আগদিনা গৰুক গা-ধুৱাই গো-পূজা কৰা আৰু পবিত্ৰ গৰুৰ ছালৰ বাদ্যক আগস্থান দি গো-পূজাৰ দৰে সন্মান জনোৱা হয় বাবে এই উৎসৱক (পয়হু) বোলা হয়। সেই (পয়হু) শব্দৰ অপভ্ৰংশই (বিহু) হোৱা বুলি কৰা ধাৰণা ভিত্তিহীন বুলিব নোৱাৰি। 'বিচু' নাইবা 'পয়হু', য'ৰ পৰাই বিহুৰ উৎপত্তি নহওক কিয়, বিহু মূলতঃ মংগোলীয়সকলৰ অৱদান। বহুলোকৰ লোকবিশ্বাস যে দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিহুৰ বীজ নিহিত হৈ থকা বাবেই চুতীয়াসকলৰ ৰাজত্বৰ পতন হৈছিল। আনহাতে, আহোমসকলে এই বিহুৰ জৰিয়তেই চলেৰে মোৱামৰীয়াৰ হাতৰ পৰা আহোম ৰাজ্য উদ্ধাৰ কৰিছিল আৰু চুতীয়া ৰাজ্যও জয় কৰিবলৈ সমৰ্থ হৈছিল। আহোমসকলৰ শাসন কালত বিহুৱে অধিক বিস্তৃতি লাভ কৰে। 'সাত ৰাজ মাৰি এক ৰাজ কৰা' আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বিহু সংস্কৃতিয়ে এক অনন্য মাত্ৰা লাভ কৰিবলৈ সমৰ্থ হৈছিল।

জয়ধবজ সিংহৰ ৰাজত্ব কালত অসম আক্ৰমণকাৰী মিৰজুমলাৰ লগত অহা পাৰ্চী ইতিহাসবিদ চিহাবুদ্দিন তালিচে তেঁওৰ অসম সম্বন্ধীয় টোকাত স্বৰ্গদেউসকলৰ বিহুপ্ৰীতিৰ কথা উল্লেখ কৰিছে। এই টোকাৰ পৰাই স্বৰ্গদেউসকল যে বিহুৰ প্ৰতি আনুগত্যশীল আছিল তাক অনুমান কৰিব পাৰি।

জমিলি নামৰ আন এজন ভ্ৰমণকাৰীয়ে লিখিথৈ যোৱা মতে আহোম স্বৰ্গদেউসকলে ৰংঘৰৰ বাকৰিত বিহুনৃত্য উপভোগ কৰিছিল।

স্বৰ্গদেউসকলৰ দিনতেই পথাৰ আৰু গছতলৰ বিহু আহি ৰংঘৰৰ বাকৰি পাইছিলগৈ। বুৰঞ্জীত উল্লেখ নাথাকিলেও জনমতৰ মতে স্বৰ্গদেউ ৰুদ্ৰসিংহই পোনপ্ৰথমে বিহুক জাতীয় উৎসৱ হিচাপে ৰাজকীয় মৰ্যদা দিছিল। গতিকে ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ ফলতেই আজি আমি

বিহুটিক জাতীয় উৎসৱ হিচাপে পালন কৰিবলৈ পাইছোঁ।

বিভিন্ন জনগোষ্ঠীয়ে বিহু পালন কৰিলেও আহোম ৰাজত্বৰ দিনলৈকে বিহুয়ে উজনি অসমত যিদৰে সমাদৰ পাইছিল একেদৰে নামনি অসমৰ জন সমাজক বিহুৱে কুৰি শতিকাৰ পঞ্চাশৰ দশকলৈকে প্ৰভাৱ পেলাব পৰা নাছিল। আহোমসকলৰ পৰৱৰ্তী সময়ত ব্ৰিটিছৰ শাসনকালত বিহুৱে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল অধিক। তথাপিও বিহুৱে অসমৰ প্ৰধান উৎসৱৰ মৰ্যদা হেৰুওৱা নাছিল। অসমৰ গাভৰুৰ দেহত- নাচত 'Wanton Movement, দেখা পালেও ব্ৰিটিছ লেখক উইলিয়াম ৰবিনছনকে আদি কৰি বহুজনে বিহুক অসমৰ প্ৰধান উৎসৱ বুলিয়ে অভিহিত কৰি গৈছে। ব্ৰিটিছ লেখক উইলিয়াম ৰবিনছনৰ লিখনিত অসমৰ দুটা বিহুৰ কথাহে উল্লেখ আছে। উইলিয়াম ৰবিনছনে তেঁওৰ 'A Descriptive Account of Assam' গ্ৰন্থত বিহুৰ বিষয়ে লিখিছে, 'The Assamese have two principal festivals, called Bihu. The first festival of the year termed the Baisak Bihu and is celebrated in the first three days of Baisak. On this occasion people devote the whole of the first day to mutual visit and compliment, as Europeans to the first day of the year.'

অসমৰ জাতীয় উৎসৱ বিহুক লৈ এটা সময়ত যথেষ্ট বাক-বিতণ্ডাৰো সৃষ্টি হোৱা চকুত পৰে। বিশেষকৈ, পাশ্চাত্যৰ ন-শিক্ষাৰে শিক্ষিত তথা কলিকতীয়া সংস্কৃতিত দীক্ষিত কিছু মধ্যবিত্ত লোকে বিহুক অশ্লীল বুলি অভিহিত কৰিছিল। এই সকলৰ ভিতৰত বাংলাভাষাত আসাম বুৰঞ্জীৰ প্ৰণেতা হলিৰাম ঢেকীয়াল ফুকন, গুনাভিৰাম বৰুৱা, কমলাকান্ত ভটাচাৰ্য আদি আছিল অন্যতম। আনহাতে প্ৰথম অসমীয়া কাকত 'অৰুণোদই' আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত তাৰানাথ চক্ৰৱৰ্তীৰ 'অসম বান্ধৱ'ৰ দৰে সংবাদপত্ৰও আছিল বিহু-বিৰোধী। মাহেকীয়া কাকত 'আসাম বান্ধৱ' আৰু কবি বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাৰ দৰে লোকে এঢাপ ওপৰলৈ উঠি বিহুৰ পৰিবৰ্তে অসমৰ জাতীয় উৎসৱ 'দুৰ্গা পূজা' হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল।

১৮২৯ চনতেই হলিৰাম ঢেকিয়ায়াল ফুকনে বিহুৰ বিৰুদ্ধে বিযোদগাৰ কৰিলেও, আচল প্ৰত্যাহবান আহিল ১৮৯৮ চনত। এই বৰ্ষতে প্ৰথম ইংৰাজী-অসমীয়া অভিধান প্ৰণেতা বুদ্ধীন্দ্ৰনাথ ভটাচাৰ্যই ৰাষ্ট্ৰীয় পৰ্যায়ৰ 'The National Guardian' কাকতত বিহুক 'notorious' আখ্যাৰে "The Assamese Bihoo" শীৰ্ষক প্ৰবন্ধ লিখি ইয়াক নিষিদ্ধ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক আবেদন জনাইছিল। ভটাচাৰ্যৰ কথা মতেই ব্ৰিটিছ চৰকাৰে বিহুক নিষিদ্ধকৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে। কিন্তু সেই সময়ৰ নগাঁও আদালতৰ তৰণী আনন্দ দাসৰ উদ্যোগত পুৰণিগুদাম অঞ্চলৰ হালোৱা

*বিশেষজ্ঞসকলে বিভিন্ন গৱেষণাৰ পৰা মতপোষণ কৰিছে যে বিহু মূলতঃ মংগোলীয় ঠাল-ঠেঁগুলিসকলৰ উৎসৱ। অষ্ট্ৰিকসকলৰ পিছতে অসমৰ ভূ-খণ্ডলৈ অহা তিব্বতবৰ্মী আৰু তাইসকলে বিহুক অসমৰ জাতীয় উৎসৱৰূপে প্ৰতিষ্ঠা কৰিছিল। অসমৰ অন্যতম অংগ বড়োসকলৰ মাজত কাতিগাছা (কাতি বিহু), দোমাছি (ভোগালী বিহু), বৈছাগু বা বাইছাগু (ব'হাগ বিহু) আদিৰ প্ৰচলন আছে। অসমীয়া সমাজৰ আন এটি গুৰুত্বপূৰ্ণ জনজাতি মিচিংসকলে আলি-আয়ে-লৃগাংৰ লগতে কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু পালন কৰে।*

গাঁৱৰ ঢোলৰ ওজা মৈমত টাটিঙা হাজৰিকা আৰু তেখেতৰ ভনীয়েক চেনি গাভৰুৱে অন্য কেইজনমান সহযোগীৰ সৈতে গুৱাহাটীত গৰ্ডন চাহাবৰ আগত বিহু নাচি প্ৰমাণ কৰিছিল যে, বিহু নাচত অশ্লীলতাৰ পৰিৱৰ্তে অসমীয়া জনজীৱনৰ কলাত্মক উপস্থাপনহে আছে।

উল্লেখযোগ্য যে, মৈমত টাটিঙাক ধৰ্মসূত্ৰে মুচলমান বুলি জনা যায়। এই কথাই ইয়াকো প্ৰমাণ কৰে যে বিহু ধৰ্ম বা বৰ্ণৰ মাজতে সীমাবদ্ধ নাছিল, সকলো কৃষিজীৱী মানুহৰ হৃদয়ৰহে আছিল। উদাৰ আৰু গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰতিভূ হিচাপে বিহুৱে উজনিৰ পৰা মধ্য অসম হৈ নামনিলৈও জনপ্ৰিয়তা লাভ কৰি জাতীয় উৎসৱৰ মৰ্যদা পাবলৈ সক্ষম হ'ল।

বিহুক বিৰোধীতা কৰা বহুজনৰ বিপৰীত মেৰুত অৱস্থান কৰি ইয়াৰ প্ৰতিষ্ঠা কৰিবলৈ ব্ৰতী আছিল অসমৰে সুযোগ্য সন্তানসকল। এইক্ষেত্ৰত বিলাত ফেৰৎ অভিযন্তা বলিনাৰায়ন বৰা, পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈৰ দৰে অসমৰ মহান ব্যক্তিসকলৰ নাম বিশেষভাৱে প্ৰণিধানযোগ্য। সাহিত্যৰথী বেজবৰুৱা আছিল ইয়াৰ সবল নেতৃত্বত। অৱশ্যে বেজবৰুৱাইও ৰত্নেশ্বৰ মহন্তৰ দৰে বেয়াখিনি আঁতৰাই শুদ্ধ অমৃত পিয়াত বিশ্বাসী আছিল। পৰৱৰ্তী যুগত জ্যোতিপ্ৰসাদ আগৰৱালা, হেমাংগ বিশ্বাসৰ দৰে ব্যক্তিত্বও আছিল বিহুৰ প্ৰবল শুভাকাংক্ষী। এইসকল মহান সাহিত্যিকৰ কাপৰ পৰা নিগৰিত বাণীসমূহেও বিহুক আজি সৰ্বজনগ্ৰাহ্য জাতীয় উৎসৱ হোৱাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায়।

অসমীয়া লোকগীতৰ ভঁৰাল চহকী কৰাত বিশেষ অৰিহণা যোগোৱা গীতসমূহৰ ভিতৰত বিহুনাম অন্যতম। অখ্যাত কবিৰ বিখ্যাত মৌখিক গীতসমূহক দুটা ভাগত ভগাব পাৰি। বিহুনাম, বনঘোষা বা হুঁচৰি গীত। বিহুত গঞা ৰাইজ একত্ৰিত হৈ বা যুৱক-যুৱতীসকল একত্ৰিত হৈ প্ৰত্যেক লোকৰ মঙ্গল কামনা কৰি এই গীত পৰিৱেশন কৰা হয়।

ব'হাগ বিহু বা ৰঙালী বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠানটো হৈছে হুঁচৰি। অতি শৃংখলিত আৰু সংস্কাৰৰ মাজেদি গৃহস্থৰ চোতাললৈ অহা এক আধ্যাত্মিক অনুষ্ঠান। শ্ৰম জীৱি কৃষকসকলে তেওঁলোকৰ সমাজখনৰ, দেশখনৰ লগতে গৃহস্থৰ কুশল কামনা কৰি ঘৰে ঘৰে গৈ আশীৰ্বাদ দিয়ে এইদৰে-

*"এবাটি নহৰু, এবাটি পনৰু*
*এবাটি খুতৰা শাক*
*মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিছোঁ*
*গৃহস্থ কুশলে থাক।"*

ব'হাগ বিহু সাধাৰণতে চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ ব'হাগৰ ছয় দিনলৈ মুঠ সাতদিন পালন কৰা হয়। প্ৰত্যেক দিনৰে একোটাকৈ সুকীয়া সুকীয়া নাম আছে। সেয়া হ'ল-

১) চ'তৰ দোমাহীৰ দিনা গৰু বিহু
২) ব'হাগৰ এক তাৰিখে মানুহৰ বিহু
৩) ব'হাগৰ দুই তাৰিখে গোসাঁই বিহু
৪) ব'হাগৰ তিনি তাৰিখে তাঁতৰ বিহু
৫) ব'হাগৰ চাৰি তাৰিখে নাঙলৰ বিহু
৬) ব'হাগৰ পাঁচ তাৰিখে জীয়ৰী বা চেনেহী বিহু আৰু
৭) ব'হাগৰ ছয় তাৰিখে চেৰা বিহু।

অন্য এটা সূত্ৰৰ মতে সাত বিহুক তলত দিয়াৰ দৰেহে মানি চলা হয়।

১) চ'তৰ দোমাহীৰ দিনা গৰু বিহু
২) ব'হাগৰ এক তাৰিখে মানুহ বিহু
৩) ব'হাগৰ দুই তাৰিখে গোসাঁই বিহু
৪) ব'হাগৰ তিনি তাৰিখে চেনেহী বিহু
৫) ব'হাগৰ চাৰি তাৰিখে মাইকী বিহু
৬) ব'হাগৰ পাঁচ তাৰিখে ৰঙালী বিহু আৰু
৭) ব'হাগৰ ছয় তাৰিখে চেৰা বিহু।

অৱশ্যে এই সাত বিহুৰ পৰম্পৰা বৰ্তমান বিলুপ্তপ্ৰায়।

এই সাতটা বিহুক 'সাতবিহু' নামেৰে জনা যায়। আনহাতে কিছুমান ব্যক্তিয়ে আকৌ

ব'হাগৰ বিহুৰ এই অনুষ্ঠানসমূহক তলত দিয়াৰ দৰে ভাগ কৰিছে-

**চ'ত বিহু ঃ** চ'তৰ নিশা ডেকা-গাভৰুৱে বিহুৰ আখৰা কৰে আৰু আখৰা কৰা প্ৰথম নিশাটোয়ে হ'ল চ'ত বিহু।

**ৰাতি বিহু ঃ** চ'ত বিহুৰ আখৰাৰ পৰৱৰ্তী বিহু মৰা নিশাবোৰক ৰাতি বিহু বুলি কোৱা হয়।

**গৰু বিহু ঃ** চ'তৰ সংক্ৰান্তিৰ দিনা গৰুক গা ধুৱাই নতুন পঘাৰে বন্ধা হয়। গধূলি ধূপ-ধূনা আদি দিয়া হয়।

**মানুহ বিহু বা চেনেহী বিহু ঃ** এক ব'হাগৰ দিনাখন এই বিহু পতা হয়। এই বিহুটোক আপোনজনে আপোনজনক বিহুৱান দিয়ে। বিহুগীত, হুঁচৰি গীত গাই অতি আনন্দ কৰে।

**কুটুম বিহু ঃ** ব'হাগৰ দ্বিতীয় দিনটো কুটুম বিহু। এই দিনা জী-জোঁৱাইসকল মাকহঁতৰ ঘৰলৈ যায়। ইষ্ট-কুটুম্বে পৰস্পৰে পৰস্পৰক আদৰ আৰু সেৱা-সৎকাৰ কৰে।

**মেলা বিহু ঃ** এই বিহুৰ দিনা পথাৰৰ মাজত এডাল গছক প্ৰতীক হিচাপে লৈ তাৰ তলত গাভৰুসকলে বিহু নাচে। গছ জোপালৈ বিহুৱান, তামোল-পাণ আদি আগবঢ়ায়। শিমলুগুৰি, নাহৰকটীয়া, টেঙাখাট আদি অঞ্চলত এই বিহু দেখা যায়।

**চেৰা বিহু বা এৰা বিহু ঃ** ব'হাগ বিহুত ডেকা-গাভৰুৱে নাচি-বাগি ভাগৰি পৰে আৰু সপ্তম দিনা অতি আদৰৰ বিহুটিক সমাপ্ত ঘটায়। সেই দিনাখন বিহুৱানবোৰ পুনৰ ধুই বিহুক বিদায় দিয়ে।

সময় পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীল সময়ৰ লগত খাপখোৱাই সমাজতো কিছুমান পৰিৱৰ্তনে দেখা দিয়ে। বৰ্তমান সময়খিনি প্ৰযুক্তি তথা ইণ্টাৰনেটৰ সময় বুলিব পাৰি। আধুনিক শিক্ষা আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰ্য় সভ্যতাৰ ধামখুমীয়াত বিহুৰ বুকুলৈয়ো পৰিৱৰ্তন আহিছে। এয়া সময়ৰে দাবী বুলিব পাৰি। বৰ্তমানৰ যান্ত্ৰিক যুগত গাঁও-নগৰ-চহৰ সকলোতে ব্যস্ততাৰ এক পৰিৱেশ বিৰাজমান হৈ পৰিছে। এনে সময়ত ঘৰে ঘৰে গৈ বিহু বুলি আশীৰ্বাদ দিয়া-লোৱাৰ পৰিৱেশ প্ৰায় নোহোৱা হৈ পৰিছে। সেয়ে গাঁওখনৰ সকলোৰে ঘৰত গৈ আশীৰ্বাদ দিয়াৰ পৰিৱৰ্তে নামঘৰত গোট খাই আশীৰ্বাদ দিয়াৰ প্ৰথা দেখিবলৈ পোৱা গৈছে। এয়া সময়ৰে প্ৰত্যাহ্বান বুলিব পাৰি।

অঞ্চল বিশেষে ব'হাগ বিহুৰ ভাগসমূহ ভিন ভিন দেখা যায়। উজনি অসমৰ কোনো কোনো ঠাইত সাত বিহুৰ এটা দিন দেউৰী বিহু বুলিও পালন কৰা দেখা যায়। আজিকালি কোনো কোনো অঞ্চলত গোটেই ব'হাগ মাহ ধৰি বিহুৰ ৰং-ৰহইচ, নাচ-বাগ চলে যদিও প্ৰথম ছদিন আৰু শেষৰ দিনটোৰ বাহিৰে বাকী দিনবোৰৰ নিৰ্দিষ্ট কোনো নাম নাথাকে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) জয়কান্ত গন্ধীয়া ঃ বিহু সংৰক্ষণ আৰু প্ৰত্যাহ্বান।

২) জয়কান্ত গন্ধীয়া ঃ ৰঙালী বিহুৰ কথা।

৩) ড° উপেন ৰাভা হাকাচাম ঃ বৰ অসমৰ বিহু সংস্কৃতি।

৪) হিমাংশু ৰঞ্জন ভূএগ ঃ বিহু বিষয়ক কিছু চিন্তা-দুঃচিন্তা।

৫) ইণ্টাৰনেট।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অনুবাদ শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

**আমাৰ ঠিকনা**

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com



প্ৰবন্ধ

# বিহু নামত উদ্ভিদ আৰু ইয়াৰ সংৰক্ষণৰ চিন্তা

— নিৰু দত্ত

*চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি*
*ফুলিলে ভেবেলী লতা,*
*কৈনো কৈ থাকিলে ওৰকে নপৰে*
*ৰঙালী বিহুৰে কথা।*

বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ়ি উঠা বৃহত্তৰ অসমীয়া জাতিৰ সাংস্কৃতিক উৎসৱ বিহু। তিনিটি বিহুৱে অসমীয়াৰ স্বকীয় বৈশিষ্ট্যৰে অসমীয়াৰ কৃষ্টি প্ৰতীয়মান কৰি ৰাখিছে। সময়ৰ বা-মাৰলীত পৰি বিহুৱে স্বকীয়তা হেৰুৱালেও চটাই পৰ্বতৰ ধুঁৱলী-কুঁৱলীৰে পৰা বুঢ়া লুইতৰ পাৰৰ বৰতল জুৰি বিহুৰ আদিম আবেদন আজিও একেই।

**ৰঙালীৰ প্ৰাণ বিহুনাম ঃ**

*বিহু আমাৰ তিনিটি জাতীয় সংস্কৃতি*
*হেৰুৱালে পাবলৈ নাই,*
*ঐ গোবিন্দাই ৰাম।*

বিহু অসমীয়া কৃষিজীৱী ৰাইজৰ বাবে এক আনন্দৰ উৎসৱ। তিনিটি বিহুৰ ভিতৰত ব'হাগ বিহু অৰ্থাৎ ৰঙালী বিহুৰ আবেদন প্ৰাণময়। ৰঙালী বিহু মানেই বিহুৱা ডেকাৰ ঢোলৰ চাপৰত যৌৱনদৈ নাচনীয়ে কেঁচবছা ৰিহাৰে গা ঢাকি টাকুৰি ঘূৰাদি নচাৰ বতৰ। বিহু মানেই ঢোল, পেঁপা, তাল, টকা, গগনা, সুতুলি লৈ বিহু মৰা বতৰ। খেতি-খোলা সামৰি আনন্দ কৰা সময়।

*"দেহি ঐ, ধানে দায়ে গ'লা পিছলৈ নাচালা*
*এৰিলা চেনেহৰ থোক*
*বামে পাই লাখুটি যিদৰে এৰিলা*
*সিদৰে ঐ এৰিলা মোক।"*

অঞ্চল ভেদে থকা ভিন্ন পৰম্পৰা আৰু ৰীতি-নীতিবোৰক বাদ দি বিহুৰ আটাইতকৈ আকৰ্ষণীয় দিশটোৱে হ'ল বিহুনামবোৰ। বিহুৰ মৰ্মাৰ্থ আৰু সৌন্দৰ্য ফুটাই তোলে এই বিহুনামবোৰে। বিহুনামবোৰ হ'ল এক স্বয়ংসম্পূৰ্ণ ছন্দোবদ্ধ কাব্য ৰচনা, যিয়ে থাওকতে হৃদয়লৈ এটা বাৰ্তা প্ৰেৰণ কৰিব পাৰে। ঘোষা-পদ থাকে বাবে বিহুনামহে, বিহুগীত নহয়। বিহুনামত শ্ৰদ্ধা আছে, চেনেহ আছে, প্ৰেম-বিৰহ স্বতঃস্ফূৰ্ত

*বিহুৱা-নাচনীহঁতে অংগৰাগ হিচাপে ব্যৱহাৰ কৰে বৰ্হমথুৰি আৰু জেতুকা গছৰ। বৰ্হমথুৰি, পাত বা চুপহি তামোলৰ লগত বা চোবাই মুখ ক'লচীয়া ৰঙা কৰি নাচনীহঁতে বিহুতলীলৈ ঢাপলি মেলিছিল। বৰ্হমথুৰিৰ পাতত লিগনিন নামৰ এবিধ পলিফিন থাকে, যি আমাৰ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিত সহায় কৰে। ইয়াৰ উপৰিও বৰ্হমথুৰিয়ে মানুহৰ মুখৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধ আঁতৰোৱাত সহায় কৰে। বৰ্হমথুৰি গছজোপাৰ কাঠৰ বিশেষ ব্যৱহাৰ নোহোৱা আৰু নতুন প্ৰসাধন সামগ্ৰীৰ প্ৰসাৰৰ বাবেই এই গছ আজি ন্যূনতম সংকটজনক শ্ৰেণীত অন্তৰ্ভুক্ত হৈ আছে।*

প্ৰকাশ আছে।

বিহুনামবোৰ অসমীয়া জাতীয় জীৱনৰ অমূল্য সম্পদ। অসমৰ জনজীৱনৰ, অসমীয়া মানুহৰ আশা-নিৰাশা, প্ৰেম-অভিমান, আনন্দ বিষাদ, পোৱা-নোপোৱাৰ অকৃত্ৰিম চিত্ৰৰ প্ৰকাশ পায় বিহুনামৰ মাজেৰে। অসমীয়া সমাজ জীৱনৰ এৰাব নোৱাৰা সম্পদ তাঁতশাল, বিবাহ, ঘৰ-গৃহস্থী, কৃষি, অসমীয়া নাৰীৰ সৌন্দৰ্য, প্ৰকৃতি আৰু না না গছ-লতিকাৰ সামগ্ৰিক ছবি এখন বিহুনামৰ মাজেৰে ফুটি উঠে।

**বিহুনামত উদ্ভিদৰ উল্লেখ ঃ**

বিহু প্ৰকৃততে কৃষিভিত্তিক উৎসৱ। স্বাভাৱিকতে বিহুৰ ৰীতি-নীতি পালনত না না বিধ উদ্ভিদৰ ব্যৱহাৰ হয়। সেয়ে বিহুনামবোৰত বিহুৰ বাতাৱৰণ প্ৰকাশক আৰু জনজীৱনৰ লগত জৰিত গছ-লতিকা, ফুল-ফলৰ নাম প্ৰতীকীৰূপত পোৱা যায়। এই লেখাটিত বিহুনামত প্ৰতিভাত হোৱা অসমৰ উদ্ভিদ জগতখনৰ বিষয়ে আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

বসন্ত ঋতুৰ সকলো সম্ভাৰ লৈ ব'হাগ বিহু অসমৰ জনজীৱনলৈ আহে। ন-পানীয়ে প্ৰকৃতিক সেউজীয়া সাজ পিন্ধায়। কোমল কিশলয় আৰু ফুলৰ অলংকাৰেৰে সালংকৃতা গছে বিৰিখে অলেখ পখীৰ কূজন। ফুলে ফুলে জাকে জাকে উৰে মতলীয়া অলি আৰু বাৰেবৰণীয়া প্ৰজাপতি। এনে বাতাৱৰণত ভৰযৌৱনা ডেকা-গাভৰুৰ মুখেদি আপোনা-আপুনি ওলাই আহে এফাকি বিহুগীত, বিহুনাম অথবা বনঘোষা। হুঁচৰিৰ ঘোষাবোৰতো ফুলৰ নাম পোৱা যায়।

*"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী,*
*কেতেকী মলমলাই ঐ গোবিন্দাই ৰাম।"*

আকৌ

*"কৃষ্ণৰ মূৰৰে বকুল ফুল এপাহি*
*নিয়ৰ পাই মুকলি*
*হ'ল ঐ গাবিন্দাই ৰাম।"*

সাধাৰণতে ফুলৰ পাহিৰ জাকজমক আৰু সুগন্ধৰ মাধুৰিমাই স্বভাৱ শিল্পীক বেছি আকৰ্ষণ কৰা দেখা যায়। সেয়ে এনে বতৰত বাবৰি ফুলৰ ৰিজনিও কেনে ভাল লগা-

*চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি*
*ফুলিলে বাবৰি ফুল,*
*তোমাৰে লগতে মৰোঁ যদি মৰিম ঐ*
*এৰি যাম নিজৰে কুল।*

বিহু মানেই চহা জীৱনৰ গান, একাকী জীৱনৰ বিৰহগাঁথা অথবা প্ৰকৃতিৰ অপৰূপ বৰ্ণনা। হাবিৰ পলৰীয়া বতাহত মলমলাই থকা কেতেকী আৰু মাধুৰীৰ গোন্ধ পাই উতনুৱা ডেকাই হুঁচৰি জোৰে-

*"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী*
*কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম।"*

ব'হাগ বিহুৰ প্ৰথম দিনটো গৰু বিহু। সেইদিনা গৰুক ভালকৈ গা-পা ধোৱাই গৰু চাটৰ পাচলি দলিওৱা হয়। বিহুৰ চাট সজাবলৈ লাও, বেঙেনা, হালধি, থেকেৰা আদি ব্যৱহাৰ কৰা হয়। বিহুৰ দিনা গৰুৰ গালৈ চাটৰ পৰা লাও, বেঙেনা দলিয়াই গোৱা হয়-

*"লাও খা, বেঙেনা খা,*
*বছৰে বছৰে বাঢ়ি যা।*
*মাৰ সৰু, বাপেৰ সৰু,*
*তই হ'বি বৰ বৰ গৰু।"*

গৰু গা ধোৱাই চাট মৰাৰ পাছত দীঘলতি বা মাখিয়তি পাতেৰে কোবাই কোবাই গোৱা হয়-

*দীঘলতি দীঘল পাত*
*মাখিয়তি মাখি পাত*
*মাখি মাৰো জাত জাত।*

আবেলি তৰাৰ পঘাৰে বান্ধি কেঁচা পিঠা খুৱাৰ পৰম্পৰা আছে। ন পানী পোৱাৰে পৰা শীতে কোঙা কৰা, হেমন্তই উৰুঙা কৰা অৰণ্যানীত সেউজ জাকি মাৰি ওলায়। ম'হ, মাখি, পোক-ডাঁহ বাঢ়ে। গোধনক এইবোৰৰ পৰা সামান্য সকাহ দিবলৈ সেইদিনাৰে পৰা ফলীয়া তুহৰ উমি উমি জুইত লাইজাবৰি, বিহলঙনি, ভাঙৰ আগ আদিৰে জাগ দিয়া হয়।

সাত বিহুৰ কেওদিন আনন্দৰ বন্যা বয়। হুঁচৰি, জেং বিহু, মুকলি বিহুৰে ৰাইজৰ মন সাতখন আঠখন। তাতো কোনোবা ডেকাই মনৰ লগৰীৰ পৰা আঁসৈ নাপাই বিহুনামেৰে বিৰহৰ দুখ পাতলাবলৈ গায়-

*"কেনেকৈ পাহৰিম তোকে ঐ লাহৰী*
*কেনেকৈ পাহৰিম তোক*
*মিচিমি আহিব বৰেবিহ আনিব*
*তাকে খাই পাহৰিম তোক।"*

মনৰ লগৰীক জীৱনভৰ সংগীৰূপে পাবলৈ কাতৰ হোৱা ভৰযৌৱনে লতাজাতীয় গছৰ উপমা লৈ মনৰ ভাব বিহুনামেৰে এনেদৰে প্ৰকাশ কৰে-

*"ভঁৰালৰ টোপতে কেৰেলা বগালে*
*কোমোৰা বগালে চালত*
*জীৱনে মৰণে নেৰিবা লাহৰী*
*নেৰিবা বিপদৰ কালত।"*

বিহুৱা-নাচনীহঁতে অংগৰাগ হিচাপে ব্যৱহাৰ কৰে বৰ্হমথুৰি আৰু জেতুকা গছৰ। বৰ্হমথুৰি, পাত বা চুপহি তামোলৰ লগত বা চোবাই মুখ ক'লচীয়া ৰঙা কৰি নাচনীহঁতে বিহুতলীলৈ ঢাপলি মেলিছিল। বৰ্হমথুৰিৰ পাতত লিগনিন নামৰ এবিধ পলিফিন থাকে, যি আমাৰ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিত সহায় কৰে। ইয়াৰ উপৰিও বৰ্হমথুৰিয়ে মানুহৰ মুখৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধ আঁতৰোৱাত সহায় কৰে। বৰ্হমথুৰি গছজোপাৰ কাঠৰ বিশেষ ব্যৱহাৰ নোহোৱা আৰু নতুন প্ৰসাধন সামগ্ৰীৰ প্ৰসাৰৰ বাবেই এই গছ আজি ন্যূনতম সংকটজনক শ্ৰেণীত অন্তৰ্ভুক্ত হৈ আছে। বিহুনামতো সেই চিন্তাৰ আভাস পোৱা যায় এনেদৰে-

*"বহম'পুত্ৰ পাৰৰে বৰ্হমথুৰি এজুপি*
*আমি বিহু মৰা ঠাই*
*বহম'পুত্ৰ দেৱতাই উটুৱাই নিনিবা*
*তামোল দি মাতোতা নাই।"*

অসমৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানত এই উদ্ভিদ প্ৰচুৰ পৰিমাণে উপলব্ধ।

অন্য এবিধ অপৰিহাৰ্য অংগৰাগৰ উৎস জেতুকা। ই এবিধ মজলীয়া, জোপোহা আকৃতিৰ গছ। জেতুকা অসমীয়া সমাজ জীৱনৰ সৈতে এনেদৰে জড়িত হৈ আছে যে ইয়াক পুনৰ অন্যধৰণে চিনাকি কৰি দিয়াৰ বিশেষ আৱশ্যক নাই। জেতুকাৰ সৰু পাতৰ লগত ডালিমৰ কুমলীয়া পাত, পিপলি আদি খুন্দি গৰু বিহুৰ দিনা ৰাতি নাচনীৰ লগতে ঘৰৰ প্ৰত্যকজন ব্যক্তিয়ে জেতুকাৰ বোল লোৱাটো এক পুৰণি পৰম্পৰা। জেতুকাত থকা পলিফিনলৰ বাবে খুন্দিলে ইয়াৰ ৰং ৰঙা হয়। জেতুকাত টেনিন, ফ্লেভেনইড, গ্লাইক'চাইড,

চেপনিন, ফিনল, এনথ্ৰাকুইনচ, ফেটি এচিড আদি উদ্ভিদ ৰাসায়নিক পদাৰ্থ পোৱা যায়। জেতুকাৰ পাতত চৰ্মৰোগ আৰু বসন্ত ৰোগ প্ৰতিৰোধ ক্ষমতা আছে বুলি বিশ্বাস কৰা হয়। বিহুনামত বিহুৱা ডেকাই জেতুকা আৰু বৰ্হমথুৰিৰ উপমাৰে নাচনীৰ আসৈ পাবলৈ গায়-

*"বৰ্হমথুৰি বোলেৰে ওঁঠটি বোলালা*
*জেতুকাৰে বোলালা হাত*
*কিনো চাৰনিৰ মন মোৰ মুহিলা*
*তত নাইকিয়া গাত।"*

আকৌ বিহুৱতী নাচনীয়ে প্ৰত্যুত্তৰত নাম জোৰে এনেদৰে-

*"জেতুকা খুন্দিলোঁ দুহাতত বুলালো*
*বৰ্হমথুৰি সানিলোঁ ওঁঠত*
*বিহুলৈ আহোতে সুহুৰি মাৰিবা*
*ৰৈ থাকিম পদূলি মূৰত।"*

পিছে কলডিলীয়া অথবা নেঘেৰী-খোপাটিত কপৌফুল, নাহৰফুল, তগৰফুলৰ গেজেং মাৰি নল'লেনো অংগৰাগ সম্পূৰ্ণ হ'বনে? এই ফুলবোৰৰ কোমল সুবাসে নাচনীৰ মন উচাতন কৰে। গচকত যঁতৰ ভঙা নাচনীক লৈ গোৱা হয়-

*"এইবেলি বিহুটি ৰমকে-জমকে*
*ঐ নাহৰফুল ফুলিবৰ বতৰ*
*নাহৰফুলৰ গোন্ধে পাই নাচনীৰ ততে নাই*
*গচকত ভাঙি যায় যঁতৰ।"*

সাজি-কাচি অহা নাচনীক অপৰূপা কৰি তুলি ধৰে বননিৰ শ্ৰেষ্ঠ অলংকাৰ কপৌফুলে-

*"নেঘেৰী-খোপাতে কপৌফুল এপাহি*
*সোণতে সুৰগা চৰে*
*খামুচীয়া কঁকালটি সহিব নোৱাৰোঁ*
*উজনি নামনি কৰে।"*

চেনেহীক ভুলাবলৈ তেনে এপাহ কপৌফুলৰ বাবে চেনায়ে হেলাৰঙে পাহাৰ বগাব পাৰে-

*"পাহাৰ বগাই বগাই জান ঐ*
*কপৌ ফুল মই আনিছো*
*জান ঐ কপৌ ফুল মই আনিছোঁ*
*জান ঐ নলওঁ বুলি নক'বা দেই।"*

কপৌফুলৰ দৰে কুঞ্জলতাৰো উল্লেখেৰে নাচনীলৈ ঢুলীয়া ককাইৰ আমন্ত্ৰণ আহে এনেদৰে-

*"কুঞ্জলতা কপৌফুল ফুলি আছে*
*নাচনী ভনীক ঢুলীয়াই মাতি আছে*
*নাহো বুলি নক'বা বেয়া পাব*
*চিৰদিনৰ কাৰণে বিদায় দিব।"*

কপৌফুলাৰ বতৰে বিহুনামৰ জৰিয়তে হালোৱা ককাইক খেতি-খোলালৈও মনত পেলাই দিছে-

*"কপৌ ফুলে যেতিয়া*
*ব'হাগ আহে তেতিয়া*
*বাঢ়ে নদী নিজৰা*
*দিয়ে কৃষিৰ বতৰা।"*

আকৌ নাহৰ ফুল নুফুলিলে, ফুলৰ সুৰভিয়ে মনলৈ বসন্তৰ উতনুৱা বা চাটি মাৰি নগ'লে বিহু বিহু নালাগে।

*"ন-পানী বঢ়া নাই ঐ*
*নাহৰ ফুল ফুলা নাই ঐ*
*বিহু বিহু লগা নাই গাত।"*

নাহৰ ফুলৰ মন বলীয়া কৰা সুৰভি আৰু শুকুলা পাহিৰ মাজৰ পহুৰঙী কেশৰৰ সৌন্দৰ্যই নাচনীৰ জেউতি দুগুণে চৰোৱা বাবেই যেন বিহুনামত ইয়াৰ ব্যৱহাৰ ঘন।

বিহুনামত 'জামুক'ৰো উল্লেখ পোৱা যায়। কেঁচা যৌৱনৰ পূৰ্বৰাগ প্ৰকাশ কৰিবলৈ বগীজামুক ডেকাই প্ৰতীকৰূপে লৈছে-

*"আহোঁতে দেখো ধন যাওঁতে দেখো ধন*
*বগীজামুকৰে পুলি*
*খোৱাৰো নহ'লি পিন্ধাৰো নহ'লি*
*চকুৰে পোৰণি হ'লি।"*

আকৌ-

*“চৰাই মোহনীয়া পাখি বিনন্দীয়া*
*কোটাহি জামুকৰ তলত,*
*কিনো মোহিনীৰে মুহিলা চেনাই ঐ*
*ঘনেকৈ পৰিছে মনত।”*

বাৰীৰ ঢাপৰ টেঙা কেইজোপায়ো বিহুনামত পূৰ্বৰাগৰ উপমা ৰূপ লৈছে-

*“ঢাপৰে থেৰেজু ক’লাকৈ পকিছে*
*পকিছে মিৰিকা টেঙা ,*
*তোমাক লগ পাবলৈ পুখুৰীৰ পাৰলৈ*
*দীঘলকৈ মেলিছো বেঙা।”*

অমিতাজোপাও উপমাস্বৰূপ-

*“পিৰালিৰ অমিতা পাতে পাহি কটা*
*ছিঙিলে চিটিকে আঠা*
*বিহুৰে তলিতে তোমাক দেখাৰ পৰা*
*বুকুত কিহৰ জানো বেথা!*

ঢেকীয়া, ঔটেঙা শাক-শোকোতাৰে অসমীয়া ভাতসাঁজ অপূৰ্ব স্বাদুযুক্ত। বিহুনামতো সেয়ে ইয়িৰ উপমা অপৰিহাৰ্য।

*“পৰ্ব্বতৰ ঢেকীয়া লিহিৰীপতীয়া*
*দেখিলে ল’বৰ মন যায়*
*অতি চেনেহৰ ব’হাগৰ বিহুটি*
*হাততে মলঙি যায়।”*

আকৌ,

*“বাৰীৰ পিছফালে ঔ গছ এজুপি*
*ল’লে বৰ মৌৰে বাহ*
*ৰাতি বাও সাত হাল দিনত নাই এহালি*
*পাৰিবৰ নাই তোৰ সাহ।”*

সোণালী সূতাৰ দেশ অসম। পলুটোৰ বাবে লগা তৃণ-তৰু বিহুনামত জোৰা খাইছে-

*“এৰীপলু পকিলে এৰাপাত নালাগে*
*বেলি গ’লে নালাগে ভাত,*
*যৌৱন ভাটি দিলে তোমাকো নালাগে*
*বহনা নাথাকে গাত।”*

তামোল-পাণক বাদ দি অসমীয়া সমাজখন আধৰুৱা। অসমীয়াৰ ধাপ মাৰি পতা বাৰীখন পাণ-তামোলৰ গছৰ অবিহনে শ্ৰীহীন। স্বাভাৱিকতে বিয়ানাম, বিহুনামত তাৰ উল্লেখ থাকিব। উলিয়াই দিয়া ছোৱালীক লৈ আয়তীয়ে বিয়ানামত গায়। একেদৰে বিহুনামো গোৱা হয়-

*“আগবাৰী শুৱনি কাকিনি তামোলে*
*পিছবাৰী শুৱনি পাণে হে*
*বৰঘৰ শুৱনি জীয়ৰী ছোৱালী*
*উলিয়াই দিবলৈ টানে হে।”*

এই ফাকি বিহুনাম হুঁচৰি গাওঁতে গোৱা হয় এনেদৰে-

*“আগবাৰী শুৱনি কাকিনি তামোলে*
*পিছবাৰী শুৱনি পাণে হে*
*বৰঘৰ শুৱনি ৰাঙলী শৰাইখন*
*উলিয়াই দিবলৈ টানে হে।”*

অসমীয়া সমাজ জীৱনত তামোল-পাণৰ গুৰুত্ব অধিক। আলহী যোৱা আহিলে, ন-কৈ সম্বন্ধ স্থাপন কৰিলে, নিমন্ত্ৰণ-আমন্ত্ৰণ, সেৱা আদি সকলোতে তামোল-পাণক সন্মানীয় হিচাপে গ্ৰহণ কৰা হয়। সেয়েহে বিহুনামত গায়-

*“তামোলৰ আমোল মূলে ঐ নাচনী*
*তামোলৰ আমোল মূল*
*ক’ৰ পৰা পালিহি ডেৰাছালি খোৱাটো*
*তামোলৰ নুবুজ মোল।”*

হাতৰ টিপতে গাভৰুজনীয়ে মনখোৱা ডেকাটোক ‘ৰেচম’ৰ ৰুমালত বান্ধি তামোলৰ টোপোলা দি আসৈ লয়-

*“ৰেচমৰ ৰুমালত তামোল কাটি দিলোঁ*
*পাকতে মোকোলাই খাবা*
*জপনা মুখতে হাঁহিটি মাৰিবা*
*গ’লে কাটি কৰি চাবা।”*

প্ৰেমিক ডেকাজনেও মনৰ ভাব বিহুনামেৰেই

জনায় দিয়ে-

*"কিনো তামোলখনি দিলা মোৰ লাহৰী*
*দুখনি হাতেৰে ল'লো*
*সেইনো তামোলখনি খাবৰেনো পৰা*
*তোমালৈ বলীয়া হ'লোঁ।"*

তামোল-পাণে অসমীয়া চহা ৰাইজক আৰ্থিভাৱেও সহায় কৰে। প্ৰয়োজনীয় সময়ত বাৰীৰ তামোল-পাণ বেছি অভাৱ পূৰ কৰিব পাৰি।

*"পকা তামোল কেইপোণ*
*পিছফালৰ চোতালত*
*গাত খান্দি গোৰালোঁ মই*
*তাকেনো বেছি অ' সূতা আনি দিমে*
*তিয়নি বয়ে দিবি তই।"*

বুঢ়া তামোলবোৰ দ-গাত খান্দি তামোলৰ ঢকুৰাৰে ঘেৰি গোৰাই থোৱা হয়।

*"পকা তামোল ঠোক পাৰি মই আনিলোঁ*
*গাঁততে গোৰাবলৈ বুলি,*
*এঅৰা এঅৰা কেইপোণ হ'লেনো*
*গণিব নোৱাৰা তুমি।"*

গাঁতত পোতা তামোলৰ সোৱাদ ভাল হোৱাৰ লগতে বহু দিনলৈ সাঁচি ৰাখিব পাৰি।



গাঁত ভালদৰে চিন নথলে গাঁত খন্দাৰ সময়ত চিন হেৰায়। তাকে প্ৰেম-প্ৰণয়ৰ সৈতে তুলনা কৰি বিহুনামত গায়-

*"পোতা বুঢ়া তামোল পোতাতে হেৰালে*
*বিচাৰি নাপালোঁ গাঁত,*
*আমাৰ মৰম চেনেহ ক'তেনো হেৰালে*
*সম্বন্ধত মেলিলে ফাট।"*

তামোলৰ দৰে অন্য এবিধ আৰ্থিকভাৱে সকাহ দিব পৰা বাৰীৰ চিনাকি গছ হৈছে নাৰিকল। ইয়ো বিহুনামত বাদ পৰা নাই-

*"নাৰিকলৰ বাৰীখন কৰিছা কেনেকৈ*
*নাই যে পাৰৰে সাৰুৱা মাটি*
*লাগিলে নালাগে নালাগিলে লাগে*
*কথাটি জানা নে তুমি।"*

নামফাকিত থকা সাঁথৰৰ অৰ্থ হ'ল- নাৰিকলবোৰ এনেদৰে ৰোৱা হয়, যাতে এজোপা নাৰিকলৰ পাত আনজোপা নাৰিকলৰ পাতত লাগিব নালাগে। অন্যথা গুটি নধৰে।

নাচনীৰ ৰূপৰ জেউতিয়ে বিহুৱা ডেকাৰ শৰীৰত জুই জ্বলায়। মনৰ পোৰনি প্ৰকাশৰ বাবে গছ-লতিকা উত্তম উপমা-

*"নৈৰ পাৰে পাৰে নলৰে গজালি*
*তাতে ক'লা গৰু চৰে*
*নাচনীৰ মূৰতে গুটি ফুলৰ গামোচা*
*পখিলা উৰাদি উৰে।"*

*"বাৰীৰ ঢাপৰে কজলা উৰহী*
*পাতে তিৰবিৰ কৰে,*
*নাচনীৰ মুখলৈ চাবকে নোৱাৰি*
*চকু ছাটমাৰি ধৰে।"*

*"ক'লা চোলা কুৰিটা গুদাম আছে চাৰিটা*
*চাৰিকো চাৰিয়ে চাৰে,*
*নাচনীৰ চকুলৈ চাবকে নোৱাৰি*
*জালুক জলকীয়াই পোৰে।"*

*"ঢোলে বাই ঢুলীয়া খোলে বাই খুলীয়া*
*কাৰ ঘৰৰ নাচনী নাচে,*

*ওচৰ চাপি চাপি নাহিবা নাচনী*
*তোমাৰ গাত মোহিনী আছে।”*

**গছ-বিৰিখৰ সংৰক্ষণ চিন্তা ঃ**

বিহুৰ বতৰ মানেই প্ৰকৃতিৰ গছ-লতিকাৰ মনোমোহা শোভা। আমে মলিয়াই, কঁঠালে মুচিয়াই। ন-পানী পাই শীতে কোঙা কৰা গছে এঙামুৰি দি জাকে জাকে কোমল কুঁহিক উন্মোচনৰ বাট এৰি দিয়ে।

বিহুৰ লগত জৰিত এই উদ্ভিদসমূহ অসমীয়া জনসমাজত বিভিন্ন প্ৰকাৰে ব্যৱহাৰ হৈ আহিছে। তাৰে ভিতৰত কিছুমান উদ্ভিদ ভেষজ গুণেৰে সমৃদ্ধ। কবিৰাজি দৰৱ হিচাপে জনসমাজত পূৰ্বাপৰ প্ৰয়োগ হৈ আছে। তাৰে ভিতৰত হালধিৰ গুণ সকলোৰে জ্ঞাত। ব'হাগৰ বৰষুণে ধুই নিকা কৰা শাক-পাতৰ সোৱাদ অনুপম। অসমৰ জলবায়ু মৌচুমী বতাহ নিৰ্ভৰশীল। আগৰ সেউজীয়া সাজ হৰিল। গোলকীয় উষ্ণতাই অসমকো দহিছে। ব'হাগৰ ন-পানীলৈ বাট চাই কৃষকে চ'তৰ চিৰাল ফটা পথাৰত চকুপানী টোকে।

আজি পথাৰ সংকুচিত। হাবি ভাঙি উদ্যোগ অথবা আবাসিক অঞ্চল উলিওৱা হৈছে। কংক্ৰিতৰ ঘৰ-দুৱাৰে আৰৰি চহৰীয়া কৰা আবাসীক এলেকাত গছে পোখা মেলিবলৈ ঠাইৰ অকুলন। আজি আমাৰ উত্তৰ পুৰুষে বহুতো গছ-গছনি চাক্ষুষ কৰিবলৈ নৌ পাওঁতেই দুষ্পাপ্য হ'ব ধৰিছে।

আলোচনাটিয়ে আমাক আভাস দিছে যে বিহুনামৰ বৰপেৰাটি অসমৰ বৃক্ষ, গুল্ম, তৃণ আৰু তৰুক চেৰাই ৰচনা হোৱা নাই। এই গছ-বিৰিখেই অসমৰ কলিজাৰ ধমনী। প্ৰাণীকুল বৰ্তী থাকিবলৈ হ'লে গছ-বিৰিখ অপৰিহাৰ্য। সমাজখন জিয়াই থাকিবলৈ কৃষ্টি-সংস্কৃতি অপৰিহাৰ্য। সেয়ে চাৰি জাতিৰ উদ্ভিদৰ সংৰক্ষণৰ চিন্তা বিহু সংৰক্ষণৰ লগত অৱশ্যে কৰণীয়।

**সামৰণি ঃ**

বিহুনামে সামৰিছে অসমীয়া সমাজৰ জাতীয় চৰিত্ৰ। প্ৰকৃতিৰ লগত একাত্মতা। মনৰ ভাবনা প্ৰকাশ কৰিবলৈ ভেজা লয় প্ৰকৃতিজাত তৃণ-তৰুকে মুখ্য কৰি ফল-ফুলৰ গাত। সেয়ে বিহু আমাৰ বুকুৰ সাহ। কবিয়ে ‘বছৰি আহিবি’ বুলি বিহুটিক আমন্ত্ৰণ দি বিপদত ৰক্ষা কৰিবলৈ দায়িত্ব দিছে। বিহুনামৰ মাজতে সাহসৰ উৎসবোৰ কোনোবা মহ গোৱাল অথবা স্বভাৱ কবিয়ে উত্তৰ পুৰুষলৈ নিভাঁজৰূপত সাঁচি থৈ গৈছে।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

**আমাৰ ঠিকনা**

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

অসমীয়া বৰ্ষচক্ৰৰ প্ৰথম মাহ ব'হাগ। অসমীয়া জাতিৰ নতুন বছৰ সোমায় ব'হাগ মাহত। ঋতুৰাজ বসন্তৰ আগমনত প্ৰথমজাক বৰষুণ পৰাৰ লগেলগেই প্ৰকৃতি ঋতুমতী হয়, গছ- লতিকাত ন-কুঁহিপাত ওলায়। কুলিৰ মাতে সোণত সুৱগা চৰায়। এই বসন্ততেই কুলিৰ মিলনৰ সময়। নাচনীয়ে খোপাত পিন্ধিবলৈ কপৌফুল ফুলি উঠে। প্ৰকৃতি ফলে-ফুলে জাতিষ্কাৰ হয় ব'হাগক আদৰণি জনাবৰ বাবে। গাঁৱৰ চহা ৰাইজে জীৱন উপভোগ কৰি ৰঙত মতলীয়া হয়। ব'হাগ বিহু অসমৰ মূল জাতীয় উৎসৱ। এই বিহু কৃষিৰ লগত জড়িত। যৌৱনৰ লগত খেতি মাটিৰ উৰ্বৰতাৰ এক গাঢ় সম্পৰ্ক আছে। সেইবাবে খেতি আৰম্ভ কৰাৰ আগে আগে পালন কৰা ৰঙালী বিহু কৃষিৰ লগত ওতপ্ৰোতভাৱে জড়িত।

*"ব'হাগ মাথোঁ এটি ঋতু নহয়।*
*নহয় ব'হাগ এটি মাহ,*
*অসমীয়া জাতিৰ আয়ুসৰেখা*
*গণ জীৱনৰ সাহ।"*

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এই কালজয়ী গীতটোত প্ৰকাশ পাই ব'হাগৰ স্বৰূপ।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰাই ৰঙালী বিহুক চ'তৰ বিহু বুলি




## অসমীয়া জাতিৰ

# বাপতিসাহোন ব'হাগ বিহু

— নিৰ্মালি বৰা হাজৰিকা

জনা যায়। জনবিশ্বাস মতে ডেকা-গাভৰুৱে মুকলি পথাৰত প্ৰেম-যৌৱনৰ গীতেৰে পুৰুষ স্বৰূপ মেঘক আৰু নাচৰ গিৰিপনিৰে নাৰীস্বৰূপা প্ৰকৃতি উত্তেজিত কৰি বৰষুণৰ মাধ্যমত মিলন ঘটোৱাৰ ফলশ্ৰুতিত বসুমতী শস্য সম্ভৱা হোৱাৰ যি প্ৰক্ৰিয়া তাতেই ৰঙালী বিহুৰ উৎস আৰু তাৎপৰ্য নিহিত হৈ থাকে। ডেকা-গাভৰুৱে বিহু পাতে। বিহুৰ মাজতে নিজৰ জীৱন সঙ্গী বিচাৰি উলিয়ায়।

ব'হাগ বিহু সাতদিন ধৰি উদযাপন কৰা হয়। এই সাত বিহু হ'ল- গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙল বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চেৰা বিহু। ঠাইভেদে এই বিহুৰ নাম সালসলনি হোৱা দেখা যায়।

গৰু বিহুৰ পৰম্পৰা উল্লেখযোগ্য পৰম্পৰা। গৰু বিহু দিনা গাঁৱৰ কৃষিজীৱী লোকসকলে ঘৰৰ গৰুকেইটাক মাহ-হালধি, তেল সানি নোৱাই নদী বা পুখুৰীত গা ধোৱাই। লাও, বেঙেনা, থেকেৰা, হালধি দি চাট বনাই। গৰুৰ গাত মাখিয়তি, দীঘলতি পাতেৰে কোবাই গায় এনেদৰে-

*"লাও খা, বেঙেনা খা*
*বছৰে বছৰে বাঢ়ি যা।*
*মাৰে সৰু বাপেৰ সৰু*
*তই হ'বি বৰ বৰ গৰু।"*

থেকেৰা, বেঙেনা খোৱাই গো-ধনৰ শ্ৰীবৃদ্ধি কামনা কৰে আৰু গৰুক নতুন পঘা পিন্ধাই বিচনীৰে বিচে।

অসমীয়া সমাজৰ বৈচিত্ৰ্যময় পৰম্পৰাসমূহৰ ভিতৰত গৰু বিহু দিনাখন ১০১ বিধ শাক খোৱাটো এক পৰম্পৰা। সেইদিনি ১০১ বিধ শাক খালে বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাব পাৰি। কাৰণ প্ৰতিবিধ শাক ঔষধি গুণৰে ভৰা।

*'দেৱ দেৱ নীলগ্ৰীৱ জটাধৰ।*
*বাত বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে।'*

এই মন্ত্ৰটো নাহৰ গছৰ পাতত লিখি ঘৰৰ দুৱাৰ-খিৰিকীৰ চুকত লগোৱাটো গৰু বিহুৰ এক পৰম্পৰা। জনবিশ্বাস অনুসৰি এনেকৈ লিখি থ'লে ধুমুহা, বা-মাৰলীৰ পৰা ৰক্ষা পৰে বুলি কোৱা হয়।

বসন্তৰ উৎসৱ ৰঙালী বিহুৱেই একমাত্ৰ উৎসৱ যি উৎসৱ জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোৱে পালন কৰে।

বিহুৰ উৎপত্তি আৰু বিহু শব্দটোৰ নামকৰণৰ সম্পৰ্কে সঠিক তথ্য পোৱা নাযায়। বহুজনে বিহু শব্দটো সংস্কৃত ভাষাৰ 'বিষু'ৰ পৰা অপভ্ৰংশ হোৱা বুলি মতপোষণ কৰে। ডিম্বেশ্চৰ গগৈ দেৱে তেখেতৰ 'অসমৰ বিহু সংস্কৃতিৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থত টাই ভাষাৰ 'পয়হু' শব্দৰ পৰা বিহু শব্দৰ উৎপত্তি হোৱা বুলি মতপোষণ কৰিছে। টাই ভাষাত 'পয়হু' মানে 'গো-পূজা' কৰা বুজায়। বিহু শব্দৰ উৎপত্তি যিয়েই নহওক কিয়, বিহু মূলত মংগোলীয়সকলৰ অৱদান সেয়া সৰ্বজন গ্ৰাহ্য।

চুতীয়া ৰাজ্যক নিজৰ অধীনলৈ অনাৰ

*চুতীয়া ৰাজ্যক নিজৰ অধীনলৈ অনাৰ পাছত আহোমসকলে অসমত ৰাজত্ব কৰাৰ পাছৰ পৰা পথাৰত আৰু লুকাই-চুৰকৈ গছৰ তলত মাৰা বিহুৱে চোতাল গৰকিলে। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আত্মপ্ৰকাশ কৰা বিহুৱে সেই সময়ত কেৱল উজনি অসমতে প্ৰচলিত আছিল। ব্ৰিটিছ ৰাজত্বকালত বিহুৱে এক প্ৰত্যাহ্বানৰো সন্মুখীন হৈছিল অসমীয়াৰ হাততে। সেই সময়ত হলিৰাম ঢেকিয়াল ফুকন। গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আদিয়ে ব্ৰিটিছ চৰকাৰৰ আগত বিহুক অশ্লীল আৰু ইতৰৰ নাচ বুলি অভিযোগ তুলি অসমতে বিহুক নিষিদ্ধ কৰাৰ উদ্দেশ্যে আবেদন জনাইছিল...*

পাছত আহোমসকলে অসমত ৰাজত্ব কৰাৰ পাছৰ পৰা পথাৰত আৰু লুকাই-চুৰকৈ গছৰ তলত মাৰা বিহুয়ে চোতাল গৰকিলে। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আত্মপ্ৰকাশ কৰা বিহুয়ে সেই সময়ত কেৱল উজনি অসমতে প্ৰচলিত আছিল। ব্ৰিটিছ ৰাজত্বকালত বিহুয়ে এক প্ৰত্যাহ্বানৰো সন্মুখীন হৈছিল অসমীয়াৰ হাততে। সেই সময়ত হলিৰাম ঢেকিয়াল ফুকন। গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আদিয়ে ব্ৰিটিছ চৰকাৰৰ আগত বিহুক অশ্লীল আৰু ইতৰৰ নাচ বুলি অভিযোগ তুলি অসমতে বিহুক নিষিদ্ধ কৰাৰ উদ্দেশ্যে আবেদন জনাইছিল আৰু সেই আবেদনক নাকচ কৰাৰ বাবে মৈমত টিটাং হাজৰিকা আৰু তেওঁৰ ভনীয়েক চেনী গাভৰুৱে গুৱাহাটী গৰ্ডন চাহাবৰ চোতালত বিহু যে অশ্লীলতাৰ নাচ হোৱাৰ বিপৰীতে চহা কৃষকৰ জনজীৱনৰ লগত জড়িত শিল্পকলাহে সেইকথা প্ৰতীয়মান কৰিবলৈ বিহু প্ৰদৰ্শন কৰিছিল। ইয়াৰ পিছত পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীনাথ বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে কৰি বহুকেইজন অসমৰ সুযোগ্য সন্তানে বিহুক প্ৰতিষ্ঠা কৰাত অহোপুৰুষাৰ্থ কৰিছিল। ইয়াৰ পাছত বিহু চোতালৰ পৰা আহি মঞ্চত উপৰিষ্ট হ'ল। ১৯৩৪ চনত প্ৰথম গোলাঘাটৰ বেতিয়নীত আৰু ১৯৫২ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহু ৰাজহুৱাভাৱে অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছৰে পৰা উজনি লগতে নামনি অসমতো বিহুয়ে সমাদৰ লাভ কৰে।

ব'হাগ বিহুত ঘৰে ঘৰে হুঁচৰি গোৱাটো অসমীয়া সমাজৰ নিয়ম। গৰু বিহুদিনাৰ গধূলিৰ পৰা গাঁৱৰ কণ কণ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-গাভৰু, পুৰুষ-মহিলাসকলে প্ৰতিঘৰতে প্ৰথমে হুঁচৰি আৰু পিছত বিহু গাই নাচি-বাগি, ৰং-ধেমালি আদি কৰে। ঢোলৰ চাপৰত লহৰী খেলে, বুঢ়া ছেৰত কঁকাল ভাঙি নাচে। বিহুগীত গায়, ম'হৰ শিঙৰ পেঁপাৰ লহৰত প্ৰাণ ঢালি উতলা হয়। আগলি বাঁহৰ বাঁহী, মাটিৰ সুতুলি, লাহৰী গগনা, ৰামধন গগনা আদিৰ সুৰত মতলীয়া হৈ বিহু মাৰে। বিহু গোৱা দলক গৃহস্থই শৰাই এভাগ দি সেৱা জনোৱাটো এটা নিয়ম। কিন্তু এটা সময়লৈ বিহু গাই বিহুৱাদলে গৃহস্থৰ পৰা বিদায় ল'ব খোজে যদিও গৃহস্থই বিদায় নিদিলে শৰাই দিবৰ বাবে শৰাই নাম গাই। প্ৰথমে এনেকৈ যোজনা জুৰে-

"লাপ মাৰি আনাগৈ ঢাপৰ তামোল থুকি
*মৈতা দি আনাগৈ পাণ,*
*শৰাই তিনিখনি সজাই আনাগৈ*
*বিহুৱাক ধৰাহি মান।"*

প্ৰকৃততে বিহু কৃষিভিত্তিক আৰু চহা জীৱনৰ লগত জড়িত যদিও ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাত বিহুৰ বিকাশ ঘটিল। এতিয়া বিহু চহৰমুখী হ'ল। গাঁৱৰ নাচনী বিহুৱাই চহৰৰ প্ৰতিযোগিতালৈ ঢাপলি মেলে। গাঁৱে-চহৰে সকলোতে বিহুৰ নামত প্ৰতিযোগিতা আৰু কৰ্মশালা পয়োভৰ। এই প্ৰতিযোগিতাৰ ধামখুমীয়াত বিহুৰ পূৰ্বৰ স্বতঃস্ফূৰ্ত ভাৱত যতি পৰা অলপমান হ'লেও দেখা যায় যদিও বিহু অসমীয়াৰ প্ৰাণত অনুৰণিত হৈ আছে আৰু অসমীয়া মানুহ জীয়াই থকালৈকে এই অনুৰণন চিৰপ্ৰবাহিত হৈ থাকিব।


## লেখা আহ্বান

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ
অন্যান্য শিতানৰ বাবে
আমাৰ ঠিকনালৈ লেখা প্ৰেৰণ
কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ
**৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ
bornilmagazine2019@gmail.com

প্ৰবন্ধ



# বিহু গীতত প্ৰতিফলিত অসমৰ প্ৰাকৃতিক সৌন্দৰ্য

— নৰেন শইকীয়া

*"চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি*
*ফুলিলে ভেবেলী লতা,*
*কৈ থাকো মানে ওৰকে নপৰে*
*আমাৰে বিহুটিৰ কথা।"*

শ্ৰমৰ ক্ষেত্ৰখনতেই বিহুগীতৰ জন্ম। কৰ্মৰ পৰা কৃষি আৰু কৃষিৰ পৰাই কৃষ্টি। এই কৃষ্টি ৰক্ষা কৰিবলৈ কৃষি কৰ্ম কৰিবই লাগিব। শ্ৰমৰ সংস্কৃতিয়েই অসমৰ জাতীয় সাংস্কৃতি।

বিহু অসমীয়া জাতীয় উৎসৱ, অসমীয়াৰ বাপতিসাহোন, হিয়াৰ আমঠু। আমি জানো যে, যি বিহুৰ অবিহনে অসমীয়াৰ সংস্কৃতি বুলিবলৈ একোয়েই নাই।

অসমীয়া জাতীয় উৎসৱ বিহুৰ লগত বিহুগীতৰ ওতপ্ৰোত সম্বন্ধ আছে। বিহু উৎসৱত আনন্দ বিনোদনৰ কাৰণেহে বিহু গীতবোৰ গোৱা হয় যদিও অসমীয়া সাংস্কৃতিক জীৱনৰ লগতো গীতবোৰৰ সম্বন্ধ অতি নিবিড়।

পণ্ডিতসকলৰ মতে আদিম যুগত কৃষিজীৱী মানৱে

*বসন্ত আগমনৰ লগে লগে প্ৰকৃতিয়ে যৌৱন শোভা ধাৰণ কৰে। মলয়াৰ মৃদু বায়ু, কোকিলৰ কুঞ্জন, বাৰিষাৰ আগমনসূচক মেঘৰ গুৰুগম্ভীৰ ধ্বনিয়ে প্ৰকৃতি জগতত মাদকতাৰ সৃষ্টি কৰে, প্ৰকৃতি শস্য সম্ভৱা হয়। কৃষিজীৱী মানুহে প্ৰকৃতিৰ লগত সংগতি ৰাখি ঋতু উৎসৱ পালন কৰি নৃত্য গীতেৰে নতুন বছৰটিক ওলগনি জনায়। আনফালে আকৌ ব'হাগ বিহুত উৰ্বৰতা বা প্ৰজনন উৎসৱ বুলিব পাৰি।*

বিশ্বাস কৰিছিল যে বছৰৰ আৰম্ভণিতে আই বসুমতীৰ পূজা দিলে নাইবা মতা-মাইকীয়ে মিলি খেতি পথাৰত নৃত্য গীত কৰিলে কৃষিভূমি অধিক উৰ্বৰা হয়। এনে বিশ্বাসৰ পৰাই কালক্ৰমত ডেকা-গাভৰুৰ মাজত বিহুনাচ আৰু তাৰ আনুষংগিক গীত বাদ্যৰ সৃষ্টি হ'ল বুলি বুলি অনুমান কৰিব পাৰি। দ্বিতীয়তে, চ'ত-ব'হাগ মাহত ৰমণীয় বসন্ত কালেও ডেকা-গাভৰুৰ মন চঞ্চল কৰি তোলে, ডেকা-গাভৰুৰ অন্তৰত যৌন কামনাৰ সৃষ্টি কৰে। ফলত তেওঁলোকৰ অন্তৰত প্ৰণয়ৰ ভাব জাগি উঠে।

বসন্ত আগমনৰ লগে লগে প্ৰকৃতিয়ে যৌৱন শোভা ধাৰণ কৰে। মলয়াৰ মৃদু বায়ু, কোকিলৰ কুঞ্জন, বাৰিষাৰ আগমনসূচক মেঘৰ গুৰুগম্ভীৰ ধ্বনিয়ে প্ৰকৃতি জগতত মাদকতাৰ সৃষ্টি কৰে, প্ৰকৃতি শস্য সম্ভৱা হয়। কৃষিজীৱী মানুহে প্ৰকৃতিৰ লগত সংগতি ৰাখি ঋতু উৎসৱ পালন কৰি নৃত্যগীতেৰে নতুন বছৰটিক ওলগনি জনায়। আনফালে আকৌ ব'হাগ বিহুত উৰ্বৰতা বা প্ৰজনন উৎসৱ বুলিব পাৰি। বৰষুণৰ সংস্পৰ্শত পৃথিৱী শস্য সম্ভৱা হয়। এই প্ৰকৃতিগত বাস্তৱ সত্যই পথাৰৰ বা বিহু তলিৰ ডেকা-গাভৰুৰ নৃত্য গীতৰ জৰিয়তে প্ৰতীকৰ ৰূপ লয়। উদং পথাৰৰ বুকুত ডেকা গাভৰুৱে যৌৱনৰ নাচ নাচে, সৃষ্টিৰ বুকুত অংকুৰণৰ বীজ সিঁচে।

*পৰ্বতত চৰিলে লুতুঙা গাহৰি*
*ভৈয়ামত চৰিলে গড়,*
*আমাকে পাবলৈ গংগাত স্নান কৰাগৈ*
*ব্ৰহ্মাকো খোজাকৈ বৰ।"*

যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, প্ৰেমৰ আকৃতি আৰু কমোৱা তুলাৰ দৰে উৰি ফুৰা চঞ্চল মনৰ সম্যক প্ৰকাশ বিহুগীতবোৰৰ জৰিয়তে দেখা যায়-

*"ঘৰতো নব'হে মনে সমনীয়া,*
*পথাৰতো নব'হে মন।*
*কমোৱা তুলাবোৰ যেনেকৈ উৰিছে*
*তেনেকৈ উৰিবৰ মন।"*

প্ৰকৃতিৰ বুকুত লালিত-পালিত হোৱা, প্ৰকৃতিৰ বুকুৰ পৰাই জীৱন ৰস আহৰণ কৰা চহা ডেকাৰ প্ৰণয় সুলভ দৃষ্টিত প্ৰকৃতিদেৱী মানৱীয় ঘটনাৰ কেৱল পটভূমিতেই নহয়, প্ৰকৃতি অতি আপোন আৰু মৰমৰ। বিহুগীতবোৰে গ্ৰাম্য কৃষক জীৱন প্ৰতিফলন কৰে-

*'দলনি পথাৰত পল বায়ে গ'লো*
*চাবতে পৰিলে কাছ,*
*তুমি বগা হ'লা ময়ো ক'লা হ'লো*
*কেলৈ বগা ক'লা বাচ।"*

বিহু প্ৰধানত কৃষিভিত্তিক উৎসৱ। তিনিওটা বিহু কৃষিৰ লগত জড়িত। অসমীয়া চহা কৃষকসকলে সৰহ ভাগ সময় পথাৰৰ কামত ব্যস্ত থাকে আৰু তেঁওলোকৰ ব্যস্ততাৰে

পৰিপূৰ্ণ অৱসাদ দূৰ কৰিবলৈ কৰ্ম কৰি থকাৰ মাজে মাজে বিহুগীত গাই-

*"ধানে দায়ে গ'লা পিছলৈ নেচালা*
*এৰিলা চেনেহৰ থোক,*
*বামে পায় লাখুটি যিদৰে এৰিলা*
*সেইদৰে এৰিলা মোক।*
*বোকাৰে গৰৈ মাছ বোকাতে ঘূৰিলে*
*মলয়াত ঘূৰিলে বগ,*
*মনৰ কথা যাৰি মনতে থাকিলে*
*ক'বলৈ নাপালো লগ।"*

কৃষিজীৱী অসমীয়াই দিনৰ সৰহভাগ সময় খেতিপথাৰ, নৈ-বিল, পৰ্বত-পাহাৰ আদিত কটাবলগীয়া হোৱাত প্ৰকৃতিৰ বিচিত্ৰ প্ৰভাৱ সহজেই তেওঁলোকৰ ওপৰত পৰিছে। সেইয়েহে প্ৰকৃতিখন অসমীয়াৰ অতি আপোন, ফলত ইয়াৰ বহু চিত্ৰ বিহুগীতত অংকিত হৈছে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে বিহুগীতত প্ৰকৃতিৰ চাৰিটা চিত্ৰৰ কথা প্ৰধানকৈ ৰূপায়িত কৰিছে। সেইয়া হ'ল - ক) অসমৰ নদ-নদী, খ) নৈ চাপৰি আৰু পথাৰ, গ) পৰ্বত-পাহাৰ আৰু ঘ) পশু-পক্ষীসমূহ।

একোখন দেশৰ সভ্যতা নদীক কেন্দ্ৰ কৰিও গঢ় লৈ উঠে। অসমীয়াৰ সভ্যতা গঢ় লৈ উঠিছে ব্ৰহ্মপুত্ৰ নৈক কেন্দ্ৰ কৰি। অতি প্ৰাচীন কালৰে পৰা ব্ৰহ্মপুত্ৰ লৈ নানা আখ্যান সৃষ্টি হৈছে। বিহুগীতত এই ব্ৰহ্মপুত্ৰ বা চিৰি লুইতৰ কথা উলেখ আছে-

*"চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলোঁ*
*চিৰি লুইতলৈ চাই,*
*চিৰি লুইতেতে কিৰীলি পাৰিলে*
*চেনাই নাৰে মেলি যায়।"*

বিহুগীতত ব্ৰহ্মপুত্ৰৰ উপৰিও অসমৰ বিভিন্ন নদ-নদীৰ কথা উলেখ আছে যেনে - ধনশিৰি, দিখৌ, দিচাং, গাই নদী আদি।

*"ধনশিৰি ভেটিলে জোঙ ঐ জাবৰে*
*সোৱণশিৰি ভেটিলে কিহে,*
*ভঙা খোলাকটি কমাৰে গঢ়িলে*
*যৌৱন গঢ়ি দিলে যিহে।"*

নদ-নদীবোৰৰ দৰে গৰু, ম'হ চৰণীয়া নৈৰ চাপৰি তাকে খেতিপথাৰ অসমীয়াৰ অতি আদৰৰ। এইবোৰত অসমীয়াই গৰু, ম'হ চৰায় খেতি কৰে, ইয়াতেই ডেকা-গাভৰুৰ প্ৰেম বিনিময় হয়। পথাৰ চাপৰিক ডেকা-গাভৰুৰ প্ৰণয় মঞ্চ বুলিব পাৰি-

*"নীলাকৈ পথাৰত চিলাই ধান দালে*
*ঘিলা চকলীয়া মুঠি,*
*সকলোকে দেখো তোমাক হে নেদেখোঁ*
*পথাৰৰ আলিমূৰত উঠি।"*

এনেদৰে বিহু গীতসমূহৰ মাজেৰে অসমীয়া চহা জীৱনৰ প্ৰাকৃতিক সৌন্দৰ্য প্ৰাণৱন্ত ৰূপত জিলিকি উঠিছে।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

ক
বি
তা

## বসন্তৰ গোন্ধ

— দিগ দিগন্ত বৰুৱা

বসন্তই আহি দিছিল তোমাৰ চুলিত
কপাহী বা;
নতুনৰ আভাসত তুমি দৌৰিছিলা
সুদূৰ আকাশলৈ;
ফৰিংফুটা জোনাকে বাট দেখুৱাইছিল
তোমাক চাগে।
দুৱাৰখন বন্ধ আছিল সিদিনা,
খিৰিকীয়েদি সোমাই আহিছিল এডৰা উশাহ
মলয়া বতাহৰ সৈতে।
তুমি হাঁহিছিলা,
সেই উশাহৰ শব্দত
সাৰ পাইছিল মোৰ প্ৰণয়ৰ পাহি;
দেহত লাগিছিল বসন্তৰ গোন্ধ।
তোমাৰ খোপাৰ পৰা সৰি পৰা
এটি নাহৰৰ ফুল;
মই সযতনে বুটলি ৰাখিছিলোঁ
কিজানি আকৌ পূৰ্ণিমাৰ জোনাকত,
আকৌ তোমাৰ খোপাত পিন্ধাই দিম।
তোমাৰ এই নৱ আগমনত
বুকুৰ নীৰৱ নিভৃত সপোনক
আকৌ জগাই তুলিম।





## নৱ বসন্তৰ আগমন

— খনিতা পাঠক

প্ৰকৃতি শুৱনি সেউজ বননি,
চৌদিশ ফলে-ফুলে জাতিষ্কাৰ;
বসন্তৰ পৰশ পাই গছে পাত সলালে
ধৰণীয়ে সুন্দৰ ৰূপ লয়।
বসন্ত কালত কুলি-কেতেকীয়ে
সুমধুৰ গীত গায়;
পলাশ-মদাৰে ৰাঙলী কৰে
ধৰণীত ৰঙা দলিচা সজায়।
সমীৰণে কঢ়িয়াই নানা ফুলৰ গোন্ধ,
চৌপাশ আমোলমোলায়;
সেউতী-মালতী, জেতুকা লগালে
দুহাত ৰাঙলী কৰি।
এইবাৰ বিহুত বিহুৱতী হ'ব
হেঁপাহ পলুৱাই নাচি।

# হেঁপাহৰ ব'হাগ

— বিকাশ হাজৰিকা

হেঁপাহৰ ব'হাগ প্ৰতি বছৰে আহে
ফুলৰ সুবাস লৈ,
পলাশে জ্বলাই তোলে আকাশত
ৰঙা ৰঙা অগ্নি।
কুলিৰ মাতত জাগে নতুন সপোন,
বিহুৰ ঢোলত জাগি উঠে মোৰ গাঁওখন।
সেউজীয়া পথাৰত হাঁহিৰ ঢৌ তুলি
কপৌ ফুলে মুকুতিৰে মৰম বিলায়।
নতুন বছৰৰ আশা বুকুত সাঁচি,
পুৰণি দুখবোৰ আঁতৰি যায়-
নিমিষতে হয় যে বিলীন।
হেঁপাহেৰে ভৰা এই ব'হাগৰ দিন,
মনৰ আকাশত আঁকে আনন্দৰ ৰঙীন চিন।

# বিহুৱা

— বৰ্ণালী ভট্টাচাৰ্য

পলাশ-মদাৰ ঐ,
ৰঙালীক আহা লৈ-
ভোমোৰাৰ গুঞ্জনে
ৰজনজনায়।
কুলিৰ সুৰদি মাত,
বিহুটি লাগিছে গাত;
পেঁপাটি বজায় শুনা-
বিহুৱা ককাই।
হাতত জেতুকা বোল,
ফুলিছে কপৌ ফুল;
নাচনীৰ খোপাত জিলিকিছে-
গগনা-সুতুলি।
যতনাইছে জলপান,
বাৰীৰ তামোল-পাণ;
চেনেহী বিহুটি আহি-
পালেহি বুলি।

# ৰঙালী বিহু

— পংখী ফুকন

ব'হাগ আহে নীৰৱ সপোন লৈ,
মাটিৰ বুকুত সাঁচি থোৱা ব্যথা জগাই।
ঢোলৰ শব্দত লুকাই থাকে
অজান বহু কথাৰ নিঃশব্দ কান্দোন।
সেউজীয়া পাতেৰে সজোৱা পথ,
কিন্তু কিমান হৃদয় এতিয়াও খালী!
হাঁহিৰ আঁৰত লুকাই থকা
দুখবোৰে কেতিয়াবা গোপনে কথা কয়।
পেঁপাৰ সুৰে মাতি উঠে সময়,
পুৰণি স্মৃতিৰে ভৰা এটি পথ;
য'ত মিলনো আছে, বিয়োগো আছে
জীৱনৰ দৰে বিহুও এক কাহিনী
ৰঙালী বিহু কেৱল উৎসৱ নহয়,
এয়া জীৱনৰ পুনৰ জন্মৰ গীত।
য'ত আশাই ফুলে
আৰু মনেও শিকিছে
হাঁহি আৰু কান্দোন একেলগে বোৱাবলৈ।



# ন-ব'হাগী

— প্ৰজ্বলিতা হাজৰিকা

(১)
অ' ব'হাগী, অ' ব'হাগী
আকৌ আহি পালেহি,
মোৰ পদূলি আজি
ন-সাজেৰে, ন-কুঁহিপাতেৰে
উদুলি-মুদুলি।

(২)
কুলি-কেতেকীয়ে ৰৈ ৰৈ বিনালে
কপৌ ফুলিল গছৰে ডালত,
আম, কঁঠাল, জামে
মিঠা হাঁহি মাৰিলে।
ঢোল, পেঁপা বাজিলে
নাচনীয়ে ঢাপলি মেলিলে-
বৰ আঁহতৰ তলত বিহু মাৰোঁগৈ বুলি।

(৩)
ব'হাগ এটি মাহ নহয়
ই এক মিঠা সুবাস,
ন-ব'হাগীয়ে আনে প্ৰকৃতিৰ বুকুলৈ
নতুনৰ আশ্বাস।
আকৌ হওক-
ঢোলৰ গুমগুমণিৰে,
এই প্ৰকৃতি মুখৰ!



ক
বি
তা

# চেনাই

— কৰবী দাস

চেনাই, তই আহিবি।
আয়ে যতনাই লগাই দিয়া তাঁতশালখনত
তোলৈ মৰমৰ গামোচাত
মই নিভৃতে বুটা বাছি থৈছোঁ।
চ'তৰ শেষৰ দিনটোত তই আহিবি,
জেতুকাৰ ৰঙেৰে
মোৰ দুহাতত ব'হাগ আঁকিবি।
পদূলিত ৰৈ থাকিম তোলৈ
বতাহত ঢোলৰ সুৰ ভাঁহি আহিব,
মনটোত নতুন সপোন জাগিব।
পাহাৰ বগাই কপৌফুল আনিব নোৱাৰিলেও
মোৰ বুকুৰ প্ৰেমৰ ব'হাগ
অকণ গুজি দিবি।
তই ৰঙালী বিহুৰ প্ৰাকক্ষণতেই আহিবি,
আমাৰ চোতালত
প্ৰেমৰ ৰঙেৰে ব'হাগ নামি আহিব পৰাকৈ।

# ব'হাগ

— ভনিতা কলিতা

তুমি অহাৰ বতৰা
কুলিটিয়ে দিলেহি কপৌৰ কাণে কাণে,
আৰু কপৌৰ ওঁঠত জিলিকিল
প্ৰাণ উতনুৱা এটি মিঠা হাঁহি।
তুমি অহাৰ বাবেই-
বিৰিখে বিৰিখে ন সাজৰ আলিংগন,
বসন্তৰ ফুলে ফুলে
বৰষাৰ একোটি চুম্বন।
ঢুলীয়াৰ ঢোলৰ চাপৰত,
নাচনীৰ নাচোনৰ লহৰত,
ৰঙতে ৰাঙলী আজি অসমীৰ
প্ৰতিখন চোতাল আৰু পথাৰ।
কেৱল তোমাৰেই স্বাগতমত-
চৌদিশে এতিয়া ব্যস্ততাৰ অপূৰ্ব সম্ভাৰ।

# ব'হাগৰ জাননী

— ৰঞ্জন শইকীয়া

চাওঁতে চাওঁতে ব'হাগেই আহিল,
চৌদিশে ফুলিল কপৌ,
ফুলিল তগৰ, ফুলিল নাহৰ ফুল।
কুলি-কেতেকীয়েও জুৰিলে গীত,
ডেকা-ডেকেৰীয়েও পাতিছে বিহুৰ মেল;
কাণত পৰিছেহি ঢোলৰে মাত,
তথাপি যেন মন নহয় ক্ষান্ত।
দূৰৈৰ বাঁহীৰ সুৰেও নুজুৰায় মন,
অপেক্ষাতেই যেন হেৰাই যায় ক্ষণ;
বাৰে বাৰে উৰি যায় উৰণীয়া এটি মন।
তথাপি
মোলৈ বাৰু তোৰ মনত নপৰেনে?
গাঁৱৰ ৰঙিলীহঁতেও যাঁচিছে বিহুৱান,
জাক পাতি ডেকাহঁতেও জুৰিছে বিহুৰে নাম।
পিতাইও ওলাইছে, আইও ওলাইছে,
সকলোৰেই পাতিছে বিহুৰে ধাম;
বিহু বিহু বুলি আৰু নো
কিমান বাটে চাম!
হাতৰে বিহুৱান হাততেই থাকিব,
মৰহিব বিহুতেই বিহুৱাৰ মন।
তই যদি এইবাৰো
বিহুতে নাযায়-
ৰাখিব কোনেনো মোৰে মান?





# ব'হাগৰ উন্মাদনা

— নিৰঞ্জন ঠেঙাল

মাহবোৰ আৰু কিমান গণিম?
আজি, কাইলৈ তাৰ পাছত?
তাৰ পাছত আন এটা নতুন দিন,
মানে ব'হাগৰ ওচৰ চাপিবলৈ
ব্যাকুল অসমীয়া মাহ!
লগতে চাগৈ চ'তেইও হৈছে সংযতহীন,
কাৰণ ব'হাগৰ আৰম্ভ
আৰু চ'তৰ শেষ!
উফ..., কুলিজনীয়ে বিনালেই,
হয়তো গছৰ ভিজা ফাঁকত কপৌপাহো ৰৈ আছে
সেই যে জেঠতে মৰহিছিল,
তেতিয়াৰে পৰা;
এৰা, এতিয়া ফুলিব, নতুন ৰং সানি ল'ব গাত।
ঘৰৰ বৰ চোতালত বহিলেই চোন বিয়নীৰমেল,
বোলে ৰঙা আঁচুৰৰ গামোচা,
ব'বৰ হ'লেইচোন বেলা।
সেয়া গাঁৱৰ অসমীয়া!
ককা-দেউতাসকলেও বহিছে
পাতিছে এক গম্ভীৰ আলোচনা
এইবাৰ বিহু হ'ব ডাঙৰ,
গছেও হাঁহিব, ফুলেও নাচিব
এজাক বৰষুণ লৈ বসন্ত আহিব
সেয়া হ'ব স্বাভিমান,
ব'হাগী বসন্ত।

# ব'হাগৰ আগমন

— নিতুল নাথ

কবিতা

কুলি-কেতেকীয়ে ঢাপলি মেলিলে বসন্তৰ আগমনলৈ
পুৱতি নিশাত কাণ উনাই শুনিছোঁ
চিৰ চিনাকি সুৱদি মাত

বসন্তৰ বা লাগি অৰণ্য গাভৰু হ'ল
বৰদৈচিলা মাকৰ ঘৰলৈ সেউজীয়া আঁচুৰি গ'ল
বাৰীৰ ঢাপত কপৌফুলে সপোন ৰচি ৰ'ল
ব'হাগৰ আগমনত মন মোৰ উন্মনা হ'ল

পিতাই অ', তই বাৰু গাঁথিছনে তৰাপাতৰ গৰুৰ বাবে নতুন এৰাল?
আই জননী মোৰ হিয়াৰ আমঠু
তই বাৰু সযতনে ৰাখিছনে তোৰ সাঁচতীয়া পেৰাত
তিলপিঠা, তেলপিঠা, ক'লী গাইৰ বাঁহৰ চুঙাত দৈ

দীঘলতি, মাখিয়তি ছাগে অপেক্ষাৰ পদূলিত,
মোৰ বুকুৰ সুহৃদ আপোন চুবুৰীত
ঢেঁকীৰ চাবত আনন্দৰ জোৱাৰ

বগীবাই ঐ, তাঁতৰ শালত বিহুৱান হাতত মাকো লৈ
গৰকাত দুভৰি সঘনাই তুলিছ
ওঁঠতে বিহুনাম লৈ

ব'হাগৰ আগমন মোৰো যে উন্মনা মন
কান্ধতে ঢোলটি লৈ সমনীয়াৰ স'তে
মুকলি পথাৰত আঁহতৰ তলতে
বিহুগীত এফাকি লৈ ৰঙতে নাচিম গৈ।

# ব'হাগী

— ৰিজুমণি বৰা

তাই আহিছে আজি পূৰ্ণ যৌৱনা হৈ
চাদৰৰ আঁচলত এমুঠি সেউজীয়া বান্ধি!
দুহাতত জেতুকাৰ ৰং বুলাই
বুকুত চ'ত মহীয়া ৰ'দ সামৰি
ওঁঠত বৰ্হমথুৰিৰ ৰঙা ৰং সানি।
তাই আহিছে আকৌ
চঞ্চলা গাভৰুজনী হৈ,
দূৰৈৰ পৰা শুনিছে তাই
ঢোলৰ গুমগুমনি
আকাশৰ পৰা খহি পৰা ডাৱৰবোৰে
খেলিব বিচাৰিছে তাইৰ সৈতে
দুহাত মেলি!
বিৰিখে বিৰিখে ন-সাজ পিন্ধি
কথা পাতিছে আনন্দত নৃত্য কৰি
তাই আহিছে আজি আকৌ পূৰ্ণ যৌৱনা হৈ
কিংখাপৰ মুগা সাজ পিন্ধি।

(১)

"He never misses the chance to make me feel like a queen"

ফটোখন ডাঙৰ কৰি চাইছে শেৱালিয়ে। প্ৰতিটো কোণৰ পৰা খুঁটি-নাটি মাৰি বাৰে বাৰে চাইছে। সদ্য বিবাহিতা সমনীয়াগৰাকীয়ে ফেইচবুকত ফটোখন দিছে। দীঘল টৌ খেলা চুলিটাৰিৰে বহুত সুখী দেখাইছে তাইক। এবাৰ নিজকে সেই গাউনটোত কল্পনা কৰি চালে শেৱালিয়ে। সকলো ঠিক থাকিলেও তাইৰ অমাৱস্যা হেন দেহৰ বৰণটোৱে শেষত আউল লগাই দিয়ে। আকৌ এবাৰ ফটোখন চালে তাই। কোনোবা প্ৰিয়জনে কেতিয়াবা তাইক এনেদৰে প্ৰেমেৰে উপচাই হৃদয়ৰ ৰাণীৰ দৰে আলফুলে যে ৰাখিব, তাই আশাও কৰিব নোৱাৰে! গভীৰ হুমুনিয়াহ এটা উজাই আহিল তাইৰ বুকুৱেদি।

ঃ ঐ শেৱালি ক'লৈ গ'লি? গোটেই ভাজিখিনি জ্বলি শেষ হ'ব এতিয়া। -আইতাকৰ চিঞৰত ফোনটো টেবুলত ৰাখি থৈ পাকঘৰলৈ দৌৰ দিলে শেৱালিয়ে।

ঃ কি কৰি আছিলি কোঠাটোত সোমাই সোমাই? গেছত এনেকৈ কেৰাহী পাতি নাযাবি আকৌ কেতিয়াবা বিপদ মাতিব!

ঃ এহ... আই! অলপ সময়হে আঁতৰি আছিলোঁ। প্ৰিয়ংকা বায়ে ফোন কৰিছিলে। তাকেহে কথা পাতি আছিলো। আই, মা ক'ত অ'?

ইফালে-সিফালে চাই ঢাকোনখন আঁতৰাই ভাজিখিনি লৰাই ল'লে শেৱালিয়ে। ভাগ্য ভাল যে গেছটো কমাই থৈছিলে।

# সুবাসিত ব'হাগ

— কাব্যশ্ৰী দত্ত

গ ল্প



ঃ মাৰা গা ধুই গোসাঁই ঘৰত চাকি দিবলৈ গৈছে। পিছে তোৰ প্ৰিয়ংকা বায়েৰে কিয় বা ফোন কৰিছিল ?

ঃ বিহুৰ ওচৰত পাৰ্লাৰত বৰ ভিৰ হয় অ' আই! সকলোৱে নিজকে ধুনীয়া কৰি ৰাখিব খোজে যে। সেইকাৰণে আজি অলপ সোনকালেই মাতিছে হয়তো দেৰিলৈকেও থাকি দিব লাগিব পাৰে, মানুহৰ ভিৰ বাঢ়িলে।

ঃ হয় নেকি ? মই আক' আজি তই ঘূৰি আহোঁতে বস্তু কেইটামান আনিবলৈ দিম বুলিহে ভাবিছিলোঁ। ময়ো আগবাঢ়ি উলাই গ'লোহেতেঁন। বহুদিন টাউনৰ বজাৰখন দেখা নাই! পিছে হ'ব দে বেলেগ এদিন যাম! তই তেনেহ'লে সোনকাল কৰ। মই ভাতকেইটাকে বাঢ়ি দিওঁ।

ঃ ঠিক আছে বাঢ়া বাৰু, মই ৰেডী হৈ আহো। পিছে তুমি বজাৰলৈ যাবলৈ মন কৰিছা যেতিয়া মই সোনকালে আজৰি হ'বলৈ সময় মিলাম বাৰু। তুমি আৰু মা ৰেডী হৈ মোলৈ ফোন এটা কৰি দিবা।

ঃ হ'ব বাৰু দে আইজনী। তই ওলাগৈ যা।

আইতাকক তাতে এৰি শেৱালিয়ে মুখ হাত ধুবলৈ গ'ল। হায়াৰ ছেকেণ্ডাৰীৰ ডেওনাখন যেনে-তেনে পাৰ কৰি তাই আৰু পঢ়িবলৈ মন নকৰাত সীমান্তত চাকৰি কৰা দেউতাকে তাইক হাতৰ বিদ্যাকে শিকি ল'বলৈ ক'লে। মাকে প্ৰথমে আপত্তি কৰিছিল যদিও পিছত যেনিবা মান্তি হ'ল আৰু ভাবি-চিন্তি চহৰৰ নাম থকা পাৰ্লাৰ এখনত বিউটিচিয়ানৰ কৰ্চ এটা শিকিবলৈ বন্দৰস্ত কৰি দিলে। ছমাহ সম্পূৰ্ণকৈ শিকাৰ পিছত পাৰ্লাৰখনৰ গৰাকী প্ৰিয়ংকা হাজৰিকায়ে শেৱালিৰ কৰ্মপটুতা দেখি তাইক পাৰ্লাৰখনতে নিয়োগ কৰিছে আৰু মাহেকে পাঁচহাজাৰকৈ টকাও দিছে। মাকৰ কথামতে কেইটামান টকা নিজৰ লগত ৰাখি বাকীখিনি তাই প্ৰতিমাহে বেংকত সাঁচি যায়। ইফালে সদায় চাইকেল লৈ যায় বাবে অহা-যোৱাৰ খৰচো নাই।

সদায়ে ৰাতিপুৱা উঠি লৈ ঘৰটো সাৰি-মচি, ফুলনিখন চিকুণাই গা ধোৱে শেৱালিয়ে। ফুল ৰোৱাতো তাইৰ সৰুৰে পৰাই চখ। দেউতাকে বন্ধত ঘৰলৈ আহিলে তাইৰ বাবে বিভিন্ন ফুলৰ পুলি লৈ আনে। আজিও ফুলনিখন চিকুণাই মেলি গা-পা ধুই আহে মানে মাকে তাইক ভাজিকণ পাতি দিবলৈ মাতিছিল। মাজতে ফোনটো বজাত ভাজিখিনি ঢাকোন মাৰি তাই কোঠালৈ আহিল। কথা পতাৰ শেষত অভ্যাসবশতঃ ফেইচবুকটো খুলি চাওঁতে ফটোখন দেখা পালে লগৰজনীৰ। ফটোখন চাই গেছত বহাই থোৱা ভাজিখিনিৰ কথা পাহৰিয়ে পেলালে বেচেৰীজনীয়ে। ভাগ্য যে আইতাক গৈ সময়ত পালেগৈ। মাক গৈ আগতে পোৱা হ'লে, কিমান যে খং কৰিলেহেঁতেন তাইক! ভালকৈ মুখ-হাত মচি লৈ কোঠালৈ

*মাক গৈ আগতে পোৱা হ'লে, কিমান যে খং কৰিলেহেঁতেন তাইক! ভালকৈ মুখ-হাত মচি লৈ কোঠালৈ আহি বগাত নীলা, গুলপীয়া ফুলৰ চাপ থকা চুৰিদাৰযোৰ উলিয়াই পিন্ধি ল'লে। সদায় জীনছ কুৰ্তা পৰিহিত পাৰ্লাৰখনৰ মালিক তথা প্ৰিয়ংকা বায়ে তাইকো জীনছ কুৰ্তা পিন্ধি আহিবলৈ কৈছিলে। তাই আকৌ চুৰিদাৰ নহ'লে চাদৰ মেখেলা পিন্ধিহে ভাল পায়। শেৱালিয়ে চুলিখিনি বেণী গুঠি, সামান্য ক্ৰীম অকণ ঘঁহি মুখখনত পাওদাৰ লগাই ল'লে। দুচকুৰ পতাত কাজল অকণো সানিলে। মুখখন যেন অকণমান শুৱনি হৈ পৰিল। হাতৰ বেগটোত প্ৰয়োজনীয় বস্তুবোৰ ভৰাই, ততাতৈয়াকৈ ভাতকেইটা খাই ঘৰৰ আগৰ তিনি আলিটোলৈকে খোজ ল'লে।*

আহি বগাত নীলা, গুলপীয়া ফুলৰ চাপ থকা চুৰিদাৰযোৰ উলিয়াই পিন্ধি ল'লে। সদায় জীনছ কুৰ্তা পৰিহিত পাৰ্লাৰখনৰ মালিক তথা প্ৰিয়ংকা বায়ে তাইকো জীনছ কুৰ্তা পিন্ধি আহিবলৈ কৈছিলে। তাই আকৌ চুৰিদাৰ নহ'লে চাদৰ মেখেলা পিন্ধিহে ভাল পায়। শেৱালিয়ে চুলিখিনি বেণীগুঠি, সামান্য ক্ৰীম অকণ ঘঁহি মুখখনত পাওদাৰ লগাই ল'লে। দুচকুৰ পতাত কাজল অকণো সানিলে। মুখখন যেন অকণমান শুৱনি হৈ পৰিল। হাতৰ বেগটোত প্ৰয়োজনীয় বস্তুবোৰ ভৰাই, ততাতৈয়াকৈ ভাতকেইটা খাই ঘৰৰ আগৰ তিনি আলিটোলৈকে খোজ ল'লে।

মাক আৰু আইতাক যিহেতু আগবাঢ়ি আহিম বুলি কৈছে। সেয়ে আজি তাই মেজিকতে যাব। হাতঘড়ীটো লৈ চালে শেৱালিয়ে চাৰে আঠ বাজিলেই। দহ বজাত পাৰ্লাৰ খোলা সময়লৈকে পাবগৈ লাগিব। ইফালে তিনি আলিটোত তেতিয়ালৈকে এখনো মেজিক নাই।

ঃ আৰে শেৱালি দেখোন! ভাল নে তোমাৰ?

সন্মুখত গাঁওখনৰ চোকা ল'ৰা বুলি পৰিচিত অজিত। টেটত পাছ কৰি চহৰৰ হায়াৰ চেকেণ্ডাৰী স্কুলত বিষয় শিক্ষক হিচাপে যোগদান কৰা তিনিমাহ হৈ গৈছে। ইয়াৰ আগতে সি বি.এড কৰিবলৈ গোলাঘাটত আছিলগৈ। সৰুৰে পৰা একেলগে উমলি ডাঙৰ হোৱা অজিত কিন্তু বয়সত তাইতকৈ ডাঙৰ। শেৱালিহঁত ষষ্ঠ শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতে অজিতহঁতে তেতিয়া মেট্ৰিক দিছিল।

ঃ আছো আছো অজিতদা। আপুনি ভালে আছেনে?

ঃ ময়ো ভালে আছো দিয়া। পিছে আজি তোমাৰ চাইকেলখন নাই যে?

ঃ আজি মা আৰু আইতা টাউনৰ ফালে যাব, ঘূৰি আহোঁতে একেলগে আহিম বুলিয়ে চাইকেলখন নানিলোঁ।

ঃ মানে আজি বিহুৰ বজাৰ ভালদৰে হ'ব যেন পাইছোঁ।

ঃ এহ... নাই নাই। মাহঁতে যি কৰে আৰু! আইতাই বৰ আহিবলৈ মন কৰি আছে। বহুদিন টাউনখন দেখা নাই হেনো।

ঃ হয় নেকি? ভাল বাৰু। আইতাৰো মনটো ভাল লাগিব। পিছে তোমাৰ ধুনীয়া ফুলনিখন এতিয়াও আছেনে?

ঃ আছে আছে। এদিন আহিব দাদা চাই যাবহি।

ঃ নিশ্চয়, তোমালোকৰ ঘৰলৈ মোৰ এনেও যাবলগীয়া হৈ আছে।

ঃ মানে?

ঃ মানে আৰু কি... যাম আৰু সময় আহিলে। পিছে মই যে তোমালৈ মাৰ হাতত গোলাপৰ ডাল দি পঠাইছিলোঁ সেয়া জীয়াব পাৰিলা নে নাই?

শেৱালিয়ে মনত পেলাবলৈ চেষ্টা কৰিলে, হয় হয় ডাঙৰ জাতৰ গোলাপৰ ডাল দুটামান অজিতদাহঁতৰ ঘৰৰ পৰা দিছে বুলি মাকে তাইক দিছিলহি।

ঃ সেইজোপা আপুনি দি পঠাইছিল নেকি? মই জীয়াই ল'লো নহয়। এতিয়া সৰু সৰুকৈ ঢেৰ কলি ওলাইছে গছজোপাত।

কথাষাৰ কওঁতে তাইৰ ফূৰ্তিটো দেখি সি তল মূৰ কৰি হাঁহি এটা মাৰিলে। তাকে দেখি শেৱালিৰ কিবা লাজ লাগি গ'ল। ইতিমধ্যে মেজিক এখন আহি ৰৈছিলহি তাত।

ঃ শেৱালি তুমি গৈ থাকা তেন্তে। গাড়ীখন ষ্টাৰ্ট দিয়ে ৰাখিছে, যোৱা বহি লোৱা নহ'লে ভালদৰে বহিবলৈকে নাপাবা।

অন্যথা তাই গাড়ীখনত বহিল।

ঃ বিহুত এপাক আহিব আমাৰ ঘৰলৈ।

ঃ নিশ্চয় যাম। গোলাপজোপাৰ কলিবোৰ যেতিয়া ফুল হৈ গোটেই গছজোপাতে ফুলি ৰ'ব তেতিয়া যাম!

ঃ হ'ব বাৰু তুমি যাবা! ময়ো যাওঁ দেৰি হ'ব নহ'লে। -কথাষাৰ কৈয়ে শেৱালিক কেতবোৰ দোমোজাৰ মাজত এৰি অজিতে

বাইকখন চলাই গ'লগৈ।

গোটেই বাটত অজিতৰ কথা ভাবি ভাবি কেতিয়ানো আহি পাৰ্লাৰখন পালেহি তাই গমকে নাপালে। তাই গৈ পাওঁতে সহায়িকাজনীয়ে আহি পাৰ্লাৰখন সাৰি মচি আছিল। তাই সোমায়ে এপ্ৰণকেইটা ৰ'দত দিলে, কেঁচী, ব্ৰাছ, ফণিবোৰ ধুই মেলি ল'লে।

আজি পাৰ্লাৰত দহটা বজাৰে পৰা ভীৰ লাগিছে। থ্ৰেডিং, মাছাজ, ফেচিয়েল, হেয়াৰ কাটিং, ষ্ট্ৰেইটনিং কৰি কৰি ভাগৰ লাগি গৈছে শেৱালিহঁতৰ। তাই বৰ ধুনীয়াকৈ হেয়াৰ কাটিং কৰিব জানে বুলি চহৰখনৰ মানুহবোৰৰ মাজত জনাজাত। সেয়ে প্ৰায়খিনি ছোৱালী-বোৱাৰী তাইৰ ওচৰলৈকে আহে চুলি কটোৱাবলৈ। কিন্তু কণমানি ছোৱালীবোৰেহে তাই কাষ চাপিব নোখোজে! মাকহঁতে তাইৰ ৰঙটোৰ বাবে ভয় কৰিছে বুলি কয়। শুনি দুখ লাগিলেও শেৱালি মনে মনে ৰয়। আজিও সৰু ছোৱালী এজনীয়ে তাইলৈ ভয় খাই চুবলৈকে নিদিলে। আজি দিনৰ ভাগত পাৰ্লাৰত মানুহৰ ভিৰত দুপৰীয়া পাল পাতিহে টিফিন খাবলগীয়া হ'ল। ইফালে মাকহঁতো অহাৰ কথা। তাই মাক আৰু আইতাকক সন্ধ্যাবেলা টাউন পোৱাকৈ মাতি দিলে। মালিক প্ৰিয়ংকায়েও তাইক সেইদিনাৰ বাবে যাবলৈ দিলে। ৰাতিপুৱা ঘৰৰ পৰা আহোঁতে তাই সাঁচতীয়া পইচাকেইটামান লৈ আহিছিল। তাৰে তাই মাক আৰু আইতাকক ভাল কাপোৰৰ দোকান এখনৰ পৰা তেওঁলোকৰ পচন্দৰ চাদৰ মেখেলা এযোৰকৈ কিনি দিলে। ইটো-সিটো বজাৰ কৰি শেষত তেওঁলোকে হোটেলত পৰঠা মিঠাই খাই ঘৰলৈ বুলি উভতিল।

ৰাতি ভাতৰ পাতত তাই আগবেলা অজিতক লগ পোৱাৰ কথাটো উলিয়াম বুলিও নুলিয়ালে। কিবা যেন লাজ এটাই আৱৰি ধৰিলে তাইক। ৰাতি শুবলৈ লৈয়ো ৰাতিপুৱা অজিতক লগ পোৱা কথাবোৰেই মনলৈ আহি থাকিল শেৱালিৰ! কিয় বাৰু অজিতে তাইৰ ঘৰলৈ আহিব আহিবলৈ ইমান আগ্ৰহ দেখুৱালে আজি? অজিতৰ দৰে ইমান দেখনিয়াৰ পঢ়া-শুনাত চোকা ল'ৰাটোৱে তাইক লৈ কিবা সপোন দেখিছে নেকি বাৰু? হে ভগৱান নাই নাই! সন্মুখত ভাল ব্যৱহাৰ দেখুৱাই পিঠিৰ পিছত ক'লী বুলি জোকোৱা বহুত মানুহ বহুত পাইছে তাই। কিন্তু গোলাপজোপা যে তাইৰ বাবেই দি পঠাইছিল... এইবোৰ আচলতে তাইৰ এক অলিক কল্পনা... নে বাস্তৱ? তাই ভাবি একো উৱাদিহ নাপালে।

(২)

*'লুইতে নাযাবি বালি অ' চেনাইটি*
*লুইতে নাযাবি বালি,*
*উঘা পকোৱা দি পকাই পকাই সুধিলোঁ*
*মনৰ কথা নক'লি খুলি।"*

ৰাতিপুৱা শুই উঠিয়ে তাই গোলাপজোপাৰ কাষলৈ গ'ল। কলিবোৰ অপৈণত হৈ আছে। অজিতে কৈছিল গোলাপজোপা ভৰি ভৰি ফুলিলে সি তাহাঁতৰ ঘৰলৈ আহিব বুলি। উফ...! কেতিয়া যে ফুলি উঠিব কলিবোৰ!

ঃ শেৱালি, কি হ'ল অ'? কালিৰ পৰা দেখিছোঁ কিবা চিন্তা কৰি থকাদি আছ। কোনোবাই কিবা ক'লে নেকি আকৌ?

আইতাকে সুধিলেহি তাইক। একমাত্ৰ নাতিনী হিচাপে বৰ মৰম পায় তাই আইতাকৰ পৰা। শেৱালিৰ মাক আৰু আইতাক গৰাকীৰ ৰঙটো চাফা কিন্তু তাই হে দেউতাকৰ ৰঙটো ল'লে। সৰুতে যেতিয়া কোনোবাই ক'লী বুলি জোকালে দুখত কান্দে আইতাকে তাইক দেউতাকৰ দৰে হ'লে ছোৱালী লক্ষ্মী হয় বুলি বুজনি দিয়ে।

ঃ নাই অ' আই! কোনেও একো কোৱা নাই।

ঃ তেন্তে কি চিন্তা কৰি আছ ক'চোন।

ঃ আই এই গোলাপজোপা কোনে দিছিলে মনত আছেনে তোমাৰ?

গোলাপ জোপালৈ দেখুৱাই সুধিলে আইতাকক।

ঃ এইজোপা জীৱন মাষ্টৰৰ ঘৰৰ পৰা দিছিল আকৌ। কিয় কিবা হ'ল নি গছজোপাৰ?

ঃ গছজোপাৰ একো হোৱা নাই। কিন্তু, এই গোলাপজোপা ভৰপক দি ফুলাৰ সময়ত অজিতদা আমাৰ ঘৰলৈ আহিম কৈছে।

ঃ অজিত মানে জীৱন মাষ্টৰৰ ল'ৰাটোৰ কথা কৈছ? সেইটোনো কি চিন্তা কৰিবলগীয়া কথা হ'ল? আহিব আক'। আগতে সৰুতে কিমান যে আহিছিল সি মনত আছে? কোনোবাই সৰুতে তোক জোকালে সি মুখ পাতি ধৰিছিল। বৰ ডাঙৰটো হ'ল অ' সি। সেইদিনা নামঘৰত তাৰ চাকৰি পোৱাৰ বাবে নাম গোৱা পাতোতে ঘৰৰ সবৰে কথা সুধিছিল। সি আহিলে ভালকৈ এসাঁজ খোৱাব লাগিব অ' শেৱালি। মাৰাৰ লগত লাগি পিঠাপনাৰ আয়োজন কৰিবি। ব'ল এতিয়া চাহ একাপ খাই ল'বি।

আইতাকৰ কথাযাৰ শলাগি তয়ো ভিতৰলৈ খোজ ল'লে। মনলৈ সেইসময়ত তাইৰ শৈশৱৰ ছবিবোৰ ধূসৰ হৈ ধৰা দিছিলহি।

(৩)

*"বহোঁ তাঁতৰ পাটত চকু আলিবাটত*
*মাকো সৰি সৰি পৰে।*
*যেতিয়া তোমালৈ মোৰে মনত পৰে*
*শোকে খুন্দা মাৰি ধৰে।।"*

এইকেইদিন খোজকাঢ়িয়ে পাৰ্লাৰলৈ গৈ আছে শেৱালিয়ে। তিনিআলিত কেতিয়াবা অজিতক লগ পাবলৈকে দুই তিনিখন মেজিক যোৱাৰ পিছতহে গাড়ীত বহেগৈ। ইফালে কাইলৈ উৰুকা। কাইলৈ পৰা পাঁচদিন মান তাই আৰু পাৰ্লাৰলৈ নাযায়। সেয়েহে আজি ঘূৰি যাওঁতে এবাৰ বজাৰত সোমাই যাব লাগিব। সেইদিনা মাকহঁতৰ লগত আহোঁতে কোমল সেউজীয়া ৰঙত সৰু সৰু কমলা আৰু মটীয়া বৰণৰ ফুল থকা কাপোৰ এযোৰ বৰ পচন্দ হৈছিল শেৱালিৰ। হাতত পইচা কম হোৱাৰ বাবেহে নিব নোৱাৰি, দোকানীজনক ৰাখি থ'বলৈ কৈছিলে। ঘৰতে চিলাই মেচিন আছে যেতিয়া মেখেলাখন ঘৰতে চিলাই ল'ব পাৰিব। কিন্তু কাপোৰযোৰৰ লগত মিলাকৈ ব্লাউজ এটা কিনিহে ল'ব লাগিব।

সময়ত নিৰ্দিষ্ট দোকানখন পালেগৈ কিন্তু কাপোৰযোৰ হে নাপালে। তাই ইমানদিন নহা দেখি পৰহি গ্ৰাহক এজনে বিচৰাত সিহঁতে দি দিলে। তাইৰ মনটো কিবা মৰহি গ'ল। ইমান আশা কৰি গৈছিল তাই। সকলোবোৰ ৰং তাই পিন্ধিবও নোৱাৰে আৰু যিবোৰ পিন্ধিব পাৰে সেইবোৰত পচন্দৰ একো নাপায়। এইবাৰ কাপোৰ এযোৰ ভাল লাগিছিলে তাকো বেলেগে কিনি লৈ গ'ল! কাপোৰযোৰৰ লগত মিলাই বহুত কিবাকিবি কিনিম বুলি গৈছিলে তাই কিন্তু একো নিকিনি মনৰ দুখতে তাই ঘৰলৈ বুলি উভতিল।

ঘৰলৈ আহি শেৱালি আচৰিত হৈ গ'ল। চ'ৰাঘৰটোত মাক-দেউতাক আৰু আইতাক বহি চাহ খাই খাই কথা পাতি আছে। দেউতাকক ইমান দিনৰ মূৰত দেখি তাই জাঁপকেইটামান মাৰি একে কোবে দেউতাকৰ কাষ পালেগৈ!

ঃ বাহ...! তুমি পালাহি দেউতা। মোক আক' কাইলৈ ৰাতিপুৱা পামহি বুলিহে কৈছিলা। ভালেই হ'ল দিয়া। মোলৈ কি আনিছা?

সৰু ছোৱালী এজনীৰ দৰে আবদাৰ কৰি উঠিল শেৱালিয়ে।

ঃ আনিছোঁ অ'... মই মোৰ ধুনীয়া ছোৱালীজনীলৈ একো ননাকৈ থাকিম নে? হেৰা তাইলৈ অনা টোপোলাটো আনাচোন। বাকী কোৱাচোন শেৱালি মাজনী তোমাৰ কাম কেনেকুৱা চলিছে?

ঃ ভালেই চলিছে দেউতা। প্ৰিয়ংকা বায়ে মোক আৰু ভালদৰে শিকিব কৈছে।

ঃ হয় নেকি? ঠিক আছে তেন্তে। কিন্তু পিছলৈ মন কৰা যদি বি.এ. টোও কৰি ল'বা। বাৰু আজি ৰাতিলৈ মোক ভালদৰে তেলৰ মালিচ এটা কৰি দিবা দেই!

ইতিমধ্যে মাকে তাইৰ হাতত টোপোলাটো

দিলেহি... ঝুমকা ফুলি দুযোৰ, ধুনীয়া চেণ্ডেল এযোৰ, চিলোৱা চুৰিদাৰ এযোৰ আৰু তাই বিচৰা সেই কোমল সেউজীয়া কাপোৰযোৰ!

ঃ দেউতা, তুমি কেনেকৈ গম পালা মোৰ এইযোৰ কাপোৰ পচন্দ হৈছিল বুলি, মা তুমি দেউতাক কৈছিলা নেকি?

ঃ দেউতাৰক ময়ো কোৱা নাই, দেউতাই নিজেও অনা নাই দেই কাপোৰযোৰ।

ঃ তেন্তে...।

তাই আচৰিত হৈ আইতাক আৰু মাকৰ মুখলৈ চালে দুয়ো মুখ টিপি হাঁহিছে।

ঃ তেন্তে একো নাই মাজনী। ব্লাউজটোও তোমাৰ জোখতে চিলোৱা হৈছে। মুঠতে বিহুত নামঘৰলৈ সেৱা ল'বলৈ যোৱাৰ দিনা পিন্ধিবা। বৰ ধুনীয়া লাগিব তোমাক!

মাক আৰু আইতাকলৈ বুলি অনা কাপোৰ-কানিবোৰ চাই মেলি তাইৰ টোপোলাকেইটা লৈ নিজৰ কোঠালৈ আহিল আৰু ভৰি-হাতকেইটা ধুই আহি কাপোৰযোৰ এবাৰ পিন্ধি চালে। ভাল লাগিছে তাইক! সিদিনা তাই কিনিব নোৱাৰা দেখি চাগে মাকে মনে মনে কিনি অনোৱালে। নহ'লেনো ইমান জোখত ব্লাউজটো হৈ গৈ নে! দেউতাকে অনা ঝুমকা ফুলিযোৰো পিন্ধি ল'লে। আইনাৰ আগত নিজকে বিভিন্ন কোণৰ পৰা চাই ল'লে। বহুত ধুনীয়া লাগিছে তাইক।

*"বিহু আনন্দীয়া বিহু বিনন্দীয়া*
*বিহুৰে বিৰিণা পাত,*
*গাঁৱৰ বিহুতলীত ঢোল-পেঁপা বাজিছে*
*বিহু বিহু লাগিছে গাত।"*

ক'ৰবাত বিহুৰ আখৰাত ঢোলত ছেও তুলিছিল। তালে তালে তায়ো কাপোৰযোৰে সৈতে এপাক নাচি লৈ ছেলফি এখন তুলি ল'লে নিজৰ। আকৌ কাপোৰযোৰ ভাঁজে ভাঁজে জাপি থৈ, নাৰিকল তেলৰ বটলটো লৈ দেউতাকৰ ওচৰলৈ গ'ল।

(৪)

*"আগলি বাঁহৰে লাহৰী গগনা*
*বহি তাঁতৰ পাটত বাওঁ,*
*আহে কি নাহে ঐ মোৰে ধন চেনাই ঐ*
*চিৰিপাতি মংগলখন চাওঁ।"*

শুই উঠিয়েই গোলাপজোপা চাবলৈ যোৱাটো শেৱালিৰ যেন নিয়মত পৰিণত হৈছে। যোৱা কালিৰে পৰা গোলাপজোপাও ফুলেৰে ভৰি পৰিছে। বাটেৰে যোৱা মানুহবোৰে এবাৰ হ'লেও ৰৈ ভৰপক দি ফুলি থকা গোলাপজোপা চাই যায়। কিন্তু যাৰ বাবে শেৱালিয়ে কলি মেলাৰে পৰা অপেক্ষা কৰি আছে তেওঁৰ হে দেখা দেখি নাই! অজিতে চাগে এনেয়ে তাইৰ মনটো জুখি চাবলৈকে কৈছিল তেনেকৈ! গোলাপজোপা দেখিলে মনটোহে মৰহি যায় তাইৰ। কিয় যে কথাবোৰ ইমান গভীৰভাৱে লৈছিল শেৱালিয়ে! অজিতৰ দৰে ধুনীয়া পঢ়া-শুনা কৰা ল'ৰা এটা জানো তাইৰ প্ৰতি আকৰ্ষিত হ'ব! সি চাগে ক'লে কিবা আৰু তাই বুজিলে কিবা এটা! কথাবোৰ আৰু চিন্তা নকৰি তাই খৰখেদাকৈ ফুলগছবোৰত পানী দি ঝাৰুটো হাতত তুলি ল'লে। দেউতাকে অলপদেৰিৰ পিছত ঘৰখনত থকা গৰুহালক গা ধোৱাবলৈ নদীৰ পাৰলৈ যাব। মাক আৰু আইতাকে মিলি গৰুহালৰ বাবে মাহ-হালধি পিচিলে, লাও-বেঙেনা দি চাট বনালে। শেৱালিয়ে দেউতাক যোৱাৰ আগতে ঝাৰু দি ঘৰৰ ভিতৰ-বাহিৰকণ মচি গা-পা ধুই ধূপ-চাকি জ্বলালে আৰু সকলোৰে বাবে জলপান ঠিক কৰিলে। মাক-আইতাকক জলপান যতনাই দি নিজেও খাই ল'লে। তাৰ পাছতেই কণমাই জেঠাইৰ ঘৰলৈ যাব। তাত মাকে গামোচাকেইখনমান ববলৈ দিছিলে, আনিবগৈ লাগে। ইফালে ঘূৰি আহি পিঠাপনা, লাৰুও বনাব লাগিব। কালিয়েই মাকৰ লগত মিলি পিঠাগুড়ি খুন্দি থৈছে। তিল ধুই শুকুৱাই নাৰিকল ৰুকি থৈছে। সন্ধিয়া দেউতাকে জাক দিয়াৰ আগে আগে বনাই শেষ কৰিব লাগিব। নহ'লে পিঠা পূৰোতে ৰাতি এপৰ হ'বগৈ। শেৱালি কোবাকুবিকৈ কণমাই জেঠাইৰ ঘৰলৈ

চাইকেলখন লৈ ওলাল। নদীৰ পাৰত ইতিমধ্যে গাঁৱৰ ৰাইজ আহি গোট খাইছিল। তাই আঁতৰৰ পৰাই অজিতক দেখিলে, ক'লা হাফ পেণ্ট, ৰঙা স্পৰ্টিং পিন্ধি মূৰত গামোচা এখন মাৰি মথাউৰিটোত থিয় হৈ আছে। হাতে ভৰিয়ে বোকা লাগি আছে। তাইক দেখি সি হাঁহি এটা মাৰি দেখুৱালে, তাই নেদেখাৰ ভাও ধৰি কোবাকুবিকৈ পেডেল মাৰি পাৰ হৈ গ'ল। পিছলৈ ঘূৰি চাবলৈ সাহস নহ'ল তাইৰ। বুকুখনত ধপধপনি উঠিছিলে ভালকৈয়ে!!

(৫)

*"চ'ততে কান্দিলে চতুৰা চৰাইটি*
*ব'হাগত কান্দিলে কুলি,*
*গছৰে ডালতে ইনালে বিনালে*
*বিহুটি আহিলে বুলি।"*

আজি মানুহবিহু শেৱালিহঁতে ৰাতিপুৱাই মাহ হালধিৰে গা ধুই গোসাঁই ঘৰত চাকি বন্তি আগবঢ়াই ডাঙৰজনক সেৱা সৎকাৰ কৰি নামঘৰলৈ বুলি গ'ল। শেৱালিয়ে চাকিগছ ভগৱানলৈ আগবঢ়াই, গোসাঁইক সেৱা কৰি ওলাই আহোঁতে দূৰৰ পৰাই অজিতক দেখিছিল লগৰ দুটামানৰ লগত। তাই আকৌ তাক নেদেখাৰ ভাও ধৰি মাক আৰু আইতাকৰ সৈতে ঘৰলৈ বুলি গুচি আহিল। ইফালে ঘৰলৈ কোনোবা আলহী অহাৰ কথা।

ঃ শেৱালি ভাল কাপ-প্লে'টযোৰ উলিয়াই ৰাখিবি দেই আৰু নতুন টেকেলিটোৰ মুখৰ দৈকণো কাঢ়ি থ'বি। আলহীক দিব লাগিব।

ঃ অ' মা উলিয়াই ফ্ৰীজত ৰাখি থৈছোঁ। পিছে কোন আহিব বাৰু? পিঠা এটা চোবাই চোবাই মাকক আহি সুধিলেহি।

ঃ আহিলে গম পাবি নহয়। এতিয়া দেউতাৰলে ফোন এটা লগাই সোনকালে আহি জলপানটো খাই যাবলৈ ক'চোন। -মাকে হাঁহি হাঁহি উত্তৰ দিলে।

তাই দেউতাকলৈ ফোনটো লগাই ফুলনিখনলৈ নামি গ'ল। তগৰ কেইজোপা আমোলমোলাই আছে। পদূলিমুখতে থকা তামোলজোপাত কপৌফুল ওলমি ওলমি ফুলি আছে আৰু গোলাপজোপাটো ক'বই নালাগে। তাই গোলাপজোপাৰ কাষলৈ গৈ এপাহ ফুল ছিঙি খোপাত গুজি ল'লে। হুমুনিয়াহ এটা উজাই আহিল শেৱালিৰ। মনটো ভাল লগাবলৈকে ছেলফী এখন তুলি ল'লে।

ঃ বেয়া নোপোৱা যদি মোৰো ফটো এখন তুলি দিবা নেকি?

কাৰোবাৰ মাতত শেৱালি উচপ খাই উঠি পিছলৈ ঘূৰি চালে।

ঃ অজিতদা আপুনি ইয়াত??

তাইৰ চকুদুটা ডাঙৰ হৈ গ'ল!

ঃ আচৰিত হ'লা যে? মইটো তোমাক কৈছিলোৱেই গোলাপজোপা ভৰি ভৰি ফুলিলে তোমালোকৰ ঘৰলৈ আহিম বুলি।

ঃ কিন্তু...

ঃ একো কিন্তু- চিন্তু নাই দেই। সোনকালে ফটো একপি তোলাচোন মোৰ। দৰাচলতে তুমি ৰৈ দিয়া মই তোমাৰহে ফটো একপি তুলি লওঁ।

অজিতে তাইক গোলাপজোপাৰ কাষত থিয় কৰাই ফটো কেইবা কপিও ল'লে।

ঃ তোমাক কিন্তু কাপোৰযোৰে বহুত শুৱাইছে দেই শেৱালি।

এইযোৰ কিনিবলৈ কিমান যে কাকূতি কৰিছিলোঁ দোকানীজনক। নিদিয়েহে নিদিয়ে। পিছত তোমাৰ মাক লৈ যাওঁতেহে দিলে!

ঃ মানে এইযোৰ আপুনিহে মোৰ বাবে আনিছিলে? কিন্তু কেনেকৈ গম পালে মোক এইযোৰ লাগিছিল বুলি?

ঃ পালো আৰু কেনেবাকৈ!

তাই অসহায়ভাৱে ইফালে-সিফালে চাওঁতে বাৰাণ্ডাখনৰ পৰা মাক, অজিতৰ মাক আৰু আইতাকে তাহাঁতলৈ হাঁহি হাঁহি চাই থকা দেখিলে। হে হৰি! এয়া মানে আগতেই ঠিক হৈ আছিলে। তাই লাজতে মূছকঁছ যোৱা যেন

হ'ল।

ঃ আহাঁ অজিত বোপা, ভিতৰলৈ ব'লা। আইজনীক আমি একোৱেই কোৱা নাই নহয়। সেয়ে দৰক লাগিলে। যোৱা শেৱালি আইজনী চাহ-জলপানৰ ব্যৱস্থা কৰিবাগৈ।

আইতাক তাইৰ অৱস্থাটো দেখি আগবাঢ়ি আহি সকলোকে ভিতৰলৈ লৈ গ'ল।

শেৱালিয়েও উগুল-থুগুল মন এটা লৈ পাকঘৰলৈ সোমাই চাহ বনাবলৈ বুলি ছচপেনটো গেছত বহাই, কাপ-প্লেটযোৰ সজাব লৈছিলহে তেনেতে ম'বাইলত মেছেজ এটা আহিল। হোৱাটচ্ এপটো খুলিলে শেৱালিয়ে। অজিতৰ মেছেজ আছিল-

"সকলোৱে সন্মতি দিলে... মাথোঁ তোমাৰ সন্মতিলৈহে বাট চাই আছো! কোৱাচোন শেৱালি সুখে-দুখে, প্ৰতিটো খোজতে তুমি মোৰ কাষত আজীৱন থাকিবানে?"

মেছেজটো পঢ়িলৈ হোৱাত তাইৰ বুকুৰ ধপধপনি নিজেই শুনিবলৈ পালে!

*"পিৰীতি নাভাঙে পিৰীতি নিছিঙে*
*পিৰীতি নপৰে সৰি,*
*য'তে মেৰিয়াবা তাতে মেৰ খাব*
*পিৰীতি মৰমৰ জৰী।"*

ঃ থাকিম!

উত্তৰটো দি তাই দুগুণ উৎসাহেৰে জলপান সজাবলৈ ল'লে।

(বিঃ দ্ৰঃ বিহু নামকেইশাৰী সংগ্ৰহীতা)

# লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

## আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

গল্প



# আন্ধাৰৰ পিছত পোহৰ

— মিনাক্ষী কলিতা

ঘড়ীটোৱে তিনি বাজি ত্রিশ মিনিট যোৱাৰ সংকেট দিলে। আল্পনাই হাতত সাৰে-ভৰিত সাৰে বিছনাৰ পৰা নামিল। তাই মাক-দেউতাক থকা কোঠাটোলৈ জুমি চালে। কোনো সাৰ-সুৰ নাই; মাক-দেউতাকে নিশ্চিন্তে নিদ্রাদেৱীৰ কোলাত শুই আছে। দুৱাৰখন খুলি তাই লাহেকৈ বাহিৰলৈ ওলাই আহিল।

আকাশত জিলিকি থকা পূর্ণ চন্দ্রমাই বাহিৰখন ফটফটীয়া পোহৰ কৰি ৰাখিছে। চোতালত থিয় হৈ আল্পনাই কিছুসময় একেথিৰে ঘৰটোলৈ চালে। এইখন ঘৰৰ মজিয়াত খেলি-ধূলিয়েই তাই বিশ বছৰীয়া হ'ল। কত যে স্মৃতি জড়িত হৈ আছে তাইৰ এইখন ঘৰ আৰু চোতালৰ সৈতে! আজিৰ পিছত হয়তো তাই কেতিয়াও এইখন ঘৰ নেদেখিব। দুগালেৰে বৈ অহা লোতক দুধাৰি মচি তাই আজন্মৰ আপোন ঘৰখন এৰি ওলাই আহিল। পদূলিতে থকা নাহৰজোপাৰ তলত বৈ এবাৰ গছজোপা চুই চালে। তাইৰ কোনোবা এটা জন্মদিনত দেউতাকে এই নাহৰৰ পুলিটো উপহাৰ দিছিল। খুব হেঁপাহেৰে তাই পুলিটো ৰুইছিল আৰু পুৱা-গধূলি নিয়মিত পানী ঢালিছিল। আদৰ-যত্ন পাই পুলিটো লহপহকৈ বাঢ়িছিল।

বোৰতী নৈক যেনেকৈ ভেটিব নোৱাৰি, আল্পনায়ো নিজৰ দুগালেৰে বৈ থকা চকুলোৰ নৈখনক বাধা দি ৰাখিব পৰা নাই। বাধা দিবলৈ তাই বিশেষ চেষ্টাও কৰা নাই; বৈ যাওক আৱেগবোৰ। গছজোপাত আলফুলে এবাৰ হাত বুলাই তাই খোজ দিলে। লাহে লাহে খোজৰ গতিবেগ বাঢ়িল। সূৰ্যোদয় হোৱালৈ বেছি সময় নাই, তাৰ আগতেই তাই গন্তব্যস্থল পাব লাগিব।

উকি মাৰি তীব্ৰ গতিত আহি থকা ৰে'লখনৰ শব্দ তাই দূৰৰ পৰা শুনিলে। একে দৌৰে গৈ তাই ৰে'ল আলিত থিয় হ'ল। তাইৰ উশাহৰ গতি স্থবিৰ হ'বলৈ, জীৱনৰ জীয়া যন্ত্ৰণা আৰু মানসিক চাপ নাইকিয়া হ'বলৈ আৰু মাত্ৰ অকণমান সময়। তাই চকুহাল মুদি দিলে।

মাত্ৰ এপলক! জোৰেৰে মৰা এটা খুন্দাত আল্পনা দূৰত ছিটিকি পৰিল।

"শেষ! সকলো শেষ!" - আল্পনাই স্বগতোক্তি কৰিলে। কিছুসময় তাইৰ কাণত বাজি থাকিল ৰে'লখনৰ কৰ্কশ শব্দ। ঠাইখিনিয়ো ডুলি থকাৰ নিচিনা তাইৰ অনুভৱ হ'ল। কিন্তু পলকতে ঠাইডোখৰ নিজান পৰিল।

ঃ কি কৰিবলৈ ওলাইছিলি হা?

কাৰোবাৰ মাত আল্পনাৰ কাণত প্ৰতিধ্বনিত হ'ল। তাই লাহেকৈ চকুহাল মেলিলে। কিন্তু এয়া কি! তাই দেখোন জীয়াই আছে। ৰে'ল আলিৰ পৰা প্ৰায় দুহাত দূৰত তাই পৰি আছে। আৰু তাইৰ সন্মুখত এয়া সুবৰ্ণ! তাইৰ বাল্যবন্ধু।

উঠিবলৈ চেষ্টা কৰিও আল্পনাই নোৱাৰিলে। জোৰেৰে পৰি যোৱাৰ বাবে তাই দেহত যথেষ্ট আঘাত পাইছে। সুবৰ্ণই তাইক ধৰি বহুৱাই দিলে আৰু নিজেও কাষতে বহি তাইক ধৰি থাকিল।

ঃ কিয়! কিয় মোক মৰিবলৈ নিদিলি?

সুবৰ্ণৰ বুকুত ভুকিয়াই ভুকিয়াই তাই কান্দিলে।

ঃ মৰিলে তোৰ কি সকলো সমস্যাৰ সমাধান হৈ গ'লহেঁতেন নেকি?

সুবৰ্ণৰ মাত কঠোৰ হৈয়ে থাকিল। সি কোনো কাৰণতে আল্পনাই লোৱা সিদ্ধান্তক সমৰ্থন কৰিব নোৱাৰে। আত্মহত্যা এক সামাজিক ব্যাধি। জীৱনলৈ সমস্যা আহে, জটিলতা আহে; কিন্তু সেইবুলি আত্মহত্যা গ্ৰহণযোগ্য নহয়। পৰিস্থিতিৰ ওচৰত হাৰ মানি জীৱনৰ চৰম পন্থা লোৱাজন কাপুৰুষৰ বাদে আন একো নহয়।

ঃ সমস্যা সমাধান নহ'লেও মই অন্ততঃ মুক্তি পালোঁহেঁতেন। মা-দেউতাই মুক্তি পালেহেঁতেন। দুদিন পাছত যেতিয়া মোৰ পেটটো বাঢ়ি আহিব, মা-দেউতাই কেনেকৈ সমাজত মুখ উলিয়াব? মই কেনেকৈ তেওঁলোকৰ সন্মুখত থিয় হ'ম? ইমান মানসিক যন্ত্ৰণা সহি কোনোবা জীয়াই থাকিব পাৰে নে?

আল্পনাই কান্দি থাকিল। তাইৰ কান্দোনে

*আল্পনাই কান্দি থাকিল। তাইৰ কান্দোনে সুবৰ্ণৰ অন্তৰ নগলালে, বৰঞ্চ তাৰ খঙহে উঠিল। চহৰলৈ পঢ়িবলৈ গৈ চহৰৰে কোনোবা এজন ল'ৰাৰ সৈতে আল্পনাৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠা কথাটো সি শুনিছিল। কথাষাৰ শুনি তাৰ বুকুখন বিষাইছিল। সি সৰুৰে পৰা আল্পনাক ভাল পাইছিল, কিন্তু সেই কথা কোনোদিন প্ৰকাশ কৰা নাছিল। ত্যাগেই প্ৰেমৰ আন এটা ৰূপ বুলি সি নিজক বুজাইছিল। কিন্তু আজি আল্পনাৰ এই অৱস্থা দেখি সি স্থিৰ থাকিব নোৱাৰিলে।*

সুবৰ্ণৰ অন্তৰ নগলালে, বৰঞ্চ তাৰ খঙহে উঠিল। চহৰলৈ পঢ়িবলৈ গৈ চহৰৰে কোনোবা এজন ল'ৰাৰ সৈতে আল্পনাৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠা কথাটো সি শুনিছিল। কথাষাৰ শুনি তাৰ বুকুখন বিষাইছিল। সি সৰুৰে পৰা আল্পনাক ভাল পাইছিল, কিন্তু সেই কথা কোনোদিন প্ৰকাশ কৰা নাছিল। ত্যাগেই প্ৰেমৰ আন এটা ৰূপ বুলি সি নিজক বুজাইছিল। কিন্তু আজি আল্পনাৰ এই অৱস্থা দেখি সি স্থিৰ থাকিব নোৱাৰিলে।

সি গৰজি উঠিল- "তই কি ভাবিছ, আমাৰ কোনো মানসিক চাপ নাছিল? আছিল। কিন্তু আমি ব্যৰ্থতাবোৰ মূৰ পাতি ল'বলৈ শিকিছিলোঁ।" বিয়াৰ আগত শাৰীৰিক সম্পৰ্ক আৰু তাৰ পৰিণতিত এজনী ছোৱালীৰ গৰ্ভত সন্তান- এই সত্যটোৱে সুবৰ্ণক দগ্ধ কৰিছিল।

নীৰৱতাক বুকুত বান্ধি পাৰ হৈ গ'ল এক দীঘলীয়া সময়। ন-প্ৰভাতৰ ৰেঙনি সিঁচি পূব আকাশত বেলিয়ে ভুমুকিয়ালে। সমুখত এটা নতুন প্ৰভাত। আল্পনাই কুহুমবুলীয়া বেলিটোলৈ চালে। সমস্যাই বেছি সময়লৈ স্তব্ধ কৰি ৰাখিব নোৱাৰে কাকোৱে। তেন্তে তাই কিয় হাৰি যোৱাৰ কথা চিন্তা কৰিছিল? কোনোবাই প্ৰতাৰণা কৰিলে বুলিয়ে জানো জীৱনটো বৈ যাব?

এটা ভুল ইতিমধ্যে তাই কৰিছে। পুনৰ আৱেগৰ বশৱৰ্তী হৈ কিমান ডাঙৰ অপৰাধ এটা তাই কৰিবলৈ ওলাইছিল! অনুতাপৰ চকুলো দুগালেৰে বৈ গ'ল। তাই সুবৰ্ণৰ ভৰিত উবুৰি খাই পৰিল- "মোক ক্ষমা কৰি দিবি নে?"

প্ৰিয় নাৰীৰ কান্দোনে সুবৰ্ণৰ হৃদয়ৰ সমস্ত খং গলাই পেলালে। সি আলফুলে আল্পনাক বুকুত সামৰি ল'লে।

ঃ ব'ল এতিয়া সোনকালেই ঘৰলৈ যাওঁ।

ঃ কিন্তু মা-দেউতাক কি কম? - ভয়াৰ্ত চকুযুৰিৰে আল্পনাই চালে।

ঃ খুৰা-খুৰীক যি ক'ব লাগে মই ক'ম। মাত্ৰ তই এটা কথা ক'- সুখী হ'ব পাৰিবি নে মোৰ সৈতে?

আল্পনাই সুবৰ্ণক আৰু একো ক'ব নিদিলে। তাই এখন হাত সুবৰ্ণৰ মুখত থৈ মূৰটো তাৰ বুকুত পেলাই দিলে। কৰ্কশ শব্দৰে ৰে'ল আলি কঁপাই এখন ৰে'ল পাৰ হৈ গ'ল। আল্পনাই এইবাৰ ৰে'লখনৰ ফালে চাই হাত জোকাৰিলে। খিৰিকীৰ কাষত বহি যোৱা মানুহ কেইজনমানেও সঁহাৰি জনালে। সুবৰ্ণই দেখিলে- এইজনী আল্পনা পৃথক, সাহসী। পৃথিৱীৰ কোনো জটিলতাই আৰু তাইক ভাঙিব নোৱাৰে।

হাতে-হাত ধৰি দুয়ো ঘৰমুৱা হ'ল। দুয়োৰে সন্মুখত এতিয়া এক দীঘল বাট... কিন্তু সেই বাটত এতিয়া আন্ধাৰ নাই, আছে কেৱল নতুন পোহৰ।

## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

### আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

গল্প

# ব'হাগৰ ৰং



— প্ৰীতিৰেখা দাস

বাছখনে পৰিমিতাক চাৰিআলিটোত নমাই থৈ গুচি গ'ল। হাতত বেগটো লৈ তাই গাঁৱলৈ যোৱা কেঁচা পথটোলৈ চালে। নিজমভাৱে শুই আছে পথটো। সন্ধিয়া নামি আহিছে। এজাক ফিৰফিৰীয়া বতাহে পৰিমিতাক কঁপাই তুলিলে। তাই চৌপাশে চালে; ঠাইখিনি নিজান পৰি আছে। গাঁৱত সন্ধিয়া নামিলেই মানুহবোৰ সোনকালে ঘৰ সোমাবলৈ লয়।

অকলে এই দীঘল বাটচোৱা ঘৰলৈ যাবলৈ পৰিমিতাৰ অলপ ভয় লাগিল। ব'হাগ বিহুৰ বাবে তাইৰ কলেজ বন্ধ। হোষ্টেলৰ পৰা সকলো ছোৱালী ঘৰলৈ গৈছে, তায়ো গুৱাহাটীৰ পৰা গোলাঘাটৰ ঘৰলৈ আহিছে। অন্যবাৰ তাইক নিবলৈ দেউতাকে চাৰিআলিলৈ আহে, কিন্তু এইবাৰ দেউতাকৰ ভৰিৰ বিষ। সেয়ে তাই নিজেই কৈছিল- "মই পাৰিম দিয়া দেউতা, তুমি কষ্ট কৰি আহিব নালাগে। গুৱাহাটীৰ পৰা অকলে আহিব পৰা ছোৱালীজনীয়ে চাৰিআলিৰ পৰা ঘৰলৈ এইকণ বাট নোৱাৰিম নে?" কিন্তু বাছখনৰ বিজুতি ঘটাত তাই পাঁচ বজাত পাব লগাৰ ঠাইত এতিয়া আঠহে বাজিল।

গাঁৱত আঠ বজা মানেই বহুত ৰাতি। মনত সাহস গোটাই তাই খোজ দিলে। দুয়োফালে শস্যহীন পথাৰ। জোনাক নামিছে লাহে লাহে। কিমান দিনৰ মূৰত যে মাক-দেউতাক আৰু আইতাকক দেখা পাব! সেই কথা ভাবি মনটো অলপ ভাল লাগিল। আৰু পৰাণ... কিমান দিনৰ পিছত যে তাক দেখা পাব! তাৰ সেই গভীৰ আৰু মায়ালগা চকুহাল! শৈশৱৰ

পৰা একেলগে উমলি-জামলি ধূলি-বালি আদিৰ ধেমালিৰে শৈশৰ কটোৱা পৰাণ আৰু তাইৰ বন্ধুত্ব অতি গভীৰ আছিল। প্ৰতি বছৰে গাঁৱৰ বিহুতলীত তাই পৰাণৰ পেঁপাৰ মাতত প্ৰাণ ঢালি নাচে। হাইস্কুলত পঢ়ি থকাৰ পৰাই পৰাণৰ প্ৰতি তাইৰ মনত এক অজানা অনুভৱৰ সৃষ্টি হৈছিল। লাজকুৰীয়া পৰাণে কোনোদিনে মনৰ কথা খুলি ক'ব পৰা নাছিল। তাই মনে মনে সদায় আশা কৰিছিল- এদিন পৰাণে তাইক প্ৰেমৰ প্ৰস্তাৱ দিব।

মেট্ৰিক পাছ কৰি চহৰলৈ পঢ়িবলৈ যোৱা দিনা পৰাণো আহিছিল তাইক বাছত উঠাই দিবলৈ। সিদিনাও সি একো নক'লে, মাথোঁ ক'লে- "ভালকৈ পঢ়িবা দেই। গাঁৱলৈ সুনাম কঢ়িয়াই আনিব লাগিব।" অভিমানৰে বুকুখন গধুৰ কৰি তাই গুচি আহিছিল। চহৰত বহুত ল'ৰাই তাইক প্ৰস্তাৱ দিছিল যদিও তাইৰ হৃদয়ত কেৱল পৰাণৰ বাবেহে আসন আছিল। বিচাৰিছিল- পৰাণে এবাৰ তাৰ মনৰ কথা কওক। এইবাৰো তাই পৰাণৰ সৈতে বিহু নাচিবলৈ বহুত হেঁপাহেৰে আহিছে।

হঠাতে কোনোবা চৰাইৰ মাতত চক খাই উঠিল পৰিমিতা। বাঁহনিজোপাৰ ওচৰ পাই তাইৰ ভয় লাগিল। তাই খৰকৈ খোজ দিলে। হঠাতে পিছফালৰ পৰা কোনোবাই মাতিলে- "পৰিমিতা..."

তাই ঘূৰি চালে। চাইকেল এখন লৈ কোনোবা এজন খৰকৈ আগুৱাই আহিছে। ওচৰ পোৱাত দেখিলে- সেইজন পৰাণ!

"পৰাণ, তুমি!"

"অ', তেতিয়াৰে পৰা চিঞৰি আছোঁ মই। ভয় খাইছিলা নেকি?"

"নাই, কিয় ভয় খাম? মই সৰু ছোৱালী নেকি?"

সি হাঁহিলে, সেই একেই মিঠা হাঁহি। সি ক'লে- "বৰতাই ভৰিত দুখ পালে, নহ'লে তোমাক নিবলৈ তেখেতেই আহিলহেঁতেন।" পৰিমিতাৰ মনটো ভাল লাগি গ'ল। যাৰ কথা ভাবি ভাবি তাই আহি আছিল, সেই পৰাণ এতিয়া তাইৰ একেবাৰে কাষত।

"তুমি কেনেকৈ জানিলা আজি মই আহিম বুলি?"

"বৰমাই পুৱাতেই কৈছে তুমি আহিবা বুলি। আমাৰ পিংকীক চাবলৈ কাইলৈ যোৰহাটৰ পৰা মানুহ আহিব, তাৰ বাবেই মিঠাই ল'বলৈ টাউনলৈ গৈছিলোঁ। ৰ'বা, তোমালৈও কিবা এটা আনিছোঁ।" সি মোনাৰ পৰা চকলেট এটা উলিয়াই তাইক দিলে। তাই চকলেটটো সযতনে বেগত ভৰাই থ'লে।

দুয়ো নীৰৱে আগুৱাই গৈ থাকিল। হঠাতে পৰাণে ক'লে- "পৰি, কথা এটা ক'বলগীয়া আছিল। বহুদিন ধৰি ভাবি আছোঁ তোমাক ক'বলৈ। পৰি, মই তোমাক বহুত ভাল পাওঁ।"

পৰিমিতা স্তব্ধ হৈ পৰিল। বছৰ ধৰি শুনিব খোজা কথাখিনি শুনি তাই যেন বাকৰুদ্ধ হ'ল।

সি কৈ গ'ল-"সেই যে সৰুতে আমি ৰজা-

*অকলে এই দীঘল বাটচোৱা ঘৰলৈ যাবলৈ পৰিমিতাৰ অলপ ভয় লাগিল। ব'হাগ বিহুৰ বাবে তাইৰ কলেজ বন্ধ। হোষ্টেলৰ পৰা সকলো ছোৱালী ঘৰলৈ গৈছে, তায়ো গুৱাহাটীৰ পৰা গোলাঘাটৰ ঘৰলৈ আহিছে। অন্যবাৰ তাইক নিবলৈ দেউতাকে চাৰিআলিলৈ আহে, কিন্তু এইবাৰ দেউতাকৰ ভৰিৰ বিষ। সেয়ে তাই নিজেই কৈছিল- "মই পাৰিম দিয়া দেউতা, তুমি কষ্ট কৰি আহিব নালাগে। গুৱাহাটীৰ পৰা অকলে আহিব পৰা ছোৱালীজনীয়ে চাৰিআলিৰ পৰা ঘৰলৈ এইকণ বাট নোৱাৰিম নে?" কিন্তু বাছখনৰ বিজুতি ঘটাত তাই পাঁচ বজাত পাব লগাৰ ঠাইত এতিয়া আঠহে বাজিল।*

ৰাণী খেলিছিলোঁ, সেইদিনৰে পৰা ভাল পাওঁ তোমাক। বিহুৰ সাজত তোমাক নিজৰ কৰি ল'বলৈ মন যায়। কাইলৈ আবেলি মই গাঁৱৰ মূৰৰ আঁহতজোপাৰ তলত তোমালৈ বাট চাম। তুমি আহিবানে?"

পৰিমিতাই মাথোঁ মূৰ দুপিয়ালে। এক মিঠা হাঁহি মাৰি পৰাণ আঁতৰি গ'ল। তাই ঘৰ সোমাল। বহুদিনৰ পিছত মাকৰ হাতৰ ৰন্ধা খাই তৃপ্তি পালে। ৰাতি টোপনিও ভালকৈ আহিল।

পুৱা উঠি তাই বাহিৰলৈ ওলাই আহিল। আইতাকে তামোল খুন্দি আছিল। তাই মাকক সুধিলে- "মা, গাঁৱৰ সকলোৰে ভালনে?"

মাকে সেমেকা মাতেৰে ক'লে- "ভালেই মাজনী, মাত্ৰ এটা বেয়া খবৰৰ বাহিৰে... তোৰ লগৰ যে পৰাণ আজি তিনিদিন হ'ল... হঠাতে কি হৈ গ'ল কোনেও বুজি নাপালে। সিদিনা সন্ধিয়া মিঠাই আনিবলৈ চহৰলৈ যাওঁতে ট্ৰাকৰ খুন্দাত থিতাতে তাৰ প্ৰাণ গ'ল।"

পৰিমিতাৰ বুকুখন কঁপিবলৈ ধৰিলে।

"নাই... নাই! মা, কি কৈছা তুমি এইবোৰ? মই বিশ্বাস নকৰোঁ!"

মাকে উচুপি উঠিল। পৰিমিতাৰ চকুলোবোৰ শিল হৈ পৰিল। তাই বেগটোত পৰাণে দিয়া চকলেটটো বিচাৰিলে, কিন্তু তাত একো নাছিল। তাই মজিয়াত বহি পৰিল। তাৰ মানে যোৱাকালি ৰাতি তাইৰ লগত অহা সেইজন পৰাণ নাছিল- আছিল পৰাণৰ অতৃপ্ত আত্মা! তাইক লগ পাবলৈ সি তেনেকৈয়ে ৰৈ আছিল। নিজৰ মনৰ কথাখিনি নক'লে তাৰ আত্মাই চাগে শান্তি নাপালেহেঁতেন। কিন্তু তাই কিয় কৈ নিদিলে তাক নিজৰ মনৰ কথাখিনি?

আবেলি পৰিমিতা আঁহত গছজোপাৰ তললৈ গ'ল। পৰাণে আৰু কেতিয়াও তাইক লগ কৰিবলৈ নাহে বুলি জানিও তাই তাৰ বাবে বাট চালে। কাতৰ কণ্ঠেৰে তাই মাতিলে- "পৰাণ... পৰাণ... ক'ত আছা তুমি? চোৱা মই আহিছোঁ।"

হঠাতে ভাঁহি আহিল পৰাণৰ কৰুণ মাত- "পৰি...।"

বহু দূৰৰ পৰা বতাহত ৰিনি ৰিনি ভাঁহি আহিছে সেই মাতটো। তাই বুজি পালে পৰাণ তাইৰ আশে-পাশেই আছে। তাই ক'লে- "পৰাণ, মই জানো তুমি মোৰ কাষতেই আছা। মই দেখা পোৱা নাই যদিও তোমাক বহুত ভাল পাওঁ। এইটো জনমত আমি একেলগ হ'ব নোৱাৰিলোঁ, কিন্তু অহাটো জনমত আমাৰ আধৰুৱা প্ৰেমে পূৰ্ণতা পাব। তুমি অপেক্ষা কৰিবা দেই...।"

হঠাতে তাই নিজৰ কান্ধত এখন অদৃশ্য হাতৰ স্পৰ্শ অনুভৱ কৰিলে। যেন কোনোবাই অতি আলফুলে তাইক ধৰি আগুৱাই লৈ গৈছে। মন্ত্ৰমুগ্ধৰ দৰে তাই খোজ দিলে। নামঘৰৰ ওচৰ পোৱাত তাই অনুভৱ কৰিলে সেই হাতখন আঁতৰি গৈছে। তাই ঘূৰি পিছলৈ চালে আৰু হাত জোকাৰি ক'লে- "যোৱা পৰাণ, ভালকৈ থাকিবা। বিদায় মোৰ সোণ... বিদায়।"

আন্ধাৰত হাত জোকাৰি পৰিমিতাই বিদায় জনালে তাইৰ প্ৰথম আৰু শেষ প্ৰেমিকক।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অন্যান্য শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com



গল্প

# শব্দহীন যন্ত্রণা

— পৰিস্মিতা বৰা হাজৰিকা

আজি পুৱাৰে পৰাই আকাশখন গোমা। এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। শীতৰ প্ৰথমজাক বৰষুণ। লৰালৰিকৈ কাপোৰকেইটা নবৌৱেকৰ হাতত দি তাই পদূলিৰ মুখ পালেগৈ। নঙলাডালতে ভেঁজা দি সন্মুখৰ মুকলি পথাৰখনলৈ চালে তাই। পথাৰখন, গাঁওখন, গাঁৱৰ মানুহবোৰ সকলো সলনি হ'ল। আগৰ সেই বোকাপানীৰে ভৰা কেঁচা আলিবাটটো এতিয়া পকী হ'ল। বাটৰ কাষৰ সেই সোণাৰু, আজাৰ, পলাশ, শিমলু, শিলিখা এতিয়া একোৰেই নাই। চৰকাৰে উন্নয়নৰ নামত সকলো কাটি উদং কৰিলে। কেঁচা বাঁহ, বেতৰ সেই গোবৰ মাটিৰে লেপা ঘৰবোৰ এতিয়া পকী হ'ল আৰু মানুহবোৰৰ মনবোৰো তাহানিৰ সেই সহজ-সৰল মানুহৰ দৰে হৈ থকা নাই। গাঁৱৰ সেই সহজ-সৰল মৰমবোৰ যেন ক'ৰবাত হেৰাই গ'ল। গাঁওখনৰ পৰা আঁতৰি থকা তাই বহু বছৰেই হ'ল। বিয়াৰ পিছত প্ৰথমে দুই-এবাৰ আহিছিল যদিও ছোৱালীজনী জন্ম পিছৰে পৰাই আহিবলৈ মন থাকিলেও আহিবই নোৱাৰে। গাঁৱৰ নামঘৰত ভাওনা-সবাহ বা কাৰোবাৰ বিয়ালৈ নিমন্ত্ৰণ দিলেও বিভিন্ন ব্যস্ততাৰ বাবে অহাৰ সুবিধাই নিমিলে।

কথাবোৰ ভাবি ভাবি এটা তপত হুমুনিয়াহ সৰি পৰিল। অকলশৰীয়া মুহূৰ্তবোৰে তাইক বৰ আমনি কৰে। সকলো থাকিও যেন একো নাই তাইৰ। ভাস্কৰৰ চহৰীয়া মনটোৰ বাবে তাই সকলোৰে পৰা আঁতৰি থাকিল। গাঁৱৰ মানুহক লৈ তেওঁ কৰা ইতিকিংবোৰ তাই সহ্য কৰিব নোৱাৰে। সহজ-সৰল মাক-দেউতাক আৰু ককায়েকক কোনোবাই কৰা অপমান তাই কেনেকৈ সহ্য কৰে।

কাৰোবাৰ হাতৰ পৰশত তাই ওচপ খাই উঠিল- "নীভা, কি হ'ল তোৰ? ইমানকৈ মাতি আছোঁ, আহ ভিতৰলৈ। সাজ লাগিবৰে হ'ল। ওচৰৰ নামঘৰত দবা-কাঁহ বাজিল।"

ককয়েকৰ মাতষাৰত যেন তাই সকলো বিচাৰি পাই। বিপদৰ সময়বোৰত সাহস এই ককায়েকটোৰে। মাক-দেউতাকৰ অবৰ্তমানত

একমাত্ৰ ককায়েক আৰু নবৌয়েকেই ঘৰখন সজীৱ কৰি ৰাখিছে। তেতিয়া মাকে সজোৰা দৰেই সজাই ৰাখিছে ঘৰখন। আসাম টাইপৰ ঘৰটোৰ সন্মুখত এখনি ফুলৰ বাগিচা। দেশী - বিদেশী বিভিন্ন ফুলেৰে ঘৰখন সোণত সুৱগা চৰাইছে। একেথৰে চাই থকা নীভাক নবৌৱেকে আকৌ মাতিলে- "চাহ খাওঁ আহা, তুমি ভালপোৱা তিলৰ লাৰু, নাৰিকলৰ লাৰু আৰু তেলপিঠা আদি সকলো বনাইছোঁ। খাই লোৱা, আকৌ বা কেতিয়া আহিবলৈ পোৱা।"

নবৌয়েকে সজাই থোৱা টেবুলখনৰ কাষলৈ গৈ এটা সন্তুষ্টিৰ হাঁহি মৰিলে তাই ক'লে- "তোমাৰ এতিয়াও মনত আছে বৌ?"

"মাজনী ক'ত ? তাইক আবেলিৰে পৰাই দেখা নাই যে।" তাইৰ কথাত ককায়েক আৰু নবৌয়েক দুয়োৱে হাঁহিলে।

"মাজনী আজি দিনটো বৌটিৰ কোঠাতে সোমাই আছে। তোৰ সেই পুৰণি বাকচটো খুলি কিতাপ পঢ়ি আছে।"

"কি??" -উচপ খাই উঠিল নীভা, মুখলৈ নিয়া নাৰিকলৰ লাৰুটো হাতৰ পৰা নজনাকৈয়ে সৰি পৰিল।

"মাজনী, মাজনী...? তুমি কি কৰি আছা?"

মাকৰ মাত শুনি ধুনুৱে চিঞৰি উঠিল- "মা, মা তুমি ইমান ধুনীয়া কবিতা, গল্প লিখা। এতিয়া কিয় একো নজনা হ'লা মা? তুমি কিয় নিজকে শেষ কৰি পেলালা?" মাকৰ হাতখন ধৰি চুমাৰে উপচাই পেলালে ধুনুৱে।

"মাজনী, তুমি জানাই দেখোন মই নহ'লে ঘৰখন যে নচলে। দেউতা, ককা, আইতা আৰু ঘৰৰ সকলো কাম-কাজ কৰি তাৰ মাজত আৰু?" -হুমুনিয়াহ কাঢ়িলে নীভাই...।

"আহাঁ, আহাঁ মামীয়ে কিমান ধুনীয়া ধুনীয়া খোৱা বস্তু টেবুলত সজাই থৈছে। আহাঁ খাই লোৱা। চহৰত এইবোৰ বস্তুৰ সোৱাদ নোপোৱা। তাত ফ্ৰাষ্ট ফুডৰ বাহিৰে আৰু কি খাবলৈ পাবা।"

"মা, মোক ক্ষমা কৰি দিবা নে?"

"কিয় মাজনী?"

"মই তোমাৰ পাৰ্মিচন নোলোৱাকৈয়ে তোমাৰ ডায়েৰীখন পঢ়ি পেলালোঁ মা, তুমি কিয় নিজক ফাকি দিলা মা? প্ৰণৱ মামাৰ দোষ ক'ত মা? তোমালোকৰ জাত অমিল বাবেই ককাই তোমাক এই শাস্তি দিলে। দেউতাৰ দৰে এজন স্বাৰ্থপৰ মানুহৰ লগত তুমি নিজকে শেষ কৰি পেলালা? কিয় এনেকুৱা কৰিলা মা?"

"মাজনী, নাপাই তুমি মনে মনে থাকাচোন। ককাৰ কোনো দোষ নাই। প্ৰণৱ আৰু মোৰ জাত নিমিলা বাবে সিহঁতৰ ঘৰৰ মানুহে আমাৰ বিয়াত আপত্তি কৰিছিল আৰু তাক মাক-দেউতাকৰ মতেই বিয়া পাতিবলৈ বাধ্য কৰাইছিল। সেইসময়তে দেউতাই বিয়াৰ প্ৰস্তাৱ লৈ আহিছিল। এইসকলোবোৰ ঈশ্বৰৰ ইচ্ছা মাজনী। তাত আমাৰ একো হাত নাই অ'। মই দেউতাৰ লগতেই সুখী।" -শেষলৈ নীভাৰ মাততো থোকাথুকি হৈ পৰিল।

"এতিয়া তুমিও ডাঙৰ হ'লা মাজনী, এইবোৰ কথা দেউতাই জানিলে বেয়া পাব।

*মাজনী, তোমাৰ দিন আৰু আমাৰ দিন একেই নাছিল। তুমি যিটো স্বাধীন জীৱন পাইছা, মই পোৱা নাছিলোঁ। আই-পিতাইৰ কথোৰ শাসনৰ মাজত সংস্কাৰী জীৱন এটা পাৰ কৰিলোঁ আৰু বিয়াৰ পিছতো শহুৰ-শাহুৰ শাসনৰ মাজত মই সকলো পাহৰিয়ে গ'লোঁ।*

*ওলাই আহিব খোজা কান্দোনটো জোৰেৰে সামৰি থৈ এবাৰ আলফুলে ডায়েৰীখন সাবটি ল'লে বুকুৰ মাজত।*

তুমি যি জানিলা পাহৰি যোৱা ইয়াতেই।"

"মা, আমি কালিলৈকে চহৰলৈ যাম। মোৰ কাম আছে। মই তোমাৰ গল্প আৰু প্ৰবন্ধবোৰ লৈ থৈছোঁ। ঘৰত গৈ ভালকৈ পঢ়িম আৰু তোমাৰ চাৰ্টিফিকেটবোৰ লৈ থৈছোঁ। ড্ৰয়িং ৰূমত সজাই থ'ম। তেতিয়াহে সকলোৱে জানিব মিছেছ বৰুৱানী এগৰাকী সাহিত্যিক।"

"কি যে কোৱা তুমি। এইবোৰ ইয়াতেই থোৱা। তুমি গৈ তাত প্ৰচাৰ চলাব নালাগে।"

মাক জীয়েকৰ কথাৰ মাজত সোমাই আহিল নীলম।

"কি হ'ল মাজনী, মাক-জীয়েক দুইজনী দেখোন কোঠাৰ পৰা ওলোৱাই নাই।"

"চোৱাচোন ককাইদেউ, তাহানিতে লিখা গল্প, কবিতাবোৰ তাই আজি উলিয়াইছে...।"

নীভাৰ কথা সম্পূৰ্ণ হ'বলৈ নাপাওঁতেই নীলমে মাত লগালে- "তই দেখোন আকৌ লিখিব পাৰ। ছোৱালী ডাঙৰ হ'ল। তই আজৰি সময়ত ভালপোৱা কামবোৰ কৰিবিচোন। মনটোও ভাল লাগিব। আজৰি সময় মিলাই মেল মিটিংবোৰলৈও যাবি। শিকিব পাৰিব বহুত কথা।"

"থ' পাই ককাইদেউ। ঘৰখনত কামৰ পৰাই আজৰিয়ে নাই। তেৰোঁ এইবোৰ বেয়া পাই।"

নীভাৰ কথাৰ মাজত ধুনুৱে চিএঞৰি উঠিল- "মা, দেউতাই ভাল পাই কি? তেওঁ ধন, টকা-পইচা, সা-সম্পত্তি বাহিৰে কি চিনি পাই? তুমি তেওঁক ভাল লগাবলৈ নিজৰ জীৱনটোক শেষ কৰি পেলালা?"

"মাজনী, তোমাৰ দিন আৰু আমাৰ দিন একেই নাছিল। তুমি যিটো স্বাধীন জীৱন পাইছা, মই পোৱা নাছিলোঁ। আই-পিতাইৰ কথোৰ শাসনৰ মাজত সংস্কাৰী জীৱন এটা পাৰ কৰিলোঁ আৰু বিয়াৰ পিছতো শহুৰ-শাহুৰ শাসনৰ মাজত মই সকলো পাহৰিয়ে গ'লোঁ।"

ওলাই আহিব খোজা কান্দোনটো জোৰেৰে সামৰি থৈ এবাৰ আলফুলে ডায়েৰীখন সাবটি ল'লে বুকুৰ মাজত।

ইমান দিনে বন্ধ হৈ থকা ডায়েৰীখনৰ মাজৰ পৰা এটা চিনাকি গোন্ধে নীভাক স্পৰ্শ কৰি গ'ল। দুটোপাল চকুৰ পানী সৰি পৰিল ডায়েৰীখনৰ ওপৰত। হাতৰ তলুৱাৰে ধূলিবোৰ মচি দিলে। জীৱনটো যেন এখন শুকান মৰুভূমি আৰু তাই নিজকে মৰুভূমিৰ এখিলা শুকান পাত যেন অনুভৱ হ'ল। আলফুলে ডায়েৰীখন সাবটি হুকহুককৈ কান্দি উঠিল নীভা। অতবছৰে অন্তৰত সামৰি ৰখা অভিমানবোৰ আৰু আৰু ৰাখিব নোৱাৰিলে তাই। চকুৰ পানীৰে ধোৱাই নিলে তাইৰ জীৱনৰ সমস্ত আৱেগ।

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

## আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com




# অসমীয়া সমাজ জীৱনত বিহু

— অজিত বৰুৱা

মানুহৰ সমাজ ব্যৱস্থাৰ জৰিয়তেই সাংস্কৃতিক মূল্যবোধ নিৰ্ণয় হয়। মানৱ প্ৰজাতিৰ খোৱা-লোৱা, পিন্ধন-উৰণ, নৃত্য-গীত-বাদ্য আদিবোৰ হৈছে সমসাময়িক সমাজব্যৱস্থাৰ সাংস্কৃতিক কাৰ্যকলাপৰ এক সামগ্ৰিক প্ৰতিফলন। সম্ভৱতঃ সেয়েহে সামাজিক পাৰ্থক্যৰ বাবে সাংস্কৃতিক প্ৰমূল্যও বেলেগ বেলেগ হ'বলৈ বাধ্য। জাতি এটাৰ সমাজ ব্যৱস্থা যিমানেই উন্নত হ'ব, জাতিটোৰ সংস্কৃতিও সিমানেই উন্নত হ'ব। যুগ যুগ ধৰি বৰ্তি থকা সমাজৰ এনে সাংস্কৃতিক ব্যৱস্থাসমূহ মাজে-সময়ে মূল সুঁতিটো অপৰিৱৰ্তিত ৰাখিয়েই বিৱৰ্তিত হয়। এয়া হৈছে পৃথিৱীৰ সকলো মানৱ জাতিৰ সাংস্কৃতিক ইতিহাসৰ এক অপৰিহাৰ্য পৰিঘটনা।

সাহিত্য হৈছে সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। সেয়েহে সাহিত্যৰ জৰিয়তে সমাজ বিৱৰ্তনৰ ধাৰা অনায়াসে ধৰিব পাৰি। এই ক্ষেত্ৰত বিশেষকৈ মুখ বাগৰি যুগ যুগ ধৰি চলি অহা মৌখিক সাহিত্য বা লোকগীতসমূহৰ মাজত এনে পৰিৱৰ্তনৰ প্ৰতিচ্ছবি অতি সহজতে দেখিবলৈ পোৱা যায়। কিয়নো আমাৰ লোক-জীৱনে স্বতঃস্ফূৰ্তভাৱে মনৰ সাঁচিপাতত বিভিন্ন সময়ৰ পৰিৱৰ্তনকাৰী সামাজিক ঘটনাসমূহৰ জীৱন্ত ইতিহাস লিপিবদ্ধ কৰি ৰাখে। অসমীয়া

চহা জীৱনৰ প্ৰাণৱন্ত সৃষ্টি বিহুগীতসমূহো ইয়াৰ ব্যতিক্ৰম নহয়। যদিও অসমীয়া জাতিৰ জীৱন-বুৰঞ্জী লিখা চহা কবিৰ প্ৰত্যক্ষ উদ্দেশ্য নহয়, তথাপি পৰোক্ষভাৱে ইয়াৰ মাজেৰেই অংকিত হৈ আছে অসমীয়া সমাজ বিৱৰ্তনৰ ডুখৰীয়া ছবি।

অসমীয়াৰ বাপতিসাহোন জাতীয় উৎসৱ 'বিহু' মূলতঃ তিনিটা। তথাপি আজিৰ আলোচনাত কেৱল ৰঙালী বিহুৰ দিশটোহে আলোচনা কৰা হ'ব; কাৰণ আন দুটা বিহুৰ সৈতে গীত-মাতৰ তেনে কোনো বিশেষ সম্পৰ্ক নাই।

ৰঙালী বিহুৰ আদিতম ৰূপ কেনে আছিল, তাক অনুমান কৰা জটিল। কিন্তু ই এটা কৃষিভিত্তিক উৰ্বৰতাৰ উৎসৱ আছিল বুলি তথ্যসহকাৰে প্ৰমাণ কৰিব পাৰি। খেতি পথাৰত যৌনগন্ধী আচৰণে মাটিৰ উৰ্বৰ শক্তি বৃদ্ধি কৰি অধিক ফচল উৎপাদনত সহায় কৰিব- এনে এক ধাৰণা এই উৎসৱৰ সৈতে জড়িত আছিল। উৎসৱ পালনৰ সময়, স্থান আৰু যৌৱনোন্মাদ গীত-নাচ আদি ইয়াৰ প্ৰাণময় সাক্ষী। অৱশ্যে খাদ্য উৎপাদনকাৰী কৃষি সমাজ দৃঢ় হোৱাৰ পূৰ্বৰ খাদ্য সংগ্ৰহকাৰী চিকাৰজীৱী জীৱনৰ স্তৰটোও দুই-এফাকি গীতৰ মাজেৰে প্ৰতিফলিত হৈছে। যেনে-

*"ল'ৰাহঁত বুঢ়াহঁত ভালুকে তেঁতেলী খালে ঐ,*
*লৰি আহ চেনাই ঐ, লৰি আহ কানাই ঐ লৰি আহ।"*

সাম্প্ৰতিক সময়ত মানুহে মুক্ত জীৱনৰ সোৱাদ বিচাৰি বনভোজ খাবলৈ যোৱাৰ দৰে, আদিম সমাজেও কৃষি ব্যৱস্থাত প্ৰৱেশ কৰাৰ পিছতো হেৰোৱাব অতীতৰ মাদকতা এনে গীতৰ মাজেৰে স্মৰণ কৰিছিল। নামনি অসমৰ কামৰূপ আদি অঞ্চলত আজিও ব'হাগ বিহুক 'শিয়াল খেদা দোমাহী' বুলি কোৱা হয়, যিটো আদিম চিকাৰজীৱী সমাজৰ অৱশেষ।

উৎপাদনৰ আহিলাৰ উন্নতিৰ লগে লগে আদিম জনজাতীয় জীৱনৰ ঠাইত শ্ৰেণীবিভক্ত কৃষি-সমাজৰ উদ্ভৱ হয়। মাটিৰ মালিকৰ হাতত ক্ষমতা কেন্দ্ৰীভূত হোৱাত সমাজত উচ্চ-নীচ আৰু শ্ৰেণী-বৈষম্যৰ সৃষ্টি হয়। এনেদৰেই ধনিক শ্ৰেণীটো 'দেউতা ঈশ্বৰ'ৰ শাৰীলৈ উন্নীত হয় আৰু বিহুগীতত তেওঁলোকৰ প্ৰতি প্ৰশস্তি সোমাই পৰে। যেনে-

*"দেউতাৰ পদূলিত গোন্ধাইছে*
*মাধুৰী, কেতেকী মলমলাই।"*

অসমত আহোম শাসনকালত এনে প্ৰশস্তিমূলক গীত চৰম পৰ্যায় পাইছিল। ৰজাৰ সাজ-পাৰ আৰু বৈভৱৰ বৰ্ণনা বিহুনামত আজিও সজীৱ হৈ আছে। আহোম আৰু চুতীয়াসকলেই অসমত বিহু নৃত্য-গীত অধিক জনপ্ৰিয়

*মধ্যযুগত শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনেও বিহুক প্ৰভাৱিত কৰিছিল। বিশেষকৈ হুঁচৰিৰ গীত-মাত অধিক মাৰ্জিত আৰু আধ্যাত্মিকভাৱ সম্পন্ন হৈ পৰিল। হুঁচৰি এক আশীৰ্বাদমূলক অনুষ্ঠান হিচাপে ধৰ্মীয় আৰু সামাজিকভাৱে আদৰণীয় হ'ল। ইয়াৰ বিপৰীতে মুকলি বিহুৰ গীতসমূহ আছিল আদি ৰসাত্মক আৰু প্ৰেম-বিৰহৰ আধাৰত। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজ শাসন আৰম্ভ হোৱাৰ লগে লগে অসমৰ কৃষিভিত্তিক সমাজখনত ভাঙোন ধৰে। পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱত সমাজৰ মূল্যবোধ সলনি হয়। ব্ৰিটিছসকলে কানি প্ৰচলন কৰি অসমীয়া সমাজক ধ্বংস কৰাৰ যি চক্ৰান্ত কৰিছিল, তাৰ কৰুণ ছবিও বিহুগীতত ফুটি উঠিছে।*

কৰি তুলিছিল। ১২২৮ খ্ৰীষ্টাব্দত চ্যুকাফাই পাটকাই অতিক্ৰমি অসমলৈ আহি ৰাজ্য স্থাপন কৰাৰ পাছত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত আহোমসকলে মুখ্য ভূমিকা লৈছিল। বিহুগীতত 'মানদেশ'ৰ কথা উল্লেখ থকাটোৱে তেওঁলোকৰ প্ৰব্ৰজনৰ ইংগিত দিয়ে।


মধ্যযুগত শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনেও বিহুক প্ৰভাৱিত কৰিছিল। বিশেষকৈ হুঁচৰিৰ গীত-মাত অধিক মাৰ্জিত আৰু আধ্যাত্মিকভাৱ সম্পন্ন হৈ পৰিল। হুঁচৰি এক আশীৰ্বাদমূলক অনুষ্ঠান হিচাপে ধৰ্মীয় আৰু সামাজিকভাৱে আদৰণীয় হ'ল। ইয়াৰ বিপৰীতে মুকলি বিহুৰ গীতসমূহ আছিল আদি ৰসাত্মক আৰু প্ৰেম-বিৰহৰ আধাৰত।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজ শাসন আৰম্ভ হোৱাৰ লগে লগে অসমৰ কৃষিভিত্তিক সমাজখনত ভাঙোন ধৰে। পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱত সমাজৰ মূল্যবোধ সলনি হয়। ব্ৰিটিছসকলে কানি প্ৰচলন কৰি অসমীয়া সমাজক ধ্বংস কৰাৰ যি চক্ৰান্ত কৰিছিল, তাৰ কৰুণ ছবিও বিহুগীতত ফুটি উঠিছে। চাহ উদ্যোগৰ প্ৰতিষ্ঠা, ৰে'ল-জাহাজৰ প্ৰচলন আদিৰ ফলত চহা মানুহৰ জীৱনলৈ এক আমূল পৰিৱৰ্তন আহে।

*"বিলাতী সুতলৰ বাণি তই বান্ধ ঐ,*
*বিলাতী সুতলৰ বাণি।"*

বৰ্তমান সময়ত বিহু পথাৰৰ পৰা আহি মঞ্চ পালেহি। মঞ্চ বিহুৰ আধুনিকতাই কিছুমান ক্ষেত্ৰত বিহুৰ স্বকীয়তা আৰু প্ৰাণ-প্ৰাচুৰ্য হ্ৰাস কৰিছে। চি.ডি, ডি.ভি.ডি বা টেলিভিছনৰ জৰিয়তে বিহুৰ যি বিকৃতকৰণ হ'বলৈ ধৰিছে, সেয়া বিহু সংস্কৃতিৰ বাবে এক ভাবুকি। আধুনিকতাৰ নামত সস্তীয়া গীত আৰু নৃত্যই লোক-সংস্কৃতিৰ ঐতিহ্য ম্লান কৰিব নালাগে।

বিহু কেৱল এটা উৎসৱ নহয়, ই অসমীয়া জাতিৰ জীৱন-যুঁজৰ ইতিহাস। সমাজৰ শোষণ-নিপীড়ন আঁতৰাই এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব পাৰিলেহে বিহুৰ প্ৰকৃত মৰ্যাদা পুনঃপ্ৰতিষ্ঠিত হ'ব।



# বিহু মঞ্চৰ

## প্ৰয়োজনীয়তা আৰু গুৰুত্ব

— নিবেদিতা হাজৰিকা




যিবোৰ বিশেষত্বই অসমীয়া জাতিক অনন্যতা প্ৰদান কৰিছে তাৰ ভিতৰত বিহু অন্যতম। অসমৰ পুৰণি অধিবাসী, বিভিন্ন ভাষা দোৱানেৰে সমৃদ্ধ জনজাতিসকলৰো বুকুৰ কুটুম এই বিহু। এই বিহু উৎসৱৰ ভিতৰত আকৌ ব'হাগ বিহুৰ উছাহেই সুকীয়া। প্ৰকৃতিৰ ন-ৰূপৰ লগতে এক অতুলনীয় ছন্দেৰে সমৃদ্ধ বিহুৰ নাচ-গানেই সকলো জাতি-জনগোষ্ঠীৰ লোককে স্বাভাৱিকতে আকৰ্ষণ কৰে।

বিহু হ'ল কৃষিভিত্তিক উৎসৱ, সম্প্ৰীতিৰ উৎসৱ। বুৰঞ্জীয়ে ঢুকি নোপোৱা কালতে অসমত বিহু আৰু বিহু নামৰ উৎপত্তি হৈছিল। বিহু অসমীয়াৰ ? সাংস্কৃতিক উৎসৱ। সংস্কৃতি যদি জাতীয় জীৱনৰ ধাৰা হয়, তেন্তে বিহুৰ লগতো অসমীয়াৰ জাতীয় জীৱনৰ অংগাংগি সম্পৰ্কৰ উপৰিও ওতপ্ৰোতভাৱে জড়িত হৈ আছে বুলি অৱশ্যে ক'ব লাগিব। অসমৰ ইতিহাসত এক উজ্জ্বল সময়ৰূপে পৰিগণিত হোৱা আহোমসকলৰ ৰাজত্বৰ সময়খিনিতে বিহুৱে এক সুন্দৰ সামাজিক আৰু ৰজাঘৰীয়া স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। বোপাককাৰ দিনৰে পৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ দুই পাৰৰ সেউজ অঞ্চলত ৰঙালী বিহু উদযাপন কৰা হৈছিল। সকলোৰে আদৰৰ, হেঁপাহৰ ৰঙালী বিহুটি অনাদি কালতে সৃষ্টি হোৱা অসম, প্ৰাগজ্যোতিষপুৰ, কামৰূপৰ কৃষ্টি বিহু পাৰ হৈ আহিছে বহুযুগীয়া পৰিৱৰ্তনৰ পথেৰে। বিহুৱলীয়া ডেকা-গাভৰুৰ বিহুতলীৰ সাজপাৰ চিহ্নিত কৰাৰ আৱশ্যকতা, বিহু নামত সংস্কাৰৰ প্ৰয়োজনীয়তা তথা বাদ্য-যন্ত্ৰৰ অপৰিহাৰ্যতাই বিহুক এক নতুন ৰূপত সজাই তুলিলে। সেয়ে বিহু হৈ পৰিল সকলোৰে আদৰণীয়, কমনীয় তথা মোহনীয়। কৃষিজীৱী সমাজৰ এক গুৰুত্বপূৰ্ণ উৎসৱ, অসমীয়া লোক-সংস্কৃতি জীপাল কৰি ৰখা এই ৰঙালী বিহু মানেই যেন ৰঙৰ উৎসৱ, আনন্দৰ উৎসৱ।

চ'ত মাহত উদযাপন কৰা বাবে চ'তৰ বিহুক ডেকা-গাভৰুৰ বিহু বা মুকলি বিহু বুলিও কোৱা হয়। পূৰ্বতে উজনি অসমত চ'ত মাহৰ শেষৰ দিনকেইটাত সমনীয়া ডেকা-গাভৰুৱে ডাঙৰ গছৰ তলত বা নদীৰ পাৰত মুকলিকৈ নাচ-গান কৰিছিল। গানৰ যোগেদিয়ে তেওঁলোকে প্ৰিয়জনক মনৰ কথা জানিবলৈ দিছিল। চ'তত উদযাপন কৰা বাবেই এই বিহু চ'তৰ বিহু হ'ল। তদুপৰি গছৰ তলত বিহু মৰাৰ বাবে এই বিহুৰ অন্য এটি নাম হ'ল- 'গছতলৰ বিহু'। আৰম্ভণিতে কেৱল গাভৰুসকলেহে

*বিহু হৈছে অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাণ। সেয়েহে বিহুত অসমীয়াৰ জাতীয় জীৱন, জীৱনশৈলী আদি প্ৰকাশ পোৱা উচিত। অসমৰ মানুহৰ অৰ্থনীতিৰ ভেঁটিৰ ওপৰত আমাৰ সমাজ জীৱন একান্তই নিৰ্ভৰশীল। সেয়ে অসমৰ জাতীয় অৰ্থনীতিৰ ভেঁটি সুদৃঢ় কৰিবৰ বাবে অসমৰ গঞা কৃষিজীৱী মানুহখিনিক কৃষিকৰ্ম বিকাশৰ ক্ষেত্ৰত, গঞা সংস্কৃতি সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা উচিত। কৰ্ষণৰ মাজেদি হোৱা সৃষ্টিয়েই হ'ল অসম আৰু অসমীয়াৰ জাতীয় কৃষ্টি-সংস্কৃতি। বিহু অসমৰ প্ৰাণ, আমাৰ মান। নতুনত্ব আমাৰ সকলোৰে কাম্য। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আধুনিকতা আৰু নতুনত্বৰ দোহাই দি আমি আমাৰ বিহুটিৰ নিজস্বতাক আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ম বা বাধ্য কৰাম।*

চ'তৰ বিহু পালন কৰিছিল। ডেকাসকলৰ এই বিহু চোৱাৰো অনুমতি নাছিল। তথাপি একাংশ ডেকাই লুকাই-লুকাই চাইছিল এই বিহু। সময় বাগৰাৰ লগে লগে ডেকাসকলেও সমান্তৰালকৈ গাভৰুসকলক জোকাই নাতিদূৰতে ডেকাসকলে বিহু পাতিছিল। এনেকৈয়ে ক্ৰমশঃ ওচৰ চাপি আহিল গাভৰু বিহু আৰু ডেকাৰ বিহু। এই ডেকা-গাভৰুৰ বিহুৰেই ৰূপান্তৰিত হৈ কুৰি শতিকাৰ মঞ্চলৈ আহিল আৰু মঞ্চ বিহুৰ নাম পালে।

সময়ৰ লগে লগে বিহুৰ আদিম সৰলতা আৰু স্বতঃস্ফূৰ্ততা বহু পৰিমাণে হ্ৰাস পাইছে। যিটো উৎসৱৰ উৎস প্ৰধানত কৃষিকাৰ্য, সেই কৃষিকাৰ্যৰ সমাজত আধিপত্য হ্ৰাস পোৱাৰ লগে লগে বিহু উৎসৱৰো ৰূপ পৰিৱৰ্তন হ'ব ধৰিছে। গ্ৰামাঞ্চলত পুঁজিবাদৰ দ্ৰুত সম্প্ৰসাৰণ, লেহেমীয়াকৈ হ'লেও যাতায়াত ব্যৱস্থাৰ উন্নয়ন, কৃষিৰ যান্ত্ৰিকীকৰণ, গাঁওবোৰৰ পৰা চহৰলৈ দ্ৰুত প্ৰব্ৰজন, কৃষি অৰ্থনীতিৰ সংকট আদিয়ে ব'হাগ বিহুৰো গাঁৱলীয়া মনোমোহা পৰম্পৰাবোৰ দ্ৰুত গতিত হৰণ কৰি আনিছে। এনেকুৱা এক পৰিৱেশত বিহুৰ নৃত্য-গীতবোৰো চহৰৰ মঞ্চকেন্দ্ৰিক হৈ পৰাটো অৱধাৰিত নিয়ম যেন হৈ পৰিল। এতিয়া মঞ্চ বিহুৰ অনুষ্ঠানবোৰক কেন্দ্ৰ কৰিয়েই উৎসৱ উদযাপনৰ ৰীতি এটা গঢ় লৈ উঠিব ধৰিছে। সুসজ্জিত ৰভাৰ তলত বা মঞ্চত ৰং-বিৰঙৰ পোহৰে নিমিষতে সপোনপুৰী সৃষ্টি কৰা বিহুমঞ্চত প্ৰতিযোগিতা চলে। নগদ মোটা ধনৰ উপৰিও সোণৰ আঙুঠি, ৰঙীন টি.ভি, ফেন, পাটৰ কাপোৰ, শৰাই আদিৰ দৰে আকৰ্ষণীয় তথা লোভনীয় বস্তু দিয়াৰ ধুম উঠিছে আৰু সেই বাবেই প্ৰতিযোগিতাৰ গুৰুত্ব বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। এনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দল বিলাকে এমাহ কি পষেক অনুশীলন কৰা দেখা যায়। পোচাক-পৰিচ্ছদৰ পৰা আৰম্ভ কৰি এক নিৰ্দিষ্ট পদ্ধতি বিহুৰ কৰ্মশালাত অনুকৰণ আৰু অনুশীলন কৰিবলৈ শিকোৱা হয়। বহু অভিভাৱকে এইধৰণৰ কৰ্মশালাসমূহলৈ নিজ সন্তানক যেনে-তেনে হ'লেও নিয়াৰ চেষ্টা কৰে। বিচাৰকক সন্তুষ্ট কৰাৰ চেষ্টা কৰে। অপ্ৰিয় হ'লেও সত্য যে আগৰ মুকলি বিহু, গছতলৰ বিহু আহি মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে বিহু প্ৰতিযোগিতামুখী হৈ পৰিল।

ব'হাগী বিদায় উপলক্ষে আয়োজিত কৰা সাংস্কৃতিক অনুষ্ঠানত হেজাৰ হেজাৰ টকা খৰচ কৰি গায়ক-গায়িকাক আমদানি কৰাটো এক প্ৰকাৰ নিয়মৰ দৰেই হৈ পৰিল।

মুকলি পথাৰৰ আঁহত গছৰ তলৰ যি বিহু আহি এদিন মঞ্চ পালেহি। গছৰ তলত মুকলি মনেৰে আনন্দ কৰি পতা বিহু বৰ্তমান পেচাদাৰী শিল্পীৰ মঞ্চৰ বিহু হ'লহি। সেই বিহু যে এনে পৰিস্থিতিত মঞ্চৰ পৰাও বিলীন হৈ অসমীয়া জাতীয় জীৱনৰ পৰাই চিৰবিদায় নল'ব সেই

কথাত সন্দেহ নাই। অনাগত সময়ত হয়তো এনে দিন আহিব যেতিয়া বিহুৰ মঞ্চ শুৱনি কৰিব হিন্দী, ইংৰাজী, ভোজপুৰী, বাংলাদেশী পপ ৰেপ সংগীতে। আগৰ দিনত চেৰা বিহু অৰ্থাৎ সাত বিহুৰ দিনাৰ পৰা সাত বা এঘাৰ দিনৰ পাছৰ এদিনত গাঁৱৰ ডেকা-ডেকেৰীসকলে পথাৰৰ গছ এজোপাৰ তলত মনৰ হেঁপাহ পলুৱাই বিহু মাৰি শেষ কৰি গছৰ ডাললৈ ঢোলৰ মাৰিডাল নাইবা টকা এটা ভাঙি দলিয়াই দি পিছলৈ ঘূৰি নোচোৱাকৈ ঘৰলৈ ঘূৰি আহিছিল। অৰ্থাৎ বছৰটোলৈ বিহুক বিদায় দিছিল। কিন্তু আজিকালি আহাৰ-শাওণ মাহলৈকে বিহু পাতি সাংস্কৃতিক সন্ধিয়াৰ নামত কৰা অতপালিবোৰে বিহুৰ মৰ্যাদা হানি কৰা যেন হে অনুভৱ হয়।

অলপ দিন আগলৈকে বিহু চহা লোকৰ বাপতিসাহোন হৈ আছিল। কিন্তু পথাৰৰ বিহু মঞ্চ পোৱাৰ লগে লগে ছবিখন ওলোটা হৈ পৰিল। মঞ্চ পোৱাৰ লগে লগে বিহু জকমকীয়া আৰু জনপ্ৰিয় হ'ল। ইয়াৰ সুবাদতে বিহুৰে এতিয়া অসমীয়াই পৃথিৱীৰ আগত অসমীয়া জাতিৰ পৰিচয় দিবলৈ, গৌৰৱ কৰিবলৈ সক্ষম হৈ পৰিল।

খ্যাতিমান অসমীয়া শিল্পী আৰু গায়ক-গায়িকাৰ পৰা আৰম্ভ কৰি দুখীয়া-নিছলা চহা শিল্পীয়েও আজিকালি বিহুৰ সময়ত মঞ্চত প্ৰদৰ্শনৰ যোগেদি মাননি লাভ কৰাৰ লগতে নিজা এক চিনাকি গঢ়ি তোলাৰ সুযোগ লাভ কৰে। ৰাইজৰ সন্মুখত নিজৰ নৈপুণ্য দেখুওৱাৰ সুযোগ দিছে কেৱল মাত্ৰ 'মঞ্চ বিহুৰ' মঞ্চখনে। এইসমূহ মঞ্চ বিহুৰ এক যোগাত্মক দিশ।

আমাৰ বাপতিসাহোন জাতীয় জীৱনৰ মহা অংগ ৰঙালী বিহুটিত আধুনিকতাৰ পৰশ পৰিছে। গছ তলৰ বিহু গৈ মঞ্চত প্ৰৱেশ কৰিছে। এচাম তথাকথিত প্ৰগতিবাদী শিল্পীয়ে কেৱল ধন অৰ্জন কৰা, নাম-যশস্যা বঢ়োৱাৰ আশাত বিহুৰ নাচ-গানক পণ্যলৈ ৰূপান্তৰ কৰিছে। মঞ্চ বিহু পালনৰ ধুম উঠিছে।

বিহু হৈছে অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাণ। সেয়েহে বিহুত অসমীয়াৰ জাতীয় জীৱন, জীৱনশৈলী আদি প্ৰকাশ পোৱা উচিত। অসমৰ মানুহৰ অৰ্থনীতিৰ ভেঁটিৰ ওপৰত আমাৰ সমাজ জীৱন একান্তই নিৰ্ভৰশীল। সেয়ে অসমৰ জাতীয় অৰ্থনীতিৰ ভেঁটি সুদৃঢ় কৰিবৰ বাবে অসমৰ গাঞা কৃষিজীৱী মানুহখিনিক কৃষিকৰ্ম বিকাশৰ ক্ষেত্ৰত, গাঞা সংস্কৃতি সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা উচিত। কৰ্ষণৰ মাজেদি হোৱা সৃষ্টিয়েই হ'ল অসম আৰু অসমীয়াৰ জাতীয় কৃষ্টি-সংস্কৃতি। বিহু অসমৰ প্ৰাণ, আমাৰ মান। নতুনত্ব আমাৰ সকলোৰে কাম্য। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আধুনিকতা আৰু নতুনত্বৰ দোহাই দি আমি আমাৰ বিহুটিৰ নিজস্বতাক আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ম বা বাধ্য কৰাম। জাতীয় উৎসৱ অবিহনে সোণ সৰি পৰা অতীতেৰে সমৃদ্ধ অসমীয়া জাতিৰ অস্তিত্বই বা ক'ত। সেয়ে হাজাৰ বাধা, দুখ পাহৰিও অসমীয়া ৰাইজে প্ৰতিবাৰে বিহু পালন কৰি আহিছে। ক'ৰবাত হয়তো কেতিয়াবা অৱশ্যেই হীন-ডেঢ়ি হৈছে। সেয়া অস্বীকাৰ কৰিব নোৱাৰি।

বিহু আজি কেৱল অসমতে সীমাবদ্ধ হৈ থকা নাই। বিশ্বৰ দৰবাৰতো ই স্বীকৃত হৈছে। এয়া নিতান্তই সুখৰ খবৰ। বিহুৰ এই প্ৰসাৰতাৰ ক্ষেত্ৰত বিহুতলী বা বিহু মঞ্চৰ অৱদান অনস্বীকাৰ্য।

সামাজিক মিলনৰ স্বাক্ষৰ স্বৰূপ বিহু হৈছে অসমীয়া ৰাইজৰ। পৰিৱৰ্তিত ৰূপত বিহু ধাৰমান যদিও আজিৰ বিহুৰ লগত যাতে তাহানিৰ বিহুৰ ঐতিহ্য, পৰম্পৰা আদি বিনষ্ট নহয়, বিকৃত নহয় সেই দিশৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। সংস্কৃতিৰ প্ৰৱহমান গতিক ৰুদ্ধ কৰা অসম্ভৱ। ই নিৰ্দিষ্ট পথেৰে গতি কৰিয়েই থাকিব। ইয়াক বাধা দিয়াৰ শক্তি কাৰোঁ নাই। অসমৰ গ্ৰাম্য জীৱনৰ দাপোণস্বৰূপ বিহু গছতলৰ পৰা আহি বিশ্ব দৰবাৰলৈকে ব্যাপ্ত হৈ পৰিছে। ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে। বহু পৰিক্ৰমা অতিক্ৰম কৰি বিহুৱে যি গৌৰৱ, মান ৰক্ষা কৰিবলৈ সক্ষম হৈছে ই আমাৰ বাবে

গৌৰৱৰ বিষয়। মুকলি বিহুৰ আদৰ আৰু গুৰুত্ব পূৰ্বতে যেনেদৰে আছিল আজিও ইয়াৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। ঠিক সেইদৰে মঞ্চ বিহুৰ আগমনে বিহুৰ সৌষ্ঠৱ আৰু গৌৰৱ বঢ়োৱাৰ লগতে বিহুক আৰু অধিক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সকলো কথাৰে দুটা দিশ আছে। বিহুৰ ক্ষেত্ৰটো ই প্ৰযোজ্য। বহু সময়ত মুকলি বিহু আৰু মঞ্চ বিহু বিষয়ত আলোচনা বা সমালোচনা হৈ আহিছে। দুটাফালে অলেখ যুক্তি নিশ্চয়কৈ ওলাব। সফলতা-বিফলতা ওলাব। তথাপি ভিন্ন দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে বিহুৰ লগত জড়িত এই দুই বিষয়ৰ গুৰুত্বও নুই কৰিব নোৱাৰি।

বিহু নৃত্য-গীতৰ সৰ্বজনীন আবেদনে নানা জাতি-জনগোষ্ঠীৰ হাজাৰ হাজাৰ লোকক একোখন বিহুতলীত সমবেত কৰে। অসমৰ নিচিনা জটিল জনগাঁথনিৰ ৰাজ্য এখনত এনেকুৱা এক সমন্বয় অৱশ্যে আদৰণীয়। কিয়নো বিহুৰ আন এক উজ্জ্বল দিশ হ'ল ইয়াৰ ধৰ্মনিৰপেক্ষ ৰূপ। বিশেষকৈ ব'হাগ বিহু উদযাপনৰ ক্ষেত্ৰত ধৰ্মীয় উপাদান নিচেই সীমিত। এতিয়া বিহু উদযাপন মঞ্চ প্ৰধান হৈ পৰাৰ ফলত ধৰ্মীয় উপাদানবোৰ একেবাৰে নগণ্য হৈ পৰিছে। ফলত হিন্দু, মুচলমান, খ্ৰীষ্টান আদিকে কৰি ভিন্ন ধৰ্মাৱলম্বীলোক সমন্বিতে সকলোৱে এই উৎসৱক নিজৰ বুলি আঁকোৱালি লোৱাত সহায়ক হৈছে। সহায়ক হৈছে বিহু উৎসৱটিক নিজৰ বুলি নিঃসন্দেহে, নিঃসংকোচে আঁকোৱালি লোৱাত।

সমন্বয়ৰ প্ৰতীক, অসমীয়া জাতিৰ স্বাভিমান ৰঙালী বিহু অসমীয়া জাতিৰ সঞ্জীৱনী শক্তি স্বৰূপ এই বিহুৰ সময়ৰ লগে লগে বহু পৰিৱৰ্তন ঘটিল। মুকলিমূৰীয়া আদিম সমাজৰ মুকলি মনেৰে জন্ম দিয়া বিহু প্ৰকৃততে বিকশিত হয় মুকলি পথাৰত, বিহুৱে প্ৰাণ পাই উঠে গছৰ তলত, নৈৰ ঘাটত। বুঢ়া আহতৰ তলৰ পৰা আহি, এটা সময়ত ৰজাঘৰীয়া সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা বিহু আহি ডা-ডাঙৰীয়াৰ আগচোতাল পালেহি। চহা ডেকা-গাভৰুৱে গছৰ তলত নচা বিহুনাচ স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ আমোলতেই মাৰ্জিতভাৱে ৰংঘৰৰ বাকৰিত প্ৰদৰ্শিত হৈছিল। আজিৰ বিহুৰ এই ৰূপৰ কঠীয়া সেই আমোলতে ৰোপণ কৰা হৈছিল। এইজনা স্বৰ্গদেউৰ দিনতেই ৰাজকাৰেঙলৈ ৰাইজক হুঁচৰি গাবলৈ নিমন্ত্ৰণ কৰি হুঁচৰি দলৰ আগত আঁঠু লৈ আৰ্শীবাদ লোৱাৰ পৰম্পৰা প্ৰতিষ্ঠা হৈছিল।

ৰঙালী বিহুৰ পৰম্পৰাগত আৰু পৰিৱেশগত দুটা দিশ আছে যদিও সৰ্বস্তৰৰ লোকে আঁকোৱালি ল'ব পৰা দিশটো হৈছে বিহুৰ পৰিৱেশন। অৰ্থাৎ বিহুতলীৰ মুকলি বিহু, মঞ্চ বিহুৰ বিহু নাচ, বিভিন্নধৰণৰ বসন্তকেন্দ্ৰিক লোক সংস্কৃতি প্ৰদৰ্শন আদিৰ মাজেৰে সৰ্ব স্তৰৰ লোকে এক মানসিক আৰু সামাজিক সম্পৰ্ক বিচাৰি পায়। যাক আমি জাতীয় সমন্বয়ৰ আধাৰ হিচাপে গ্ৰহণ ব্যৱহাৰ কৰিব পাৰো। মুকলি বিহু, মঞ্চ বিহু আদিৰ মাজেৰে পৰিৱেশ্য কলা প্ৰকাশৰ সুবিধা পোৱা যায়। য'ত সৌন্দৰ্য আৰু বৈচিত্ৰ্যৰ প্ৰতিফলন ঘটা দেখা যায়।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অনুবাদ শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

প্ৰবন্ধ

# ৰঙালী বিহু

## প্ৰকৃতি আৰু প্ৰেমৰ প্ৰতীক

— দীপিকা মালাকাৰ



*“প্ৰথম ব’হাগত কুলিটি বিনালে*
*ফুলিলে কপৌৰে ফুল,*
*বিহুটি আহিলে সকলোৰে মনত*
*নহ’ল ঐ একোৰে ভুল।”*

ৰঙালী বিহু আৰু প্ৰকৃতিৰ সম্পৰ্ক অতি গভীৰ। এই সম্পৰ্ক অবিচ্ছেদ্য, যি প্ৰধানকৈ চ’ত আৰু ব’হাগৰ পৰিৱৰ্তনশীল ঋতুৰ ওপৰত নিৰ্ভৰশীল। ফাগুনৰ লঠঙা গছত নতুন কুঁহিপাত ওলোৱা, কুলি-কেতেকীৰ মিঠা মাত আৰু বৰদৈচিলাৰ আগমনৰ সৈতে মিল থকা এই উৎসৱ প্ৰকৃতিৰ সজাগতা আৰু নৱজাগৰণক আদৰিবলৈ এই উৎসৱ পালন কৰা হয়। কৃষিৰ সৈতে বিহুৰ সামঞ্জস্য পৰিলক্ষিত হয়।

ৰঙালী বিহু প্ৰকৃতিৰ নতুনত্বৰ সৈতে জড়িত। ব’হাগ মাহত গছত নতুন পাত ওলায়, বিবিধ ফুলেৰে প্ৰকৃতি উপচি পৰে। বিশেষকৈ কপৌফুল ফুলি প্ৰকৃতিৰ ৰূপ দুগুণে চৰায়। এইদৰে ন-কুঁহিপাত আৰু বিবিধ ফুলে বসন্তৰ আগমনৰ বতৰা দিয়ে।

গছৰ ডালত কুলি চৰাইৰ মিঠা মাত আৰু বসন্তৰ বতাহে কেনেকৈ প্ৰকৃতিৰ লগতে কেনেকৈ বিহুৰ বতৰ সজীৱ কৰি তোলে তলৰ বিহু গীত ফাকিৰে সুন্দৰকৈ প্ৰকাশ পাইছে-

*“গছত কুলি চৰাই বিনাই ঐ চেনাইটি*
*ডালতে পৰি ৰৈ,*
*বসন্তৰ পচোৱা বতাহত নাচিছে*
*চেনাই তোৰ চাদৰৰে আঁচল ঐ।”*

ব’হাগ বিহুৰ প্ৰথম দিনা গৰু বিহু হিচাপে পালন কৰা হয়।

গৰু অবিহনে খেতি-বাতি কৰা সম্ভৱ নহয়। গৰু বিহুৰ দিনা ৰাতিপুৱাই গৰুক ধুওৱা হয়। গৰুক লাও-বেঙেনা আদি খুউৱা হয়। এই কথা বিহু গীততো আমি শুনিবলৈ পাওঁ-

*"লাও খা বেঙেনা খা*
*বছৰে বছৰে বাঢ়ি যা,*
*মাৰ সৰু বাপেৰ সৰু*
*তই হ'বি বৰ গৰু।"*

এই গীতটোৰ পৰা আমি গৰু যে কৃষিৰ প্ৰধান সহায়ক সেই কথা গম পাওঁ। সেয়ে গৰুৰ সুস্বাস্থ্য কামনা কৰি এইদৰে গান গায়। খেতিৰ প্ৰধান সঁজুলি নাঙলৰো কথা আমি বিহু গীতত শুনিবলৈ পাওঁ-

*"নাঙলৰ কানমাৰি যুৰলিৰ মোখোৰা,*
*যাব নোৱাৰিলোঁ হাললৈ।*
*হালৰ গৰুহালতে মৰিলে*
*আই ঐ দেহি কান্দিলে চহাৰে।"*

খেতিৰ বাবে বৰষুণ অতি প্ৰয়োজন। বিহু গীততো তাৰেই প্ৰকাশ-

*"মেঘে গৰজিলে বৰষুণ দিবলে*
*ধৰিত্ৰী জীপাল হ'ব,*
*চহা অসমীয়াই পথাৰত নামিলে*
*সোণোৱালী শস্য হ'ব।"*

বিহুগীত কেৱল মাত্ৰ বিনোদনৰ মাধ্যম নহয়, বিহুগীত হ'ল অসমীয়া সমাজৰ আশা-আকাংক্ষা আৰু সংগ্ৰামৰ এক জীৱন্ত ছবি। বিহুগীতবোৰত প্ৰেমৰো ইংগিত বিদ্যমান। বিৰহৰ ব্যাকুলতা বিহুগীতত আমি শুনিবলৈ পাওঁ-

*"চিৰিবিলি পাততে চিপ চিপ কৈ বৰষুণ,*
*জান ঐ নহা হ'ল মোৰ সোণ।"*

বিহু গীতত বহু সময়ত চৰাই -চিৰিকটি আৰু ফুলৰ মাধ্যমেৰে প্ৰেমৰ ইংগিত দিয়া হয়। উদাহৰণস্বৰূপে- কপৌফুল বা নাহৰ ফুলক প্ৰেমিকাৰ সৌন্দৰ্যৰ সৈতে তুলনা কৰা হয়-

*"খোপাত পিন্ধি ল'লে কপৌফুল এপাহি*
*কপালত ল'লে ফোঁট,*
*তোৰে হাঁহিতিৰ মাজতে লাহৰী*
*বিৰিঙিছে কত যে ৰূপ।"*

নাহৰ ফুলৰ বৰ্ণনাও আমি বিহু গীতত শুনিবলৈ পাওঁ-

*"নাহৰ ফুল এপাহি তোৰে পদূলিতে*
*তাতোকৈ ধুনীয়া ঐ লাহৰী*
*বিৰিঙে তোৰ হাঁহিতে।"*

ৰঙালী বিহুৰ নাচ-গান বিশেষকৈ বিহুৱতী গাভৰুসকলৰ নৃত্যই প্ৰেম আৰু যৌৱনৰ প্ৰকাশ কৰে। বিহু গীতবোৰত প্ৰেম, মিলন আৰু বিৰহৰ ইংগিত দেখা যায়। উদাহৰণস্বৰূপে-

*"লহিয়াই পৰিলে বেলি অ' লাহৰী*

*ৰঙালী বিহু আৰু প্ৰকৃতিৰ সম্পৰ্ক অতি গভীৰ। এই সম্পৰ্ক অবিচ্ছেদ্য, যি প্ৰধানকৈ চ'ত আৰু ব'হাগৰ পৰিৱৰ্তনশীল ঋতুৰ ওপৰত নিৰ্ভৰশীল। ফাগুনৰ লঠঙা গছত নতুন কুঁহিপাত ওলোৱা, কুলি-কেতেকীৰ মিঠা মাত আৰু বৰদৈচিলাৰ আগমনৰ সৈতে মিল থকা এই উৎসৱ প্ৰকৃতিৰ সজাগতা আৰু নৱজাগৰণক আদৰিবলৈ এই উৎসৱ পালন কৰা হয়। কৃষিৰ সৈতে বিহুৰ সামঞ্জস্য পৰিলক্ষিত হয়।*

*লহিয়াই পৰিলে বেলি,*
*পথাৰৰ কামকে সামৰি লাহৰী*
*মেলিলো মনৰে মেলি।”*

বিহুৰ সময়ত ডেকা-গাভৰুসকলে মুকলি বিহু বা ৰাতি বিহুৰ সময়ত হৃদয়ৰ আদান-প্ৰদান কৰে। বিহুৰ সময়তে মনৰ মিলন ঘটে আৰু বহুতৰ বাবে বিহুৰ থলীয়েই হৈ পৰে জীৱন সংগী নিৰ্বাচনৰ উত্তম থলী।

বিহু গীতত তাৰেই প্ৰকাশ-

*“ঐ ধনে ঐ...*
*চেনাই ঐ কালৈ নো ৰাখিছ*
*যৌৱনৰ ভঁৰালটি,*
*কালৈ নো ৰাখিছ মন*
*আমাকো নালাগে তোমাকো নালাগে*
*লুইতে লৈ যাব ধন।”*

বিহুগীতত বিৰহৰ আৰু গোপন প্ৰেমৰ ভাব স্পষ্ট-

*“বিহুৰে বিৰিণা পাতে ঐ চেনাইটি*
*বিহুৰে বিৰিণা পাত,*
*বিহু মাৰিবলৈ যাওঁতে ঐ চেনাইটি*
*লগালে কলিজাত দাগ।”*

ৰঙালী বিহুত বিহুৱা ডেকাই প্ৰেমিকক দিবলৈ কিমান যে হেঁপাহেৰে বিহুৱানখন বোৱে, সেয়া বিহুৱতী গাভৰুৱেহে বুজে-

*“বিহুৰে বিহুৱান দিবলৈ বুলি*
*বাচিলোঁ ফুল,*
*বুকুৰ চেনেহ গ'লাই মই ব'লো*
*যাৰ নাই একোৱে মূল।”*

বিহু গীতবোৰত প্ৰেম আৰু যৌৱনৰ প্ৰকাশ অতি স্পষ্ট-

*“আকাশত চিলনী উৰে অ' লাহৰী*
*আকাশত চিলনী উৰে,*
*তোমাক নেদেখিলে মোৰে অ' লাহৰী*
*বুকুখন ধপধপাই উৰে।”*

বিহু গীতত লুকাই লুকাই প্ৰেম নিবেদন কৰাও পৰিলক্ষিত হয়।

*“দকৈ পথাৰত ধান দাই আছিলোঁ*
*ঘিলা চকলীয়া মুঠি,*
*সকলোকে দেখো লাহৰীক নেদেখোঁ*
*ঢাপৰে ওপৰত উঠি।”*

বিহু গীতবোৰত প্ৰেম-প্ৰীতি, মিলন, বিৰহ আদি ভাব জড়িত হৈ থাকে-

*“ধনশিৰি নৈৰে এৰাসুঁতি ঐ ধন*
*তাত নাই পানীৰ ঢল,*
*তোমালৈ মনত কিমান যে হেঁপাহ ঐ*
*সিমান নাই বিহুৰে বল।”*

ৰঙালী বিহু কেৱল এটা উৎসৱ নহয় ৰঙালী বিহু অসমীয়া জাতি ঐক্য আৰু সম্পৃতিৰ প্ৰতীক। জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোৱে একগোট হৈ ৰঙালী বিহু অতি আনন্দেৰে উদযাপন কৰে। বিহু অসমীয়াৰ পৰিচয় আৰু বিহুক সদায় জীয়াই ৰখাটো আমাৰ সকলোৰে কৰ্তব্য।

সদৌ শেষত আমি ইয়াকে কওঁ যে, আধুনিকতাৰ কবলত অসমীয়া সমাজত বিহুৰ পৰম্পৰাগত ৰূপ সলনি হ'লেও বিহুৰ মূল আৱেগ প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্ক আৰু প্ৰেমৰ মাদকতা সদায় অপৰিৱৰ্তিত হৈ থাকিব। বিহু অসমীয়া জাতিৰ আয়ুসৰেখা আৰু প্ৰেম-প্ৰকৃতিৰ চিৰসেউজ প্ৰতীক।

*“বিহুটি আদৰৰ বিহুটি সাদৰৰ*
*বিহুটি অসমৰ প্ৰাণ,*
*এনাজৰী ছিঙিলে চেনেহী অসমীৰ*
*থাকিব কিহৰনো মান।”*

চৰিত্ৰৱান মানুহ পবিত্ৰ জলৰ নিচিনা, সিহঁত নিজেও পবিত্ৰ আৰু আনকো পবিত্ৰ কৰে।
**- সত্যনাথ বৰা।**

ফাগুনৰ আগমনেই বিহু অহাৰ জাননী দিয়ে, ফাগুন গৈ চ'ত অহা মানেই বিহু পদূলি মুখ পাইছে। তাৰ লগে লগে গৃহস্থৰ ঘৰৰ লখিমীসকলৰ গাত তৰণি নাইকিয়া হয়। নহ'বই বা কিয় বাপতিসাহোন ৰঙালী বিহুক আদৰাৰ সময় সমাগত। অসমৰ সকলো জনগোষ্ঠীৰ নিজ নিজ কৃষ্টি-সংস্কৃতি আছে। এই কৃষ্টি-সংস্কৃতিসমূহ নিজা নিজা জনগোষ্ঠীয়ে তেওঁলোকৰ পৰম্পৰাৰে পালন কৰে। কোনোবা জাতি বা জনগোষ্ঠীৰ সুকীয়া বৈশিষ্ট্য আৰু পৰিচয়ৰ প্ৰকাশ ঘটে তেওঁলোকৰ কৃষ্টি-সংস্কৃতিৰ জৰিয়তে। অসমৰ জনগোষ্ঠীসমূহে তেওঁলোকৰ কৃষ্টি-সংস্কৃতিক লৈ সমূহীয়াকৈ নৃত্য-গীত-মাতেৰে আনন্দ-স্ফূৰ্তি কৰি উৎসৱ পালন কৰি আহিছে।

বিভিন্ন জাতি-জনগোষ্ঠীয়ে বসবাস কৰা অসমৰ বৈচিত্ৰ্যপূৰ্ণ তথা বাৰেবৰণীয়া সংস্কৃতিৰ ৰঙীন পথাৰখন জীপাল কৰি ৰখাত লোক-সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰখনত অসম এখন চহকী ৰাজ্য। অসমৰ প্ৰায় প্ৰতিটো জনগোষ্ঠীৰ মূল কেন্দ্ৰবিন্দু হৈছে বিহু। অসমৰ লোক-সংস্কৃতিৰ এই বিশাল পথাৰখনৰ এটা বৃহৎ অংশ আগুৰি আছে বিহুৱে। লোক-সংস্কৃতিৰ প্ৰধান অংগ বিহুৰ একে ৰূপ সকলোতে পোৱা নাযায়। সমগ্ৰ অসমতে বিহুৰ এক সুকীয়া আৰু সাৰ্বজনীন ৰূপ দেখা পোৱা যায়। মূল আৰু উদ্দেশ্য এক থাকিলেও জাতি-জনগোষ্ঠী আৰু ঠাইভেদে বিহুৰ ৰূপ ভিন্ন হোৱা দেখা যায়।

বসন্ত কাল অসমৰ অতি মোহনীয় প্ৰকৃতি। বাৰিষা আৰু কৃষিকৰ্মৰ বাবে প্ৰস্তুতিৰ প্ৰাকক্ষণৰ সৃষ্টিৰে উন্মনা চঞ্চল সময় আৰু মনোৰম পৰিৱেশ, চ'ত যায় ব'হাগ আহে- এনে সন্ধিক্ষণৰ শুভলগ্ন কৃষিজীৱী সমাজখনৰ বাবেই একান্তই মধুৰ সময়। ঋতুকালীন উৎসৱসমূহৰ ভিতৰত মুখ্য হ'ল বিহু। বাপতিসাহোন অসমৰ বিহুকেইটা জ্যোতিৰ্বিজ্ঞানৰ মতে দুটা মাহৰ সংক্ৰান্তিত পালন কৰা হয়। প্ৰকৃতিৰ অনবদ্য উপহাৰস্বৰূপে

# ব'হাগ বিহু আৰু ইয়াৰ যুগ পৰিৱৰ্তন

— অমৰ বৰুৱা



প্ৰবন্ধ

*বিভিন্ন জাতি-জনগোষ্ঠীয়ে বসবাস কৰা অসমৰ বৈচিত্র্যপূর্ণ তথা বাৰেবৰণীয়া সংস্কৃতিৰ ৰঙীন পথাৰখন জীপাল কৰি ৰখাত লোক-সংস্কৃতিয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। ভাৰতৰ লোক-সংস্কৃতিৰ ক্ষেত্রখনত অসম এখন চহকী ৰাজ্য। অসমৰ প্রায় প্রতিটো জনগোষ্ঠীৰ মূল কেন্দ্রবিন্দু হৈছে বিহু। অসমৰ লোক-সংস্কৃতিৰ এই বিশাল পথাৰখনৰ এটা বৃহৎ অংশ আগুৰি আছে বিহুৱে। লোক-সংস্কৃতিৰ প্রধান অংগ বিহুৰ একে ৰূপ সকলোতে পোৱা নাযায়। সমগ্র অসমতে বিহুৰ এক সুকীয়া আৰু সার্বজনীন ৰূপ দেখা পোৱা যায়।*

বসন্ত ঋতুৰ পৰশত প্রাণ পাই উঠা এই বিহু উৎসৱ কালক্রমত হৈ পৰিল সমগ্র অসমীয়া জাতিটোৰ প্রাণস্বৰূপ জাতীয় কৃষ্টি তথা জাতীয় উৎসৱৰ প্রতিকৃতি। বিহুৰ উৎপত্তিৰ ক্ষেত্রত বিভিন্ন পণ্ডিতে ভিন্ন মত আগবঢ়ালেও এয়া সত্য হিচাপে ধৰি ল'ব পাৰি যে, বিহুৰ উৎপত্তিৰ আদি হৈছে বসন্ত। যি মূলতঃ কৃষিভিত্তিক উৎসৱ।

ত্রয়োদশ শতিকাৰ আগ ভাগতে অসমত প্রৱেশ কৰা আহোমসকলেই যে বিহুটোক মান্যৰূপ দিলে, সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিহুক সংগঠিত ৰূপ দি সার্বজনীন কৰাত গুৰি ব'ঠা ধৰিছিল টাই আহোম বা আহোমসকলে। তেওঁলোকে অসমলৈ আঁহোতে ঢোল-পেঁপা-গগনা আদি বিহুৰ বাদ্যযন্ত্রবোৰ লগত লৈ আহিছিল।

ব'হাগ বিহু সাধাৰণতে গীত আৰু নাচ কেন্দ্রীক। বিহু নাম গাওঁতে বিহুনাচ পৰিৱেশন কৰা হয়। বিহুনাচৰ সৈতে ঢোল (দুই মূৰ ছালেৰে ছোৱা, ডিঙিত ওলমাই বজোৱা এবিধ বাদ্য), টকা (বাঁহৰ এটা পাবেৰে (দুটা গাঁঠি বা জোৰাৰ মাজৰ অংশই সজা এবিধ বাদ্য), পেঁপা (মুখেৰে বতাহ দি বজোৱা বাদ্যযন্ত্র-বিশেষ), তাল (কাঁহৰ এবিধ ঘূৰণীয়া বাদ্য), গগনা (দুই ওঁঠেৰে মাজ অংশত চেপি ধৰি এটা মূৰত আঙুলি এটাৰে টংকাৰ দি দি বিশেষ ধ্বনি উলিওৱা সৰু এচটা বাঁহৰ বাদ্য-বিশেষ), সুতুলি (বিশেষকৈ বিহু অনুষ্ঠানত মুখেৰে ফুৰাই বজোৱা মাটিৰ এবিধ বাদ্য, ই ফোঁপোলা আৰু ফুৰাই সুৰ তুলিবলৈ তিনিটা ফুটা থাকে) আদি বজোৱা হয়। বিহু নাচ ডেকা-গাভৰু উভয়ৰে নাচ। অৱশ্যে, এবিধ গাভৰু বিহু বুলি অকল মহিলাৰ বিহু আছে, ইয়াত পুৰুষৰ প্রৱেশ নঘটে। বিহুনামত ডেকা-গাভৰুৰ মন মতলীয়া কৰা যৌৱনোন্মাদ ভাষা থাকে আৰু তাৰেই প্রতিফলন ঘটি নাচৰ মাজত প্রকাশ পায়। বিহুনাচতে লোকনৃত্যৰ সকলো লক্ষণ আছে। বিহুনাচ বৃত্তাকাৰে পৰিৱেশন কৰা হয়। বিহুনাচ নচা নাচনীৰ নৃত্যৰ ভৰত পৰি ভূমি উর্বৰ হয় বুলি বিশ্বাস আছে। ঠিক তেনেদৰে ঢোলৰ মাতত বৰষুণ আহে বুলি আৰু গগনাৰ মাতত ভেকুলীয়ে টোৰটোৰাই বুলিও লোকবিশ্বাস আছে। ঢোলৰ মাত আৰু বৃষ্টি সম্ভৱা মেঘৰ গাজনিৰ শব্দ প্রায় একে। আনহাতে, ভেকুলীয়ে টোৰটোৰালেও বৰষুণৰ সম্ভাৱনা বাঢ়ে। এনে লোকবিশ্বাসৰ আলমতে অতীজত মানুহে এনেদৰে নাচ নাচিছিল।

যুগ পৰিৱর্তনৰ ঢৌ, নগৰকেন্দ্রিক নতুন দিনৰ সাংস্কৃতিক জীৱনযাত্রা, জীৱনবোধ আৰু সাংস্কৃতিক-ভাবনা আৰু তাৰ লগে লগে মানুহৰ পৰিৱর্তিত ৰুচি, অর্থনৈতিক কাৰক আদিয়ে বিহুক হয়তো তাহানিৰ নিস্তৰংগ, শান্ত-সুশীতল গ্রামীণ পৰিৱেশত আবদ্ধ হৈ থাকিবলৈ দিব

পৰা নাই। শিক্ষা-দীক্ষা, কৰ্মক্ষেত্ৰ, ব্যৱসায়িক দৃষ্টিভংগী আদিয়ে বিহুৰ দৰে লোকজীৱনৰ লোক-সাংস্কৃতিক বিষয়বোৰক আজিৰ মানুহৰ ৰুচি, সা-সুবিধা আৰু তাৰ লগে লগে ভোগবাদী মনস্তত্ত্বৰ প্ৰভাৱতো নতুন ৰূপত, নতুন ধৰণেৰে, বিশেষকৈ মানুহে বিচৰা অনুসৰিয়েই উপস্থাপন কৰিবলৈ যোৰকৈ প্ৰয়াস কৰা হৈছে। এই উদ্যোক্তাসকলো আমাৰ অসমীয়া সমাজখনৰেই প্ৰতিনিধি। তেওঁলোকে আমাৰ ৰুচি, আশা-আকাংক্ষা আৰু ইচ্ছা বাসনাকে প্ৰতিনিধিত্ব কৰিছে। কাৰ্যতঃ দেখা গৈছে, আজিৰ নৱপ্ৰজন্ম আৰু লগতে জ্যেষ্ঠসকলে যিদৰে বিহু উৎসৱক এটা নতুন মাত্ৰা বা আয়তন আৰু গতি দিছে তাৰ প্ৰতি আমিতো নিৰ্বিবাদে সমৰ্থন আগবঢ়াইছোঁৱেই।

সমাজৰ বহুসংখ্যকেই বিহু উপভোগ কৰে নিজৰ ঘৰত বহি টেলিভিছনৰ পদাৰ্ত- 'লাইভ টেলিকাষ্ট' চাই। উদ্যোক্তাসকলে বিহুক সঁচাকৈয়ে অজস্ৰজনৰ, আবাল-বৃদ্ধ-বনিতাৰ বাবে উপভোগ্য কৰি তুলিবৰ বাবে চেষ্টাৰ অলপো ত্ৰুটি কৰা নাই। ৰাইজেও তাৰ বাবে মুক্তহস্তে দান-বৰঙণি দিবলৈ স্বেচ্ছাই আগবাঢ়ি আহে। অন্যহাতে আজিকালি তাহানিৰ দৰে একোখন অতি পুৰণি গাঁৱত বিহুৰ হুঁচৰি, ঢোল, বিহুনাচ, দেখাটো দুৰ্লভ হৈ পৰিছে। আজি গাঁৱৰ বিহুৱা ডেকা ল'ৰা নিজৰ গাঁৱৰ পৰিধিতে আবদ্ধ হৈ থকা নাই। বিহুৱা, ঢুলীয়া ডেকাসকলে গাভৰু নাচনী লৈ আজিৰ বিহুতলী নগৰৰ আলোকিত বিশাল মঞ্চলৈ ঢাপলি মেলে।

আজিকালি বিহুৰ বতৰৰ হাটখন গাঁৱৰ মাজত বা ওচৰে-পাঁজৰে নাই। বিহু মেলা বা ব'হাগী মেলা দেখনিয়াৰকৈ পতা হয় নগৰত। গাঁও অঞ্চলত যিদৰে বিহুতলী নোহোৱা হৈছে, বিহুৰ পিঠাপনা, চিৰা আদিৰ পয়োভৰ নগৰীয়া মেলাতহে সহজলভ্য হৈছে। ঢেঁকীটোৰ লগত নৱপ্ৰজন্মৰ চিনাকি ঠিক নোহোৱাৰ দৰে। ঠিক সেইদৰেই তাঁতশালখনো। জেতুকা-মাখিয়তি-কেতেকী ফুলৰ গছ আজিৰ প্ৰজন্মই দেখা নোপোৱাৰ নিচিনা।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

**আমাৰ ঠিকনা**

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

কবিতা

## আজি ৰাতি ব'হাগ আহিব

— কৰিশ্মা নেওগ

বনৰীয়া ফুলবোৰ সজাই ল'লে বুকুৰ বাকৰিত
চৰাইৰ চুবুৰীত মোৰ উলাহৰ মাদল বাজে
আহ! সুখৰ চাকনৈয়াত প্ৰেমৰ ভোগজৰা।
কি ফুলে শুৱাই খোপাত
আকুল বসন্তৰ ৰাগি লাগি
আবেলিৰ বতাহে হেঁচুকি দিলে
ৰুনজুন ৰুনজুন নূপুৰ বাজে
আজীৱন ভালপোৱাৰ ছন্দ, আমোঘ মন্ত্ৰ।
ফুলবোৰ তোৰ হৈ থাকক
কোমল পাতৰ আভৰণ?
সেউজীয়া মোৰ আজন্ম
প্ৰেমৰ আৱাহন
ফুল হৈ ফুলে মন, ভোমোৰাৰ গুঞ্জন।
ঢোলৰ ছেৱত মেঘ নামিলে
যোড়শী গাভৰুৰ যৌৱনৰ উৎসৱ
চেনেহৰ এটি ঘৰ সাজো আলফুলে হেঁপাহৰ।

## ব'হাগৰ চিঠি

— দিপজ্যোতি কমল মহন্ত

ব'হাগ আহে নীৰৱে লিখা এখন চিঠি হৈ,
সেউজীয়া আখৰেৰে ভৰা মাটিৰ বুকুত;
বতাহে সেই চিঠিখন খুলি পঢ়ে
কুঁহিপাতৰ কোমল সুৰেৰে।
ঢোল বাজে যেন হৃদয়ৰ গোপন ধ্বনি,
দূৰদূৰণিৰ মৌনতা ভাঙি;
পেঁপাৰ সুৰে আহি ক'লে যেন
অজান অনুভৱৰ মধুৰ কাহিনী।
বিহু নাচত চকুৰে চকুৰ লগ লাগে,
নীৰৱতাইয়ো কথা ক'বলৈ শিকে;
হাঁহিৰ মাজত লুকাই উঠে
নতুন সম্পৰ্কৰ কোমল ৰেখা।
ব'হাগৰ এই ৰঙীন বতাহত
প্ৰেমো যেন অলপ অধিক নিভাঁজ হয়;
মাটিৰ দৰে সৰল সেই অনুভৱে
হৃদয়ত নীৰৱে বসন্তৰ পুষ্প মুকলি কৰে।

## বসন্তৰ কথকতা

—অৰুন্ধতী কোঁৱৰ

তুমি আহিলেই বতাহজাকে দি যায় আঁচল ভৰাই
প্ৰথমজাক বৰষুণৰ ভিজা ভিজা গোন্ধ।
নাঙলৰ শিৰলুৰে ফালি যোৱা বোকা বোকা গোন্ধ,
সুবাসিত সময়বোৰ বুকুত সাবটি
প্ৰথমজাক বৰষুণৰ ছন্দে ছন্দে মাতাল মোৰ দুভৰি।
ৰৌদ্ৰোজ্জ্বল ঋতুৰ ঠিকনা খোদিত কৰি
মই এজাক বৰষুণ হ'ব বিচাৰোঁ
তোমাৰ হৃদয়ৰ চুবুৰিত।



# ব’হাগৰ প্ৰথম পুৰা

— দেৱযানী পাঠক শৰ্মা

তগৰৰ সুবাস সনা এছাটি মলয়াই
আদৰিলে প্ৰত্যুষতে ব’হাগৰ প্ৰথম পুৰাটি;
জাকি মাৰি উৰি আহিল পৰিভ্ৰমী চৰাইজাক,
পাখিত সানি আনিলে বসন্তৰ গোপন বাতৰি।
নাহৰৰ পাতে পাতে, আঁৰে আঁৰে, ফাঁকে ফাঁকে
কুলিটিয়ে মিঠা মাতেৰে অসমীক জনালে সঁহাৰি;
চেনাই ধন আহিছে চেনেহীৰ হেঁপাহত
চ’তৰ চিলমিলীয়া টোপনি ভাঙি।
স্বপ্নাতুৰ প্ৰভাতীৰ প্ৰথম ৰ’দালিত
উৎসুকতাৰে খুলিলে দুহাতৰ মুঠি;
জেতুকাৰ বোলেৰে শুৱনি হ’ল দুহাত,
গাভৰুৰ মনত লাগিল উজান-ভাটি।
গাঁৱৰ ডেকা-গাভৰুৱে গোহালিৰ গোধনক
মাহ-হালধিৰে নোৱাই-ধোৱাই জুৰিলে গীত-
“লাও খা, বেঙেনা খা, দিনে দিনে বাঢ়ি যা...”
কি যে এক অমীয়া সংগীত!
চাট মাৰি চালত গুজি মাখিয়তি পেখমেৰে-
গোহালিটি সজোৱা সেই সাতামপুৰুষীয়া সংস্কৃতি;
ব’হাগৰ বিহু বুলি ঘৰমুৱা হোৱা
নগৰীয়া, চহৰীয়া আৰু প্ৰৱাসী অসমীয়াৰ ঐকান্তিক আকৃতি।
মৰমৰ বাণীৰে, চেনেহৰ দীঘেৰে
ইজনে সিজনক যাঁচিছে আদৰৰ বিহুৱান;
অসমীয়া জনজীৱনৰ এয়াইটো পৰম্পৰা,
এয়াইটো আমাৰ গৌৰৱ আৰু মান।
নামঘৰৰ দবাটি বাজিছে গুদুম-দুমাই,
ৰাইজে আঁঠু লৈছে গুৱা-পাণ আগবঢ়াই;
এয়া চ’তৰ শেষ, পুৰণিৰ বিদায়
গাঁৱৰ বুঢ়া-মেথা মিলি জুৰিছে হুঁচৰি।
ঘৰে ঘৰে গৈ গৃহস্থৰ কুশলাৰ্থে
আশীৰ্বাদ জনাইছে হিয়া উজাৰি;
ঢোল, পেঁপা, গগনা-সুতুলি আৰু বাঁহৰ টকাৰ
ছেওত ৰজনজনাই উঠিছে চৌদিশ।
হিয়াৰ আমঠু ব’হাগৰ বিহুটি
একতাৰ এনাজৰীৰে বান্ধি প্ৰতিজন অসমীয়াই;
নেদেখাজনলৈ সেৱা জনাইছে
অনাগত দিনবোৰ সুখৰ হোৱাৰ কামনাই।

# ফাগুন আহে ব’হাগ আহিবলৈ

— দীপশিখা বৰুৱা

বতাহৰ বোকোচাত
বাউলী ফাগুন অহাৰ পৰা
বুকুত শিমলু বা মদাৰ ফুলে
দুলি থাকে কামিনী কাঞ্চনৰ কলি...
বতাহেই সিঁচিবলৈ লৈ যায় ৰং
সেই বাবেই হয়তো
বিবৰ্ণ বাটবোৰ সাৰ পাই উঠে...
বাউলী ফাগুনৰো এখন
অচিনা হৃদয় থাকে
শুকুলা মেঘে গাঁথে সুখ-দুখৰ মালা
নামি আহে জীয়াঢল
মাটি উৰ্বৰা কৰিবলৈকে,
ফাগুনৰ অচিনা হৃদয়ে ৰং সানে মনত
ফাগুন আহে ব’হাগ আহিবলৈকে।



# ব'হাগৰ আৰ্তনাদ

—প্ৰতীক্ষা গোস্বামী

নিজান নিশাৰ নিৰুপায় শেতেলিত
বুকুৰ বিষ এটি হৈ
ব'হাগ আহে!
খিৰিকীৰ সিপাৰৰ ধূসৰ জোনটিৰ
সোণালী ছাঁ মোৰ গালে-মুখে সানে।
মই পৰি ৰওঁ
বৰ্হমথুৰিৰ সপোন এটাক
বুকুত খামুচি!
ঘৰচিৰিকাৰ পাখিৰ বৰণ ধৰা
পুৰণি কথাবোৰে দুচকুৰ পতাত
বসন্তৰ ফুল বাছে।
টিনপাটত পৰা বৰষুণৰ টোপালবোৰে
ৰাতিটোৰ নিৰ্জনতা ভাঙে;
যেন আধৰুৱা প্ৰেমৰ গোপন গল্প এটা মোক
চিঞৰি ক'ব খোজে।
মই শুনিব নোখোজা
বৰদৈচিলাৰ কবিতা এটাই
মোক দলিয়াই পেলাব খোজে
অতীতৰ কোনোবা এটা
অচিনাকি পদূলিত।
মই চিনাকি চিঞৰ এটি হৈ
প্ৰতিবাদ কৰিব খোজোঁ!
সুধিব খোজোঁ-
স্মৃতিৰ ভাৰ বৈ বৈ লেহুকা হোৱা
মোৰ কামিহাড়ৰ কেঁচা ঘা,
বসন্তৰ ৰঙে শুকুৱাব পাৰিব জানো!

ক
বি
তা

# ৰঙালীৰ ৰং

— পম্পী বৰুৱা

ফাগুনী বাইজনী গুচি গ'ল,
ৰঙালী বাইজনীৰ আকৌ
আগমন হ'ল।
ফাগুনে লঠঙা কৰা ডালবোৰত
নতুনকৈ ন-কুঁহিপাতে
ডাল ভৰি ৰ'ল।
ফাগুনৰ উকা উকা মনটো
ৰঙালীৰ ৰঙেৰে
পৰিপূৰ্ণ হ'ল।
পলাশ, শিমলু, মদাৰৰ সুবাস
লাহেকৈ ম্লান হৈ-
কপৌ, তগৰ আৰু নানা ফুলৰ
সুবাস চৌদিশে আমোলমোল হ'ল।
চাৰিওফালে মাথোঁ
ঢোল, পেঁপা, গগনাৰ মাত প্ৰতিধ্বনিত হ'ল।
ঢেঁকী আৰু তাঁতশালৰ শব্দত
চৌদিশে মাথোঁ
বিহু বিহু লগা হ'ল।
কুলি-কেতেকীৰ মিঠা মাতত
প্ৰকৃতিৰ ৰূপ যেন
সোণত সুৱগা হ'ল।
চৌদিশে মাথোঁ প্ৰকৃতিৰ ৰং
ৰঙালীৰ আগমনত
সলনি হ'ল।
ৰঙালীৰ এই অপৰূপ ৰূপত
আমাৰ মনবোৰ
আনন্দতে মতলীয়া হ'ল।





# বিবৰ্ণ পৃষ্ঠা

## আঁতৰাই

— এমিলী ফুকন

"নোৱাৰ মিনু, এইবোৰ তোৰ কাম নহয়। থ' দেই, কোৰখন মিছাতে দাঙি হাত বিষাইছে বুলি পাছত নিচিঞৰিবি। অথনিও বাপেৰৰ লগত মৈয়াই আছিলি। মুঠতে ভিতৰুৱা কাম আৰু তাঁত বোৱাতকৈ এইবোৰ কাম কৰিহে তই বেছি ভাল পাৱ।" -আইতাকে মুখৰ ভিতৰতে বিৰবিৰালে।

মনুৱে থমকি ৰৈ ক'লে, "মোৰ কাম নহয়? আইতা, মোৰ কাম কোনবোৰ? কিয়নো কামৰ ভাগ-বতৰা কৰা এনেকৈ? আমি যি কাম মনেৰে পাৰিম বুলি ভাবোঁ, সেয়াই কৰিব লাগে। কি এইটো ছোৱালীৰ কাম, এইটো ল'ৰাৰ কাম কৰি থাকা? মাৰ কিবা হ'লে দেউতাই সহায় নকৰে নেকি? তাৰমানে কি দেউতা মাইকী হ'ব নেকি? মই মাৰ উপৰিও দেউতাকো সহায় কৰিব খোজোঁ।"

"হেৰৌ মৰঁতীজনী, হাতত ঢৌ উঠিব বাবেহে কৈছোঁ। ছোৱালীৰ হাত কোমল-আমল হ'লেহে ভাল লাগে। বিয়া-বাৰু হোৱাই নাই, এতিয়াই এইখন কৰি ল'লে হৈছে আৰু!" -আইতাকে আকৌ দোহাৰিলে।

মিনুৱে মুখৰ ভিতৰতে ভুৰভুৰালে- "টান হ'লেনো কি অপকাৰ হ'ব? যদি কাৰোবাক সহায় কৰোঁতে মোৰ হাত টান হয়, হওক। কোমল হাত লৈনো কি কৰিম মই? অকল বিয়া, বিয়া আৰু বিয়া।"

মিনু স্বাভিমানী আৰু আত্মসন্মানবোধ থকা ছোৱালী। সমাজৰ তথাকথিত নিয়মবোৰ নামানিলে মানুহে তাইক 'মুখচোকা' বা 'অহংকাৰী' বুলি কয়। কিন্তু তাই জানে- শিক্ষিতসকলে যদি ভুলৰ প্ৰতিবাদ নকৰে, তেন্তে শুধৰণি

*মনুৱে থমকি ৰৈ ক'লে, "মোৰ কাম নহয়? আইতা, মোৰ কাম কোনবোৰ? কিয়নো কামৰ ভাগ-বতৰা কৰা এনেকৈ? আমি যি কাম মনেৰে পাৰিম বুলি ভাবোঁ, সেয়াই কৰিব লাগে। কি এইটো ছোৱালীৰ কাম, এইটো ল'ৰাৰ কাম কৰি থাকা? মাৰ কিবা হ'লে দেউতাই সহায় নকৰে নেকি? তাৰমানে কি দেউতা মাইকী হ'ব নেকি? মই মাৰ উপৰিও দেউতাকো সহায় কৰিব খোজোঁ।"*

কেনেকৈ আহিব? তাইৰ বাবে জীৱনটো এটা ৰবটৰ যান্ত্ৰিকতা নহয়, বৰঞ্চ নিজৰ বিচাৰ-বিবেচনাৰে সজোৱা এক সুন্দৰ পথ।

দুপৰীয়া বেতগাজৰ তিতা ভাজিখন খাই থাকোঁতে তাই ভাবিলে- তিতা সোৱাদ নহ'লেও উপকাৰী। ঠিক তেনেদৰে মিঠা মাতেৰে কথা কোৱা সকলো মানুহ জানো মনেৰেও মিঠা?

হঠাতে এটা পৰিচিত মাত শুনা গ'ল- "আৰু যদি সফল হ'ব নোৱাৰ, তই তোৰ মনে কোৱা কামবোৰ আৰম্ভ কৰ।"

"মনোজ তই!" মিনুৱে আচৰিত হৈ চালে।

"অ' মই। বাঁহ কাটিবলৈ আহিছিলোঁ।" -মনোজে সহজভাৱে ক'লে।

সি মিনুক সাহস দিলে- "চাকৰি পাওঁ বুলিয়েই জানো পোৱা যায়? যি কৰিছোঁ, আত্মসন্মান বচাই ৰাখি সন্তুষ্টি পাইছোঁ। তই কেক-বিস্কুটৰ যিটো কাম ভাবি আছিলি, সেয়া আৰম্ভ কৰ। জীতেনৰ পুতেকৰ জন্মদিনত মই তোৰ কথা কৈ দিছোঁ।"

মিনুৱে কিছু হীনমন্যতাত ভোগে যেতিয়া সৰু সৰু বস্তুৰ বাবেও মাক-দেউতাকক পইচা খুজিবলগীয়া হয়। টিউচনকেইটা কৰিছে যদিও বহুতে পইচা দিবলৈও টান পায়। কিন্তু মনোজৰ সান্নিধ্যই তাইক সাহস দিয়ে।

মনোজে ক'লে, "জীৱনৰ বিবৰ্ণ পৃষ্ঠাবোৰ আওকাণ কৰি আগবাঢ়ি যাব পৰাটোহে আচল কথা। তোৰ অন্তৰ্দৃষ্টি চোকা, তই পাৰিবি মিনু।"

"জীৱনৰ বিবৰ্ণ পৃষ্ঠাবোৰ আঁতৰাবলৈ এখন শক্তিশালী হাতৰো প্ৰয়োজন। দিবি প্ৰতিখোজত সাহস মোক?" মিনুৰ কণ্ঠত এক আকুলতা।

মনোজে হাঁহি ক'লে, "তই মাথোঁ আগুৱাই যা। মই তোৰ কাষে কাষে সদায় আছোঁ। এই বিবৰ্ণ পৃষ্ঠাবোৰ একেবাৰে আঁতৰোৱা সহজ নহয় যদিও তাক আওকাণ কৰি আগবাঢ়ি যোৱাটোহে জীৱনৰ মাদকতা।"

মনোজৰ কথাবোৰ শুনি মিনু মন্ত্ৰমুগ্ধ হৈ ৰ'ল। তাই সপোন দেখিবলৈ আৰম্ভ কৰিলে। হয়তো লাহে লাহে তাইৰ জীৱনৰ বিবৰ্ণ পৃষ্ঠাবোৰ সঁচাকৈয়ে আঁতৰ হ'ব আৰু এক নতুন পোহৰৰ সূচনা হ'ব।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অন্যান্য শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।


## আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

# আজিৰ বিহু

— অদ্ৰিক শইকীয়া



কেইদিন মানৰ পৰা ৰমেন ঘৰৰ পিছফালৰ বাৰীখনতেই ব্যস্ত। উৎসৱ এটা অহা বুলি ক'লে যিহেতু হাতত দুই এটকাৰ প্ৰয়োজন হয়। তাতে ৰমেনহঁতৰ দৰে দুখীয়া মানুহৰ জীৱন বাৰীৰ পাচলিকেইটাৰ ওপৰতে নিৰ্ভৰ কৰে। তাতেই আকৌ ব'হাগৰ বিহু। আজিৰ এই সকলো দিশৰ পৰা চহকী জীৱনৰ মাজতো সাধাৰণভাৱে জীয়াই থকা মানুহ আছে। তাৰে এজন হ'ল ৰমেন। ৰমেনে বিহুৰ কেইদিন মানৰ আগত বাৰীৰ দুই-এপদ পাচলি নি দেওবৰীয়া বজাৰত বিক্ৰী কৰি থৈ আহিছে। গাঁৱৰ হুঁচৰি আহিলে ভালকৈ আশীৰ্বাদ এটি ল'ব লাগিব, ঘৰখনৰ মংগল হ'বলৈ।

ইফালে মিনতিৰ গাটো ততেই নাই দিনত ঢেঁকীত পিঠাগুৰি খুন্দি ৰাতি এপৰলৈ পিঠা বনোৱাত ব্যস্ত। বিহুৰ বতৰত কিমান আলহী আহে কি ঠিক। এনে সময়ত অন্তত দোকানৰ বস্তুৰে চাহ খুৱাব মন নাযায়। আকৌ ইফালে বিতুল অৰ্থাৎ ৰমেন আৰু মিনতিৰ একমাত্ৰ সন্তানে কান্দি কান্দি এটি টেমি ঢোল কিনি দিবলৈ ৰমেনক বাধ্য কৰালে। কিনি অনাৰ দিন ধৰি ৰাতি-দিন কেৱল ঢোল বজোৱাত ব্যস্ত। আনন্দৰ মাজেৰে ৰমেন, মিনতি আৰু তেওঁলোকৰ একমাত্ৰ সন্তান বিতুলে বিহুটিক আদৰাত উঠি পৰি লাগিছে।

এদিন দুদিনকৈ দিন গণি থকা বিহু আহি চোতাল পালেহি। সেইদিনা মানুহৰ বিহু। গাঁৱৰ দুই এজন আদহীয়া মানুহ ৰমেনৰ ঘৰলৈ আহিছে। মিনতিয়ে সকলোকে চাহ-জলপান খুৱাই বিহুৰ শুভেচ্ছা যাঁচিছে। ব্যস্ততাৰ মাজেৰেই দিনতো পাৰ হৈ সন্ধিয়া নামিছে। গাঁৱৰ দুই-এযোৰা হুঁচৰি চোতালৰ সন্মুখেৰে পাৰ হৈ গৈছে। ৰমেনহঁতো সাজু চোতালৰ দূৱৰি গচকি অহা হুঁচৰি যোৱাক আদৰি আনিবলৈ। ৰমেনে কান্ধত ডাঙৰ ফুলৰ গামোচা এখন লৈ নঙলা মুখত ৰৈ থকা বহু সময় হ'ল। গাঁৱৰ বহু কেইঘৰ মানুহৰ ঘৰত ঢোলৰ গুমগুমনি শুনিছে যদিও নিজৰ ঘৰলৈ এযোৰা হুঁচৰি নহাত ৰমেনৰ বৰ দুখ লাগিছে। চোতালত ৰৈ মিনতি আৰু বিতুলে ৰমেনলৈ চাই চাই এসময়ত ভিতৰলৈ গৈ বিচনাত উঠে।

তেতিয়া সময় প্ৰায় ৯ বাজি পাৰ

হৈছিল। মিনতি আৰু বিতুলৰ মৰহা মনটিক সহ্য কৰিব নোৱাৰি ৰমেনে হুঁচৰি এযোৰাক ঘৰলৈ নিমন্ত্ৰণ জনাবলৈ বুলি ওলাই গ'ল। ডাঙৰ ডাঙৰ Sound Box, ভাড়া কৰি অনা গাড়ী আৰু দৰ্শকৰ সমাগম দেখি ৰমেনে আগবাঢ়ি গ'ল। কি সুন্দৰ প্ৰদৰ্শন। হুঁচৰি নহয় যেন বিহু প্ৰগেম হে চাইছে ৰমেনে। দুয়োখন হাতেৰে সেৱা জনাই অনুৰোধ কৰিলে, ৰমেনৰ ঘৰটো এফাকি বিহু গাই থৈ যাবলৈ।

কিন্তু উত্তৰত তেওঁলোকে ১০,০০০ টকাৰ বৰঙণি বিচৰাত ৰমেনৰ চকু কপালত উঠিল। অলপ সময় আগলৈকে উৎফুল্লিত হৈ থকা মনটো গধুৰ হৈ পৰিল আৰু সেৱা জনাই তাৰ পৰা উভতি আহিল। ঘৰলৈ যোৱাৰ সাহসো হোৱা নাই ৰমেনৰ। লাজ আৰু দুখে ৰমেনক বেৰি ধৰিছিল। ঘৰত মিনতি আৰু বিতুলে হুঁচৰি এযোৰা নহাৰ কাৰণ সুধিলে কি উত্তৰ দিব সি। মিনতিক বাৰু বুজাব পাৰিব সি কিন্তু বিতুলক কেনেকৈ বুজাব।

নঙলা মুখতে ৰৈ বহুকেইটা উত্তৰ সাজি লৈছে ৰমেনে। উদাস মনেৰে ৰমেনে ঘৰৰ নঙলা খুলিব লৈছিল হে মাত্ৰ তেনেতে পিছফালৰ পৰা এজন সৰু লৰাই মাত লগাই।

ঃ অ' খুৰা আমাক হুঁচৰি গাবলৈ দিব।

ৰমেনে উভতি চাই দেখে বিতুলৰ বয়সৰে গাঁৱৰে কণমানিকেইটামান ৰমেনৰ পিছফালেই ৰৈ আছে। ৰমেনে হাঁহি মাৰি আঁঠু কাঢ়ি সেৱা জনাই কয়-

ঃ দিম বোপা, আহ তহঁতি।

অজলা কণমানিকেইটাৰ হুঁচৰি যোৰাক নিজৰ চোতাললৈ আদৰিবলৈ পায় মিনতি আৰু বিতুলো সুখী হ'ল। ৰমেনৰ মনটোৱে খুবেই শান্তি পাইছে দুয়োৰে মুখত এই হাঁহিকণ দেখিবলৈ পায়।

বাপতিসাহোন বিহুটিৰ আজিকালি দাম দৰ চলিবলৈ ল'লে। সেৱা লোৱা মাননি আজি দুখীয়াৰ সপোনৰো বাহিৰত। এয়াই হল আজিৰ বিহু।

*ইফালে মিনতিৰ গাটো ততেই নাই দিনত ঢেঁকীত পিঠাগুৰি খুন্দি ৰাতি এপৰলৈ পিঠা বনোৱাত ব্যস্ত। বিহুৰ বতৰত কিমান আলহী আহে কি ঠিক। এনে সময়ত অন্তত দোকানৰ বস্তুৰে চাহ খুৱাব মন নাযায়। আকৌ ইফালে বিতুল অৰ্থাৎ ৰমেন আৰু মিনতিৰ একমাত্ৰ সন্তানে কান্দি কান্দি এটি ঢেমি ঢোল কিনি দিবলৈ ৰমেনক বাধ্য কৰালে। কিনি অনাৰ দিন ধৰি ৰাতি-দিন কেৱল ঢোল বজোৱাত ব্যস্ত। আনন্দৰ মাজেৰে ৰমেন, মিনতি আৰু তেওঁলোকৰ একমাত্ৰ সন্তান বিতুলে বিহুটিক আদৰাত উঠি পৰি লাগিছে।*

## মহৎ লোকৰ বাণী

অতীতৰ নিচিনাকৈ ভৱিষ্যতটোৱেও বৰ্তমানক প্ৰভাৱিত কৰে।

**— ফ্ৰিজেডৰিখ নীতসে।**

পাপেৰে কিছু লোকৰ উন্নতি হয়। আন বহুতৰ ভাল কামেৰেও পনত ঘটে।

**— শ্বেক্সপীয়েৰ।**

তুমি যেন জীৱনৰ প্ৰতিটো দিনেই পৰিপূৰ্ণভাৱে জীৱাই থকা, এয়ে মোৰ প্ৰাৰ্থনা।

**— জনাথন ছুইফট।**

জ্ঞানী মানুহে আনৰ ভুলৰ পৰা শিকে; মুৰ্খই শিকে নিজৰ ভুলৰ পৰা।

**— এইচ . জি . ৱন।**

*উচ্চ শিক্ষাৰ বাবে দুয়োজনী বান্ধৱী সাজু হ'ল। ময়ূৰীৰ সপোন- এদিন আই.পি.এছ. (IPS) অফিচাৰ হোৱাৰ। নিহাৰিকাই সেই সপোনত আকৌ সাৰ-পানী দিলে। দুই বান্ধৱীয়ে মিলি গুৱাহাটীত কোচিং ল'লে আৰু ইউ.পি.এছ.চি. (UPSC) পৰীক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিলে। ময়ূৰীয়ে টিউচন কৰি নিজৰ খৰচ উলিয়াই ৰাতি দুপৰলৈ পঢ়া-শুনা চলাই গ'ল।*

কলেজ কেম্পাছৰ নাহৰ জোপাৰ তলত ময়ূৰীয়ে আঁঠুত মূৰটো গুজি কান্দি আছে। তাই অসমীয়া বিভাগৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী; আগৰ দুটা ষাণ্মাসিকত শ্ৰেণীটোৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাই 'টপাৰ' হিচাপে পৰিচয় দিছে। শান্ত-শিষ্ট ময়ূৰীৰ এনেকৈ মাজমজিয়াত কান্দি থকা দৃশ্যটো দেখি নিহাৰিকাই চাই থাকিব নোৱাৰিলে। ওচৰলৈ আহি সুধিলে- "ময়ূৰী, কিয় কান্দিছা? সকলোৱে তোমাক চাইছে, অলপ পানী খাই লোৱা।"

ময়ূৰীয়ে মূৰটো দাঙি নিহাৰিকাৰ হাতৰ পৰা পানীৰ বটলটো ল'লে। উচুপিবলৈ ধৰি তাই ক'লে- "মই আৰু আজিৰ পৰা কলেজলৈ আহিব নোৱাৰোঁ।"

নিহাৰিকা আচৰিত হৈ ক'লে- "কিয়?"

"মোৰ দেউতা যোৱা মাহত ঢুকাল। মায়ে অকলে ঘৰখন চলাইছে। ভাইটিৰ এইবাৰ



<u>এক মিনিটৰ গল্প</u>

# বন্ধুত্ব

—অনিন্দিতা কলিতা

মেট্রিক। মায়ে মোক পঢ়া বাদ দিবলৈ কোৱা নাই যদিও মই উপায়হীন হৈছোঁ।”

“তাৰমানে তুমি ঘৰত বহি থাকিবা?”

“নহয়, সৰু ল'ৰা-ছোৱালীক পঢ়াই মাক সহায় কৰিম বুলি ভাবিছোঁ। কিন্তু ক্লাছত উপস্থিত নাথাকিলে পৰীক্ষা কেনেকৈ দিম?”

নিহাৰিকাই কিবা এটা ভাবি উৎসাহেৰে ক'লে- “একো নহয়, মই গৈ নোটছবোৰ দি থৈ আহিম। যিকোনো খবৰ থাকিলে জনাম, তুমি মাথোঁ পঢ়াত মনোযোগ দিয়া।”

ময়ূৰীয়ে কুণ্ঠাবোধ কৰি সুধিলে-

“কিন্তু এডমিছন ফ্ৰী আৰু ফৰ্ম-ফিলাপৰ টকাটো?”

“সেইবোৰ লৈ তুমি চিন্তা নকৰিবা। মই আছোঁ নহয়! তুমি মাথোঁ পঢ়া।”

ময়ূৰীৰ চলচলীয়া চকুত যেন আশাৰ ৰামধেনু বিৰিঙিল। তাই বিশ্বাস কৰিব পৰা নাছিল যে কোনোবাই ইমান নিস্বাৰ্থভাৱে সহায় কৰিব পাৰে! তাই কৃতজ্ঞতাৰে সুধিলে- “পিছে তুমি মোৰ নামটো জানানে?”

নিহাৰিকাই হাঁহি এটা মাৰি ক'লে, “টপাৰ নহয়! মোৰ দৰে গাধজনীক কেনেকৈ চিনি পাবা? মই নিহাৰিকা কলিতা, তোমালোকৰ পিছৰখন গাঁৱৰ।”

ময়ূৰীয়ে লাজ পাই ক'লে, “চৰি, দেখিছোঁ নামঘৰত, কিন্তু নামটো জনা নাছিলোঁ।”

“যদি বন্ধুত্ব কৰা, তেন্তে মাফ কৰি দিম।”

“তোমাৰ দৰে বান্ধৱী পাবলৈ ভাগ্য লাগিব নিহা!”

“ইস... একেবাৰে! মন দি পঢ়িবা দেই।”

তাৰ পাছৰ পৰা নিহাৰিকাই ময়ূৰীক নোটছবোৰ যোগান ধৰিবলৈ ধৰিলে। ময়ূৰীয়েও অতি কষ্ট কৰি পঢ়ি তিনিটা বছৰ শেষ কৰিলে আৰু কলেজৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লৈ স্নাতক ডিগ্ৰী লাভ কৰিলে। কলেজৰ বিদায় পৰত তাই সকলোৰে আগত নিহাৰিকাৰ প্ৰতি কৃতজ্ঞতা জনালে।

উচ্চ শিক্ষাৰ বাবে দুয়োজনী বান্ধৱী সাজু হ'ল। ময়ূৰীৰ সপোন- এদিন আই.পি.এছ. (IPS) অফিচাৰ হোৱাৰ। নিহাৰিকাই সেই সপোনত আকৌ সাৰ-পানী দিলে। দুই বান্ধৱীয়ে মিলি গুৱাহাটীত কোচিং ল'লে আৰু ইউ.পি.এছ.চি. (UPSC) পৰীক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিলে। ময়ূৰীয়ে টিউচন কৰি নিজৰ খৰচ উলিয়াই ৰাতি দুপৰলৈ পঢ়া-শুনা চলাই গ'ল।

অৱশেষত পাঁচ বছৰীয়া সংগ্ৰামৰ অন্ত পৰিল। নিহাৰিকাৰ ভৰসা আৰু ময়ূৰীৰ একাগ্ৰতাৰ বলত আজি দুয়োজনী বান্ধৱী প্ৰশাসনিক উচ্চ বিষয়াৰ ট্ৰেইনিং শেষ কৰি গৌৰৱেৰে ঘৰলৈ উভতিছে। ময়ূৰীয়ে উপলব্ধি কৰিলে- জীৱনত এজনী নিহাৰিকাৰ দৰে বান্ধৱী সঁচাকৈয়ে প্ৰয়োজন।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

# এটা অৰ্ধমৃত তৰাৰ কাহিনী

— জ্ঞানশ্ৰী শইকীয়া

আই.চি.ইউৰ সন্মুখত লিখি থোৱা নিৰ্দেশনা অনুসৰি মই এপ্ৰ'ন এটা গাত সোমোৱাই ল'লোঁ। ৰেকত থকা এযোৰ চেণ্ডেল পিন্ধি ভিতৰলৈ সোমাই গ'লোঁ। শাৰী শাৰী ৰোগীৰ মাজত মানুক বিচাৰি উলিওৱাৰ চিন্তাই তাইক দেখাৰ আগতেই মোক কঁপাই তুলিলে। মানুৰ অৰ্ধনিমীলিত দৃষ্টি তেতিয়া চিলিঙত নিবদ্ধ। অজস্ৰ লিড ৱায়াৰ, নেজেল পাইপ আৰু কেথেট'ৰ লৈ মানু নিঃসাৰে পৰি আছে। মোৰ চকুহাল উপচি উঠিল। মচি লৈ দেখিলোঁ- তাইৰ চকুৰ কোণতো এটোপাল পানী। সেই ভাবলেশহীন চাৱনিটোক বেছি পৰ চাই থাকিব নোৱাৰি মই চকু ঘূৰাই আনিলোঁ। ৰি-ৰিকৈ বাজি থকা মনিটৰৰ সেউজীয়া গ্ৰাফকেইডালত যেন ওলমি আছে জীৱনৰ শেষ সত্য।

হঠাৎ বিচনাখন থকথকাই কঁপি উঠিল। মানুৰ শৰীৰত প্ৰচণ্ড কঁপনি! এগৰাকী নাৰ্ছে মোক থেলা মাৰি আঁতৰাই পঠিয়ালে আৰু ৱাৰ্ডবয়জনে মোক বাহিৰলৈ টানি লৈ আহিল।

আই.চি.ইউৰ সন্মুখৰ ষ্টীলৰ বেঞ্চখনত মই ধপকৈ বহি পৰিলোঁ। চিন্তাশক্তি লোপ পোৱাৰ উপক্ৰম হ'ল। আজি মানুৰ কেইবাবাৰো চেইজাৰ আহিছে। মূৰটো আঁঠুৰ মাজত গুজি মই নিশ্চল হৈ ৰ'লোঁ। চৌপাশৰ কোলাহলবোৰ খহি পৰিল আৰু মোক লৈ গ'ল দূৰৈৰ কোনো এক সান্ধ্যবেলাৰ স্মৃতিৰ মাজলৈ। ৰিনি ৰিনি ভাঁহি আহিল ধূপ-ধূনাৰ গোন্ধ আৰু কাকূতি ঘোষাৰ সুৰ- "কিমতে ভকতি কৰিবো তোমাৰ হৰি এ...।"



মনত পৰিল- সেইদিনা ধূপ-ধূনাৰ ধোঁৱাত মই বিৰক্ত হৈ দুৱাৰখন ধামকৈ জপাই দিছিলোঁ। বিলাসী বাৰৰ মদৰ গোন্ধত অভ্যস্ত মোৰ নাসিকাগ্ৰন্থিত পবিত্ৰ ধূপৰ গোন্ধ আখজা লাগিছিল। মানু আছিল এগৰাকী শিক্ষয়িত্ৰী, মোৰ পত্নী। তাইৰ আৰু মোৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছিল। মোৰ হাই-প্ৰফাইল সমাজত তাইৰ পৰিচয় দিবলৈ মই লাজ পাইছিলোঁ।

আৰু এতিয়া? এতিয়া মই দিনে-নিশাই ভগৱানক খাটিছোঁ- মানু সুস্থ হ'ব লাগে। কিন্তু

*মানুৰ অৰ্ধনিমীলিত দৃষ্টি তেতিয়া চিলিঙত নিবদ্ধ। অজস্ৰ লিড ৱায়াৰ, নেজেল পাইপ আৰু কেথেটৰ'ৰ লৈ মানু নিঃসাৰে পৰি আছে। মোৰ চকুহাল উপচি উঠিল। মচি লৈ দেখিলোঁ- তাইৰ চকুৰ কোণতো এটোপাল পানী। সেই ভাবলেশহীন চাৱনিটোক বেছি পৰ চাই থাকিব নোৱাৰি মই চকু ঘূৰাই আনিলোঁ। ৰি-ৰিকৈ বাজি থকা মনিটৰৰ সেউজীয়া গ্ৰাফকেইডালত যেন ওলমি আছে জীৱনৰ শেষ সত্য।*

তাইক বচাবলৈ মোক লাগে বৃহৎ অংকৰ ধন। মোৰ সকলো শেষ হৈছে। আশ্ৰাফুলক ফোন কৰিলোঁ, যাৰ সৈতে মই অনলাইন বেটিং আৰু জুৱাৰ আন্ধাৰ জগতত ভৰি দিছিলোঁ। সিপাৰে আশ্ৰাফুলে সহায়ৰ সলনি মোৰ সৈতে হোৱা পুৰণি হিচাপৰ কথা উলিয়ালে। মোৰ সপোনৰ সু-উচ্চ সৌধবোৰ জৌজৌকৈ খহি পৰিল।

মনত পৰিল- আই.পি.এলৰ জুৱাৰ নিচাত মই কেনেকৈ উন্মাদ হৈছিলোঁ। এদিন পুলিচৰ ৰেডত মোৰ সকলো সম্পদ ওলাই গ'ল। হোটেল, ৰিজৰ্ট আদি সকলো হস্তান্তৰ হ'ল। মই হৈ পৰিলোঁ পদপথৰ ভিক্ষাৰী। যি মানুক মই এদিন ডিভ'ৰ্চ পেপাৰ মুখলৈ দলিয়াই দিছিলোঁ, যি সোণমানুক মই আওকাণ কৰিছিলোঁ, আজি তেওঁলোকেই মোৰ একমাত্ৰ আশ্ৰয়।

পইচাৰ চিন্তাত দিশহাৰা হৈ থকাৰ সময়তে মানুৰ এগৰাকী সহকৰ্মীয়ে আহি তাইৰ 'হেল্‌থ ইন্সিউৰেন্স'ৰ কথা মনত পেলাই দিলে। মই লৰালৰিকৈ ঘৰলৈ দৌৰিলোঁ। সোণমানুৱে আলমাৰিৰ পৰা মানুৰ ডকুমেণ্টৰ ফাইলটো উলিয়াই দিলে। সি এটা ৰঙা ফাইল মোলৈ আগবঢ়াই দিলে। তাৰ চকুৰ পানীখিনি দেখি মোৰ কলিজা কঁপি উঠিল। দেখিলোঁ- ডিভ'ৰ্চ পেপাৰখনত মানুৰ চহী কৰা ঠাইডোখৰ খালী আছিল। তাই মোক ইমান ঘৃণাৰ পাছতো মুক্তি দিয়া নাছিল।

মই হুকহুকাই কান্দি উঠিলোঁ। মাত্ৰ চৈধ্য বছৰীয়া সোণমানুৱে মোৰ মূৰত হাত থৈ ক'লে- "নাকান্দিবা দেতা, সব ঠিক হ'ব। প্ৰাৰ্থনা কৰা।"

সাঁজ লাগিল। মহানগৰীৰ বিজুলী বাতিৰ পোহৰৰ মাজতো মোৰ মনৰ এচুকত টিমিককৈ জ্বলি উঠিল এটা অৰ্ধ মৃত তৰা। অযুত প্ৰাৰ্থনা বুকুত বান্ধি, সোণমানুৰ হাতত ধৰি মই মানুৰ কাষলৈ আগবাঢ়িলোঁ।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অন্যান্য শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্‌ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

এক মিনিটৰ গল্প



# নিশাৰ বুকুত নৱ-বুলবুলিৰ উমাল সপোন

— পৱন কামান

সন্ধিয়াৰ লগে লগে পৃথিৱীখন যেন শান্ত হৈ পৰিল। দিনটোৰ উকমুকনিৰ অন্তত নৱ বিছনাত বাগৰি পৰিল। বাহিৰত নিয়ৰসনা চেঁচা বতাহ এজাক বলিছিল; তাৰ মনটো আছিল প্ৰশান্ত, অথচ অলপ উদাস। মনত মাথোঁ এটা নাম- বুলবুলি। তাৰ প্ৰেয়সী।

বুলবুলি এতিয়া তাৰ পৰা হাজাৰ মাইল দূৰৰ এখন অচিন চহৰত। কিন্তু দূৰত্বই সিহঁতৰ প্ৰেমক ম্লান কৰিব পৰা নাই। নৱই দীঘলীয়াকৈ উশাহ এটা লৈ চকু দুটা মুদি দিলে। অলপ সময়ৰ পিছতে সি টোপনিৰ কোলাত ঢলি পৰিল আৰু তাৰ চেতনাই ভুমুকি মাৰিলে এক ৰহস্যময় পৃথিৱীত- সপোনৰ জগতত।

নৱই দেখিলে- সি এখন বিশাল সেউজীয়া পথাৰৰ মাজত থিয় হৈ আছে। পথাৰখনত অজস্ৰ বনৰীয়া ফুল ফুলি আছে আৰু এক মৃদু সুবাসে চৌদিশ আমোলমোলাইছে। ঠিক তেনেতে তাৰ সন্মুখত দেখা দিলে বুলবুলিয়ে। তাইৰ মুখত সেই চিৰপৰিচিত মিঠা হাঁহিটো। ৰঙা ৰঙৰ কুৰ্তী আৰু কজলা বৰণীয়া দোপাট্টাখন বতাহত উৰি আছিল। নৱৰ বুকুত এটা মিঠা অনুভূতিয়ে দোলা দিলে।

ঃ নৱ!" -বুলবুলিয়ে মাত লগালে। মাতটো ইমান মৰমলগা যে নৱৰ মন গ'ল চিৰদিনৰ বাবে সেই মাতটোকে শুনি থাকিবলৈ। নৱই তাইৰ ওচৰলৈ গৈ তাইৰ হাতখন লাহেকৈ নিজৰ হাতত তুলি ল'লে।

ঃ বুলবুলি, তুমি ইয়াত! মই জানিছিলোঁ তুমি সদায় মোৰ ওচৰতেই আছা।

*সিহঁত দুয়ো হাতত ধৰাধৰিকৈ সেই পথাৰখনৰ মাজেৰে খোজ কাঢ়িবলৈ ধৰিলে। সিহঁতে কথা পাতিলে প্ৰথম লগ পোৱাৰ দিনবোৰৰ, প্ৰথম প্ৰেমৰ স্বীকাৰোক্তিৰ আৰু ইজনে সিজনক কিমান বেছি ভাল পায় সেইবোৰৰ। নৱই ক'লৈ- "তোমাৰ হাঁহিটো মোৰ বাবে পৃথিৱীৰ আটাইতকৈ ডাঙৰ সুখ বুলবুলি।"*

ঃ মই সদায় তোমাৰ হৃদয়ত আছোঁ নৰ। দূৰত্ব কেৱল শৰীৰৰ বাবেহে।

সিহঁত দুয়ো হাতত ধৰাধৰিকৈ সেই পথাৰখনৰ মাজেৰে খোজ কাঢ়িবলৈ ধৰিলে। সিহঁতে কথা পাতিলে প্ৰথম লগ পোৱাৰ দিনবোৰৰ, প্ৰথম প্ৰেমৰ স্বীকাৰোক্তিৰ আৰু ইজনে সিজনক কিমান বেছি ভাল পায় সেইবোৰৰ। নৰই ক'লে- "তোমাৰ হাঁহিটো মোৰ বাবে পৃথিৱীৰ আটাইতকৈ ডাঙৰ সুখ বুলবুলি।"

তাৰ পিছত সিহঁতে ভৱিষ্যতৰ কথা পাতিলে। কেনেকৈ সকলো দুখ-সুখত ইজনে সিজনক সাহস যোগাব- সেই প্ৰতিশ্ৰুতি দিলে। বুলবুলিয়ে ক'লে- "আমি একেলগে সকলো বাধা পাৰ কৰিম নৰ। আমাৰ সপোনবোৰ বাস্তৱ হ'বই।"

হঠাৎ বুলবুলিয়ে নৰৰ হাতখন নিজৰ গালত গুজি মৰম এটা দিলে। সেই উষ্ণ স্পৰ্শ নৰৰ বাবে যেন জীৱনৰ আটাইতকৈ ডাঙৰ শান্তি। সি অনুভৱ কৰিলে- প্ৰেয়সীৰ মৰমে তাক কিমান শক্তি যোগায়। সিহঁত দুয়ো এক নিস্তব্ধতাত পৰস্পৰৰ চকুলৈ চাই ৰ'ল। সপোনৰ সেই ক্ষণবোৰ আছিল বৰ শান্তিময় আৰু চিৰন্তন।

লাহে লাহে সপোনটো পাতল হৈ আহিল। পূব আকাশত পোহৰৰ ৰেঙনি পৰাৰ লগে লগে নৰৰ টোপনি ভাগিল। সি চকু মেলি চালে। কোঠাটোত পোহৰ পৰিছে, কিন্তু বুলবুলি নাই। পথাৰখন নাই, বনৰীয়া ফুলবোৰ নাই আৰু তাইৰ সেই উষ্ণ স্পৰ্শও নাই। কিন্তু মনটো তেতিয়াও এক মিঠা আৱেশত ডুব গৈ আছিল। তাৰ ওঁঠত এটা লাজুকীয়া হাঁহি বিৰিঙিল।

সাৰ পাই উঠি নৰই বিছনাখনত কিছু সময় বহি থাকিল। সি সপোনত প্ৰেয়সীৰ সৈতে পাৰ কৰা মধুৰ ক্ষণবোৰ সুঁৱৰিলে। বুলবুলিৰ মাত, তাইৰ হাঁহি, তাইৰ মৰম- সকলোবোৰ তাৰ মনত সজীৱ হৈ আছিল। 'আঃ... কিমান যে সঁচা আছিল সেই সপোনটো...' -সি গুণগুণালে।

যদিও বুলবুলি দূৰত, সি জানে যে সিহঁতৰ প্ৰেমৰ এনাজৰীডাল ইমানেই মজবুত যে সপোনেও সেই এনাজৰীডালক বাস্তৱলৈ টানি আনে। নৰই ফোনটো হাতত লৈ বুলবুলিলৈ এটা মেছেজ লিখিলে-

"কালি ৰাতি সপোনত তোমাক লগ পাইছিলোঁ। তোমাৰ হাঁহিটো দেখি মোৰ দিনটো আৰম্ভ হ'ল। তোমাক বৰ ভাল পাওঁ।"

সি হাঁহি এটা মাৰি বিছনাৰ পৰা উঠিল। সপোনৰ সেই মধুৰ স্মৃতিয়ে তাক দিনটোৰ বাবে এক নতুন শক্তি আৰু প্ৰেৰণা দিলে। সি নিশ্চিত-বুলবুলি দূৰত থাকিলেও তেওঁলোকৰ প্ৰেম সদায় এক হৈ থাকিব, সপোনত আৰু বাস্তৱত।

# সাঁথৰ

১) দিনে ৰাতি ঘূৰি থাকে চাবি নিদিলে ভাগৰি পৰে। **উত্তৰ ঃ ঘড়ী।**
২) শোষক বীৰৰ ভাই, মূৰ দুপিয়াই তেজ খাই। **উত্তৰ ঃ তেজপিয়া।**
৩) তুলা হেন ভাঁহে শিল হেন তল পৰে। **উত্তৰ ঃ ভেকুলী।**
৪) পেট আছে পেটু নাই, মুখ আছে জিভা নাই। **উত্তৰ ঃ কলহ।**
৫) বাঘ হেন জঁপিয়াই , কুকুৰহেন বহে। **উত্তৰ ঃ ভেকুলী।**

নিখোজ!

এই যে হেৰাল, তাৰ পাছত আৰু কোনেও তেওঁক বিচাৰিয়েই নাপালে। এনেকৈয়ো মানুহ হেৰায়নে? বতাহত মিলি গ'ল নে কোনোবাই লুকুৰাই ৰাখিলে, নে নিজেই আত্মগোপন কৰিলে! কিন্তু কি কাৰণত? হেৰাবলৈ তেওঁতো কোনো জড় বস্তু নাছিল; তেওঁ আছিল প্ৰেম...।

তাই বহুত বিচাৰিলে। প্ৰতি নিশা উজাগৰে থাকি হৃদয়ৰ বিজ্ঞাপনত চকুলো টুকি শিতানৰ গাৰু তিয়ালে। এটাই বিশ্বাস- তেওঁ ঘূৰি আহিবই! ফুল এপাহ ছিঙিলেও বুকুত দুখ অনুভৱ কৰা এজনী কোমলমনা ছোৱালীক ভগৱানে ইমান কঠোৰ শাস্তি দিবনে?

কিন্তু দিলে! ভগৱানে তাইকো শাস্তি দিবলৈ কুণ্ঠাবোধ নকৰিলে। মানুহে কৈছিল- "এয়া তাইৰ পূৰ্বজন্মৰ পাপৰ ফল, এই জন্মত ভোগ কৰিছে।" মানুহবোৰৰ নিৰ্দয় কথাত তাই ভীষণ আঘাত পাইছিল; পৰিয়ালৰ মানুহৰ আঁৰত নিৰলে বিষাদৰ চকুলো টুকিছিল। তথাপিও নিৰাশাৰ ঘন ক'লা ছাঁই তাইৰ মন-মগজু গ্ৰাস কৰিব পৰা নাছিল। তাইৰ অটল বিশ্বাস আছিল- তেওঁ ঘূৰি আহিবই।

হেৰুৱা নাছিল তেওঁ, পথভ্ৰষ্টহে হৈছিল। সংকটৰ সময়ত চকুৰ আগত দেখা নিদিলেও আকাশবাণীৰ জৰিয়তে তেওঁ এটি সংবাদ প্ৰেৰণ কৰিছিল তাইলৈ-



এক মিনিটৰ গল্প

## মোৰ হৃদয়ত
## নীৰৱে বৈ থকা
## এখনি নদী,
## যাৰ নাম তুমি...

— মণিজ্যোতি বৰগোহাঁই

'কুশলে থাকিবা সোণ, পৃথিৱীৰ অসুখ।'

কিন্তু কেৱল এযাৰি কথাই জানো বিৰহী মনৰ পিয়াহ গুচাব পাৰে? তাই তেওঁক দুচকুৰ আগত চাব বিচাৰিছিল; এবাৰ কঁপা কঁপা দুহাতেৰে তেওঁৰ শৰীৰ স্পৰ্শ কৰিব বিচাৰিছিল। বিচাৰিছিল অলপ মৰম আৰু অলপ আৱেগভৰা অভিমান। কিন্তু তেওঁ যে আছিল অদৃশ্য...।

আজি বহু বছৰৰ মূৰত তেওঁ ঘূৰি আহিছে। আহিয়েই বতাহত নিজৰ উপস্থিতি তাইক অনুভৱ কৰিবলৈ দিছে। লগত লৈ আহিছে জেঠৰ পকা তামোলৰ আলসুৱা সপোন-যিটো মন গ'লেই সৰি পৰিব ঠিক ব'হাগৰ বৰষুণজাকৰ দৰে! এজাৰৰ বেঙুনীয়া বেজাৰত দুখৰ অনুৰণন, কৃষ্ণচূড়াৰ তেজৰঙা ৰঙেৰে হৃদয় বিদীৰ্ণ কৰি সোণাৰুৰ হালধীয়াৰে প্ৰেমৰ পোখা মেলিবলৈ তেওঁ আজি সাজু।

তেওঁ ক'লে- তাই হেনো আকৌ তেওঁৰ হ'ব লাগে। তাইৰ অবিহনে তেওঁৰ জীৱন বিফল; তেওঁৰ সিৰায়-সিৰায় হেনো কেৱল তাইৰে প্ৰতিচ্ছবি...।

নিকপকপীয়াকৈ বান্ধি থোৱা তাইৰ অভিমানৰ টোপোলাটো নীৰৱে খোল খালে। উমাল বুকুৰ পৰশত তাই চকুলোৰে সকলো বেদনা উটুৱাই দিলে। দুটি মন আজি এক হৈ ভৱিষ্যতৰ সপোন দেখিছে। আৰু সি কাগজৰ নাও এখন সাজি সেই চকুলোৰ নৈত উটুৱাই দিবলৈ সাজু হৈছে...।

প্ৰেম চাগে এনেকুৱাই!

*কিন্তু দিলে! ভগৱানে তাইকো শাস্তি দিবলৈ কুণ্ঠাবোধ নকৰিলে। মানুহে কৈছিল- "এয়া তাইৰ পূৰ্বজন্মৰ পাপৰ ফল, এই জন্মত ভোগ কৰিছে।" মানুহবোৰৰ নিৰ্দয় কথাত তাই ভীষণ আঘাত পাইছিল; পৰিয়ালৰ মানুহৰ আঁৰত নিৰলে বিষাদৰ চকুলো টুকিছিল। তথাপিও নিৰাশাৰ ঘন ক'লা ছাঁই তাইৰ মন-মগজু গ্ৰাস কৰিব পৰা নাছিল। তাইৰ অটল বিশ্বাস আছিল- তেওঁ ঘূৰি আহিবই।*


ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অসমীয়া মাহেকীয়া আলোচনী

'অসমীয়া বৰ্ণিল'ৰ তৰফৰ পৰা

ৰঙালী বিহুৰ উপলক্ষে

সদৌ অসম ভিত্তিত

# কবিতা প্ৰতিযোগিতা

**নিয়মাৱলী**

- প্ৰতিযোগীসকলে প্ৰতিযোগিতালৈ কেৱল এটাকৈহে কবিতা প্ৰেৰণ কৰিব পাৰিব।
- প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা কবিতা অন্য কাকত বা আলোচনীত প্ৰকাশিত হোৱা হ'ব নালাগিব।
- প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান নিৰ্বাচিত কৰা হ'ব।
- প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা কবিতা শিৰোনামৰ ওপৰত প্ৰতিযোগিতালৈ বুলি লিখি প্ৰেৰণ কৰিব লাগিব।
- কবিতাৰ লগত কবিৰ সম্পূৰ্ণ নাম, ঠিকনা, ফোন নম্বৰসহ একপি ফটো আমালৈ প্ৰেৰণ কৰাটো বাধ্যতামূলক।
- স্থানপ্ৰাপ্ত প্ৰতিযোগীক অসমীয়া বৰ্ণিলৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত স্মাৰক আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব।
- বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত।

কবিতা প্ৰেৰণৰ অন্তিম তাৰিখ ঃ ১৮ এপ্ৰিল, ২০২৬

আমাৰ ঠিকনা

অসমীয়া বৰ্ণিল

৮৬৩৮৮ ২৫৪৮৬

bornilmagazine2019@gmail.com

bornilmagazine2019@gmail.com Axomiyabornil

# প্ৰতিশ্ৰুতি

— গায়ত্ৰী শৰ্মা

এপযেকীয়া ছুটীত ঘৰলৈ অহা বিনয়ৰ ছুটী শেষ হ'বলৈ এসপ্তাহ থাকোঁতেই উভতি যাবলগীয়া হোৱাত তাৰ মনটো সেমেকি উঠিল। নগ'লেও নহয়; অফিচাৰৰ ফোনৰ উপৰি ফোন আহিছে- সীমান্তৰ পৰিস্থিতি অতি উত্তপ্ত। ব'হাগৰ বিহুটোও শান্তিৰে গাঁওখনত ফুৰিবলৈ নাপালে সি। মাক মালতীয়ে বনাই দিয়া পিঠা, লাৰুকেইটা আৰু তাৰ বাবে হেঁপাহেৰে বোৱা ফুলাম গামোচাখন সামৰি বেগত ভৰাই সি সাজু হ'ল।

দুচকুৰে বৈ অহা তপত চকুলো লুকুৱাই বিনয়ে মাকৰ ভৰিত ধৰি সেৱা ল'লে।

"আকৌ কেতিয়া আহিবি?'- সুধিব খুজিও মাক মালতী কিবা এটা ভাবি থমকি ৰ'ল। একো নোসোধাকৈয়ে মালতীয়ে চকুলো মোহাৰি পুতেকক বুকুৰ মাজত সাবটি ধৰি 'ভালে-কুশলে থাকিবি' বুলি আশীৰ্বাদ দিলে। বিনয়ে মাকক সান্ত্বনা দি ক'লে, "ভালকৈ থাকিবি মা, নিজৰ যত্ন ল'বি। মই সোনকালেই আহিম, কথা দিলোঁ।"

বিনয় গৈ নেদেখা হোৱালৈকে মালতীয়ে আলিবাটলৈ একেথিৰে চাই ৰ'ল। তাৰপিছত বিৰবিৰাই নিজক কোৱাৰ দৰেই ক'লে, "তোৰ দেউতাৰেও এদিন মোক এনেকৈয়ে উভতি অহাৰ কথা দিছিল, কিন্তু...!"

# প্ৰমাণহীন হত্যা

— ৰফিক উদ্দিন

নগেন্দ্ৰ যমুন্দ্ৰভেলীৰ সেনাপতি। মানুহৰ আশা আছিল- সমাজ পৰিৱৰ্তন হ'ব, জাতিৰ উন্নয়ন হ'ব। কিন্তু হিতে বিপৰীতহে হ'ল; উন্নয়ন আৰু পৰিৱৰ্তন হ'ল কেৱল নগেন্দ্ৰৰ। বিধৱা, দৰিদ্ৰ আৰু অসহায় মানুহৰ ভূমি বেদখল তথা ব্যৱসায় দখল কৰাটো নগেন্দ্ৰৰ এটা পেচা আৰু নিচাত পৰিণত হ'ল। ফলস্বৰূপে, অনেক মানুহ আৰ্থিক অনাটন আৰু সৰ্বস্ব হেৰুওৱাৰ বেদনাত মৃত্যুমুখত পৰিল।

কেৱল ট্ৰিগাৰ টিপিলেই যে হত্যা কৰা হয়, তেনে নহয়। কোনো প্ৰমাণ নথকাকৈয়ে নগেন্দ্ৰৰ দৰে অগণন মুখাধাৰীয়ে নিতৌ মানৱতাক হত্যা কৰি আছে ধৰিত্ৰীৰ বুকুত।

# অন্ধকাৰ

— অংশুমান ভূঞা

"মোৰ বাবে এয়া বাঁওহাতৰ খেল!" পৰম উৎসাহেৰে সি পৰৱৰ্তী হত্যাকাণ্ডটোৰ ডেম' দেখুৱাবলৈ বুলি গাড়ীখনত উঠিল।

গাড়ীৰ ব্ৰেকফেইল কৰাৰ বিশেষ কৌশলটো এদিন সিয়েই মোক শিকাইছিল।

সি গাড়ীখন লৈ আগবাঢ়িল। এবাৰ ওপৰৰ পৰা গভীৰ গৰাটোলৈ চাই মই কুটিল হাঁহি এটা মাৰিলোঁ। বহুদিনলৈ এজনকে 'সৌঁহাত' কৰি ৰখাৰ অভ্যাস মোৰো নাই।

# আৱৰণ

— জিমলী শইকীয়া

ঘৰৰ পুখুৰীৰ ভালৰো ভাল মাছটো চাৰি কিলোমিটাৰ নিলগৰ ভনীয়েকৰ ঘৰত সাউৎকৈ দিবলৈ অহা ককায়েকলৈ ভ্ৰূক্ষেপ নকৰি মুখত হালধিৰ প্ৰলেপ লগাই থকা দেখি ভনীয়েকক জোকালে- 'ফেঁচি, এইবোৰ সানিবলৈ হ'বলা এৰাই নাই?"

জোৰ কৰি দিয়া চাহকণ খায়েই ককায়েকটো যাওঁতে তাইৰ বুকুখন গধুৰ হৈ পৰিল। মুখখন ধুই দাপোণত চাই দেখিলে- গালত বহি ৰোৱা আঙুলিৰ দাগটো হালধিয়ে অৱশ্যে বহুখিনি পাতল কৰিলে।

# ৰঙালী

## — ভৰত বৰা

যোৱাটো ৰঙালীৰ আজিৰ তাৰিখটোতে তাই শিৰৰ সেন্দুৰকণ হেৰুৱালে। তাইৰ বাবে ৰঙালী ৰঙৰ নহয়।

'বাইদেউ কালিলৈ পোনাটিক কাপোৰ দুটামান কিনি দিব লাগিব পৰহিলৈ বিহু পইচাকেইটামানো লাগিব আইৰো দৰৱকেইটা শেষ হ'ল।''-মালতীয়ে ঘৰৰ মালিকনীক ক'লে। মালিকনীয়ে কেটেৰাই উত্তৰ দিলে- "যোৱাটো সপ্তাহত দৰমহা দিছোহে, পইচা গছত নালাগে নহয়! লাগ বোলোতে পাবলৈ...। এই সপ্তাহ কিন্তু ছুটী ল'ব নোৱাৰিবি... ঘৰত বহুত কাম।"

"এৰাহ আমাৰ দৰে কঙালী মানুহৰনো কিহৰ ৰঙাল! বজাৰত দৈ-চিৰাৰ আকাশলংঘী দাম! তেখেতে আমাক এৰি যোৱাৰে পৰা কোনোমতে বাইদেউৰ ঘৰতে কাম কৰি চলি আছোঁ, বাইদেউৰ কথা পেলাব নোৱাৰি। ছেঃ পোনাক বুজাবলৈহে বহুত কঠিন হ'ব। মানুহৰ দিন সদায় একে নাযায়!"

'আহিব এদিন এনেকৈয়ো এবাৰ ৰঙালী আহিব। মনবোৰো সকলোফালে ৰঙীন হৈ সুখেৰে চাৰিওফালে ভৰি পৰিব। ভাল দিন আহিব। সন্ধিয়া নামঘৰতে তেৰাৰ চৰণতে চাকি এগছিকে জ্বলাই দিম বছৰেকীয়াৰ নিয়ম একো কৰিব নোৱাৰিলোৰেই নহয়।' মালতীয়ে কথাষাৰ মনতে ভাবি এটা গভীৰ নিশ্বাস পেলালে।

# গৰু বিহু

## — মানসী শৰ্মা

"হেৰৌ, পিছত সেইখন সাৰিবিচোন, আগতে চাহ অকণ দে। কেইবাঘৰলৈ যাব লাগিব, তই ঘৰত নিয়মটো বেগেতে কৰ, দেৰি নকৰিবি।"

"কেইঘৰ হ'ল? ৰেট ফিক্স বুলি ক'লেনে নাই?"

"ক'লোঁ, ক'লোঁ। বগীক ভাল পঘাডাল লগাই দে, পোৱালিটো ঘৰতে বান্ধি থ', তাক নিনো।"

# হেৰুৱা ছবি

## — ৰাখী গগৈ

১২ টা বছৰেই হ'ল সি বিহুটোত ঘৰলৈ নহা। মাকজনীয়ে প্ৰতিটো ব'হাগতে হেঁপাহেৰে বাট চাই ৰয়। ভনীয়েকে শালতে ঠিক কৰা গামোচাখন বাকচতে সামৰি থয়। মুখ খুলি নক'লেও দেউতাকে গৰু বিহুৰ দিনা পদূলিলৈ বাৰে বাৰে চাই ৰয়, কিজানি উকি এটা মাৰি ঘৰ ওলাবহি। গ'ল যি গ'লেই উভটি অহাৰ নামেই নল'লে সি। বোলে সবৰে অধিকাৰৰ হৈ যুঁজ দিবলৈ যায়। আঁকোৰগোঁজ হৈ নিজৰটোতে লাগি থাকিল। তাৰ চকুহালে এতিয়াও বৰকৈ আমনি কৰে অ'। সৰুৰে পৰা একেলগে টিউচন গ'লো, স্কুল-কলেজ অহা-যোৱা কৰিও মনৰ কথাটো ক'ব নোৱাৰিলোঁ। প্ৰতিটো ব'হাগতে তালৈ লিখা চিঠিখন ডাকত দিয়াই নহ'ল। সৌ কাঞ্চনজোপাৰ তলত ৰৈছিলোঁ, ঠিকনা সুধিম বুলি ৰৈ থকাতে থাকিলোঁ। সি যে বাট সলাই কেনি গ'ল আজিও নাজানিলোঁ। সি গুচি যোৱাৰ দিনাও আজিৰ দৰেই পাতলকৈ বৰষুণ পৰিছিল, সেইদিনাও ব'হাগৰ ১ তাৰিখ আছিল।

উদাস মনেৰে তিনিআলিৰ কাঞ্চনজোপালৈ চাই পেহীয়েকে কোৱা কথা কেইষাৰত 'পেহী, তই কিয় বিয়া নহ'লি?' বুলি সদায়ে সোধা প্ৰশ্নৰটোৰ উত্তৰবোৰ ৰীমাই জুকিয়াই চালে...।

# স্নেহ

— পংকজ দাস

বিহু এসপ্তাহৰ আগৰেপৰাই ঘৰখনত বিহু প্ৰস্তুতি চলে। আজি পাঁচটি বসন্ত পাৰ হ'ব হ'ল ঘৰখনত বিহু বুলি একোৰেই আয়োজন নাই।

এইবেলি দেউতাকে মাকৰ দৰেই সকলোৰে বাবে বিহু বজাৰ কৰিলে যদিও নিজলৈ বুলি একোৰেই নানিলে। তাকে দেখি দেউতাকক ছোৱালীজনীয়ে সুধিলে- দেউতা আমালৈ বাৰু বজাৰ কৰিলা তোমালৈ যে একো নানিলা কিয়? হ'ব দে মোৰ বাবে একো নালাগে। মাৰে বোৱা গামোচাখনকে বিহু দিনা মোৰ কান্ধত তুলি দিবি।

# বিহুৰ আদৰণি

— বিজুলতা পায়েং

ৰাংঢালী ৰঙিলী পখিলীজনী হৈ বিহুক আদৰিবলৈ বুলি তাঁতশালৰ পৰা গামোচাকেইখন কাটি উলিয়াই বৰ সুন্দৰকৈ জাপিলে। মাক সৰোজিনীয়ে ম'হৰ দৈ পাঁচ টেকেলি, চিৰা, মুড়ি, আখৈ, গুৰ আদি গাঁৱৰ বজাৰৰ পৰা আনি থৈছে।

ঃ বিহুলৈ আৰু দিন নাই পমিলী! নাৰিকলৰ লাডু, তিলৰ পিঠা আৰু ভিন্ন ৰকমৰ তেলৰ পিঠা আৰু জা-জলপান বনোৱাত মোক সহায় কৰা। অকল খাব জানিলে নহ'ব নহয়, শিকিব লাগিব! ৰঙিলীৰ দৰে তুমিও সকলো জানিব লাগিব।

টেবুলৰ ওপৰত কিতাপখন থৈ চৈধ্য বছৰীয়া পমিলীয়ে মাকক সহায়ক হিচাপে বৰপীৰাখনত বহিল।

# ব'হাগৰ বিহুৱান

— উৰিশ্মা নাথ

গাঁৱৰ হুঁচৰি দলটোৱে সন্ধিয়া নাহৰহঁতৰ চোতালত হুঁচৰি গাই থাকোঁতে হেৰুৱা গুটি ফুলৰ গামোচাখন, মাক পদ্মাই জীয়েকে গোপনে অন্তৰ দি থোৱা চন্দনৰ কান্ধত দেখিলে আৰু হুঁচৰি দলটো ঘৰমুৱা হোৱাত মাকে নাহৰক সুধিলে- "হেৰুৱা গামোচাখন দেখোন সেই কেলেহুৱাটোৰ কান্ধত দেখিলোঁ?' তেতিয়া তাই লাজত ৰঙা-ছিঙা পৰি মাকে শুনা-নুশুনাকৈ কৈ গ'ল- "কি বুজিবা তুমি ব'হাগৰ বিহুৱানৰ মহিমা?"

# সুখ

— অঞ্জলী বৰদলৈ

"ঐ... ব'হাগ সোমালেই বোলে পিতায়ে মোৰ বিয়াৰ কথা পাতিবলৈ যাব। ল'ৰাৰ ঘৰতো বোলে কাৰো আপত্তি নাই ।"

নীৰৱে মুখেৰে একো মাতিব নোৱাৰিলে। মাথোঁ তাৰ অশ্রু বাগৰি আহিল নিৰৱধি হৈ।

"ইমান ভালপাৱ! প্ৰকাশ কিয় নকৰ? তোৰ ঘৰলৈকে যাম... অঁকৰা।"

আকৌ তাৰ চকুপানী ওলাল.. এইবাৰ সুখ প্ৰাপ্তিত।


আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ
**৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ
bornilmagazine2019@gmail.com

# তুমি জানানে

## মূল (হিন্দী) ঃ নিৰ্মলা পুতুল
## ভাবানুবাদ ঃ স্নেহপ্ৰিয়

তুমি জানানে?
পুৰুষৰ পৰা পৃথক এগৰাকী নাৰীৰ একান্ত
ঘৰ, প্ৰেম আৰু জাতিক চেৰাই এগৰাকী নাৰীৰ
নিজাকৈ মাটিৰ বিষয়ে তুমি ক'ব পাৰিবানে?

শতিকা ধৰি নিজৰ ঘৰখনৰ সন্ধানত
ব্যাকুল নাৰীৰ ঘৰৰ ঠিকনা দিব পাৰিবানে?

তুমি জানানে? কল্পনাৰ দলিচাত কিদৰে নাৰীয়ে
একেটা সময়তে স্থাপন আৰু নিৰ্বাসন কৰে নিজক।

তুমি দেখিছানে? সপোনতে দৌৰি থকা নাৰীৰ পম খেদা নাৰী,
কুটুমৰ কুৰুক্ষেত্ৰত আত্মীয়ৰ সৈতে আত্মীয়ৰ যুঁজ।

দেহ-ভূগোলক চেৰাই
নাৰীৰ মনৰ গাঁথি খুলি অন্তৰৰ তপত ইতিহাস
কেতিয়াবা পঢ়ি পাইছানে?
পঢ়িছানে কেতিয়াবা তেওঁৰ মৌনতাৰ চোতালত
বহি শব্দৰ অপেক্ষাত ৰৈ থকা মুখখন।
তেওঁলোকৰ অভ্যন্তৰত বংশৰ বীজ ৰোৱাৰ সময়ত
নিজৰ মাজত অনুভৱ কৰিছানে?
তেওঁলোকৰ বৰ্ধমান শিপাৰ খামোচ।

তুমি জানানে?
এগৰাকী নাৰীৰ সমস্ত সম্পৰ্কৰ ব্যাকৰণ।
তুমি ক'ব পাৰিবানে?
এগৰাকী নাৰীক নাৰীৰ দৃষ্টিৰে চোৱাৰ নাৰীত্বৰ পৰিভাষা।

যদি নাজানা!
তেন্তে তুমি কি জানা?
জুহাল আৰু শোৱাপাটী গণিতৰ ঊৰ্ধ্বত
এগৰাকী নাৰীৰ বিষয়ে।

দেহ-ভূগোলক চেৰাই/নাৰীৰ মনৰ গাঁথি খুলি অন্তৰৰ তপত ইতিহাস/কেতিয়াবা পঢ়ি পাইছানে?/পঢ়িছানে কেতিয়াবা তেওঁৰ মৌনতাৰ চোতালত/বহি শব্দৰ অপেক্ষাত ৰৈ থকা মুখখন।/তেওঁলোকৰ অভ্যন্তৰত বংশৰ বীজ ৰোৱাৰ সময়ত/নিজৰ মাজত অনুভৱ কৰিছানে?/তেওঁলোকৰ বৰ্ধমান শিপাৰ খামোচ।

# ভয়

## মূল ঃ খলিল জিব্ৰান
## ভাবানুবাদ ঃ ননী বৰদলৈ

শুনা কথা
এখন নদী সাগৰত হেৰাই যোৱাৰ আগতে হেনো
ভয়ত কঁপি উঠে

তাই উভতি চায়
এৰি থৈ অহা পথটোলৈ
য'ত আছিল সু-উচ্চ পৰ্বতমালা
অকাই পকাই এৰি থৈ অহা গাওঁ, অৰণ্য
আৰু কত কি!

এতিয়া সন্মুখত
এক বিশাল পাৰাপাৰহীন সাগৰ
খন্তেক পাছতে য'ত হেৰাই যাব লাগিব
চিৰতৰৰ বাবে
তাৰ বাহিৰে তাইৰ আৰু কোনো গত্যন্তৰ নাই
এতিয়া ওলটি যোৱাটোৰেই যে অসম্ভৱ।

আচলতে কোনোৰেই উভতি যাব নোৱাৰে
নিজৰ অস্তিত্বক চেৰাই উভতি যোৱাটো
কেতিয়াও সম্ভৱ নহয়।

বিশাল সাগৰৰ বক্ষত প্ৰৱেশ কৰিবৰ কাৰণে
নিঃশংকভাৱে নদীয়ে এতিয়া
এক চৰম সিদ্ধান্ত লোৱাৰ সময়
কাৰণ সাগৰৰ বক্ষলৈ সোমাই যোৱাৰ পাছতহে
দূৰ হ'ব সমস্ত ভয়,
শংকাৰ দোমোজা,
কাৰণ তেতিয়াহে নদীয়ে বুজি উঠিব
এয়া সময় কেৱল সাগৰৰ বুকুত হেৰাই যোৱাৰেই নহয়,
নিজকে এক বিশাল সাগৰ কৰি গঢ়ি তোলাৰ।


এতিয়া সন্মুখত/এক বিশাল পাৰাপাৰহীন সাগৰ/খন্তেক পাছতে য'ত হেৰাই যাব লাগিব/চিৰতৰৰ বাবে/তাৰ বাহিৰে তাইৰ আৰু কোনো গত্যন্তৰ নাই/এতিয়া ওলটি যোৱাটোৰেই যে অসম্ভৱ।

# অন্যান্য শিতান

# প্ৰাণত ৰং বোলোৱা

# ব'হাগ

— চন্দনা ভাগৱতী



*"অভিমানী কাজলী আকাশ*
*ফাগুনৰ শেষজাক চঞ্চল বতাহ*
*মাদল পিটা মেঘৰ উল্লাস*
*চিকুণ হৈ বৰষাৰ ঢলত*
*ধৰালৈ নামিছে ব'হাগ।"*

বতাহৰ ডেউকাত কাজলী মেঘৰ নৃত্যৰতা ছন্দ। ঋতুৰ চিৰসেউজ আবেদন। মেঘৰ শিপা ফালি নামি আহিছে বৰষুণ। পদূলিয়ে পদূলিয়ে নাহৰে হাঁহিছে। ফুলনিয়ে ফুলনিয়ে তগৰে পাৰিছে শুকুলা চাদৰ। থোপে-গোপে কপৌ-ভাটৌৰে শুৱনি কৰিছে বন বিৰিখৰ শৰীৰ। লাজুকী কুলিজনীৰ ঠোঁটতো ওলমিছে চিৰসেউজীয়া মিঠা বাসন্তী সুৰ। প্ৰকৃতিক সম্ভাষণ জনাই পলাশ, তগৰ, মদাৰ, কেতেকী, চম্পা, শিমলু হৈ পৰে ঋতুমতী। সুগন্ধিত ফল-ফুলে ঋতুমতী বিৰিখক কৰে জাতিষ্কাৰ। কুলি-কেতেকীৰ হিয়া ভগা সুৱদি সুৰীয়া সুৰেও প্ৰকৃতি মোহনীয়া কৰি তোলে। সকলোৰে মিলি যেন অপূৰ্ব শোভাৰে প্ৰকৃতি ৰাণীক সজাই তোলে। তাই যেন এতিয়া এগৰাকী ষোড়শী গাভৰু, চঞ্চলা-চপলা। এই সময়ত তাইৰ গাত যেন বনজুইহে জ্বলিছে। যৌৱনাদীপ্ত, ক্ষণ-অনুক্ষণৰ গৰাকী যি, সি জানো কেনেকৈ পাৰিব নিশ্চুপ, নিষ্প্ৰাণ, তৰংগবিহীন হৈ? সুযোগ সন্ধানী ফাগুনে যেন তাইকো এই সময়তে জোকাই জুৰুলা কৰে। তাইৰ লাজখিনি খৰস্ৰোতা নৈ হৈ বয় যেন হেঙুল হাইতাল হয়।

এয়াই ব'হাগ। পূৰ্ণতাৰ পয়োভৰ বিৰাজ কৰা উখল-মাখল পৃথিৱী। যি ফালেই চকু যায় সেই ফালেই চকু থৰ হোৱা প্ৰাণত অনামী উন্মাদনা জগোৱা ৰাঙলী

ব'হাগ। পলাশ, মদাৰৰ ৰক্তিম পাহিয়ে চুই চোৱা নীৰস নিসৰ্গ মাটিত; পচোৱাই চুমি যোৱা লঙঠা তৃষিত বিৰিখত ব'হাগে সানি দিলে অভিনৱ অনুৰাগ। শ্যামলীমা সাজেৰে জকমকীয়া হৈ পৰিল তৰু-তৃণ, লতা, গুল্ম। শ্যামলীৰ হাত ধৰিয়েইতো ব'হাগ আহে সপোনবোৰ বুকুত বান্ধি। বাসন্তী অনুভৱে দোলা দিয়া হিয়া...। বাসন্তী উলাহত গাত তত নাইকিয়া। বাখৰুৱা ৰ'দৰ বতাহে তাইকো চুই যায়। তাই গীত গায় অনামী সুৰত। আনফালে ব'হাগৰ নাচনী মন অধীৰ উন্মনা। কুলি-কেতেকীৰ সুকোমল কণ্ঠেৰে নিগৰা কুসুম কোমল গীতৰ লহৰত, নাহৰ-তগৰৰ সুকোমল সুবাসত, ন-কুঁহিপাতৰ নাচোনৰ মূৰ্ছনাত ব'হাগী ৰাণীৰ মন উলাহে নধৰা। আকাশে-বতাহে, পাহাৰে-ভৈয়ামে সুৰৰ মূৰ্ছনা। বিৰিখৰ দেহত মেঘৰ চেনেহ চুমা। লহপহকৈ বাঢ়ি আহে তৰু-তৃণ, লতা। সুখৰ ভৰত সকলো আতোলতোল। মেঘৰ ৰিমঝিম পৰশত প্ৰাণ পাই পথাৰ-সমাৰ, পাহাৰ-ভৈয়াম, মৰুভূ-মৰূদ্যান। শ্যামলী সাজেৰে জকমকীয়া হৈ পৰে প্ৰকৃতিৰ সকলো সম্ভাৰ।

চৌদিশে ঢোল-পেঁপা, টকা-বাঁহী, গগনা, সুতুলিৰ অমলিন, অক্ষয়, অব্যয় মধুৰতম সুৰ সমলয়ৰ নৈ বৈ যায়। দ্বিপদ-শ্বাপদ, তৰু-তৃণ, লতা, গুল্ম সকলোৰে বাবে আহে নতুনত্ব। নতুনত্ব আহে ষোড়শী শিপিনীৰ অনুভৱী প্ৰাণত। শত স্বপ্নৰ দীঘ-বাণিৰে সজাই তোলা বিহুৱান ৰিহাৰ তলত লুকুৱাই প্ৰেমাস্পদক অৰ্পণ কৰে। জীৱনৰ সমস্ত আৱেগ, হেঁপাহ আৰু অফুৰন্ত আশাৰে ৰঞ্জিতা যি বাহক, তেওঁক যাচিবলৈ ঢাপলি মেলে আঁহতৰ তললৈ। এৰা! তেওঁ জানো বৈ নাথাকে দুৰ্গম পাহাৰ বগাই, নৈ সাঁতুৰি, কাঁইটীয়া বননি গচকি পাৰি অনা অতি আদৰৰ কপৌপাহ তেওঁৰ প্ৰেমাস্পদক দিবলৈ? অপেক্ষাৰ আনন্দ, উৎকণ্ঠা মিশ্ৰিত অনুভৱত থৌকিবাথৌ হয় হিয়াৰ অলি-গলি। অপেক্ষাৰ সময় বাঢ়ি গৈ থাকিলে তেওঁলোকৰ ৰঙা কলিজাৰ আলিত বহি গুণা-গঁথা কৰে কিয় অহা নাই বা আহি পোৱাহি নাই তেওঁৰ প্ৰেমাস্পদ? কি হ'ব তেওঁৰ আকাংক্ষিত স্বপ্নৰ?

গছ-বিৰিখৰ ন-কুঁহিপাতে, কুলি-কেতেকীৰ সুৰদি সুৰীয়া মিঠা মাতে, ফল-ফুলৰ সুগন্ধিত সুবাসে ব'হাগৰ আগজাননী দিয়াৰ লগে লগে প্ৰেম আৰু আৱেগৰ ভৰত দোঁ খাই পৰে আবাল-বৃদ্ধ-বনিতা সকলোৰে। ব'হাগৰ আয়োজন হয় প্ৰত্যেক অসমীয়াৰ ঘৰে ঘৰে। প্ৰত্যেকৰ হৃদয়ে হৃদয়ে।

ব'হাগ মানেই যেন উন্মাদনাৰ কেইটামান

*মনৰ হেঙুলী সপোনক নিচুকাই ৰাখিব নোৱাৰা ব'হাগ। কোনোপধ্যে মনৰ চঞ্চলতাখিনিক বুকুৰ মাজত ঢাকি ৰাখিব নোৱাৰি। ব'হাগৰ মতলীয়া ৰাগীয়ে উন্মনা কৰে সকলো প্ৰকৃতিপ্ৰেমীৰে মন। থৌকিবাথৌ মন প্ৰজাপতি। আশা-আকাংক্ষাৰ ব'হাগ, প্ৰেৰণাৰ ব'হাগ, উতলা ব'হাগ...। সপোনৰ ঠিকনা বিচাৰি উৰি যায় মন ৰঙীন ডেউকা মেলি। মাধৈমালতী ফুলোৱাৰ সপোনে বুকুৰ ভিতৰত নীৰৱে হাহাকাৰ কৰে। আৱেগ মথিত হিয়াত বিহুগীতৰ গুণ...গুণ...। থৌকিবাথৌ হিয়াৰ ভাজত শুই থকা মৰম আগ্নেয়গিৰি হৈ যেন বিহুগীতৰ মাজেৰে বিচ্ছুৰিত হয়। ব'হাগ প্ৰকৃততে উচ্ছল,পাৰভঙা আৱেগমধুৰ যৌৱনৰ প্ৰতীক। ধীৰ, স্থিৰ, শান্ত-সমাহিত ৰূপৰ প্ৰতীক নহয়।*

দিন। সুখ আৰু প্ৰাচুৰ্যৰ কেইটামান মুহূৰ্ত। ল'ৰা-বুঢ়া, ডেকা-গাভৰু, তিৰোতা কোনো বাদ নপৰে এই আৱেদনময়ী ক্ষণৰ পৰা। ব'হাগক আদৰিবলৈ যেন মানসিকভাৱে সকলোৱে সাজু হৈ উঠে। নৈসৰ্গিক এখন তোৰণ প্ৰত্যেকেই সৃষ্টি কৰি লয় নিজ নিজ মনৰ ভিতৰতে। এই সময়তে বনৰ পশু-পক্ষীয়েও প্ৰেমাস্পদক চেনেহৰ চুমা যাচে। উজলি উঠে সিঁহতৰো জীৱন দীপালী। পদুম পাতত ভ্ৰমৰে নাচে। প্ৰমত্ত ভোমোৰাই গুঞ্জৰিত হৈ পান কৰে ফুলৰ মৌ। ভ্ৰমৰৰ গুঞ্জনত লজ্জাশীলা কুলবধূ কাতৰতা। পুলক-নন্দিনী বসুন্ধৰা সপোন বিধুৰতা।

মনৰ হেঙুলী সপোনক নিচুকাই ৰাখিব নোৱাৰা ব'হাগ। কোনোপধ্যে মনৰ চঞ্চলতাখিনিক বুকুৰ মাজত ঢাকি ৰাখিব নোৱাৰি। ব'হাগৰ মতলীয়া ৰাগীয়ে উন্মনা কৰে সকলো প্ৰকৃতিপ্ৰেমীৰে মন। থৌকিবাথৌ মন প্ৰজাপতি। আশা-আকাংক্ষাৰ ব'হাগ, প্ৰেৰণাৰ ব'হাগ, উতলা ব'হাগ...। সপোনৰ ঠিকনা বিচাৰি উৰি যায় মন ৰঙীন ডেউকা মেলি। মাধৈমালতী ফুলোৱাৰ সপোনে বুকুৰ ভিতৰত নীৰৱে হাহাকাৰ কৰে। আৱেগ মথিত হিয়াত বিহুগীতৰ গুণ...গুণ...। থৌকিবাথৌ হিয়াৰ ভাজত শুই থকা মৰম আগ্নেয়গিৰি হৈ যেন বিহুগীতৰ মাজেৰে বিচ্ছুৰিত হয়। ব'হাগ প্ৰকৃততে উচ্ছল,পাৰভঙা আৱেগমধুৰ যৌৱনৰ প্ৰতীক। ধীৰ, স্থিৰ, শান্ত-সমাহিত ৰূপৰ প্ৰতীক নহয়। এই মায়াময় ব'হাগৰ আগমনত কুলি-কেতেকীৰ মৌ-মিঠা মাতত হিয়া ভাগে। তগৰ-নাহৰৰ মাধুৰী সুবাসত পীৰিতিয়ে সাৰ পাই উঠে। উখল-মাখল লাগে উছৱৰ আয়োজনত। বৰষাৰ ঢলত নামি অহা ব'হাগে প্ৰকৃতিৰ জনজীৱনলৈ ছটিয়াই দিয়ে এমুঠি ৰং, আনন্দৰ উপহাৰ।

প্ৰকৃতিক উৰ্বৰা কৰা, কৃষিকাৰ্যত সহায়ক হোৱা ব'হাগে উৎসৱৰ দোলনাৰে দুলি নৃত্যৰতা হৈ ছন্দোময় উল্লাসেৰে প্ৰাণত ৰং বোলাই উল্লাসিত হৈ সম্প্ৰতিৰ এনাজৰীৰে সকলোকে বান্ধে।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com



# গামোচা

## ইতিহাস, তাৎপৰ্য আৰু সমকালীন প্ৰাসংগিকতা

— ৰাখী মণি কলিতা

অসমৰ সাংস্কৃতিক পৰিচয়ৰ এক উজ্জ্বল প্ৰতীক হ’ল গামোচা। ই কেৱল এখন বস্ত্ৰ নহয়, বৰং অসমীয়া জাতিসত্তাৰ গৌৰৱ, সন্মান আৰু আত্মমৰ্যাদাৰ প্ৰতিচ্ছবি। যুগে যুগে গামোচাই অসমীয়া সমাজক ঐক্য, মৰম আৰু সন্মানৰ সূত্ৰত বান্ধি ৰাখিছে।

গামোচাৰ ইতিহাস অসমীয়া সমাজৰ সৈতে অতি প্ৰাচীন কালৰ পৰা সংলগ্ন। প্ৰাচীন অসমত হাতেৰে তাঁত বোৱা পৰম্পৰাৰ জৰিয়তে গামোচাৰ উৎপত্তি হৈছিল। ঘৰৰ বোৱাৰী-জীয়ৰীৰ দক্ষ হাতত বোৱা গামোচাই পৰিয়ালৰ মৰম আৰু যত্নৰ স্পৰ্শ বহন কৰিছিল। বিশেষকৈ বিহুৰ সময়ত নৱবস্ত্ৰ হিচাপে ‘বিহুৱান’ বা গামোচা প্ৰদান কৰা প্ৰথাই সমাজত এক স্নেহ-সম্পৰ্কৰ প্ৰতীক ৰূপে স্থান লাভ কৰে। ই অতিথি-সৎকাৰ আৰু সন্মান প্ৰদানৰো এক গুৰুত্বপূৰ্ণ মাধ্যম।

গামোচা অসমীয়া জীৱন-ধাৰাৰ এক অবিচ্ছেদ্য অংগ। বয়োজ্যেষ্ঠ বা অতিথিক গামোচা আগবঢ়োৱা মানে সন্মান আৰু কৃতজ্ঞতা জ্ঞাপন কৰাক সূচিত কৰা হয়। বিহু উৎসৱত গামোচা প্ৰেম আৰু নতুন আশাৰ প্ৰতীক হিচাপে পৰিগণিত হয়। গামোচাৰ ৰঙা বুটা বা ফুলৰ নক্সাই অসমীয়া শিল্প সৌন্দৰ্যৰ পৰিচয় দিয়ে। ইয়াৰ বগা আৰু ৰঙাৰ সংমিশ্ৰণে পবিত্ৰতা, শক্তি আৰু একতাৰ বাৰ্তা বহন কৰে। নামঘৰৰ থাপনাত দিয়াৰ পৰা আৰম্ভ কৰি মূৰত মৰা পাগুৰিলৈকে- ইয়াৰ আধ্যাত্মিক আৰু সামাজিক গুৰুত্ব অপৰিসীম।

বৰ্তমান সময়ত গামোচাই কেৱল পৰম্পৰাগত পৰিধান বা উপহাৰ হিচাপেই নহয়, আধুনিক ফেশ্বন আৰু শিল্পক্ষেত্ৰতো বিশেষ স্থান লাভ কৰিছে। বিভিন্ন অনুষ্ঠান, সাংস্কৃতিক সমাৰোহ আৰু জাতীয়-

> *জি.আই টেগ স্বীকৃতি লাভৰ পিছত গামোচাৰ গুৰুত্ব বিশ্বদৰবাৰত বৃদ্ধি পাইছে। ই থলুৱা তাঁত শিল্পক আগুৱাই নিয়াত আৰু অৰ্থনৈতিক দিশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই স্থানীয় শিপিনীসকলক উৎসাহিত কৰাৰ লগতে আত্মনিৰ্ভৰশীলতাৰ পথ দেখুৱাইছে।*

আন্তৰ্জাতিক মঞ্চত গামোচাই অসমৰ একক পৰিচয় দাঙি ধৰিছে। ডিজাইন আৰু সৃজনশীলতাৰ সংযোজনে গামোচাক নতুন ৰূপত উপস্থাপন কৰিছে- যেনে চাদৰ, বেগ, মাফলাৰ আদি সামগ্ৰীত ইয়াৰ ব্যৱহাৰ বৃদ্ধি পাইছে।

তদুপৰি, জি.আই টেগ স্বীকৃতি লাভৰ পিছত গামোচাৰ গুৰুত্ব বিশ্বদৰবাৰত বৃদ্ধি পাইছে। ই থলুৱা তাঁত শিল্পক আগুৱাই নিয়াত আৰু অৰ্থনৈতিক দিশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই স্থানীয় শিপিনীসকলক উৎসাহিত কৰাৰ লগতে আত্মনিৰ্ভৰশীলতাৰ পথ দেখুৱাইছে।

গামোচা অসমীয়া আত্মাৰ এক চিৰন্তন প্ৰতীক। ইয়াৰ মাজত নিহিত আছে ইতিহাসৰ গৌৰৱ, সংস্কৃতিৰ গাম্ভীৰ্য আৰু সময়ৰ সৈতে খাপখোৱাই আগুৱাই যোৱাৰ শক্তি। আধুনিকতাৰ জোকাৰনিতো গামোচাই নিজৰ স্বকীয়তা অক্ষুণ্ণ ৰাখিছে, যি আমাৰ বাবে গৌৰৱৰ বিষয়। সেয়েহে গামোচা সংৰক্ষণ আৰু সন্মান কৰা মানে নিজৰ স্বাভিমানক সজীৱ কৰি ৰখা। গামোচা সংস্কৃতিৰ চিৰজাগ্ৰত দীপশিখা, যি আগন্তুক প্ৰজন্মলৈও আলোকিত পথ প্ৰদৰ্শন কৰি থাকিব।

# শিপাৰ টান ঃ ককা আৰু নাতিনীৰ বিহুৰ আলাপ

— ৰাজশ্ৰী সেনাপতি গগৈ

বহু বছৰ বিদেশত কটাই অহা নাতিনী মাজনীয়ে এইবাৰ বিহুৰ সময়ত ঘৰলৈ উভতি আহিছে। চোতালৰ একাষে বহি ককাকে নাতিনীক অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ পৰম্পৰাগত ৰীতি-নীতিবোৰ বুজাই দিছে। ককাকৰ মনত অপাৰ সন্তুষ্টি- কিয়নো তেওঁৰ নাতিনীয়ে আজি নিজৰ শিপাক জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

**বসন্তৰ আগমন আৰু প্ৰস্তুতি পৰ্ব ঃ**

ককাকে অতীতৰ স্মৃতি ৰোমন্থন কৰি ক'বলৈ ধৰিলে- "চ'তৰ শেষৰ পযেকটোৱেই আছিল সুকীয়া। পদূলিৰ মদাৰজোপাই ৰঙা সাজ পিন্ধিছিল আৰু কুলিৰ মাতত আকাশ-বতাহ কঁপি উঠিছিল। গাঁৱৰ ডেকা-গাভৰুসকল বিহু আদৰিবলৈ ব্যস্ত হৈ পৰিছিল।"

**গৰু বিহু ঃ**

চ'তৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয় গৰু বিহু। ই আমাৰ কৃষিভিত্তিক সভ্যতাৰ এক শ্ৰেষ্ঠ নিদৰ্শন। ৰাতিপুৱাই গৰুকেইটাক নৈৰ ঘাটলৈ নি মাহ-হালধিৰে নোৱাই-

*দুপৰীয়াৰ পিছত গোটেই গাঁওখন ঢোলৰ গুমগুমনিৰে ৰজনজনাই উঠে। ডেকাহঁতে হাতত ঢোল, তাল আৰু পেঁপা লৈ ঘৰে ঘৰে হুঁচৰি গাবলৈ আহে। মাজনীহঁতে পদূলিমুখত শৰাই দি সন্মান জনাই হুঁচৰি দলক ঘৰলৈ আদৰে। মাজনীয়েও মেখেলা-চাদৰ পিন্ধি বান্ধৱীহঁতৰ লগত গছ তলৰ বিহু নাচিলে। নাচনীৰ হাতৰ পাক আৰু ঢোলৰ ছেৱে যেন বসন্তক এক জীপাল ৰূপ দিলে।*

ধোৱাই গা ধুওৱা হয়। গৰুৰ গাত লাও, বেঙেনাৰ চাট মাৰি ককাকে আজিও সেই পুৰণি মন্ত্ৰটো আওঁৰালে-

"লাও খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা।
মাৰ সৰু বাপেৰ সৰু, তই হ'বি বৰ গৰু।"

গধূলি গোহালিত বিহলঙনি আৰু ধূপ-ধূনাৰে 'জাগ' দিয়া হয় যাতে মহ, ডাঁহে গৰুক আমনি নকৰে। লগতে গৰুক মৰাপাটৰ নতুন পঘা দিয়া হয়।

**মানুহ বিহু ঃ**

গৰু বিহুৰ পিছদিনাই হৈছে মানুহ বিহু। এই দিনটো মৰম আৰু সন্মানৰ আদান-প্ৰদানৰ দিন। মাজনীয়ে গোটেই ৰাতি সাৰে থাকি মাকৰ লগত তাঁতৰ শালত বৈ উলিওৱা চেনেহৰ গামোচাখন শ্ৰদ্ধাৰে ককাকক দিলে। ককাকেও নাতিনীক "কুশলে থাক" বুলি আশীৰ্বাদ দিলে। গাঁৱৰ নামঘৰত আশীৰ্বাদ লৈ সকলোৱে একেলগে বহি চিৰা, পিঠা, লুথুৰী আৰু দৈৰে জলপান খায়। জ্যেষ্ঠক সেৱা কৰি আশীৰ্বাদ লোৱাটোৱেই এই দিনটোৰ মূল বৈশিষ্ট্য।

**হুঁচৰি আৰু গছ তলৰ বিহু ঃ**

দুপৰীয়াৰ পিছত গোটেই গাঁওখন ঢোলৰ গুমগুমনিৰে ৰজনজনাই উঠে। ডেকাহঁতে হাতত ঢোল, তাল আৰু পেঁপা লৈ ঘৰে ঘৰে হুঁচৰি গাবলৈ আহে। মাজনীহঁতে পদূলিমুখত শৰাই দি সন্মান জনাই হুঁচৰি দলক ঘৰলৈ আদৰে। মাজনীয়েও মেখেলা-চাদৰ পিন্ধি বান্ধৱীহঁতৰ লগত গছ তলৰ বিহু নাচিলে। নাচনীৰ হাতৰ পাক আৰু ঢোলৰ ছেৱে যেন বসন্তক এক জীপাল ৰূপ দিলে।

ককাকে নাতিনীৰ মূৰত হাত থৈ ক'লে- "বুজিলি মাজনী, বিহু কেৱল এটা উৎসৱ নহয়, ই আমাৰ শিপাক জীয়াই ৰখাৰ এক প্ৰচেষ্টা। ইয়াত সোমাই আছে আমাৰ আনন্দ, শ্ৰদ্ধা আৰু একতা।" বিদেশত থাকিলেও নাতিনীৰ মনত বিহুৰ এই চিৰন্তন ছবিখন সদায় সজীৱ হৈ ৰ'ব।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

### আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

# বসন্তৰ আৱাহন

## আৰু

# জাতীয় চেতনাৰ উন্মেষ

— কুণ্ডিল হাজৰিকা



ঋতুৰাজ বসন্তৰ পদধ্বনিয়ে যেতিয়া ধৰিত্ৰীৰ বুকুত নৱ-যৌৱনৰ সঞ্চাৰ কৰে, তেতিয়াই অসমীয়াৰ হিয়াৰ আমঠু ‘ৰঙালী বিহু’ৰ শুভ আগমন ঘটে। এয়া কেৱল এটা ঋতুৰ পৰিৱৰ্তন নহয়, বৰঞ্চ ই আমাৰ স্বাভিমানী জাতীয় সত্তাৰ এক অনন্য বহিঃপ্ৰকাশ। কুলিৰ প্ৰণয়ৰ সুৰ আৰু গছৰ কোমল কুঁহিপাতৰ মাজেৰে প্ৰকৃতিয়ে যি নৱৰূপ ধাৰণ কৰে, সেয়া মানুহৰ মন-মননতো এক গভীৰ ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে।

অসমীয়া জনজীৱনৰ অবিচ্ছেদ্য অংগ এই বিহুৱে আমাক আমাৰ শিপাৰ সৈতে সংযুক্ত কৰি ৰাখে। যান্ত্ৰিকতাৰ দ্ৰুত ধাৱমান সোঁতত ক্ৰমান্বয়ে হেৰাই যাব খোজা আমাৰ স্বকীয় লোক-সংস্কৃতি, শ্ৰমজীৱী মানুহৰ আন্তৰিকতা আৰু ঢোল-পেঁপাৰ গুমগুমনিয়ে আমাৰ ধমনীত এক নতুন স্পন্দনৰ সৃষ্টি কৰে। বিহুৰ পবিত্ৰ লগনত অৰ্পণ কৰা একোখনি বিহুৱান কেৱল বস্ত্ৰখণ্ডই নহয়, ই আমাৰ পৰম্পৰাগত শ্ৰদ্ধা আৰু প্ৰীতিৰ এক অনবদ্য নিদৰ্শন।

আজিৰ এই প্ৰত্যাহ্বানমূলক সময়ত বিহুৰ প্ৰাসংগিকতা কেৱল আনন্দ-উল্লাসৰ মাজতেই সীমাবদ্ধ নহয়। ই আমাক শিকায় একতাৰ শক্তি আৰু সমন্বয়ৰ গুৰুত্ব। গছৰ তলৰ মুকলি বিহুৰ পৰা মঞ্চৰ বিহুলৈকে যি বিৱৰ্তন ঘটিছে, সেই বিৱৰ্তনৰ মাজতো আমাৰ জাতীয় চৰিত্ৰৰ মৰ্যাদা অক্ষুণ্ণ ৰখাটো প্ৰতিগৰাকী সচেতন অসমীয়াৰ নৈতিক দায়িত্ব। এই ৰঙালীয়ে আমাৰ মাজৰ পৰা হিংসা-বিদ্বেষৰ মলিনতা আঁতৰাই প্ৰেম, ভ্ৰাতৃত্ব আৰু সৃজনীশীলতাৰ এক নতুন আকাশ উন্মোচিত কৰক- এয়াই একান্ত কামনা।

*অসমীয়া জনজীৱনৰ অবিচ্ছেদ্য অংগ এই বিহুৱে আমাক আমাৰ শিপাৰ সৈতে সংযুক্ত কৰি ৰাখে। যান্ত্ৰিকতাৰ দ্ৰুত ধাৱমান সোঁতত ক্ৰমান্বয়ে হেৰাই যাব খোজা আমাৰ স্বকীয় লোক-সংস্কৃতি, শ্ৰমজীৱী মানুহৰ আন্তৰিকতা...*

# ব'হাগ বিহু

## পৌৰাণিক বনাম আধুনিক

— থগেন বৰা




বিহু অসমীয়া জাতিৰ হৃদয়ৰ সৈতে জড়িত, অসমীয়া জাতিৰ মেৰুদণ্ড। অসমত বাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষিভিত্তিক জীৱনধাৰাৰ সৈতে বিহু গভীৰভাৱে জড়িত। আমাৰ আৱেগ, মৰ্যাদা আৰু পৰিচয় হ'ল তিনিটি বিহু- কাতি বা কঙালী বিহু, মাঘ বা ভোগালী বিহু আৰু চ'ত তথা ব'হাগৰ সংক্ৰান্তিত পালিত ৰঙালী বিহু। বিহু কেৱল এটি উৎসৱেই নহয়, ই বহু পৌৰাণিক পৰম্পৰাৰ ৰক্ষক আৰু বাহক।

আধুনিকতাৰ দৌৰত আজি বিহুৰ বহু পৌৰাণিক পৰম্পৰা হেৰাই যাবলৈ ধৰিছে। ব'হাগ বিহুৰ লগত গো সেৱা, মানৱ সেৱা, ইষ্ট সেৱা আৰু দেহ পৰিচৰ্যাৰ দৰে গুৰুত্বপূৰ্ণ বিষয় জড়িত হৈ আছে। চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হোৱা এই সাতবিহুৰ প্ৰতিটো দিনৰে এক সুকীয়া স্বকীয়তা আছে।

**গৰু বিহু আৰু পৰম্পৰা ঃ**

ব'হাগ বিহুৰ প্ৰথম দিনটো গৰু বিহু। এইদিনা কৃষিৰ প্ৰধান আহিলা গৰু-গাইক মাহ-হালধিৰে নোৱাই-ধোৱাই পূজা কৰা হয়। গৰুৰ ডিঙিত বিভিন্ন পাচলিৰে সজোৱা 'চাট' দিয়া হয় আৰু গীত গাই আশীৰ্বাদ দিয়া হয়-

*"লাও খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা;*
*মাৰে সৰু বাপেৰ সৰু, তই হ'বি বৰ গৰু।"*

গৰু বিহুৰ দিনা উজনিত প্ৰচলিত 'বোকাৰ ধেমালি' আজি আধুনিকতাৰ পৰশত মূল্যহীন হৈ পৰিছে। তেনেদৰে ধুমুহা-বৰষুণৰ পৰা ৰক্ষা

*গৰু বিহুৰ পিছদিনা মানুহ বিহু। এই দিনটোত জ্যেষ্ঠক সেৱা জনোৱা আৰু বিহুৱান প্ৰদান কৰা অসমীয়াৰ এক মহান সংস্কাৰ। নামঘৰত নাম-কীৰ্তন কৰি নতুন বছৰটোৰ শুভকামনা কৰা হয়। ৰাতিলৈ গাঁৱৰ ডেকাসকলে হুঁচৰি জোৰা পৰম্পৰা আছিল। কিন্তু দুখৰ বিষয় যে বৰ্তমান সময়ত হুঁচৰিয়ে এক ব্যৱসায়িক ৰূপ লৈছে। ধনী-দুখীয়াৰ ঘৰ বিচাৰ কৰি বা পকী ঘৰ চাই হুঁচৰি গোৱা প্ৰবৃত্তিটোৱে বিহুৰ আধ্যাত্মিক আৰু সামাজিক মৰ্যাদা লাঘৱ কৰিছে।*

পাবলৈ নাহৰ পাতত লিখা ‘দেৱ দেৱ মহাদেৱ...’ মন্ত্রফাকিৰ পৰম্পৰাও আজি কেৱল বয়োজ্যেষ্ঠসকলৰ মাজতেই সীমাবদ্ধ। সন্ধিয়া গৰুক জাগ দিয়া আৰু দীঘলতি-মাখিয়তিৰে মাখি খেদোৱা ৰীতিবোৰ যান্ত্রিকতাৰ কবলত পৰি চহৰীয়া সমাজত প্ৰায় বিলুপ্ত হৈছে।

**মানুহ বিহু আৰু সামাজিকতা ঃ**

গৰু বিহুৰ পিছদিনা মানুহ বিহু। এই দিনটোত জ্যেষ্ঠক সেৱা জনোৱা আৰু বিহুৱান প্ৰদান কৰা অসমীয়াৰ এক মহান সংস্কাৰ। নামঘৰত নাম-কীৰ্তন কৰি নতুন বছৰটোৰ শুভকামনা কৰা হয়। ৰাতিলৈ গাঁৱৰ ডেকাসকলে হুঁচৰি জোৰা পৰম্পৰা আছিল। কিন্তু দুখৰ বিষয় যে বৰ্তমান সময়ত হুঁচৰিয়ে এক ব্যৱসায়িক ৰূপ লৈছে। ধনী-দুখীয়াৰ ঘৰ বিচাৰ কৰি বা পকী ঘৰ চাই হুঁচৰি গোৱা প্ৰবৃত্তিটোৱে বিহুৰ আধ্যাত্মিক আৰু সামাজিক মৰ্যাদা লাঘৱ কৰিছে।

**তাঁতশাল আৰু বিহুৰ অলংকাৰ ঃ**

এসময়ত ব'হাগ বিহু আহিলে শিপিনীৰ তাঁতশালৰ গুমগুমনিৰে গাঁওবোৰ মুখৰিত হৈছিল। নিজ হাতে বোৱা গামোচাখনে বিহুৰ প্ৰকৃত মৰ্যাদা বহন কৰিছিল। কিন্তু আজি বজাৰত পোৱা বহিঃৰাজ্যৰ কৃত্রিম কাপোৰে আমাৰ গামোচাৰ পবিত্ৰতাক প্ৰত্যাহ্বান জনাইছে। নতুন চামৰ ছোৱালী-বোৱাৰীয়ে তাঁতশালৰ পৰা আঁতৰি অহাটো আমাৰ সংস্কৃতিৰ বাবে এক শংকাৰ বিষয়।

**মঞ্চ বিহু আৰু জেং বিহু ঃ**

বিহু গছৰ তলৰ পৰা আহি এতিয়া মঞ্চ পালেহি। মঞ্চত উঠাৰ লগে লগে বিহুৱে গোলকীয় সমাদৰ লাভ কৰিছে যদিও ইয়াৰ পূৰ্বৰ স্বকীয়তা বহুখিনি লোপ পাইছে। বিশেষকৈ মহিলাসকলে নিৰ্জন ঠাইত মৰা ‘জেং বিহু’ এতিয়া টি.ভিত বা সামাজিক মাধ্যমত প্ৰদৰ্শিত হোৱাত ইয়াৰ আদিম নিৰ্জনতা আৰু স্বকীয় মৰ্যাদা কিছু পৰিমাণে লাঘৱ হৈছে।

**সামৰণি ঃ**

আধুনিকতাৰ প্ৰয়োজন আছে, কিন্তু নিজৰ শিপাক পাহৰি আধুনিক হোৱাটোৱে আমাক সংস্কৃতিহীন কৰি তুলিব। বিহু আমাৰ পৰিচয়। গতিকে বিহুৰ পৌৰাণিক ৰীতিবোৰ সংৰক্ষণ কৰি ইয়াক ভৱিষ্যৎ প্ৰজন্মৰ বাবে জীয়াই ৰখাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

**আমাৰ ঠিকনা**

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

বিহুৰ লগত অসমৰ জলবায়ুৰ আছে এক গভীৰ সম্পৰ্ক, যি অসমৰ পৰিৱৰ্তনশীল ঋতু আৰু কৃষি চক্ৰৰ ওপৰত প্ৰতিষ্ঠিত। বিহু উৎসৱে জলবায়ুৰ লগত তাল মিলাই প্ৰকৃতিৰ নতুন ৰূপক আদৰণি জনায়। সেয়েহে বিহু আৰু প্ৰকৃতি সম্পূৰ্ণ পৰিপূৰক বুলি ক'ব পাৰি।

আমাৰ তিনিওটা বিহুৰ লগত বিষুৱীয় বতৰৰ সম্বন্ধ আছে। তিনিওটা বিহুৱে সূৰ্যৰ তিনিটা বিশেষ অৱস্থান কালত উদযাপিত হয়। সেইবাবে কোনো কোনো পণ্ডিতে 'বিষুৱ' শব্দৰ পৰাই বিহু শব্দটো উৎপত্তি হোৱা বুলি মত পোষণ কৰিছে। বিহু উৎসৱৰ আচাৰ-অনুষ্ঠান, নাচ-গান, সময় আদিলৈ চাই ই যে মূলত কৃষি উৎসৱ আৰু জলবায়ু প্ৰকৃতিৰ লগত সম্বন্ধ আছে এই কথা সহজতে বুজিব পাৰি।

আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু বা কঙালী বিহু পালন কৰা হয়। এই বিহুটিত উলহ-মালহ বেছিকৈ নাথাকে, ভোগ-প্ৰাচুৰ্যও নাথাকে। কাতি মাহত কৃষিজীৱী অসমীয়াৰ ভঁৰাল উদং হৈ আহে, নতুন শস্য চপোৱাৰ দিনো নহয়। সেয়েহে ভোগ-প্ৰাচুৰ্যৰ পৰিৱৰ্তে এই বিহুত আধ্যাত্মিক প্ৰাচুৰ্য হোৱা দেখা যায়। ধৰ্মীয় আচাৰ-অনুষ্ঠানেৰে শৰৎকলীয়া এই কাতি বিহু যেন শৰতৰ দৰেই স্নিগ্ধ সমাহিত ৰূপত আৱিৰ্ভাৱ হয়। প্ৰাচুৰ্যৰ অহংকাৰ নাশ হ'লে মানুহৰ অন্তৰ আধ্যাত্মিকতাৰ জ্যোতিৰে আলোকিত হয়।

কাতি বিহুৰ পাছতেই উদযাপন কৰা হয় মাঘ বিহু বা ভোগালী বিহু। এই সময়ত পথাৰৰ শস্য চপোৱাৰ শেষ হয়। সূৰ্য উত্তৰায়ণ হয়। প্ৰচুৰ ঘাঁহ-পানী পাই, গৰু-ম'হবোৰ নোদোকা হয়, খীৰতী গাই গাখীৰ বৃদ্ধি হয়। নতুন ফচল ওলাই দুখীয়া কৃষকৰো অভাৱ আঁতৰ হয়। খেতি-বাতি চপাই সকলো আজৰি হোৱা বাবে মানুহে জিৰণি পায়। অফুৰন্ত আজৰিৰ কাৰণে এই সময়ত খেল-ধেমালি কৰি উপভোগ

# বিহু আৰু অসমৰ জলবায়ু প্ৰকৃতিৰ সম্পৰ্ক

— ৰঞ্জিত চুতীয়া



কৰে বাবে এই বিহু হয় ভোগালী।

বসন্তৰ আগমনত উদযাপন কৰা হয় ব'হাগ বিহু বা ৰঙালী বিহু। তিনিওটা বিহুৰ ভিতৰত ব'হাগ বিহুৰ জনপ্ৰিয়তা অধিক। ব'হাগ বিহু কৃষিকৰ্ম আৰম্ভ কৰাৰ প্ৰাক-মুহূৰ্তৰ উৎসৱ। এই বসন্ত ঋতুৰ কালছোৱাত প্ৰকৃতিয়ে এটা নতুন ৰূপ পৰিগ্ৰহণ কৰে। গছ-বন-লতিকাই ন-কুঁহিপাতৰ সাজ পিন্ধি পৃথিৱীৰ বুকুলৈ যেন উছাহৰ ঢল নমাই আনে। এই উছাহৰ বতৰত কৃষিজীৱী সকলো লোকে প্ৰকৃতিৰ সৈতে একাত্ম হৈ ৰং-ৰহইচ কৰে, গীত গাই নাচি-বাগি আনন্দ উপভোগ কৰি পুনৰ কৃষিকৰ্মৰ বাবে নিজক সতেজ কৰি তোলে। ৰঙালী বিহুৰ সৈতে জড়িত গৰু বিহুৰ লোকাচাৰ আৰু পৰম্পৰাগত খাদ্যসমূহো জলবায়ু আৰু ঋতুভিত্তিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি গঢ়ি উঠিছে।

প্ৰকৃতিৰ পৰিৱৰ্তনৰ এক সুন্দৰ সময়ত পালন কৰা হেতু ব'হাগ বিহুৰ লগত প্ৰকৃতিৰ সম্পৰ্ক নিবিড়। এই বিহু পালনৰ সময়ত জেতুকা, বৰ্হমথুৰি আদি কৰি প্ৰকৃতিৰ কিছুমান উদ্ভিদৰ বিশেষ গুৰুত্ব আৰু বৈশিষ্ট্য আছে। বাৰ মাহে জেতুকাৰ পাত থেঁতেলি হাত-ভৰিৰ নখ, হাতৰ পতা নতুবা চুলিত লগালেও বিহুৰ সময়ত বিশেষকৈ গৰু বিহুৰ দিনাখন লগাই লোৱা জেতুকাৰ ৰঙে ঔষধিৰ কাম কৰে। লোকবিশ্বাস আছে সেইদিনা জেতুকা হাত-ভৰিত লগালে ছালৰ বেমাৰতো নহয়েই বৰঞ্চ ই বসন্ত ৰোগৰো প্ৰতিষেধকৰ কাম কৰে। একেদৰে বসন্তত থোৰ মেলা কুঁহি বৰ্হমথুৰি চোবাই ল'লে জিভাৰ লগতে ওঁঠো ক'লা পৰি গাভৰুৰ ৰূপ বঢ়ায়। ই এক প্ৰকাৰৰ আধুনিক লিপষ্টিকৰ প্ৰাকৃতিক ৰূপ বুলি ক'ব পাৰি।

বিহুতে পথাৰ, কৃষক, শস্য, ভূমি কৰ্ষণৰ নতুন ৰূপ চেতনাই নব্যৰূপ পায় আৰু সেউজীয়া হোৱাৰ দুৰ্বাৰ জলবায়ুক সাবটে। আমাৰ চৌপাশৰ প্ৰকৃতিত নতুন ৰূপ আহে। বিহুৱে নিজৰ মৰ্যাদাৰে বিনন্দীয়া ঐতিহ্যমণ্ডিত ৰূপত প্ৰকৃতিক তুলি ধৰে। মাটি আৰু জলবায়ুৰ লগত সম্পৰ্কিত আমাৰ বিহুৰ লোকাচাৰ, নান্দনিকতা দৃষ্টিনন্দনভাৱেই সংৰক্ষণ আৰু উপস্থাপন নহ'লে বিশ্বায়নৰ কবলত পৰি নোহোৱা হ'ব।

বিহু উৎসৱত গীত-মাত, নৃত্য, লোকাচাৰ, লোককলা, কৃষিকাৰ্যৰ প্ৰস্তুতি সকলোবোৰ বিদ্যমান। সেয়েহে হেমাংগ বিশ্বাসদেৱে কৈছিল, “যি নাই বিহুগীতত সি নাই অসমত, যি নাই অসমত সি নাই বিহুগীতত।” অসম আৰু অসমমীয়াৰ জাতীয় জীৱনৰ দাপোণস্বৰূপ বিহু। বিহুৰ লগত বান্ধ খাই আছে অসমীয়া জাতিৰ ভাষা, কলা, ভাতৃত্ববোধ, সমন্বয় আৰু সংস্কৃতি। সংস্কৃতি অবিহনে কোনো জাতিয়ে বিকাশ লাভ কৰিব নোৱাৰে। বিহু আমাৰ প্ৰাণ, আমাৰ জাতীয় জীৱনৰ মান। সেয়েহে বিহুক আমাৰ ভোগবাদৰ পৃথিৱীত হেৰাই যাবলৈ নিদি বিহুৰ যি স্বতঃস্ফূৰ্ত প্ৰকাশ, পৰিশালীত ব্যঞ্জনা তাক স্তিমিত হ'বলৈ নিদি পুনৰ জাগ্ৰত কৰি অসমীয়া জাতিক এক সমন্বয়ৰ মহাজাতি ৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰিব লাগিব। নহ'লে এদিন কালৰ বুকুত হেৰাই যাব আমাৰ হিয়াৰ আমঠু বিহু।

*বসন্তৰ আগমনত উদযাপন কৰা হয় ব'হাগ বিহু বা ৰঙালী বিহু। তিনিওটা বিহুৰ ভিতৰত ব'হাগ বিহুৰ জনপ্ৰিয়তা অধিক। ব'হাগ বিহু কৃষিকৰ্ম আৰম্ভ কৰাৰ প্ৰাক-মুহূৰ্তৰ উৎসৱ। এই বসন্ত ঋতুৰ কালছোৱাত প্ৰকৃতিয়ে এটা নতুন ৰূপ পৰিগ্ৰহণ কৰে। গছ-বন-লতিকাই ন-কুঁহিপাতৰ সাজ পিন্ধি পৃথিৱীৰ বুকুলৈ যেন উছাহৰ ঢল নমাই আনে। এই উছাহৰ বতৰত কৃষিজীৱী সকলো লোকে প্ৰকৃতিৰ সৈতে একাত্ম হৈ ৰং-ৰহইচ কৰে, গীত গাই নাচি-বাগি আনন্দ উপভোগ কৰি পুনৰ কৃষিকৰ্মৰ বাবে নিজক সতেজ কৰি তোলে।*



# ব’হাগ বিহুত ব্যৱহাৰ হোৱা

# তৰু-তৃণ আৰু বনৌষধি শাক-পাচলি

— জিনুমণি সাধনী বৰা

প্ৰকৃতিৰ বুকুৰেদি ফাগুনৰ উৰুকা দিনবোৰে লৈ আনে বসন্তৰ বতৰা। বসন্তৰ শুভাগমনত প্ৰকৃতি শ্যামলীমা ৰূপত ফুলে-ফলে জাতিষ্কাৰ হয়। বিহুৰ পৰশত তৰু-তৃণৰ আনন্দই মানুহৰ মনলৈ কঢ়িয়াই আনে অফুৰন্ত পুলক। জান-জুৰি, পৰ্বত-পাহাৰ, চৰাই-চিৰিকটি, অসমৰ প্ৰকৃতি সকলো উপাদান সাৰ পাই উঠে।

**ব’হাগ বিহুত পৰম্পৰাগতভাৱে চলি অহা ১০১ বিধ শাকৰ ঔষধি গুণ ঃ**

অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুটিত সংপৃক্ত হৈ থকা পৰম্পৰাই আমাৰ সুস্বাস্থ্য গঢ় দিয়াত অৰিহণা যোগাই আহিছে। দোমাহী দিনা বা গৰু বিহুৰ দিনা অসমীয়া লোকে এশ এবিধ বনশাকৰ আগ বুটলি আঞ্জা খোৱা নিয়মটো পৰম্পৰাগতভাৱে চলি আহিছে। ঔষধি গুণেৰে ভৰপূৰ এই এশ এবিধ বনশাকৰ আঞ্জা আমাৰ শৰীৰৰ বাবে অমৃততুল্য।

বছৰেকৰ মূৰত এদিন খালেও ই আমাৰ শৰীৰৰ ৰোগ

প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰি নানা ৰোগৰ পৰা বচাই ৰাখে। আমাৰ পূৰ্বপুৰুষসকলৰ পুথিগত জ্ঞান কম আছিল যদিও তেওঁলোকৰ ব্যৱহাৰিক জ্ঞানৰ ভঁৰাল আছিল চহকী। বনশাক সমূহৰ ঔষধিগুণৰ বিষয়ে যথাযথভাৱে জানিছিল আৰু কোনবিধ বনশাক কি কি ৰোগত উপকাৰী তাক পুংখানুপুংখভাৱে জানিবলৈ তেওঁলোকে চেষ্টা কৰিছিল। তেওঁলোকৰ এই আশাশুধীয়া চেষ্টা আৰু সাধনাৰ ফলতেই আমি এনেবোৰ ঔষধি ব্যঞ্জনৰ জুতি ল'বলৈ পাইছোঁ। অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ খাদ্য-সম্ভাৰত ঔষধি গুণসম্পন্ন থলুৱা বনশাকৰ প্ৰাধান্য বেছি দেখা যায়। পণ্যতম তেল, মচলাৰ প্ৰয়োগ আমাৰ ব্যঞ্জনসমূহৰ প্ৰধান বিশেষত্ব। ইয়াৰ উপৰিও ঋতু অনুসৰি ভিন ভিন ঔষধি ব্যঞ্জন খোৱাৰ প্ৰথাও অতীজৰে পৰা চলি আহিছে।

ব'হাগ মানেই বসন্ত ঋতুৰ আগমন। এই ঋতুত গছে কুঁহি পাত সলায়, কুলি-কেতেকীৰ মিঠা মাত আৰু প্ৰকৃতিৰ সেউজীয়া ৰঙে আকৰ্ষিত কৰে আৰু ঔষধি গুণসম্পন্ন গছ লতিকাবোৰো অধিক গুণসম্পন্ন হৈ পৰে। সেইবাবেই হয়তো ব'হাগ বিহুৰ দোমাহীৰ দিনা অৰ্থাৎ গৰু বিহুৰ দিনা গৃহিনীসকলে বাৰীৰ পৰা এশ এবিধ বনশাকৰ আগ বুটলি দিনৰ সাঁজত আঞ্জা বনাই নিজৰ পৰিয়ালক খুৱায়। এই বিশেষ আঞ্জাখনত থকা এশ এবিধ বনশাক হৈছে- মাটিকাঁদুৰি, মানিমুনি, ভেদাইলতা, নৰসিংহ, মছন্দৰী, কেহাৰাজ, বনজালুক, শোহনি বন, লাইজাবৰি, কণা শিমলু, দোৰোণ শাক, ঢেঁকীয়া, বিহলঙনি, পনৌনৌৱা, বৰালিবকুৰা, বিয়নীসাবটা, কেঞা বন, দূবৰি বন, ববচা বন, সৰু টেঙেচি, ডাঙৰ টেঙেচি, মধুসোলেং, চুকা শাক, নলটেঙা, খুতৰা, হাতীখুতৰা, মালভোগ খুতৰা, পদিনা, ধনিয়া, পালেং, মানধনিয়া, কচুশাক, ক'লা কচুৰ থুৰি, দহিকচু, লাইশাক, পালেং, তিতকচি, লাচকচি, কাচিদঁৰীয়া, চেংমৰা, দুপৰটেঙা, পিৰালি পালেং, পূৰৈ শাক, শুকলতি, মৰলীয়া বা থোঠনি শাক, বনকপাহ, সোণবৰিয়াল, বনআমলখি বা ভূঁই আমলখি, গৰুখিচ, লিহিৰীপতীয়া, ভাং, মেটেকা, টিকনি বৰুৱা, টেঙামৰা, মিঠামৰা, তিতামৰা, ব্ৰাহ্মী, কলমৌ শাক, গাখীৰতী বন, কপৌঢেঁকীয়া, লেহেতি শাক, হেলঞ্চি শাক, জিলমিল শাক, মহাভৃঙ্গৰাজ, মেথিশাক, লফাশাক, সৰিয়হ শাক, পিঁয়াজৰ পাত, নহৰু পাত, মূলা শাক, শতমূলৰ আগ, মেজেঙা, ধঁপাত তিতাৰ আগ, টুবুকী লতা, বাবৰি শাক, আউনি পাণৰ আগ, মৰিচা শাক, তুলস, ৰাম তুলসী, ক'লা তুলসী, হাৰজোৰা লতা, গোন্ধোৰা বন, বিশল্যকৰণী, মধুমেহাৰী বা চেনিবন, ৰঙালাওৰ আগ, মটৰমাহৰ আগ, পাণৰ আগ, মিঠা আলু বা গৰীয়া আলুৰ আগ, আম আদা, বগা বাহক, চিৰতা, ভেকুৰি তিতা, ভাতকেৰেলা আগ, নয়নতৰাৰ আগ, নাৰ্জী ফুলৰ আগ, তৰা গছৰ আগ, নেফাফু পাত, লাজুকী লতাৰ আগ, পকমৌ, আদাৰ আগ।

এই এশ এবিধ শাকৰ তালিকাত ঔষধি গছসমূহৰ নাম ঠাইবিশেষে অলপ বেলেগ বেলেগ হোৱা দেখা যায় আৰু প্ৰয়োজন সাপেক্ষে দুই এবিধ বনশাক ইফাল-সিফালো কৰা হয়। ইয়াৰে কেইবিধমান চিনাকি বনশাকৰ গুণাগুণ হ'ল-

**মানিমুনি** ঃ ডাঙৰ আৰু সৰু দুয়োবিধ মানিমুনি স্মৃতিশক্তি বৰ্ধক, মেধাশক্তি বৰ্ধক আৰু অতিসাৰ, গ্ৰহণী, তেজ গ্ৰহণী বা অন্য পেটৰ সমস্যাত উপকাৰী। ডিছেণ্টেৰি বা পেট চলা সমস্যাত মানিমুনি পাতৰ ৰসৰ লগত ক'লা নিমখ দি খালে সুফল পোৱা যায়। ফেৰিনজাইটিছ, টনছিলাইটিছ আদিত সৰু মানিমুনি কেঁচাই দুটামান জালুকৰ লগত চোবাই থাকিলে যথেষ্ট সুফল পোৱা যায়। মানিমুনিয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে।

**নৰসিংহ পাত** ঃ নৰসিংহ পাতত যথেষ্ট পৰিমাণে কেলচিয়াম থাকে বাবে হাড়, দাঁতৰ গঠন মজবুত কৰে। স্নায়ুজনিত সমস্যা আৰু ডায়েবেটিছ ৰোগীৰ বাবেও নৰসিংহ পাত উপকাৰী।

**ভেদাইলতা** ঃ আয়ুৰ্বেদত ইয়াক প্ৰসাৰিণী

নামেৰে জনা যায়। অস্থি, সন্ধিৰ বিষ আৰু স্নায়ুজনিত বিভিন্ন ৰোগত ভেদাইলতা উপকাৰী। ডায়েৰিয়া, ডিছেণ্টেৰি আদিতো ভেদাইলতা খালে সুফল পোৱা যায়। ভেদাইলতাই ভোকো বৃদ্ধি কৰে। দুৰ্বল ৰোগীয়া ব্যক্তিৰ বাবে ভেদাইলতা অমৃতসম।

**মছন্দৰী ঃ** পেটৰ বহুতো অসুখত মছন্দৰী উপকাৰী। ভাপত সিজোৱা বা আদা নহৰু দি বনোৱা মছন্দৰী শাকৰ আঞ্জাই মহৌষধৰ দৰে কাম কৰে।

**মাটিকাঁদুৰি ঃ** উৎকৃষ্ট বনশাক মাটিকাঁদুৰি অৰ্শৰোগ, জণ্ডিচ, প্ৰস্ৰাৱৰ সংক্ৰমণজনিত ৰোগ, বগাস্ৰাৱ, পুৰুষৰ ধাতু দুৰ্বলতা, ডায়েবেটিছ, স্নায়ুজনিত ৰোগত বহু উপকাৰী। প্ৰসূতিসকলৰ সুস্বাস্থ্যৰ বাবে আৰু দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ মাটিকাঁদুৰি, বনজালুক, মানিমুনি আদি মিহলি শাকৰ এখন ঔষধি ব্যঞ্জন খাবলৈ দিয়া হয়। ছাল, চুলিৰ সৌন্দৰ্য বৰ্ধনতো এইবিধ শাক উপকাৰী।

**দোৰোণ শাক ঃ** ফেৰিনজাইটিছ, টনচিলাইটিছ, ছাইনাছাইটিছ, কাহ, চৰ্দি, হাঁপানী, জণ্ডিচ, যকৃৎ প্লীহা বৃদ্ধি আৰু বহুতো ৰোগত দোৰোণ শাক উত্তম পথ্য। আভোক আৰু অৰুচি হ'লে দোৰোণ শাক খালে সুফল পোৱা যায়।

**ঢেকীয়া শাক ঃ** ঢেকীয়া শাকত প্ৰ'টিন, বিভিন্নধৰণৰ ভিটামিন, কেলচিয়াম, আইৰণ, ফছফৰাছ, আদি পোৱা যায় বাবে নিৰামিষাহাৰীসকলৰ বাবে অতি উত্তম। ডায়েবেটিছ, কৌষ্ঠকাঠিন্য, পেলুৰ সমস্যা আৰু প্ৰস্ৰাৱৰ সংক্ৰমনতো ঢেঁকীয়া উপকাৰী।

**খুতৰা শাক ঃ** খাবলৈ সুস্বাদু খুতৰা শাক পেটৰ ৰোগ, আভোক, অৰুচি, লিভাৰৰ সমস্যা, জণ্ডিচ, কলেষ্টৰলৰ সমস্যা আদিত উত্তম।

**কচুশাক ঃ** কচুশাকত প্ৰচুৰ পৰিমাণে ভিটামিন এ, আইৰন, আঁহ থাকে বাবে ৰক্তহীনতা, দৃষ্টিশক্তিৰ দুৰ্বলতা, কলেষ্টৰেল, মেদবহুলতা আদিত উপকাৰী।

**কলমৌ শাক ঃ** কলমৌ শাক এবিধ ঔষধি গুণসম্পন্ন শাক। পুৰুষ মহিলাৰ প্ৰজননতন্ত্ৰৰ বিভিন্ন ৰোগ, ডায়েবেটিছ, মেদবহুলতা, কলেষ্টৰেল আদিত উপকাৰী।

**মেথিশাক ঃ** ডায়েবেটিছ ৰোগত মেথিশাক অতি উত্তম। ইয়াৰ উপৰিও ইয়াত আইৰন, ফলিক এচিড থকা বাবে ৰক্তহীনতাত উপকাৰী। তদুপৰি কলেষ্টৰেল, মেদবহুলতা, আৰথ্ৰাইটিছ সমস্যাতো মেথিশাক ভাল।

**ব্ৰাহ্মী শাক ঃ** আয়ুৰ্বেদিক বনৌষধি ব্ৰাহ্মীক মেধ্য ৰসায়ন বুলিও কোৱা হয়। স্মৃতিশক্তি বৰ্ধক ব্ৰাহ্মী ডায়েবেটিছ, উচ্চ ৰক্তচাপ, স্নায়ুজনিত ৰোগতো উপকাৰী।

**তুলসী ঃ** জ্বৰ, কাহ, চৰ্দি, এজমা বা হাঁপানী, ব্ৰংকাইটিছ আদিত মহৌষধৰ দৰে কাম কৰে তুলসীয়ে। নিয়মীয়াকৈ দুই তিনিখিলা তুলসী পাত খাই থাকিলে ই বৰ্ধিত ইউৰিক এচিড নিয়ন্ত্ৰণ কৰাত সহায় কৰে, কলেষ্টৰেলৰ সমস্যা, আৰথ্ৰাইটিছতো যথেষ্ট সুফল দিয়ে। বহু ঔষধি গুণযুক্ত তুলসীয়ে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিও কৰে।

**দুপৰটেঙা বা পাতেগজা ঃ** কিডনি ষ্টোন বা পাথৰ, মূত্ৰজনিত ৰোগ, জণ্ডিচ, ধাতুৰোগ, প্ৰষ্ট্ৰেটৰ সমস্যাত দুপৰটেঙা বা পাতেগজা পাত সেৱন কৰিলে সুফল পোৱা যায়।

**সৰু টেঙেচি শাক ঃ** লতাজাতীয় এইবিধ শাক ডায়েৰিয়া, ডিছেণ্টেৰি, জণ্ডিচ আৰু পেচাবৰ সমস্যাত খুব উপকাৰী।

**ডাঙৰ টেঙেচি ঃ** প্ৰচুৰ পৰিমাণে ভিটামিন চি থকা বাবে দাঁতৰ বাবে উপকাৰী, গ্ৰহণী বা অন্য পেটৰ অসুখত উপকাৰী, মূত্ৰজনিত সংক্ৰমণত উপকাৰী।

**পালেং শাক ঃ** পালেং শাকত প্ৰচুৰ পৰিমাণে বিভিন্ন ভিটামিন, আইৰন, কেলচিয়াম, আদি খনিজ পদাৰ্থ পোৱা যায় বাবে হাড়, ছাল, চুলি আৰু চকুৰ সুস্বাস্থ্যৰ বাবে উপকাৰী।

**চেংমৰা শাক ঃ** চেংমৰা শাকত আঁহৰ পৰিমাণ বেছি। ই ডায়েবেটিছ, অৰ্শৰোগ, মেদবহুলতা, লিভাৰজনিত ৰোগ, স্ত্ৰী ৰোগত বহু উপকাৰী।

**ধনিয়া ঃ** সুগন্ধি ধনীয়াই ৰক্তহীনতা দূৰ

*জ্বৰ, কাহ, চৰ্দি, এজমা বা হাঁপানী, ব্ৰংকাইটিছ আদিত মহৌষধৰ দৰে কাম কৰে তুলসীয়ে। নিয়মীয়াকৈ দুই তিনিখিলা তুলসী পাত খাই থাকিলে ই বৰ্ধিত ইউৰিক এচিড নিয়ন্ত্ৰণ কৰাত সহায় কৰে, কলেষ্টেৰলৰ সমস্যা, আৰথ্ৰাইটিছতো যথেষ্ট সুফল দিয়ে। বহু ঔষধি গুণযুক্ত তুলসীয়ে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিও কৰে।*

কৰে, কলেষ্টেৰেল সমস্যাত উপকাৰী, লিভাৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে।

**পনৌনৌৰা শাক ঃ** অমৃততুল্য পনৌনৌৰা শাক লিভাৰৰ বিভিন্ন ৰোগত উপকাৰী আৰু কিডনিৰ বিভিন্ন ৰোগতো উপকাৰী।

**নেফাফু পাত ঃ** উচ্চ ৰক্তচাপ ৰোগত নেফাফু পাত ভাজি খালে সুফল পোৱা যায়। ইয়াৰ ব্যৱহাৰ গাঁওসমূহত এতিয়াও চলি আছে।

**চিৰতা ঃ** লিভাৰজনিত বিভিন্ন ৰোগত চিৰতা মহৌষধ। মাজে সময়ে দুই এখিলা চিৰতা পাত খাই থাকিলে বহু ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি। মেলেৰিয়া, টাইফয়ড বা যিকোনো জ্বৰত চিৰতা উত্তম পথ্য।

**তিতা ভেকুৰি ঃ** সোৱাদত তিতা যদিও গুণত কিন্তু অতি উত্তম। ডায়েবেটিছ, কফৰ সমস্যা, ছালৰ ৰোগ, কৃমিৰ সমস্যাত ভেকুৰি বহু উপকাৰী।

ওপৰত উল্লিখিত বনশাকবোৰ অসমৰ প্ৰায়বোৰ অঞ্চলতে পোৱা যায়। সাধাৰণ যেন লগা এনেবোৰ বনশাকৰ মিহলি আঞ্জাখনে অমৃতৰ দৰে কাম কৰে। আমি সেয়েহে এই পৰম্পৰা ৰাখিবলৈ চেষ্টা কৰিব লাগে।

ব'হাগ বিহুত বৰহাৰ কৰা আপুৰুগীয়া উদ্ভিদ হ'ল- বৰ্হমথুৰি, জেতুকা, দীঘলতি, মাখিয়তি, বড়গছ, নাহৰ গছ, কপৌফুল, জেটুলিপকা, আঁহত গছ আদি।

জেতুকা এবিধ অতি ঔসধি গুণ থকা উদ্ভিদ। জেতুকাৰ পাত খুন্দি সৰিয়হৰ তেলৰ লগত মিহলাই হাতত বান্ধি ল'লে শৰীৰত চৰ্মৰোগ, বসন্তৰোগ নহয় বুলি কথিত আছে। কপালত জেতুকা ঘঁহিলে মূৰঘূৰণি নহয় বুলি বিশ্বাস আছে।

বৰ্হমথুৰি পাত চোবাই বা তামোলৰ লগত খালে দাঁতৰ বিভিন্ন বেমাৰৰ পৰা উপশম পাব পাৰে। পেটৰ অসুখ নাথাকে। বড়গছৰ তলক মঙ্গোল গোষ্ঠীৰ লোকে পৱিত্ৰ দেৱবৃক্ষ হিচাপে গণ্য কৰে। বড়ৰ ঢপলা পাতত ভাত খালে হঠাৎ বোবা হৈ যোৱা মানুহৰ মাত ওলাই বুলি জনবিশ্বাস আছে। বড়গছৰ দৰে আঁহত গছকো পৱিত্ৰ বৃক্ষ হিচাপে গণ্য কৰা হয়। নাহৰ পাতত মন্ত্ৰ লিখি ঘৰৰ ভিতৰৰ চুক বা দুৱাৰত লগাই থলে বতাহ-ধুমুহা বজ্ৰপাতৰ পৰা ৰক্ষা পৰে বুলিও বিশ্বাস আছে।

"দীঘলতিৰ দীঘল পাত, মাখি মাৰো জাত-জাত"- বুলি গৰু বিহুৰ দিনা পুৱা গৰু খেদাই নদীলৈ নি গা-ধুওৱা হয়। লোকবিশ্বাস মতে কোনো লোকক আহাৰৰ লগত কোনোবাই আহুদি খুৱালে এই গছৰ ঠাল হাওলাই আনি ওপৰত শৌচ কৰিলে পেটত আহুদি থাকিলে গছজোপা জঁই পৰি যায়।

শস্যশ্যামলা প্ৰকৃতিৰ বুকুত থকা তৰু-তৃণ, বনৌষধি উদ্ভিদে প্ৰকৃতিৰ প্ৰতিটো জীৱকে প্ৰতি ক্ষণতে সহায় কৰি আহিছে। সেইবাবে এই বনৌষধিবোৰ ৰোপণ কৰি যথাসময়ত যথাস্থানত ব্যৱহাৰ কৰি সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

*"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধাৰ*
*বাতবৃষ্টি হৰংদেৱ নমঃস্ততে।"*



# আত্মবিশ্লেষণে মনত সৃষ্টি কৰে

# বিকশিত মানসিকতা

— প্ৰাণ প্ৰতিমা বড়া

সমাজত বাস কৰা প্ৰতিজন মানুহৰ চৰিত্ৰ ভিন্ন হয়। বৰ্তমান সময় বৰ জটিল; দিনক দিনে বাঢ়ি অহা অপৰাধমূলক ঘটনাবোৰে সকলোৰে মন শংকিত কৰি তুলিছে। আজিৰ যুগত মানুহে মানুহক চিনি নোপোৱাটো তেনেই সাধাৰণ কথা হৈ পৰিছে। মানুহ শিক্ষিতই হওক বা অশিক্ষিত-সেয়া ডাঙৰ কথা নহয়; বৰ্তমান সময়ত মানুহেই মানুহৰ বাবে আটাইতকৈ জটিল সমস্যা হৈ পৰিছে। ইয়াৰ মূল কাৰণ হৈছে মানুহৰ মানসিক স্থিতিৰ সংকীৰ্ণতা। প্ৰতিযোগিতাৰ দৌৰত মানুহে আনৰ আৱেগৰ কথা পাহৰি গৈছে। সম্পৰ্কবোৰৰ মাজত মৰম-চেনেহৰ পৰিৱৰ্তে এতিয়া স্বাৰ্থৰ মামৰে আগুৰি ধৰিছে। এনে এক পৰিৱেশত মানসিক স্থিতাৱস্থা সলনি

*আত্মবিশ্লেষণে মানুহক আত্মশুদ্ধিৰ পথ দেখুৱায়। যিসকলৰ মানসিকতা স্থিৰ বা সংকীৰ্ণ, তেওঁলোকে প্ৰতিদিনেই নিজক আনৰ পৰা পৃথক কৰি ৰাখে আৰু সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি কৰে। এতিয়া প্ৰশ্ন হ'ল- স্থিৰ মানসিকতাৰ মানুহ কোনবোৰ?*

কৰিবলৈ হ'লে প্ৰতিজন মানুহে 'আত্মবিশ্লেষণ' কৰাটো অতিকৈ জৰুৰী।

স্থিৰ মানসিকতা নে বিকশিত মানসিকতা?

আত্মবিশ্লেষণে মানুহক আত্মশুদ্ধিৰ পথ দেখুৱায়। যিসকলৰ মানসিকতা স্থিৰ বা সংকীৰ্ণ, তেওঁলোকে প্ৰতিদিনেই নিজক আনৰ পৰা পৃথক কৰি ৰাখে আৰু সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি কৰে। এতিয়া প্ৰশ্ন হ'ল- স্থিৰ মানসিকতাৰ মানুহ কোনবোৰ?

এই শ্ৰেণীৰ মানুহে নিজকে আনৰ পৰা আঁতৰত ৰাখি ভাল পায়। তেওঁলোকৰ মানসিকতা বিকশিত নহয়, বৰঞ্চ এক নিৰ্দিষ্ট চিন্তাতে আবদ্ধ থাকে। তেওঁলোকে আনৰ উন্নতি সহ্য কৰিব নোৱাৰে আৰু আনৰ ভাল কৰ্মৰ বাবে কৃতজ্ঞতা স্বীকাৰ নকৰে। দিনটোৰ বেছিভাগ সময় আনৰ সমালোচনা বা কুৎসা ৰটনাত ব্যয় কৰি তেওঁলোকে তৃপ্তি পায়। বহুত ক্ষেত্ৰত আনৰ লগত সৎকৰ্মৰ ফেৰ মাৰিব নোৱাৰি তেওঁলোকে নিজৰ আত্মবিশ্বাস হেৰুৱাই পেলায়। তেওঁলোকে শিক্ষিতই হওক বা অশিক্ষিত- আনক অপবাদ দি জীৱনৰ বহুতো মূল্যৱান সময় নষ্ট কৰে।

**আত্মবিশ্লেষণৰ প্ৰয়োজনীয়তা ঃ**

বৰ্তমানৰ এই জটিল সন্ধিক্ষণত নিজক আত্মবিশ্লেষণ কৰাৰ অতিকৈ প্ৰয়োজন হৈ পৰিছে। দিনটোৰ ব্যস্ততাৰ অন্তত যেতিয়া আমি শুবলৈ যাওঁ, সেই সময়ত অন্ততঃ দহ মিনিটমান সময় উলিয়াই আমি নিজক বিশ্লেষণ কৰা দৰকাৰ। 'দিনটোত মই কি ভাল কাম কৰিলোঁ আৰু কি বেয়া কাম কৰিলোঁ?'- এই দুটা প্ৰশ্নৰ উত্তৰ আমি নিজক সোধা উচিত। তেতিয়াহে আমি আমাৰ মনক আত্মবিশ্লেষণৰ জৰিয়তে ভাল-বেয়া বা ভুল-শুদ্ধৰ বিচাৰ কৰিবলৈ শিকাব পাৰিম। সমাজ সচেতন মানুহ হিচাপে যদি আমি প্ৰত্যেকেই এই অভ্যাস গঢ়ি তোলোঁ, তেন্তে আমাৰ আত্মশুদ্ধি হোৱাৰ লগতে সমাজৰ পৰা লেতেৰা মানসিকতাবোৰ লাহে লাহে বিলুপ্ত হ'ব।

আমি সকলোৱে বিকশিত মানসিকতাৰ মানুহৰ সান্নিধ্য বিচাৰিব লাগে। বিকশিত মানসিকতাৰ মানুহৰ চিন্তাধাৰা সদায় ইতিবাচক (Positive) হয়। তেনে লোকৰ পৰা আমি নিজৰ মনত শুভ চিন্তাৰ সূত্ৰপাত ঘটাব পাৰোঁ।

**অভিজ্ঞতা আৰু শিক্ষা ঃ**

জীৱনত লগ পোৱা প্ৰতিজন মানুহেই আমাক কিছু অভিজ্ঞতা দি যায়- সেয়া কেতিয়াবা ভাল হ'ব পাৰে বা কেতিয়াবা বেয়া। কিন্তু দুয়োটা অভিজ্ঞতাৰ মাজতে আমাৰ শিকিবলগীয়া বহুত কথা থাকে। জীৱনৰ অভিজ্ঞতাসমূহক আওকাণ কৰা অনুচিত। লাভ কৰা অভিজ্ঞতাবোৰক জীৱনৰ প্ৰয়োজনীয় শিক্ষা বুলি গ্ৰহণ কৰিলে আমি নিশ্চিতভাৱে লাভৱান হ'ম।

মানুহৰ মানসিকতা শুদ্ধ হ'বলৈ আত্মবিশ্লেষণ অপৰিহাৰ্য। আমি প্ৰত্যেকেই যদি এই বিদ্যা আয়ত্ত কৰিব পাৰোঁ, তেন্তে নিজৰ ভুলবোৰ শুধৰাই সমাজৰ প্ৰতি অধিক দায়িত্বশীল আৰু সংবেদনশীল হ'ব পাৰিম।


## লেখা আহ্বান

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অন্যান্য শিতানৰ বাবে আমাৰ ঠিকনালৈ লেখা প্ৰেৰণ কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ
**৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ
bornilmagazine2019@gmail.com

# ফুলৰ মেলাতে

— প্ৰিয়ম ৰাগিণী

*“আজি বিহু বিহু কালি বিহু বিহু*
*অ’ নাহৰ ফুল ফুলিবৰ বতৰ*
*নাহৰ ফুলৰ গোন্ধ পাই*
*নাচনীৰ ত’তে নাই*
*গচকত ভাঙি যাওঁ যতৰ... ।”*

বসন্ত আহিছে বৰ্ণিল হৈ। ৰঙে ৰূপে ৰসে সুশোভিত হৈ। কুলিৰ মাতে আৰু সোণত সুৰগা চৰাইছে। ঋতু পৰিৱৰ্তনৰ লগে লগে সময় বাগৰে। পৰিৱেশেও নতুন নতুন ছেও ধৰে। শাওণ, আঘোণত যি ৰূপ হয় সেই ৰূপ আকৌ ব’হাগত নহয়। ব’হাগত যি ৰূপ হয় সেই ৰূপ আকৌ কাতিত নহয়। প্ৰতি সময়ৰে প্ৰতি মাহৰে একো একোটা নিৰ্দিষ্ট বৈশিষ্ট্য থাকে। ইয়ে আমাৰ মানৱ জীৱনক সেইমতে নিজকে প্ৰস্তুত কৰি ল’বলৈ বাধ্য কৰায়। আমি মানুহবোৰ আকৌ পৰিস্থিতিৰ দাস। যিসময়ত সন্মুখত যি আহি পৰে সেই মতে আমি নিজকে সাজু কৰি তোলোঁ। বিহু আহিছে। ঋতু পৰিৱৰ্তনক সাৰোগত কৰি বছৰ বাগৰিছে। অসমীয়া জনজীৱনৰ পূৰ্বাপৰ প্ৰচলিত সংস্কৃতিৰ বৰঘৰ জিলিকাই ৰখা উৎসৱ হৈছে আমাৰ বিহু উৎসৱ। তিনিটা ভিন্ন সময়ত উদযাপন কৰা বিহুৰ ভিতৰত আকৌ সবাটোকৈ প্ৰিয় হৈছে ৰঙালী বিহু বা ব’হাগ বিহু। বিহু আহি চোতাল পালেহিয়েই। উথপথপ আমাৰ গা-মন সকলো।

*“কপৌ ফুল ফুলিলে নাহৰ ফুল ফুলিলে*
*গছেও পেলালে পাত*
*তগৰ ফুল শুৱনি কেতেকী সুগন্ধি*
*বিহু বিহু লাগিছে গাত।”*

উতনুৱা ফাগুনে মেলানি মগাৰ লগে লগেই পৰিৱেশলৈ চ’তৰ আগমন ঘটে। চ’ত মাহ সোমালেই পৰিভ্ৰমী কুলি



নামৰ পখীজনী আহি ওলাইহি বসন্তৰ জাননী লৈ। লঠঙা গছৰ ডালত পৰি কুউও বুলি মতাৰ লগে লগেই যেন বসন্ত লাহে লাহে লহপহকৈ বৰ্ণিল হ'বলৈ ধৰে। ক'ৰবাত পাহুৱাল ডেকা গাভৰুৰ গা উখল-মাখল লাগে। 'বিহু পালেহিয়েই' বুলি ধৰফৰনি লাগে। শৰীৰ মনলৈও ন বসন্তৰ জাননী পাই গা ৰিমঝিমাই উঠে। বসন্ত যেন এক প্ৰণয়ৰ গান। এই হেন বতৰত ডেকা গাভৰুৱে প্ৰণয়ৰ তাড়না অনুভৱ কৰিয়েই মুখৰপৰা স্বতঃস্ফূৰ্তভাৱে নিসৃত হয় আনন্দ মিশ্ৰিত বিহু গীতবোৰ-

*"চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি*
*ফুলিলে ভেবেলী লতা*
*কৈ নো কৈ থাকিলে ওৰকে নপৰে*
*ব'হাগৰ বিহুৰে কথা"*

হয়। সঁচাকৈয়ে ব'হাগৰ কথাৰ জানো শেষ আছে?। ব'হাগৰ কথা কৈ শেষ কৰিব নোৱাৰি। প্ৰাণ প্ৰাচুৰ্যতাৰে ভৰপূৰ এই ব'হাগ। অসমীয়াৰ বুকুৰ আৱেগ। হিয়াৰ আমঠু।

বৰণীয়া অসমখনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথা ন কৈ কোৱাৰ প্ৰয়োজন হয়তো নাই। ব'হাগত অকণমানি গহৰা ডালতে কপৌ ফুল ফুলাৰ উদাহৰণ আছে। প্ৰকৃতিৰ লগত ফুল ফলৰ সম্বন্ধ আছে। কোন মাহত কি ফুল ফুলিব সেয়া যেন নিৰ্ধাৰিত সময়ত ধাৰ্য কৰি থোৱাহে থাকে। আচলতে প্ৰকৃতিয়ে স্বতঃস্ফূৰ্তভাৱে এই কাৰ্যবোৰক সামৰি লয়। ব'হাগ আহিলে কোনো মানুহে জোৰজবৰদস্তি কপৌফুল ফুলাব নালাগে। ব'হাগ আহিলে কোনো মানুহে কুলি চৰাইজনীক বিচাৰি ধৰি আনিবলৈ হাবাথুৰি খাব নালাগে। বাৰীৰ ঢাপত মাখিয়তি গছজোপা স্বতঃস্ফূৰ্তভাৱে ফুলি উঠে। তগৰ, কেতেকী, নাহৰ কেইজোপাক গৈ কোনেও ক'বগৈ নালাগে যে ব'হাগ আহিছে ফুলিবৰ সময় হ'ল বুলি। প্ৰকৃতিৰ এনেধৰণৰ স্বয়ংক্ৰিয় কৰ্মবোৰত আচলতে মানুহহে আচৰিত হ'বলগীয়া হোৱা উচিত। সময়ৰ লগে লগে হয়তো মানুহেহে কাম সমাপন কৰি তুলিব নোৱাৰিব পাৰে। কিন্তু প্ৰকৃতি নিজৰ ঠাইত থাকি সঠিক সময়ত সঠিক কামেই কৰি থাকে।

প্ৰকৃতিৰ লগত উৎসৱৰ সম্বন্ধ আছে। অসমীয়া সংস্কৃতিৰ বৰপীৰা স্বৰূপ বিহু উৎসৱত ফুলৰ সমাহাৰৰ কথা এক এৰাব নোৱাৰা সম্পৰ্ক। বিহুলৈ কিছুদিন থকাৰ পৰাই বাৰীৰ ঢাপত কেতেকী জোপা ফুলি উঠে। নাহৰ, কপৌ, ভাটৌ, তগৰৰ পৰা আদি কৰি অন্যান্য বহু ফুলৰ কথা উনুকিয়াব পাৰি। কাঞ্চন জবা, পানী তগৰ। কি ফুল নুফুলে? ব'হাগত সকলোবোৰ ফুলেই লহপহকৈ ফুলে। এৰা.., ফুলতো ফুলিবৰ বাবেই। ফুলৰ বাবে প্ৰকৃতি সুন্দৰ হৈ উঠে।

ব'হাগৰ আগমনৰ লগে লগেই নাহৰ, তগৰ, কেতেকী, কপৌফুলবোৰৰ মাজত যেন প্ৰতিযোগিতা হয়। প্ৰকৃতি শুৱনি কৰাৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত কিন্তু অন্য চম্পা, কাঞ্চন, মাধৈমালতী, আনকি বাৰীৰ টেঙা, মধুৰিৰ পৰা সৰুসুৰা ফুলবোৰো পিছপৰি নাথাকে। প্ৰতিযোগিতাৰ দৌৰত যেন অধিক জকমকাইহে ফুলি উঠে।

*"কপৌ ফুল ফুলিলে গহৰাৰ ডালতে*
*ঐ কেতেকী ফুলিলে ঐ ঢাপত*
*চ'তৰ বিহু মাৰোগৈ ওলাই আহ সমনীয়া*
*মাতিছোঁ চকুৰে টিপত।"*

ব'হাগত কপৌফুলে মুখ্য স্থান পায়। সেয়ে বিহুগীতত উল্লেখ আছে-

*"পাহাৰ বগাই বগাই চেনীমাই*
*কপৌফুল আনিলোঁ*
*অ' চেনীমাই খোপাতে গুজি দিম বুলি...।"*

কপৌফুল বিচাৰি বিহুৱা ডেকাই অতি কষ্টেৰে পাহাৰ বগাই বগাই যায়। কপৌ ফুলপাহ চেনেহীৰ কলডিলীয়া খোপাতেই হওক বা নেঘেৰী-খোপাতেই হওক গুজি দি মন ভুলাবলৈ চেষ্টা কৰে। শৈশৱ, কৈশোৰতে এই কপৌফুলৰ প্ৰতি মোৰ তীব্ৰ আকৰ্ষণ আছিল। সেই সময়ত হাবিৰ মাজত ফুলি থকা কপৌফুলৰ সঁচ আনি

ঘৰৰ বাৰীৰ তামোল গছত ৰুই লৈছিলোঁ। এতিয়াও সেই কপৌফুল ভাটৌফুলবোৰ ব'হাগ মাহত লহপহকৈ ফুলি উঠে। ফুলৰ প্ৰতি দুৰ্বলতা আছে মোৰ। নিজৰ বাৰীৰ জেতুকা আৰু তামোল গছত মই বিভিন্ন প্ৰজাতিৰ কপৌফুল, ভাটৌফুল সংগ্ৰহ কৰি ৰোপণ কৰিবলৈ যত্ন কৰিছোঁ। কপৌ ফুলৰ বহু প্ৰজাতি আছে। আজিকালি হাবি বা মানুহৰ ঘৰতেই নহয় উন্নত পদ্ধতিৰে ব্যৱসায়ভিত্তিক কপৌ, ভাটৌ ফুলৰ বা অৰ্কিডৰ খেতি কৰা দেখা যায়। অৰ্কিডসমূহৰ বজাৰ দাম যথেষ্ট। ব'হাগৰ এই সময়খিনিতে নাহৰ ফুলবোৰো ফুলি উঠে। ফাগুন চ'তত লঠঙা হৈ পৰা গছৰ ডালবোৰলৈ বসন্তৰ জাননী পাই ন কুঁহিপাতে থোৰ মেলে। এই সময়খিনিলৈ প্ৰকৃতিৰ চাৰিওফালৰ গছবোৰ সজীৱ হৈ পৰে। কপৌফুলৰ লগতে ব'হাগত ভাটৌফুলবোৰো ফুলি থাকে। ভাটৌফুল নাচনীয়ে খোপাত নামাৰে যদিও ব'হাগত ভাটৌফুলৰো আদৰ থাকে। ব'হাগত নাহৰ ফুল ফুলে। ফুলবোৰ দেখিবলৈ বৰ ধুনীয়া। বগাৰ মাজত অলপ হালধীয়া চানেকীয়া ৰং থাকে। ফুলপাহে মানুহক বৰকৈ আকৰ্ষণ কৰে।

ব'হাগৰ এই নাহৰ গছৰ পাতক লৈয়ো বিহুনাম আছে-

*"নাহৰ পাত এখিলি থিয় সমনীয়া*
*নাহৰ পাত এখিলি থিয়... ।"*

ব'হাগৰ আন এপাহ উল্লেখযোগ্য ফুল হ'ল তগৰ ফুল। বগা বগা ৰঙৰ এই ফুলপাহৰ গোন্ধ বহুদূৰলৈকে বিয়পি যায়। কপৌফুলৰ পৰিৱৰ্তে নাচনীয়ে বিহু নাচিবলৈ তগৰ ফুলো ব্যৱহাৰ কৰে। তগৰ ফুল আকৌ কেতিয়াবা বাৰমাহে ফুলাও দেখা যায়। তগৰ ফুলত ইয়াৰ সুগন্ধৰ বাবে বিভিন্ন তৰহৰ পখিলা আৰু ভোমোৰা মৌমাখি আহি পৰেহি। তগৰ ফুলক লৈয়ো বিহুগীতত উল্লেখ পোৱা যায়-

*"তগৰ ফুলিল নাহৰ ফুলিল আৰু ফুলিল*
*তগৰ ফুল*
*তোৰ বাবে হ'ল মোৰ মন বিয়াকুল... ।"*

ব'হাগ বিহুত ফুলা আন এবিধ সুগন্ধি ফুল হ'ল কেতেকী ফুল-

*"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী*
*কেতেকী মলেমলায় ঐ গোবিন্দায় ৰাম... ।"*

কেতেকী ফুল সততে পোৱা নাযায়। আগতে আমাৰ বাৰীৰ গেজেপনি মৰা হাবিৰ ভিতৰতহে পোৱা গৈছিল কেতেকী ফুল। দেউতাই বিহুৰ দিনত মাখিয়তি, দীঘলতিৰ লগত প্ৰায়ে এই ফুলপাহ ছিঙি আনি আমাক দেখুৱাইছিল। হালধীয়া ৰঙৰ দীঘলীয়া ফুলপাহ যেন এতিয়া নষ্টালজিয়াৰ গৰ্ভত বিলীন হ'ল। কেতেকী ফুল ঘন কাঁইটীয়া পাতৰ মাজত গজে

*বৰণীয়া অসমখনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথা ন কৈ কোৱাৰ প্ৰয়োজন হয়তো নাই। ব'হাগত অকণমানি গহৰা ডালতে কপৌ ফুল ফুলাৰ উদাহৰণ আছে। প্ৰকৃতিৰ লগত ফুল ফলৰ সম্বন্ধ আছে। কোন মাহত কি ফুল ফুলিব সেয়া যেন নিৰ্ধাৰিত সময়ত ধাৰ্য কৰি থোৱাহে থাকে। আচলতে প্ৰকৃতিয়ে স্বতঃস্ফূৰ্তভাৱে এই কাৰ্যবোৰক সামৰি লয়। ব'হাগ আহিলে কোনো মানুহে জোৰজবৰদস্তি কপৌফুল ফুলাব নালাগে। ব'হাগ আহিলে কোনো মানুহে কুলি চৰাইজনীক বিচাৰি ধৰি আনিবলৈ হাবাথুৰি খাব নালাগে। বাৰীৰ ঢাপত মাখিয়তি গছজোপা স্বতঃস্ফূৰ্তভাৱে ফুলি উঠে। তগৰ, কেতেকী, নাহৰ কেইজোপাক গৈ কোনেও ক'বগৈ নালাগে যে ব'হাগ আহিছে ফুলিবৰ সময় হ'ল বুলি।*

আৰু ইয়াৰ তীব্ৰ গোন্ধৰ বাবে ফেঁটী সাপ থাকে বুলিও বহু লোকে কয়। ফেঁহু বৰণীয়া ফুলপাহৰ এক অচিনা কিন্তু ধুনীয়া সুবাস আছে। বিহুৰ বতৰত চম্পা আৰু কাঞ্চন ফুলৰো আদৰ আছে। কাঞ্চন ফুলৰো আকৌ কেইবাটাও ৰং থাকে। ব'হাগৰ এজাক বা দুজাক বৰষুণৰ পানী পৰাৰ লগে লগে গছ বনবোৰ সজীৱ সতেজ হৈ পৰে। বাৰীৰ ভিতৰৰ টেঙা, আম, কঁঠালৰপৰা সৰু সৰু জোপোহা ফুলবোৰলৈকে উনুকিয়াব পাৰি। সেয়ে ব'হাগ অনন্য। অন্যন্য ৰূপ বৈশিষ্ট্যৰে পৰিপূৰ্ণ ব'হাগ মাহ। সেয়ে হয়তো ড° ভূপেন হাজৰিকাদেৰে কৈ গৈছে- 'ব'হাগতে অসমীয়া জাতীটোৱে স্নান কৰে।"

হয়। স্বকীয় মহিমা স্বকীয় ৰূপ গৰিমাৰে বিহু সংস্কৃতিয়ে অসমীয়া জনজীৱনক বিশ্ব দৰবাৰত জিলিকাই তুলিছে। সেয়া স্বীকাৰ কৰিবই লাগিব।

বৰ্ণিল বসন্তই কেৱল প্ৰকৃতিকে সজীৱ কৰিবলৈ আহে এনে নহয়। বিহুলৈ দুমাহমান থকাৰ পৰাই ঢুলীয়া নাচনীৰ পৰা শিপিনীসকলৰো উথপথপ লাগে। ম'হ গোৱালৰপৰা গুড়ৰ ব্যৱসায়ীলৈকে, পেঁপা, গগনা, সুতুলিৰ পৰা লাহনি, বিচনী, জাপি সজা লোকসকললৈকে ব্যস্ততাৰ অন্ত নাইকিয়া হয়। বিহুৰ পিঠাপনা ঢেঁকীৰ গুমগুমনি, ঢোলৰ গুমগুমনিৰ পৰা লাহনী, বিচনী, জাপিবোৰৰ লগত অসমীয়া লোকৰ জীৱনচৰ্যা জড়িত হৈ আছে। কৃষিকৰ্মৰ লগত বিহু সংপৃক্ত। কৃষিকৰ্মৰ লগত আকৌ গৰু জড়িত। সেয়ে সাতদিনীয়াকৈ পালন কৰা ব'হাগৰ বিহুটোত প্ৰথম দিনটোতেই গৰু বিহুৱেহে আগস্থান লাভ কৰে। তাৰ পাছত ক্ৰমে মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, চেনেহী বিহু আৰু চেৰা বিহু পালন কৰে।

বিহুৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ কথা কৈ আচলতে শেষ কৰিব নোৱাৰি। প্ৰকৃতিৰ লগতে মানৱ জীৱন আৰু পশু-পক্ষীও এই বিহুৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ বাবে বিহুৰ স্বকীয় গুণ বৈশিষ্ট্যৰে যেন আৰু মহিমামণ্ডিত হৈ উঠে। ঐতিহ্য পৰম্পৰা লোকবিশ্বাস আধাৰিত বিহু উৎসৱে যদিও গছতল এৰি মঞ্চ গৰকিলেহি তথাপিও কৰ্মঠ অসমীয়াই ঢোলৰ 'ধেই তাক বুলনি'ত গা লৰাই নাচিবলৈ নেৰে। কাৰণ বিহুৱেই আমাৰ অসমীয়াৰ জাতীয় দলিল তথা বিশ্ব দৰবাৰত অসমীয়াক চিনাকি কৰাই দিয়াৰ প্ৰথম মঞ্চ।


## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

# লুইত আৰু ব'হাগ

— বিজিত মহন্ত



অসমীয়া সংস্কৃতি আৰু জনজীৱনৰ অবিচ্ছেদ্য অংগ লুইত আৰু ব'হাগ। লুইত বা মহাবাহু ব্ৰহ্মপুত্ৰ অসমৰ জীৱন ৰেখা, যিয়ে পথাৰ সেউজীয়া কৰে, আনহাতে ব'হাগে প্ৰকৃতিৰ নতুন ৰূপৰ সৈতে বসন্তৰ আগমন আৰু কৃষিভিত্তিক আনন্দ কঢ়িয়াই আনে। এই দুয়োটা অসমীয়া স্বাভিমান, প্ৰেম আৰু উছাহৰ প্ৰতীক। অসমৰ মাজেৰে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰ নদীক মৰমেৰে লুইত, লৌহিত্য বা বৰ লুইত বুলি জনা যায়। ই কেৱল এখন নদী নহয়, অসমীয়া সভ্যতা, সাহিত্য আৰু সংগীতৰ মূল আধাৰ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীতত লুইতৰ পাৰৰ মানুহৰ দুখ-সুখৰ ছবি ফুটি উঠে। অসমীয়া নৱবৰ্ষৰ আৰম্ভণিতে ব'হাগ মাহত ৰঙালী বিহু উৎসৱ পালন কৰা হয়। ই প্ৰকৃতিৰ নতুন পাত, ফুল আৰু কৃষকৰ মনৰ ৰঙীন উছাহৰ প্ৰতীক। ব'হাগৰ বিহুত ঢোল, পেঁপা, গগনাৰ মাতত লুইতৰ পাৰৰ প্ৰকৃতি মুখৰিত হৈ পৰে। পথাৰৰ দাঁতিত, গছৰ তলত, ডেকা-গাভৰুৱে বিহু নাচি প্ৰেম আৰু মিলনৰ বাৰ্তা বিলাই। লুইতৰ পানীৰে খেতি কৰি আৰু ব'হাগৰ আনন্দৰে মন ভৰাই তোলে। লুইতৰ বুকুতেই ৰঙালী বিহুৰ সময়ত নাও খেল, বিহুৰ বাদ্য যন্ত্ৰই আকাশ ভৰাই তোলে। লুইতৰ সৌন্দৰ্য আৰু ব'হাগৰ আনন্দ, উল্লাসে অসমীয়াক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছে।

*অসমৰ মাজেৰে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰ নদীক মৰমেৰে লুইত, লৌহিত্য বা বৰ লুইত বুলি জনা যায়। ই কেৱল এখন নদী নহয়, অসমীয়া সভ্যতা, সাহিত্য আৰু সংগীতৰ মূল আধাৰ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীতত লুইতৰ পাৰৰ মানুহৰ দুখ-সুখৰ ছবি ফুটি উঠে। অসমীয়া নৱবৰ্ষৰ আৰম্ভণিতে ব'হাগ মাহত ৰঙালী বিহু উৎসৱ পালন কৰা হয়। ই প্ৰকৃতিৰ নতুন পাত, ফুল আৰু কৃষকৰ মনৰ ৰঙীন উছাহৰ প্ৰতীক। ব'হাগৰ বিহুত ঢোল, পেঁপা, গগনাৰ মাতত লুইতৰ পাৰৰ প্ৰকৃতি মুখৰিত হৈ পৰে।*



# ৰঙালী বিহু

## অসমৰ জীৱন-সংস্কৃতিৰ এক উজ্জ্বল প্ৰতিচ্ছবি

— নীলোৎপল শইকীয়া

ৰঙালী বিহু অসমৰ জাতীয় জীৱনৰ সৈতে গভীৰভাৱে জড়িত এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক উৎসৱ। ই 'ব'হাগ বিহু' নামেৰেও জনাজাত। বসন্ত ঋতুৰ আগমনৰ লগে লগে নতুন বছৰৰ আৰম্ভণিকো বুজায়। প্ৰকৃতিৰ সেউজীয়া ৰূপ, ফুলৰ সুবাস আৰু নৱজীৱনৰ আনন্দেৰে এই উৎসৱে অসমৰ মানুহৰ হৃদয়ত এক বিশেষ স্থান অধিকাৰ কৰিছে।

ৰঙালী বিহু মূলতঃ কৃষিভিত্তিক উৎসৱ। কৃষকৰ বাবে ই নতুন বছৰৰ কাম-কাজৰ আৰম্ভণিৰ প্ৰতীক। মাটিত বীজ ৰোপণৰ আগতে এই উৎসৱ উদযাপন কৰি মানুহে আনন্দ কৰে আৰু ভৱিষ্যতৰ বাবে আশাৰ বতৰা লয়। এই বিহু সাতদিন ধৰি উদযাপন কৰা হয়, যাক 'সাত বিহু' বুলি কোৱা হয়- গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু আদি ইয়াৰ অবিচ্ছেদ্য অংশ।

'গৰু বিহু'ৰ দিনা গৰুবোৰক নদী বা পুখুৰীত স্নান কৰোৱা হয় আৰু সিহঁতক যত্নেৰে পৰিচৰ্যা কৰা হয়। ইয়াৰ দ্বাৰা কৃষিকাৰ্যত গৰুৰ গুৰুত্ব প্ৰকাশ পায়। 'মানুহ বিহু'ৰ দিনা মানুহে নতুন কাপোৰ পিন্ধে, জ্যেষ্ঠসকলৰ আশীৰ্বাদ লয় আৰু কনিষ্ঠসকলক মৰম যাচে। এই দিনটোত মানুহে একেলগে মিলি আনন্দ ভাগ-বতৰা কৰে।


ৰঙালী বিহুৰ অন্যতম বৈশিষ্ট্য হৈছে বিহুনাচ আৰু বিহুগীত। ঢোল, পেঁপা, গগনা, টকা আদি বাদ্যযন্ত্ৰৰ সুৰেৰে চৌপাশ মুখৰিত হৈ উঠে। যুৱক-যুৱতীয়ে পৰম উৎসাহেৰে নাচে আৰু গীতেৰে নিজৰ

*ইয়াৰ উপৰিও ৰঙালী বিহুত পিঠাপনা, লাৰু, জলপান আদি পৰম্পৰাগত খাদ্যৰ বিশেষ স্থান আছে। ঘৰে ঘৰে এইবোৰ প্ৰস্তুত কৰি অতিথিসকলক আপ্যায়ন কৰা হয়। ইয়াৰ জৰিয়তে অসমীয়াৰ আতিথ্য আৰু ঐক্যবদ্ধতাৰ মানসিকতা প্ৰকাশ পায়। ৰঙালী বিহু সামাজিক ঐক্যৰো এক শক্তিশালী মাধ্যম। এই সময়ত জাতি-ধৰ্ম-নিৰ্বিশেষে সীমা পাৰ কৰি সকলো মানুহে একেলগে মিলি আনন্দ কৰে। ই সমাজত ভাতৃত্ববোধ, সম্প্ৰীতি আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলে।*

অনুভৱ প্ৰকাশ কৰে। এই নাচ-গীতত প্ৰকৃতিৰ সৌন্দৰ্য, যৌৱনৰ উচ্ছ্বাস আৰু জীৱনৰ সৰলতা সুন্দৰভাৱে প্ৰতিফলিত হয়।

ইয়াৰ উপৰিও ৰঙালী বিহুত পিঠাপনা, লাৰু, জলপান আদি পৰম্পৰাগত খাদ্যৰ বিশেষ স্থান আছে। ঘৰে ঘৰে এইবোৰ প্ৰস্তুত কৰি অতিথিসকলক আপ্যায়ন কৰা হয়। ইয়াৰ জৰিয়তে অসমীয়াৰ আতিথ্য আৰু ঐক্যবদ্ধতাৰ মানসিকতা প্ৰকাশ পায়। ৰঙালী বিহু সামাজিক ঐক্যৰো এক শক্তিশালী মাধ্যম। এই সময়ত জাতি-ধৰ্ম-নিৰ্বিশেষে সীমা পাৰ কৰি সকলো মানুহে একেলগে মিলি আনন্দ কৰে। ই সমাজত ভাতৃত্ববোধ, সম্প্ৰীতি আৰু সহযোগিতাৰ মনোভাব গঢ়ি তোলে।

সামগ্ৰিকভাৱে, ৰঙালী বিহু অসমৰ সংস্কৃতি, ঐতিহ্য আৰু জীৱন-দৰ্শনৰ এক জীৱন্ত প্ৰতিফলন। ই মাত্ৰ আনন্দ-উৎসৱৰ নাম নহয়, বৰং মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰা এক মহৎ উপলক্ষ। এই উৎসৱে আমাক আমাৰ মূলৰ সৈতে সংযোগ কৰি ৰাখে আৰু আগন্তুক দিনবোৰলৈ নতুন শক্তি আৰু প্ৰেৰণা যোগায়। সঁচাকৈয়ে, ৰঙালী বিহু অসমৰ আত্মাৰ উৎসৱ, যিয়ে আনন্দ, ঐক্য আৰু নতুন জীৱনৰ বাণী বহন কৰে।




গ্ৰন্থ | আলোচনা

## পাৰিপাৰ্শ্বিক শিশু গল্পৰে জীৱনলৈ শিক্ষা

# "পোনাকণৰ পৃথিৱী"

— নিশা ভূঞা




"Earth and sky, woods and fields, lakes and rivers, the mountain and the sea, are excellent schoolmasters, and teach some of us more that what we could learn from books." -John Lubbock

সঁচাকৈয়ে, প্ৰকৃতি আমাৰ শ্ৰেষ্ঠ শিক্ষক তথা অনন্য সকাহ। কিতাপ-পত্ৰই সামৰি লোৱা অনেক আনুষ্ঠানিক অথবা অনানুষ্ঠানিক শিক্ষাৰ বিপৰীতে প্ৰকৃতিয়ে আমাক জীৱনৰ পাঠ বুজি উঠাত সহায় কৰে। তদুপৰি প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কৰ কথা সকলোৰে জ্ঞাত। প্ৰকৃতি অবিহনে মানৱ জাতিৰ অস্তিত্বই শূন্য। সেইবাবেই প্ৰকৃতিৰ বিষয়ে সৰু-বৰ সকলো কথাই জনাটো অতিকৈ প্ৰয়োজনীয়। দুষ্ট মনোবৃত্তিৰ এচামলোকে নিজৰ স্বাৰ্থত প্ৰকৃতিৰ ওপৰত ধ্বংসলীলা চলোৱাৰ বিপৰীতে একাংশ প্ৰকৃতিপ্ৰেমী অহৰহ প্ৰকৃতিৰ সুৰক্ষাৰ বাবে কাম কৰি আহিছে। শৈশৱ কালৰ পৰাই যে প্ৰকৃতি বিষয়ক কথাবোৰৰ গুৰুত্ব অনুধাৱন কৰাটো উচিত, সেই দিশত আলোকপাত কৰি প্ৰকৃতিপ্ৰেমীসকলে কাম কৰি আছে। শিশুসকলক সাহিত্যৰ জৰিয়তে এই বিষয়ত জ্ঞান দি সজাগ কৰিবলৈ চেষ্টা কৰাৰ ক্ষেত্ৰত মানৱ প্ৰতিম দত্তৰ এটি উল্লেখনীয় নাম। এজন পৰিৱেশ কৰ্মীৰ সমান্তৰালভাৱে কবি, বিজ্ঞানৰ নিবন্ধ লেখক, সমাজ সচেতক যুৱ লেখকৰূপে পৰিচিত মানস প্ৰতিম দত্তই

অসমত বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়কৰণ, বৈজ্ঞানিক মানসিকতা গঠন আৰু পৰিৱেশ সংৰক্ষণৰ ব্যৱহাৰিক কাম-কাজ কৰি আহিছে। বিজ্ঞান জনপ্ৰিয়কৰণ আৰু পৰিৱেশ সংৰক্ষণক কথাৰ পৰা কাৰ্যলৈ ৰূপান্তৰিত কৰিবৰ বাবে তেওঁ অসমৰ বিভিন্ন বাতৰি কাকত-আলোচনীত নিয়মীয়াকৈ লিখি আহিছে। তদুপৰি তেওঁ নিবিড় অনুৰাগ মানস ছদ্মনামেৰে কাব্য চৰ্চাও অব্যাহত ৰাখিছে। তেওঁ অনিৰ্বাণ যুথ এচিভমেণ্ট এৱাৰ্ড আৰু ডিজিটেল মেডিয়া আছাম ফ্লাচ নেচনেলৰ প্ৰকৃতি বন্ধু সন্মানো লাভ কৰিছে। বৰ্তমান ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতক শিক্ষক হিচাপে কৰ্মৰত মানস প্ৰতিম দত্তৰ ‘কুঁৱলীৰ আখৰ এথুপি’, ‘তোমাক ভালপাওঁ বাবেই’, ‘তেজত গজা দুপৰীয়াটো’, ‘তুমি ৰ’দ হোৱা, মই বৰষুণ হ’ম’ (যুটীয়াভাৱে), ‘এই সময় আমাৰ’, ‘মাৰ বাবে লিখিব নোৱৰা কবিতাবোৰৰ কবিতা’, ‘বিলখন নোহোৱা হ’ল আয়াং’ নামৰ কবিতা সংকলন, ‘সংকট-সম্ভাৱনাৰ আলিবাটেৰে মানুহ আৰু প্ৰকৃতি’, ‘কোলাহল আৰু নীৰৱতাৰ সিপাৰে’, ‘সেউজীয়া দিনৰ নৈসৰ্গিক খোজ’, ‘চিনাকি প্ৰকৃতিৰ অচিনাকি সাধু’, ‘প্ৰকৃতিৰ জমাদাৰ’, ‘প্ৰকৃতিৰ বিচিত্ৰ সাধু’ নামৰ প্ৰকৃতিবিষয়ক গ্ৰন্থ, ‘কেনেকৈ এইবোৰৰ বিকাশ ঘটে’, ‘পৰ্বতত এভুমুকি’, ‘হাড় গৈ শিল হ’ল’, ‘যেতিয়া ক্ৰীড়াসুলভ মানসিকতাই দৌৰত জয়লাভ কৰে’ নামৰ অনুবাদ গ্ৰন্থ আৰু কেইবাখনো ই-গ্ৰন্থ প্ৰকাশ পাইছে। ‘পোনাকণৰ পৃথিৱী’ তেওঁৰ শেহতীয়া পাৰিপাৰ্শ্বিক শিশু গল্প সংকলন।

‘পোনাকণৰ পৃথিৱী’ত মুঠ পাঁচটা পাৰিপাৰ্শ্বিক শিশু গল্প সন্নিৱিষ্ট কৰা হৈছে। এই পাঁচটা গল্পত প্ৰকৃতিৰ কিছু অনন্য সম্পদৰ বিশদ বৰ্ণনা, সেই সম্পদৰ ৰক্ষা আৰু এইক্ষেত্ৰত মানৱ সমাজৰ কৰণীয় দিশসমূহৰ কথা সুন্দৰভাৱে তুলি ধৰা হৈছে। ‘দেওকাঠনিৰ হাতীজাক’ গল্পত কিদৰে অৰণ্য ধ্বংস কৰাৰ বাবে দেওকাঠনিত থকা এজাক হাতীয়ে নাহৰনি গাঁৱৰ ৰাইজৰ খেতি অনিষ্ট কৰে আৰু পিছলৈ কেইটিমান শিশুৱে আগভাগ লৈ এই সমস্যা সমাধান কৰি হাতী-মানুহৰ সংঘাত ৰোধ কৰে সেই কাহিনী বৰ্ণনা কৰা হৈছে। ‘পোনাকণৰ পৃথিৱী’ গল্পত আকৌ এপ্ৰিলৰ পৰা মে’ মাহলৈ কিয় মাছ ধৰিব আৰু খাব নালাগে- সেই বিষয়টি পোনাকণ নামৰ এটা মাছৰ পোনা আৰু তৃষ্ণা, অৰুণ, বিপুল, মেঘালী নামৰ শিশুকেইটিৰ জৰিয়তে এটি সুন্দৰ কাহিনীৰে তুলি ধৰা হৈছে।

*কিয় বান্দৰে খাদ্য বিচাৰি মানুহৰ ঘৰ অথবা বাৰী অনিষ্ট কৰে, এই সমস্যাৰ উদ্ভৱ আৰু ৰোধৰ উপায় কি, বান্দৰে কিদৰে মানুহক সহায় কৰিব পাৰে সেই সকলো কথা এই গল্পত তুলি ধৰা হৈছে। তেনেদৰেই ‘গ্ৰীণ কৰিডৰত মুনমুন আৰু ধুনধুন’ নামৰ গল্পত গ্ৰীণ কৰিডৰ কি, হাতীৰ বাবে এই কৰিডৰ কিয় প্ৰয়োজনীয়, হাতীৰ ডিঙিত কিয় জিপিএছ সংযোগ কৰা হয়, এই সকলো কথা এটি সুন্দৰ কাহিনী আৰু কেইটিমান শিশু চৰিত্ৰৰ জৰিয়তে তুলি ধৰা হৈছে। সংকলনখনৰ অন্তিম গল্প ‘বাবু-বেবীৰ শেলুক অভিযান’ত প্ৰকৃতিৰ অনন্য সমল শেলুক আৰু মুকুৰাৰ বিষয়ে কিছু কথা বৰ্ণনা কৰা হৈছে। তদুপৰি খেতিপথাৰত বেছিকৈ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ অপকাৰিতা, জৈৱিক সাৰ প্ৰয়োগৰ সুফল আদিৰ কথাও সুন্দৰকৈ বুজাই দিয়া হৈছে।*

‘বুধু নামৰ বান্দৰটো’ গল্পত বান্দৰ আৰু মানুহৰ মাজৰ সংঘাতৰ দিশটো সুন্দৰকৈ তুলি ধৰা হৈছে। কিয় বান্দৰে খাদ্য বিচাৰি মানুহৰ ঘৰ অথবা বাৰী অনিষ্ট কৰে, এই সমস্যাৰ উদ্ভৱ আৰু ৰোধৰ উপায় কি, বান্দৰে কিদৰে মানুহক সহায় কৰিব পাৰে সেই সকলো কথা এই গল্পত তুলি ধৰা হৈছে। তেনেদৰেই ‘গ্ৰীণ কৰিডৰত মুনমুন আৰু ধুনধুন’ নামৰ গল্পত গ্ৰীণ কৰিডৰ কি, হাতীৰ বাবে এই কৰিডৰ কিয় প্ৰয়োজনীয়, হাতীৰ ডিঙিত কিয় জিপিএছ সংযোগ কৰা হয়, এই সকলো কথা এটি সুন্দৰ কাহিনী আৰু কেইটিমান শিশু চৰিত্ৰৰ জৰিয়তে তুলি ধৰা হৈছে। সংকলনখনৰ অন্তিম গল্প ‘বাবু-বেবীৰ শেলুক অভিযান’ত প্ৰকৃতিৰ অনন্য সমল শেলুক আৰু মুকুৰাৰ বিষয়ে কিছু কথা বৰ্ণনা কৰা হৈছে। তদুপৰি খেতিপথাৰত বেছিকৈ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ অপকাৰিতা, জৈৱিক সাৰ প্ৰয়োগৰ সুফল আদিৰ কথাও সুন্দৰকৈ বুজাই দিয়া হৈছে।

আমাৰ ভৱিষ্যৎ সুন্দৰ কৰি তুলিবলৈ শিশুসকলক প্ৰকৃতিৰ সৈতে পৰিচয় কৰাই দিয়াটো অতিকৈ প্ৰয়োজনীয়। ইতিমধ্যে মানস প্ৰতিম দত্তই শিশুসকলক প্ৰত্যক্ষভাৱে প্ৰকৃতিৰ মাজলৈ নি প্ৰকৃতিৰ সৈতে একাত্ম কৰাবলৈ চেষ্টা কৰি আহিছে। এইবেলি তেওঁ শিশু সাহিত্যৰ মাজেৰে এই প্ৰয়াস কৰিছে। প্ৰকৃতি বিষয়ক এই শিক্ষা শিশুসকলৰ বাবে মনোগ্ৰাহী হোৱাৰ লগতে সহজ-সৰল ভাষাৰে আগবঢ়াই দিয়াটো নিশ্চিতভাৱেই এটি জটিল কাম। এইক্ষেত্ৰত মানস প্ৰতিম দত্ত সফল হৈছে বুলি বিনা দ্বিধাই ক’ব পাৰি। সংকলনখনৰ প্ৰতিটো গল্পতেই মূল কাহিনীৰ সমান্তৰালভাৱে প্ৰকৃতিৰ কিছু অন্যান্য সমল, বিষয় বা উপাদানৰ কথা শিশুসকলৰ উপযোগী হোৱাকৈ তুলি ধৰা হৈছে। তদুপৰি শিশুসকলক আকৰ্ষণ কৰিব পৰাকৈ সংকলনৰ প্ৰতি পৃষ্ঠাত লেখকে চিত্ৰ সংযোগ কৰিছে। অৰ্থাৎ কাহিনী আৰু চিত্ৰৰ মাজেৰে লেখকে নিজৰ চিন্তা আৰু প্ৰকৃতিৰ শিক্ষা শিশুসকললৈ আগবঢ়াইছে, যি ‘পোনাকণৰ পৃথিৱী’ক অন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰতিজন শিশু আৰু পঢ়ুৱৈয়ে এই সংকলনখন পঢ়ি যে উপকৃত হ’ব, সেইকথা নিশ্চিত। উল্লেখযোগ্য যে, ইতিপূৰ্বে এই গল্পকেইটা আগশাৰীৰ কাকতত প্ৰকাশ পাইছিল। ২০২৫ চনত পাঞ্চজন্য বুকছে এই গল্প সংকলনটি প্ৰকাশ কৰি উলিয়াইছে। ৯৬ পৃষ্ঠাৰ ‘পোনাকণৰ পৃথিৱী’ মূল্য ১৫০ টকা।

ঠিকনা ঃ গুৱাহাটী
ফোন ঃ ৯৭০৬৬২৫০২৫

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

# জুবিনবিহীন মহাশূন্যতাত অসমৰ বিহু মঞ্চ



— চিত্ৰামণি হাজৰিকা

বসন্ত ঋতুৰ মৃদু মলয়াজাকৰ লহৰে লহৰে লঠঙা গছবোৰত কুঁহিপাতে পোখা মেলে, চাৰিওদিশে বনফুল, কপৌফুল, নাহৰ ফুলে আমোলমোলায়। ঠিক তেনেক্ষণতে অসমীয়াৰ বাপতিসাহোন মৰমৰ বিহুটিও গছতল, চোতাল, অথবা উদং পথাৰখন শুৱনি হৈ পৰে। বিহু মানেই ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৰে গাত তৎ নোহোৱা, ব্যস্ততাৰ অন্ত নোহোৱা, আনন্দৰ ওৰ নপৰা মধুৰ সময়। চেনেহৰ বিহুটিৰ প্ৰতি অসমীয়াৰ যেন তেজে তেজে প্ৰৱাহিত হয়। ৰাংঢালী নাচনীহঁতে পাহুৱাল ডেকাহঁতৰ ঢোল, পেঁপাৰ মাতত হিয়া উজাৰি নাচে। কিন্তু এইবাৰ বিহুত পাহুৱাল ডেকাহঁতে সাতখন গাঁও ৰজনজনাই যোৱাকৈ ঢোল বজাই নাচনী নচুৱাব পাৰিবনে? ৰাংঢালী ৰচকী নাচনীহঁতৰ বিহু নাচিবলৈ গা উঠিবনে? এইবছৰ দেখোন অসমত দুৰ্গা পূজাত বহুতে পূজা নাচালেই। দীপাৱলীতো ফটকা নুফুটুৱালে, মাঘৰ বিহুতো বহুতে ভোজ খাব নোৱাৰিলে। পাৰিবনে বাৰু এইবাৰ ব'হাগৰ বিহুটি উল্লাসেৰে আদৰিবলৈ? কাৰণ অসম আৰু অসমীয়াৰ বুকুৱে বুকুৱে তেজে তেজে কেৱল বিহুৱেই নহয় আন এটা মহা শক্তিশালী সত্তায়েও ৰাজত্ব কৰে। সেয়া হ'ল অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু তথা নয়নৰ মণি জুবিন গাৰ্গ। শদিয়াৰ পৰা ধুবুৰীলৈকে মঞ্চই মঞ্চই হাঁহি-ধেমালি কৰি, নাচি জঁপিয়াই সকলোকে মুগ্ধ কৰি ৰখা সুৰৰ খনিকৰজন আজি নাই। ভাবিলেই আত্মা শিয়ৰি উঠে, তেওঁৰ অবিহনে কিমান যে উকা হ'ব বিহু মঞ্চখন? হাজাৰজনৰ উপস্থিতিয়েও পূৰ্ণ কৰিব নোৱাৰা সেই শূন্যতা।

জুবিন গাৰ্গ প্ৰতি অসমীয়াৰ বুকুৰ স্পন্দন। জুবিন গাৰ্গ মানেই অসমীয়া সংগীতৰ আত্মা, যিজনে অসমীয়া সংগীতক অন্য এক মাত্ৰা প্ৰদান কৰিলে। কেৱল অসমীয়া আধুনিক সংগীতেই নহয়। লোকগীত, ৰাভা সংগীত, জ্যোতি সংগীত, টোকাৰী গীত, বৰ গীত, প্ৰাৰ্থনা, বিহু গীত আদিক নতুন ৰূপত তুলি ধৰিলে। পুৰণি গীতবোৰ নৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তুলিলে। ক্ৰমশঃ খহিব ধৰা অসমীয়াক এক নতুন আৰু সন্মানজনক স্থানত প্ৰতিষ্ঠা কৰিলে। কোনোবা অখ্যাত, প্ৰান্তীয় ভাষা এটাত গীত গায়ো পৃথিৱী কঁপাব পাৰি সেয়া প্ৰমাণ কৰি গ'ল। অসমতেই ক্ৰমে ক্ৰমে

এলাগী হ'বলৈ ধৰা অসমীয়া ভাষাক বিশ্ববাসীৰ সন্মুখত সগৌৰৱেৰে পৰিচয় কৰোৱাই দিলে।

১৯৯৬ চনত 'উজান পীৰিতি' নামৰ বিহুগীতৰ এলবামেৰে জুবিন গাৰ্গে বিহু গীতৰ পৃথিৱীত পদাৰ্পণ কৰিছিল। 'দোভাগ ৰাতি নাচনী ঐ...' গীতটোৱে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিলে। সেয়াই আৰম্ভণি, তাৰ পিছত তেওঁ পাছলৈ ওলটি চোৱা নাই। 'নাহৰ', 'বগীতৰা', 'ৰাংঢালী', 'অঞ্জনা', 'জোনবাই' আদি বিহু এলবামৰ দ্বাৰা জুবিন গাৰ্গ প্ৰতি অসমীয়াৰ বুকুৰ ভাঁজে ভাঁজে সোমাই পৰিল। প্ৰতিখন বিহুতলীত, খাওঁতে শোওঁতে, যাত্ৰা কৰোঁতে, উৰুকাৰ নিশা পিঠা ভাজোতে এই বিহু গীতবোৰে শ্ৰোতাৰ বুকুৱে বুকুৱে অপূৰ্ব মাদকতা সানি দিলে।

"কিনো চাৰনিৰে চালা মোক ঐ, দেহা পিৰে পিৰাই গ'ল মইনাজান ঐ...।", "ঐ জান ঐ আকাশখন ধুনীয়া, ঐ জান ঐ তৰাৰে জিলিকা...।", "জোনবাই এই বেজী এটি দিয়া বুলি পদ্য মতাৰ বয়সত...।", "কাছই কণী পাৰে হিচাপ কৰি, হিচাপ তই বাৰু কৰিছনে ...'আদি বিহু গীতবোৰে ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোকে মতলীয়া কৰি তুলিছিল। বিহু, পূজা, বিয়া, পিকনিক, বাছ, বজাৰ আদি... ক'ত নেবাজিল এই গীতবোৰ?

অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰতিখন বিহু মঞ্চৰ মুখ্য আকৰ্ষণ আছিল জুবিন গাৰ্গ। জুবিনৰ উপস্থিতয়ে বিহু মঞ্চত সোণৰে সুৰগা চৰাইছিল। হাঁহি, ধেমালি আৰু খুহুতীয়া কথাৰে এটাৰ পিছত এটাকৈ গীত পৰিৱেশন কৰি গৈছিল। তেখেতে মঞ্চখন কেৱল গীত পৰিৱেশন কৰিবৰ বাবেই ব্যৱহাৰ কৰা নাছিল। শুই থকা জনতাক জগাবৰ বাবেও মঞ্চখন ব্যৱহাৰ কৰিছিল। মঞ্চখনৰ জৰিয়তে তেওঁ অসম আৰু অসমীয়াৰ প্ৰতি থকা প্ৰবল দায়িত্ববোধ তেওঁ গীতৰ মাজে মাজে কথাৰে ব্যক্ত কৰিছিল। মঞ্চৰ পৰাই তেওঁ অসমীয়া ভাষাৰ কথা, দেশৰ কথা, সেউজীয়া গছ আৰু পথাৰৰ কথা কৈছিল। জুবিন গাৰ্গে ভুলক ভুল বুলি কোৱাৰ উপৰিও কাকো খাতিৰ নকৰিছিল। এই মঞ্চখনতে তেখেতে নতুন প্ৰতিভাসমূহক ৰাইজৰ মাজত চিনাকি কৰাই দিছিল। কেতিয়াও প্ৰতিদ্বন্দী বুলি ভবা নাছিল। সকলোকে আগবাঢ়ি যাবলৈ মৰমেৰে উৎসাহিত কৰি অনুপ্ৰাণিতহে কৰিছিল। তেখেত প্ৰবল মানৱতাবোধ গুণৰ অধিকাৰী আছিল। সেয়েহে মঞ্চৰ পৰাই তেখেতে 'মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই, মই মুক্ত, মই কাঞ্চনজংঘা' বুলি ঘোষণা কৰিছিল। কিতাপৰ আদৰ কমি অহা নৱপ্ৰজন্মক 'কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে' বুলি সকীয়াই দিছিল। বিহু মঞ্চখনৰ পৰাই তেখেতে গছ ভাল পাবলৈ, মানুহক ভাল পাবলৈ আহ্বান কৰিছিল। অসহায় আৰু নিঃকিনজনৰ সৈতে সদায় থিয় দিছিল। স্থানীয় শিপিনীক উচিত মৰ্যাদা দিয়াবলৈ বহিৰাগত গামোচা মঞ্চৰ পৰাই দলিয়াই প্ৰতিবাদ কৰিব পৰা অসমৰ একমাত্ৰ বিন্দাচ শিল্পীজনেই হ'ল জুবিন গাৰ্গ। ৰাজ্যৰ ভণ্ড শাসন ব্যৱস্থাকো আঙুলি টোঁৱাব পৰা সাহসী ব্যক্তিজনেই হৈছে জুবিন গাৰ্গ। ভাগ্যৰ কি কঠিন পৰিহাস! ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত এটা বলিষ্ঠ কণ্ঠস্বৰ ৰোধ কৰি পেলোৱা হ'ল। সাধাৰণ ৰাইজৰ হৈ মাত মতা সাহসী শিল্পীজন চিৰদিনৰ বাবে নিথৰ কৰি পেলোৱা হ'ল। এই দুখ প্ৰতিজন অসমীয়াই আজীৱন বুকুতে বহন কৰিব। জুবিনৰ গীতৰ ৰাগিত আত্মবিভোৰ হৈ ধাৰাসাৰ বৰষুণকো নেওচি বোকা নাচ নচা ডেকা-ডেকেৰীহঁতে এইবাৰ তেওঁ নোহোৱাৰ দুখ সহিব পাৰিবনে? চাৰিটা দশক জুৰি তেওঁ সকলোকে মোহাচ্ছন্ন কৰি ৰাখিছিল। এইবাৰ বিহুত জুবিনবিহীনতাৰ মহাশূন্যতাত পৰি সমগ্ৰ অসম আকৌ এবাৰ ককবকাই উঠিব। হে মহান শিল্পী, মহান আত্মা প্ৰণামো তোমাক। অসম আৰু অসমীয়া থাকে মানে বুকুৱে বুকুৱে মৰমৰ জুবিন গাৰ্গো সদায়ে জীপাল হৈ ৰ'ব। হিয়াৰ মৰমেৰে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোৱে মিলি তোমাক আমি জীয়াই ৰাখিম।

# জুবিনদা বিহীন ৰঙালী বিহু ঃ

## এটি আধৰুৱা আৱেগ আৰু শূন্যতাৰ দস্তাবেজ



— ঋতুপৰ্ণা দাস,

জ্যেষ্ঠ সাংবাদিক, গুৱাহাটী।

বতাহত কুলিৰ মিঠা মাত ভাহি আহিছে। পদূলিৰ মদাৰজোপাই ৰঙা সাজ পিন্ধিছে আৰু নাহৰৰ কোমল কুঁহিপাতে বিহু বিহু গোন্ধটো বিলাই দিছে। প্ৰকৃতিৰ বুকুত ৰঙালীৰ আগমনৰ এই খৰতকীয়া প্ৰস্তুতি চলি থকাৰ মাজতে অসমীয়াৰ মনবোৰত কিন্তু এইবাৰ যেন সেই চিনাকি উছাহ নাই। হাতত মাত্ৰ এমাহ সময়-যিটো সময়ত সাধাৰণতে বিহুৰ মঞ্চ কঁপাবলৈ জুবিন গাৰ্গৰ নতুন বিহু গানৰ কেছেট বা ডিজিটেল প্লে'টফৰ্মত তেওঁৰ কণ্ঠৰ যাদুৱে ধুমুহাৰ সৃষ্টি কৰে, সেই সময়ত এইবাৰ যেন এক গধুৰ মৌনতাহে বিৰাজ কৰিছে। কাৰণ, এইবাৰৰ বিহুৰ মঞ্চত আমাৰ সকলোৰে হৃদয়ৰ স্পন্দন, আমাৰ মৰমৰ জুবিন দাৰ সেই দুৰন্ত উপস্থিতি আৰু কণ্ঠৰ মাদকতা বিচাৰি পোৱা নাযাব।


যোৱা দুটা বা তিনিটা দশক ধৰি অসমীয়াৰ বাবে ৰঙালী বিহু মানেই আছিল জুবিন গাৰ্গ নামৰ এক বিশাল আৱেগ। তেওঁ কেৱল এজন শিল্পী নহয়, তেওঁ বিহুৰ এক অবিচ্ছেদ্য অংগ, এক বিৰাট শক্তি আৰু আমাৰ সংস্কৃতিৰ এক জীৱন্ত কিংবদন্তি। চ'তৰ পচোৱাজাক অহাৰ লগে লগে আমাৰ কাণত যেন আপোনা-আপুনি বাজি উঠে জুবিন দাৰ সেই চিনাকি সুৰবোৰ, যিয়ে আমাৰ শৈশৱৰ পৰা যৌৱনলৈকে প্ৰতিটো বিহুৰ স্মৃতি ৰঙীন কৰি তুলিছে। বিহুৰ পেণ্ডেলবোৰত যেতিয়া তেওঁ সেই বিশেষ ক'লা চাৰ্টটো পিন্ধি মঞ্চত থিয় হৈছিল, তেতিয়া হেজাৰ হেজাৰ দৰ্শকৰ উন্মাদনা আৰু চিঞৰত আকাশ-বতাহ কঁপি উঠিছিল। তেওঁৰ কণ্ঠৰ সেই যাদুৱে কেৱল আমাক মনোৰঞ্জন দিয়াই নাছিল, বৰঞ্চ আমাক আমাৰ শিপাৰ সৈতে একাত্ম কৰি তুলিছিল।

জুবিনদা অবিহনে বিহুৰ মঞ্চবোৰ আজি যেন কেৱল কাঠ-বাঁহৰ একো একোটা নিৰ্জীৱ গাঁথনিহে হৈ ৰৈছে। বিহুৰ কোনো এক জোনাক নিশা যদি সেই তেজস্বী মানুহজনৰ কণ্ঠত 'অনামিকা', 'মায়া' বা শেহতীয়া বিহু গীতবোৰ বাজি নুঠে, তেন্তে হাজাৰ হাজাৰ দৰ্শকৰ ভিৰ থকাৰ পিছতো যেন ক'ৰবাত এক গধুৰ শূন্যতাই বিৰাজ কৰে। বিহুৰ মঞ্চত তেওঁৰ সেই সৰলতা, দৰ্শকৰ সৈতে কৰা ধেমালি আৰু গানৰ মাজেৰে দিয়া সামাজিক বাৰ্তাবোৰ আমাৰ সাংস্কৃতিক জীৱনৰ এক নিয়মীয়া অংশ হৈ পৰিছিল। তেওঁবিহীন বিহু যেন নিমখ নোহোৱা আঞ্জাহে- য'ত কোনো তৃপ্তি নাই, কেৱল এক বিৰাট অসম্পূৰ্ণতাহে বিৰাজ কৰিছে।

এই এমাহৰ অপেক্ষাটোৱেও যেন আমাক বাৰে বাৰে সোঁৱৰাই দিছে যে জুবিন গাৰ্গ আমাৰ বাবে কেৱল এজন গায়ক নহয়, তেওঁ অসমীয়া ডেকা-গাভৰুৰ বাবে এক পবিত্ৰ নিচা। জেতুকীয়া হাতৰ পৰা ঢোলৰ গুমগুমনিলৈকে সকলোতে যেন এক আধৰুৱা অনুভৱ, কাৰণ আমাৰ আৱেগবোৰে সদায় সেই বিশেষ

মানুহজনৰ কণ্ঠৰ বাবে এক বিষাদভৰা ছটফটনি অনুভৱ কৰি থাকে। বিহুৰ বাবে যিমানেই লাইট আৰু চাউণ্ডৰ আয়োজন নহওক কিয়, জুবিন দাৰ অনুপস্থিতিয়ে সৃষ্টি কৰা এই খালী ঠাইডোখৰ কোনেও কেতিয়াও পূৰাব নোৱাৰে।

শেষত ক'ব পাৰি যে, জুবিনদা অবিহনে এইবাৰৰ ৰঙালী যেন ৰং নোহোৱা এখন কেনভাছ। তেওঁৰ সেই 'প্ৰাণচঞ্চলতা' আৰু 'উন্মাদনা' অবিহনে বিহুৰ উদযাপন সদায় আধৰুৱা হৈয়ে ৰৈ যাব। এইবাৰৰ প্ৰতিটো বিহুৰ সান্ধ্য অনুষ্ঠানত আমাৰ চকুহালে কেৱল তেওঁকেই বিচাৰি ফুৰিব আৰু প্ৰতিবাৰেই বুকুত এক মৰ্মান্তিক বিষ অনুভৱ হ'ব। তেওঁ আমাৰ বুকুৰ ধপধপনি, আৰু সেই ধপধপনি অবিহনে আমাৰ প্ৰাণৰ ৰঙালী সঁচাকৈয়ে নিস্তেজ আৰু বৰ্ণহীন।



# জুবিনবিহীন প্ৰথমটো ব'হাগ



— প্ৰিয়াক্ষী দত্ত, উদীয়মান কবি

বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰীকাই তেখেতৰ এটা গীতত কৈছিল-

*"ব'হাগ মাথোঁ এটি ঋতু নহয়*
*নহয় ব'হাগ এটি মাহ*
*অসমীয়া জাতিৰ ই আয়ুস ৰেখা*
*গণ-জীৱনৰ ই সাহ।"*

ব'হাগ অহাৰ লগে লগে প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ আনন্দত আত্মহাৰা হৈ পৰে। ঢোল, পেঁপা, গগনাৰ মাতে বিহুবলীয়া প্ৰতিজন অসমীয়াক মন উত্ৰাৱল কৰে। শদিয়াৰ পৰা ধুবুৰীলৈ বিভিন্ন বিহু মঞ্চ বাছকবনীয়া শিল্পীৰ বাৰেবৰণীয়া সঙ্গীতানুষ্ঠানেৰে মুখৰিত হৈ পৰে।

সকলোৰে বিশেষ আকৰ্ষণ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ। কিন্তু সময় বৰ নিষ্ঠুৰ। এইবাৰ আমাৰ মাজত হিয়াৰ আমঠু জুবিনদা নাই। কথাষাৰ ভাবিলেই হৃদয়খন মুচুৰা খাই যায়। ব'হাগৰ কথা ভাবিলেই বুকুখন বেদনাৰে ভৰি পৰে, মনলৈ আহি যায় ছমাহ আগতে ১৯ ছেপ্টেম্বৰ ২০২৫ ৰ কাল অমানিশা অভিশপ্ত

দিনটোৰ কথা। জুবিনদা বিহীন বিহু মঞ্চত বিহুৰ আনন্দ চাৰিওফালে মাথোঁ শূন্য কেৱল শূন্য। এইবাৰ জুবিনদা বিহীন বিহু মঞ্চই প্ৰতিজন অসমীয়াৰ আনন্দৰ বিপৰীতে দি যাব মাথোঁ বিষাদ, হয়তো কোনেও নজনাকৈ প্ৰাণৰ শিল্পীক সুঁৱৰি হিয়া ভগা কান্দোন। পাৰিব জানো প্ৰতিজন জুবিন প্ৰেমী অসমীয়াই জুবিনদাৰ অবিহনে ব'হাগৰ মাদকতা উপভোগ কৰিব, পাৰিব জানো হিয়াৰ আমঠু জুবিনদা অবিহনে বিহু মঞ্চ পৰিৱেশন কৰিব... মাথোঁ এখন শূন্যতাৰে ভৰা হৃদয় লৈ হিয়াৰ আমঠু জুবিনদাক সুঁৱৰি উকা হৈ পাৰ হৈ যাব ব'হাগৰ প্ৰতিটো প্ৰভাত। হয়তো প্ৰকৃতিয়েও বিননি জুৰিব জুবিনদা বিহীন ব'হাগৰ উকা দিনবোৰ দেখি। শেষত এটাই কওঁ ব'হাগৰ আগমনত জুবিনদাই ন্যায় পাওক। হিয়াৰ আমঠু জুবিনদাই ন্যায় পালে প্ৰতিজন অসমীয়াৰ চকুপানীক অলপ হ'লেও মূল্য দিয়া হ'ব। ব'হাগে মাথোঁ প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠু জুবিনদাক ন্যায় দিয়ক।

জয় জুবিনদা... জয় জুবিনদা।

# জুবিন গাৰ্গৰ অবিহনে এইবাৰ ব'হাগ



— জয় কাশ্যপ, অভিনেতা।

আমাৰ হিয়াৰ আমঠু তথা নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ অবিহনে অসমবাসীয়ে ৰঙালী বিহু কেতিয়াও কল্পনা কৰিব নোৱাৰে। জুবিন গাৰ্গৰ প্ৰতিটো গীতত এক সুকীয়া মাদকতা থাকে। কিন্তু আমাৰ মাজৰ পৰা হিয়াৰ আমঠু তথা নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ কায়িকভাৱে নোহোৱা ছমাহ পাৰ হ'ল। এইবাৰ ৰঙালী বিহু তেওঁৰ অবিহনেই উদযাপন কৰিব লাগিব। তেওঁ নাই যদিও অমৰ সৃষ্টিবোৰ সদায় আমাৰ মাজত জীয়াই আছে আৰু থাকিব। তদুপৰি নতুন প্ৰজন্মৰ কণ কণ ভাইটি-ভণ্টিসকলক জুবিন গাৰ্গদেৱৰ গীতবোৰ চৰ্চা কৰিবলৈ উপযুক্ত সুযোগ আমিয়েই কৰিব লাগিব আৰু তেখেতৰ গীতবোৰক লৈ আমি আগুৱাই যাব লাগিব।

বৰ্তমান সময়খিনিত জুবিন গাৰ্গদেৱৰ ন্যায় হকে আমি সকলোৱে যুঁজি আছোঁ আৰু ন্যায়ালয়ে ন্যায় প্ৰদান কৰিব বুলি আমি সকলোৱে আশা কৰি আছোঁ। অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখনৰ উত্তৰণৰ ক্ষেত্ৰত সৰ্বোচ্চ ত্যাগ কৰা এই মহান শিল্পীজনৰ বাবে আমি ন্যায় বিচৰাটো সঁচাকৈয়ে দুখজনক। তেখেত এজন ভগৱান তুল্য ব্যক্তি আছিল। বৰ্তমান নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব তথা হিয়াৰ আমঠু জুবিন গাৰ্গদেৱ কায়িকভাৱে আমাৰ মাজত নাই যদিও অসমৰ প্ৰতিজন ব্যক্তিৰ অন্তৰত তেওঁ জীয়াই আছে আৰু থাকিব।



— নির্মালী দাস, কণ্ঠশিল্পী।

## হেঁপাহৰ ব'হাগ আৰু জুবিন গাৰ্গ

ব'হাগ বিহু মানেই আমাৰ সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গ বুলি ক'ব পাৰি। জুবিনৰ অবিহনে বিহু কেনেকৈ কল্পনা কৰিব পাৰি? কাৰণ জুবিন গাৰ্গদেৱ ৰঙালী বিহুৰ অন্য এক নাম আছিল। জানমণি, জোনবাই, বগীতৰা আদি প্ৰতিটো বিহু গীতত জুবিন গাৰ্গদেৱে সেই শুৰলা কণ্ঠৰে অসমবাসীক বিহুৰ বতৰা তথা বিহুৰ সুকীয়া পৰিচয় দিছিল। ময়ো জুবিন গাৰ্গদেৱৰ সৈতে একেলগে প্ৰায় ৪০০০ হাজাৰ গীতত কণ্ঠদান কৰাৰ সৌভাগ্য লাভ কৰিছিলোঁ। জুবিন গাৰ্গদেৱ নথকাৰ বাবে এইবাৰ ব'হাগ বিহুক প্ৰাণহীন যেন অনুভৱ হৈছে।

এইবাৰ ব'হাগ বিহুৰ কথা ভাবিলেই বুকুখন বেদনাৰে ভৰি পৰে, মনলৈ আহি যায় ছমাহ আগতে ১৯ ছেপ্টেম্বৰ' ২০২৫ ৰ কাল অমানিশা অভিশপ্ত দিনটোৰ কথা। জুবিন গাৰ্গবিহীন বিহু মঞ্চত বিহুৰ আনন্দ নাই; চাৰিওফলে মাথোঁ শূন্যতাই বিৰাজ কৰিছে।

জুবিন গাৰ্গদেৱৰ সুন্দৰ গীতবোৰৰ মাজেৰেই জুবিন গাৰ্গদেৱক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ চেষ্টা কৰি যাব লাগিব। গতিকে জুবিন গাৰ্গদেৱ সদায় সকলোৰে বুকুৰে বুকুৰে বৈ থাকিব; যিদৰে আমাৰ মৰমৰ লুইতখন বৈ আছে।

## এই ব'হাগৰ বতৰত জুবিনদালৈ মনত পৰিছে

জুবিন গাৰ্গদেৱৰ কণ্ঠত এনে এক সুৰৰ যাদু আছে, যি মানুহক, শ্ৰোতাক সহজেই আকৰ্ষণ কৰিব পাৰে। জুবিন গাৰ্গদেৱ অসমৰ বাবে এজন অভিভাৱকস্বৰূপ আছিল। জুবিন গাৰ্গৰ প্ৰতিটো গীত শুনি শুনি আমি সকলোৱে এক সুন্দৰ সময় অতিবাহিত কৰিছিলোঁ। হেঁপাহৰ ব'হাগ বিহুটি আহিলেই যে জুবিন গাৰ্গৰ বিহু মঞ্চবোৰত যিদৰে সংগীতপ্ৰেমীসকলে ভিৰ কৰেহি। এই উপস্থিতিয়ে প্ৰমাণ কৰে যে, জুবিন গাৰ্গ এক ব্যাপক সত্তা। জুবিন গাৰ্গৰ প্ৰতিটো গীতত এক সুকীয়া মাদকতা নিহিত হৈ থাকে। আমি সকলোৱে গৌৰৱ কৰোঁ জুবিন যুগৰ নতুন প্ৰজন্ম হিচাপে। কিন্তু ২০২৫ চনৰ অভিশপ্ত দিনটোৰ আজি ৬ মাহ অতিক্ৰম কৰিলে। ১৯ ছেপ্তেম্বৰৰ পৰা জুবিন গাৰ্গৰ অবিহনে বৈ গৈছে অসমীয়া জাতি।



— ৰাহুল দৈমাৰী,
সাংস্কৃতিককৰ্মী।

প্ৰতি বছৰে ৰঙালী বিহুৰ আহিব, নাহৰ ফুলিব, কিন্তু সংগীতপ্ৰেমী ৰাইজে অতি আগ্ৰহৰে ৰৈ থকা জুবিন গাৰ্গদেৱৰ সেই সাংস্কৃতিক সন্ধিয়াবোৰ অসমীয়া জাতিয়ে পুনৰায় কেতিয়াও নাপায়। জুবিন গাৰ্গৰ নতুন সৃষ্টিৰ পৰা নতুন প্ৰজন্মই বঞ্চিত হ'ব লগা হ'ল। জুবিনবিহীন ৰঙালী বিহুৰ উদযাপন আমি কেতিয়াও কল্পনা কৰা নাছিলোঁ। এইবেলি ৰঙালী বিহুটি প্ৰতিজন অসমীয়াৰ বাবে কঙালী বিহুৰ দৰে অনুভৱ হৈছে। এইবেলি ৰঙালী বিহুৰ জুবিনবিহীন বিহুৰ মঞ্চবোৰ যে প্ৰতিজন সংগীতপ্ৰেমী লোকৰ অন্তৰত এক গধুৰ শোক হেঁচি ধৰা যে অনুভৱ হৈছে।

অশেষত হাৰ্টথ্ৰব জুবিন গাৰ্গে অতিশীঘ্ৰেই ন্যায় পাওক... তাৰ বাবে ভগৱান ওচৰত প্ৰাৰ্থনা কৰিছোঁ।



# হিয়াৰ আমঠু জুবিনদা

অসমৰ ৰত্নজন হেৰাই যোৱাৰ দিনৰে পৰা মোৰ লগতে প্ৰতিজন জুবিন অনুৰাগীয়ে এক ভাবিব নোৱাৰা পৰিস্থিতিৰ অনুভৱ কৰে। হিয়াৰ আমঠু জুবিনদা অসমবাসীৰ বাবে এক আত্মা আছিল। কেতিয়াবা এনে লাগে আমি মাথোঁ এনেকুৱা এটা জীৱন লৈ জীয়াই আছোঁ য'ত কোনো সপোন নাই। আমি জুবিনদাক হেৰুৱাব লগা হোৱাটোৱেই আমাৰ বাবে দুৰ্ভাগ্য। মই কল্পনাই কৰিব পৰা নাই জুবিনদাৰ অবিহনে আমি কেনেকৈ জীৱন আগবঢ়াই নিম। এইবাৰ অসমবাসীৰ মাজত ৰঙালীৰ ৰং নাই, কাৰণ জুবিনদা নাই। প্ৰতিজন অসমীয়াই তেওঁক হেৰুৱাৰ পাছত অনুভৱ কৰা মনৰ যুঁজখন শব্দৰে বুজাব পৰা নাযায়।

অৱশেষত প্ৰতিজন অসমীয়াৰ অন্তৰৰ মাজত জুবিনদা চিৰদিন জীয়াই থাকিব।



— মৌচুমী আলিফা,
অভিনেত্ৰী।

যুগুতাইছে - **সমুদ্ৰমণি নেওগ**

# নীলা খামৰ চিঠি

— দীপাংকৰ শইকীয়া



প্ৰতি,

মৰমৰ নীলা,

এতিয়া সমগ্ৰ অসমখনক কাগজ, প্ৰশান্ত মহাসাগৰৰ পানীখিনিক চিয়াহী আৰু সৰল গছজোপাক কলম কৰি তোমালৈ এই এষাৰি...।

উকা কাগজখন উলিয়াই লৈ হাতত কলমটো তুলি লৈছোঁ। ক'বলৈ বহুত আধালিখা আৰু অপ্ৰকাশিত কাহিনী আছে; কিন্তু কেতিয়াবা বিচাৰিও থমকি ৰওঁ। তোমাক নেদেখাকৈ থকা আজি এটা যুগ হ'ল। স্মৃতিবোৰ যদিও ধূলিময়, তথাপি প্ৰথম প্ৰেমৰ অনুভৱে প্ৰতিটো ঋতুতে মোৰ হৃদয়ত আকৌ এবাৰ বিন্ধি যায়।

কেনে আছা মৰম? আশা কৰোঁ তুমি ভালেই আছা। নেদেখাজনৰ কৃপাত ময়ো ভালেই আছোঁ। বহুত দিন হ'ল অ' তোমাক নেদেখা, আজি তোমালৈ বৰকৈ মনত পৰিছে। চকুযুৰিয়েও নীৰৱে চকুলো টুকিছে। যান্ত্ৰিকতাৰ পৃথিৱীত নীলা খামৰ চিঠিবোৰ প্ৰায় হেৰাই গ'ল জানা! এই যে 'SMS' দিয়াৰ পৰম্পৰা, ইয়াত কেতিয়াবা মন নবহে। নীলা চিয়াহীৰ আৱেগ ঢালি তোমাক শুভেচ্ছা জনাবলৈ বৰকৈ মন যায়।

তুমিটো জানাই ফাগুন মোৰ কিমান প্ৰিয়; অৱশ্যে তোমাতকৈ বেছি নহয়। কেতিয়াবা আকৌ আহিবাচোন পচোৱাজাকক লগত লৈ! অ' পাহৰিছিলোঁৱেই, লগত তোমাৰ সেই 'কদমফুলীয়া' হাঁহিটো আনিবলৈ নাপাহৰিবা। হাজাৰজনৰ মৰম পোৱাৰ পিছতো কোনোবা বিশেষ এজনৰ মৰমৰ বাবে আমিবোৰ কিয় বলিয়া হওঁ বাৰু? তাতেই চাগে লুকাই আছে ভালপোৱাৰ প্ৰকৃত মাদকতা।

ভাল লগাবোৰেই যদি ভালপোৱা হ'লহেঁতেন, তেন্তে হৃদয়খন কোনোবা নিৰ্দিষ্ট এজনৰ বাবে থমকি নৰ'লহেঁতেন। পিছে হৃদয়খন এতিয়াও বন্ধক দিয়া নাই, তুমি আছা হৃদয়ৰ সেই বিশেষ কোণত। তুমিটো জানাই, সপোনৰ পিছত দৌৰি মই কিমান ভাল পাওঁ। সপোন আছে বাবেইটো মই জীয়াই আছোঁ, নহ'লেটো জীৱনটো কেতিয়াবাই শেষ হ'লহেঁতেন। বিশ্বাস নামৰ শব্দটোক নিৰ্ভৰ কৰিয়েই মই প্ৰেমক আঁকোৱালি লৈছিলোঁ।

'ভাল লগা' আৰু 'ভালপোৱা'ৰ মাজত পাৰ্থক্য কি, তুমি হয়তো বুজি নাপালা! মই কৈছোঁ শুনা- যেতিয়া এপাহ ফুলৰ সৌন্দৰ্য আমাৰ 'ভাল লাগে', তেতিয়া আমি ফুলপাহ ছিঙি আনোঁ; কিন্তু যেতিয়া এপাহ ফুলক আমি 'ভাল পাওঁ', তেতিয়া আমি সেই গছজোপাৰ যত্ন লওঁ। অৰ্থাৎ ভাল লগাত কেৱল মোহ থাকে আৰু ভালপোৱাত থাকে মৰম, শ্ৰদ্ধা আৰু সন্মান।

*ভাল লগাবোৰেই যদি ভালপোৱা হ'লহেঁতেন, তেন্তে হৃদয়খন কোনোবা নিৰ্দিষ্ট এজনৰ বাবে থমকি নৰ'লহেঁতেন। পিছে হৃদয়খন এতিয়াও বন্ধক দিয়া নাই, তুমি আছা হৃদয়ৰ সেই বিশেষ কোণত। তুমিটো জানাই, সপোনৰ পিছত দৌৰি মই কিমান ভাল পাওঁ। সপোন আছে বাবেইটো মই জীয়াই আছোঁ, নহ'লেটো জীৱনটো কেতিয়াবাই শেষ হ'লহেঁতেন। বিশ্বাস নামৰ শব্দটোক নিৰ্ভৰ কৰিয়েই মই প্ৰেমক আঁকোৱালি লৈছিলোঁ।*

প্ৰেম আৰু মোহৰ মাজত এটি পাৰ্থক্য আছে- প্ৰেমৰ পৰা সদায় সৃষ্টি হয়, কিন্তু মোহৰ পৰা সদায় ধ্বংস। মই চাগে কেতিয়াও তোমাৰ সেই প্ৰিয় মানুহজন হ'ব নোৱাৰিলোঁ, কেৱল তোমাৰ প্ৰয়োজনহে আছিলোঁ। আজি বুজিছোঁ, ত্যাগ কৰিবলৈ শিকিছোঁ মই। সকলোবোৰ সপোনক হাঁহি হাঁহি বলিশালত তুলি দিবলৈ আজিকালি কুণ্ঠাবোধ নকৰোঁ। ভাল লগা ক্ষণবোৰক মৰিশালি কৰি, আনৰ সুখৰ বাবে নিজে চকুলোৰ সাগৰত সাঁতুৰিবলৈ শিকিছোঁ। কিন্তু কিমান দিন? মই কেতিয়াবা সঁচাকৈয়ে ভাগৰি পৰোঁ।

বুজিছা মৰম, জীৱনত 'প্ৰিয়' শব্দটোলৈ মোৰ অহেতুক ভয় এটা আছে। কাৰোবাক প্ৰিয় বুলি স্বীকাৰ কৰিলেই যেন হেৰুৱাই দিম- যেনেকৈ তোমাক হেৰুৱালোঁ। ভালে থাকিবা বুলি কোৱাৰ পিছত আৰু একো ক'বলৈ সাহস নহ'ল। বিশ্বাস কৰা, খৰাঙত বাৰিষা নমাব পৰা শক্তি মোৰ নাছিল, কিন্তু কঠিন সময়ত ছাঁটোৰ দৰে তোমাৰ কাষত থকাৰ প্ৰতিশ্ৰুতি আজীৱন থাকিব।

তুমি সুধিছিলা- দ্বিতীয় প্ৰেম জানো সম্ভৱ? মই কওঁ, অস্ত যোৱা বেলিৰ বেজাৰত জানো আকাশে নিজক ধ্বংস কৰে? প্ৰথম প্ৰেম যদি আঘাত, তেন্তে দ্বিতীয় প্ৰেম সেই আঘাতৰ উপশম। প্ৰথম প্ৰেম যদি চিৰস্মৰণীয়, দ্বিতীয় প্ৰেম চিৰযুগমীয়া। তোমাৰ বাবে দ্বিতীয় প্ৰেম সম্ভৱ হ'ল, কেৱল নিজৰ ঠাইতে ৰৈ গ'লোঁ মই।

এতিয়া তোমাৰ প্ৰতি মোৰ অকণমানো আক্ষেপ নাই। তুমি চাগে এতিয়া চহৰৰ চহকী নতুন প্ৰিয়জনৰ সৈতে ব্যস্ত! আৱেগ-অনুভূতি বুলিবলৈ এতিয়া মোৰ একোৱেই নাই, আছে এখন ভগ্ন উকা হৃদয়- য'ত সামৰি ৰাখিছোঁ মাথোঁ তোমাক। তুমি যি তলসৰা কৃষ্ণচূড়া গচকি আগুৱাই যোৱাৰ সপোন দেখাইছিলা, সেই স্মৃতিবোৰ আজিও বৰপেৰাত সাঁচি ৰাখিছোঁ।

উকা কাগজখনৰ বুকুত আৰু কিমান জাপি দিম মনৰ বেদনাবোৰ! তোমাক অতীত বুলি কেনেকৈ কওঁ? তুমিটো আজিও প্ৰতিটো পলত মোৰ বুকুত জীয়াই আছা। য'তেই আছা, মাথোঁ কুশলে থাকিবা। লেফাফাত বন্দী তোমাৰ হৃদয়ৰ প্ৰতিটো অনুভূতি চিৰকাল সাবটি লৈ থাকিম। অমানিশাৰ তমসাত বলি হোৱা মোৰ কাব্যিক প্ৰতিশ্ৰুতিৰ দীপক এতিয়াও ঢিমিকি ঢিমিকি জ্বলি আছে। তোমাৰ প্ৰিয় সোণাৰুজোপাও হালধীয়া হৈ পৰিছে। তুমি আকৌ আহিবা বুলি সোণাৰুৰ দলিচা পাৰি পদূলিত বাটে চাই ৰ'ম।

ইতি-
তোমাৰ হেৰাই যোৱা অতীত

মৰমৰ চেনাই,

মৰম ল'বা নীলিম আখৰৰ মাজেৰে তোমালৈ পঠিয়ালোঁ মোৰ হিয়াৰ নিভাঁজ মৰম। আজি ৰাতিপুৱাই তোমাৰ চিঠিখন মই পালোঁ। চিঠিখন পঢ়ি পোৱা আনন্দৰ বাবে পলম নকৰাকৈয়ে তোমাৰ চিঠিৰ উত্তৰ লিখিবলৈ কলমটো হাতত তুলি ল'লোঁ। তুমি ভালে আছাঁ বুলি জানি মই বৰ সুখী হ'লোঁ। তুমি ব'হাগ বিহুত আহিবা, মোৰ বাবে তুমি তোমাৰ ঘৰত লগোৱা কপৌফুল জোপাত কপৌফুল ফুলিছে বুলি জানি মোৰ যে কিমান আনন্দ লাগিছে বুজাব নোৱাৰোঁ মই তোমাক। সেই কপৌফুল পাহেৰে বিহুত মোৰ খোপাটি সাজিব, ইয়াতকৈ আৰু মোৰ বাবে ভাল লগা কথা কি হ'ব পাৰে বাৰু। অৱশ্যে মই জানো, কথাটো জানি মই কিমান সুখী, কিমান আনন্দিত তুমি অনুভৱ কৰিব পাৰিছা। কেতিয়াবা মই ভাবোঁ আচলতে কিমানখিনি ভাল পালে কোনোবাই এনেকুৱা কৰিব পাৰে, নিজৰ ভালপোৱাজনৰ বাবে ঘৰতে কপৌফুল লগাব পাৰে। পিছে উত্তৰটো নিজে বিচাৰি পাওঁ, 'প্ৰকৃত ভালপোৱাক জানো পৰিমাণেৰে জুখিব পাৰি।' নহয় জানো। পৰিমাণবিহীন এক অবুজ অনুভৱ য'ত থাকে মাথোঁ আপোনজনক সুখী কৰাৰ চেষ্টা, আপোনজনৰ সপোন পূৰণৰ কামনা। সেইবাবেটো মই ঈশ্বৰৰ ওচৰত প্ৰথমতে নিজৰ সপোনকৈ তোমাৰ সপোনবোৰ পূৰণৰ বাবে প্ৰাৰ্থনা কৰোঁ। এটা কথা মোৰ বৰ ভাল লাগে জানা, আজিটো আমাৰ দুয়োৰে হাতত ম'বাইল ফোন আছে, যোগাযোগ কৰাৰ কিমান যে সুবিধা, ভিডিঅ' কল কৰি দূৰত থাকিলেও এজনে আনজনক চাই কথা পাতিব পাৰোঁ। বিজ্ঞানৰ এই অৱদানৰ সময়তো আমি দুয়োজনে চিঠি লিখোঁ। আমাৰ বিশেষ কথাবোৰ ম'বাইল ফোনটোৰ জৰিয়তে নাপাতি চিঠিৰ মাজেৰে প্ৰকাশ কৰোঁ। তোমাৰ মনত আছেনে মই তোমালৈ লিখা প্ৰথম চিঠিখনৰ কথা, সাঁচি ৰাখিছানে সেই চিঠিখন। তুমি বাৰু মোলৈ চাই কিয় হাঁহিছিলা ? হাঁহিৰ কাৰণ বিচাৰিয়েটো মই তোমালৈ প্ৰথমখন চিঠি লিখিছিলোঁ। হয়তো ক'বলৈ গ'লে হাঁহি এটিত চিঠি লিখিবলগা কাৰণ নাথাকে, কিন্তু তোমাৰ সেই হাঁহিটিয়ে যে মোৰ হৃদয়ত এক অবুজ শিহৰণ তুলিছিল, বাৰে বাৰে মনটো ব্যাকুল হৈ পৰিছিল হাঁহিৰ কাৰণ জানিবলৈ, কিবা এটা যে বিচাৰি পাইছিল মনটোৱে সেই হাঁহিৰ মাজত।

# নীলা খামৰ চিঠি

— চন্দনা বৰ্মন



আজিও মই সাঁচি ৰাখিছোঁ হাঁহিৰ কাৰণ লিখি তুমি মোলৈ প্ৰেৰণ কৰা প্ৰথমখন চিঠি। কিমান যে হাঁহি উঠিছিল মোৰ তোমাৰ কাৰণ দেখি, মই ভাবিছিলোঁ তুমি মোলৈ চাই আছোঁ, পাছত হে গ'ম পালোঁ তুমি মোৰ পিছপিনে থকা তোমাৰ বান্ধৱীলৈ হে চাই আছিলা। আজিও মাজে মাজে চিঠিখন উলিয়াই বাক্যশাৰী পঢ়িলে হাঁহি ৰখাব নোৱাৰা হওঁ মই। সেই প্ৰথম চিঠিৰ আৰম্ভণিৰ পৰাই কিমান যে চিঠি লিখিলোঁ দুয়োজনে। আজি ম'বাইলৰ দিনটো আমি দুয়ো চিঠি লেখাত ব্যস্ত। আচলতে চিঠি লিখি পোৱা আনন্দখিনি, চিঠিত মাজে সময়ে লিখা মৰম ভৰা অভিমানৰ শব্দকেইটাই যেনেদৰে আমাৰ সম্পৰ্কটো প্ৰাণৱন্ত কৰি তোলে, চিঠিৰ আখৰকেইটাৰ মাজেৰে পোৱা নিভাঁজ মৰমৰ অনুভৱখিনি, যান্ত্ৰিক ম'বাইটোৰ জৰিয়তে কথা পাতিলে দেখোন অনুভৱে কৰিব নোৱাৰি। আখৰ বেয়া হোৱা বুলি লিখা চিঠিখন মোহাৰি আকৌ নতুনকৈ লিখা, চিঠিৰ মাজত মৰমৰ চিন হিচাপে ময়ূৰৰ পাখি, গোলাপ ফুল, ফটো আদি গুজি দিয়াৰো যে এক সুকীয়া মাদকতা আছে। আজিলৈ এৰো দিয়া, পুৰণি স্মৃতি মনত পৰি বহু কথাই লিখিলোঁ। বিহুত আহিবা হেঁপাহেৰে ৰৈ থাকিম মই। প্ৰতি বছৰে বিহু নচাৰ দৰে এইবাৰো আমাৰ গাঁৱৰ বৰগছ জোপাৰ তলতে বিহু নাচিম দুয়ো আমাৰ বিহুৰ দলটোৰ সৈতে। তুমি ভাল পোৱা ধৰণৰ বুটাবছা মৰমৰ গামোচাখন সাঁচি ৰাখিছোঁ মই তুমি বিহুত আহিলে দিবলৈ। কুলিজনী আমগছ জোপাত আহি পৰিছে চাগে, তাইৰ শুৱলা মাতটো শুনি কিমান যে ভাললাগে, পাতৰ আঁৰত লুকাই থকা কুলিজনীক আজিও বিচাৰি চাই ভাল লাগে। তুমি বাৰু আজিও বিচাৰি চোৱানে পাতৰ আঁৰত লুকাই থকা কুলি চৰাই। আজিলৈ এৰিছোঁ দিয়া, মই ভালে আছোঁ অপেক্ষা মাথোঁ তুমি বিহুত অহালৈ। শেষত পুনৰ তোমালৈ যাঁচিলো মোৰ হৃদয়ৰ নিভাঁজ মৰম।

ইতি

তোমাৰ হৃদয়ৰ আপোন

# ফুল ভালপোৱা তাইলৈ...

— ধৃতিমান ডেকা



মৰমৰ,

ধূলি-ধূসৰিত ৰ'দ-বৰ্ষাৰ পৰত তুমি আহিছিলা এজাক পীৰিতিৰ ফাগুন হৈ; কজলা দুচকুত সানি আনিছিলা ৰঙীন বাসনা। সৰাপাতবোৰে মোৰ খোজত ফেঁহুজালি ভাঙোতেই উমান পাইছিলোঁ- পলাশ-মদাৰৰ সৈতে তুমিও আহিছা মোৰ ক'লা-বগা হৃদয়ৰ কেনভাছখন ৰঙীন কৰিবলৈ। আশাকৰোঁ কুশলে আছা। তোমাৰ সৈতে কথা অগণন হয় যদিও ইমানবোৰ ফাগুনে ভৰুণ কৰি ৰখা বুকুৰ বেথাবোৰ ক'বলৈ আজিলৈকে সাহস গোটাব নোৱাৰিলোঁ। প্ৰতিবাৰে ভাবোঁ এই ফাগুনতে তোমাক ক'ম, কিন্তু শেষত সকলো খৰাং হৈয়ে ৰৈ যায়। ভাবিছিলোঁ- এই ফাগুনতে তোমাক সামৰি তোমাৰ নামত এপাহ বগেইনভিলিয়া ফুলাম; কাৰণ

এইবাৰ সৰাপাতবোৰৰ ফুচফুচনিতো শুনিবলৈ পাইছোঁ- 'তুমি নহ'লে এই চহৰত বগেইনভিলিয়া নুফুলে। মোৰ অকথ্য হিয়াৰ যন্ত্ৰণাবোৰ নীলা চিয়াহীৰে সামৰি এই ঠিকনাহীন চিঠিখন পঠিয়াইছোঁ- কেৱল ফুল ভালপোৱা সেই ছোৱালীজনীলৈ বুলি।

ফাগুন আহে, ফাগুন যায়; পাৰ হৈ যায় বসন্তবোৰো। কিন্তু চিঠিবোৰ বুকুৰ খামতে ৰৈ যায় ঠিকনাবিহীন হৈ। কোনোবাই সুধিলে ক'বলৈ আমাৰ নাই কোনো আনুষ্ঠানিক সাক্ষাৎকাৰ বা নিৰ্দিষ্ট শুভলগন। ফাগুনৰ বতাহজাকত, সৰাপাতৰ কোলাহলত আৰু উৰি অহা ধূলিবোৰৰ মাজতেই হয় আমাৰ দেখা। আমাৰ প্ৰথম দেখাৰ কোনো ৰোমাণ্টিক কাহিনী নাই যদিও যেতিয়াই আমি কথা পাতোঁ, তেতিয়াই সেন্দূৰবুলীয়া বাটেৰে একোটাকৈ কাহিনীয়ে বাট কাটে। মনত পৰিছে- কোনোবা এখন দলঙৰ ওপৰেৰে ঘৰলৈ ভটিয়াওতে তোমাক দেখিছিলোঁ, খোপাত গুজি থৈছিলা এপাহ ৰঙা পলাশ। সেই যে শেষবাৰ আমি লগ পাইছিলোঁ, তুমি মোক বাৰে বাৰে গান গাবলৈ অনুৰোধ কৰিছিলা আৰু মই আগৰ দৰেই নিৰ্বাক হৈ ৰৈছিলোঁ। সেইদিনা সোণাৰু নৈৰ পাৰত বহি মোৰ কান্ধত মূৰ থৈ তুমিয়েই আওৰাইছিলা এটি কলি- 'তোৰ চহৰৰ প্ৰতিটো গলিত লিখা আছে মোৰ নাম'। ঠিক এই কলিটোৰ দৰেই তোমাৰ চহৰত আজীৱন প্ৰেমৰ চিয়াহীৰে মোৰ নাম লিখিব বিচাৰোঁ- ধুমুহায়ো মচিব নোৱাৰাকৈ, ফাগুনেও সৰাব নোৱাৰাকৈ।

কিন্তু জানা, চিঠিখন লিখিবলৈ লৈ কিয় জানো বাৰে বাৰে হুমুনিয়াহ সৰিছে। শব্দবোৰে আউল লগাইছে। কলমত চিয়াহী থকা সত্বেও হাতখন শেঁতা পৰি গৈছে। শুনিছোঁ- এই বসন্ততে হেনো তুমি মাহ-হালধি সানিবা, ব'হাগত হেনো তোমাৰ বিয়া! খবৰটো বহুত আগতেই পাইছিলোঁ যদিও মনৰ দোমোজা ভাঙিবলৈকে তোমালৈ এই শেষ চিঠিখন লিখিলোঁ। আচলতে ভুলটো মোৰেই আছিল- সময়ত কথাবোৰ তোমাক ক'ব নোৱাৰিলোঁ। তুমিটো কৈছিলা- ফাগুনত মোৰ হৈ আহিবা বুলি! পিছে এতিয়া বুজিছোঁ, প্ৰেম মানেই প্ৰাপ্তি নহয়। বাস্তৱত তোমাক কাষত নাপালেও মোৰ প্ৰতিটো প্ৰাৰ্থনাত আৰু মোৰ প্ৰতিটো ভাৱনাত তোমাক সদায় সযতনে ৰাখিম। তোমাৰ কপালত আনৰ নামৰ সেন্দূৰ দেখিলে যদিও বুকুখন বিষাব, তথাপিও যদি পাৰা বিয়াৰ দিনা খোপাত মোৰ নামৰ এই বগেইনভিলিয়াপাহ গুজি ল'বা। চাবাচোন, খুব ভাল লাগিব। তুমি সদায় মোৰ পৰা গান শুনিব বিচাৰিছিলা নহয়? সেয়ে এটি কলি লিখি দিলোঁ-

*"আকৌ মৰমেৰে আহিবানে*
*জিৰাবলৈ মোৰ উকা হিয়াত..."*

শেষত, ভালে থাকা বুলি নকওঁ- মই নক'লেও তুমি ভালে থাকিবলৈ যত্ন কৰিবা। আমাৰ সেই নৈ, সৰাপাত আৰু ফাগুনৰ কথাবোৰ কেতিয়াও পাহৰি নাযাবা। ফাগুনে আমাক নিথৰুৱা কৰিলেও তুমি মোৰ হৃদয়ৰ কাননত সদায় ফুল হৈ ফুলি ৰ'বা। জীয়াই থাকিবলৈ চেষ্টা কৰিবা। বহুত মৰম তোমালৈ।

ইতি-
তোমাৰ মৰমৰ 'ফাগুন'

*ফাগুন আহে, ফাগুন যায়; পাৰ হৈ যায় বসন্তবোৰো। কিন্তু চিঠিবোৰ বুকুৰ খামতে ৰৈ যায় ঠিকনাবিহীন হৈ। কোনোবাই সুধিলে ক'বলৈ আমাৰ নাই কোনো আনুষ্ঠানিক সাক্ষাৎকাৰ বা নিৰ্দিষ্ট শুভলগন। ফাগুনৰ বতাহজাকত, সৰাপাতৰ কোলাহলত আৰু উৰি অহা ধূলিবোৰৰ মাজতেই হয় আমাৰ দেখা। আমাৰ প্ৰথম দেখাৰ কোনো ৰোমাণ্টিক কাহিনী নাই যদিও যেতিয়াই আমি কথা পাতোঁ, তেতিয়াই সেন্দূৰবুলীয়া বাটেৰে একোটাকৈ কাহিনীয়ে বাট কাটে।*




# নীলা খামৰ চিঠি

— ৰাজা স্নেহাজ্বশীষ গুপ্ত দত্ত

মৰমৰ সপোন,

কুশলে আছানে ?

চাওঁতে চাওঁতে আৰু এটা নতুন বছৰ আহিল। তোমাৰ পদূলিৰ বগেইনভিলিয়াজোপাত চাগে এতিয়া ৰঙা ফুলৰ মেলা, ঠিক মোৰ হিয়াৰ দৰেই! আৰু কপৌফুলবোৰ ? সিহঁতে আৰবি আছেনে আমাৰ সেই আলফুল সপোনবোৰ ?

পাঁচশ কিলোমিটৰ দূৰত্বৰ পৰাই মই যেন অনুভৱ কৰোঁ গধূলিৰ সেই উমাল সময়বোৰ। মোৰ উশাহে উশাহে তোমাৰ অস্তিত্ব। তুমিটো জানাই- জীয়াই থকাটোৱেই আচল কথা, আৰু মৰমেই আমাক জীয়াই থাকিবলৈ শিকায়। মোৰ প্ৰিয় কবি অনুভৱ তুলসীয়ে কৈছে, 'বাছি থকাটোৱেই আচল কথা'। আমাৰ জীৱনৰ প্ৰতিটো পল একেলগে উদযাপন কৰিব নোৱাৰিলেও আমি জীয়াই থাকিম আমাৰ মধুময় স্মৃতিৰে। এয়াটো আছিল আমাৰ পণ পোৱা-নোপোৱাৰ মাজতেই জীৱনৰ মাধুৰ্য বিচাৰি লোৱা।

তোমাৰ বাৰু মনত আছেনে আমাৰ সেই কৈশোৰৰ দিনবোৰ ? ঠিক যেন আমাৰ বাবেই জুবিনদাই গাইছিল-

*"চাইকেলত টিউচন যোৱা*
*পিছে পিছে মই যোৱা*
*বেঁকাকৈ তুমি চোৱা*
*তোমালৈ মই চোৱা...।"*

সৌ সিদিনাৰ কথা যেন লাগে সকলো! 'ইমান প্ৰেক্টিকেল কেনেকৈ হোৱা বাৰু?' -তুমি সদায় সুধিছিলা।

> *পাঁচশ কিলোমিটৰ দূৰত্বৰ পৰাই মই যেন অনুভৱ কৰোঁ গধূলিৰ সেই উমাল সময়বোৰ। মোৰ উশাহে উশাহে তোমাৰ অস্তিত্ব। তুমিটো জানাই- জীয়াই থকাটোৱেই আচল কথা, আৰু মৰমেই আমাক জীয়াই থাকিবলৈ শিকায়। মোৰ প্ৰিয় কবি অনুভৱ তুলসীয়ে কৈছে, 'বাছি থকাটোৱেই আচল কথা'। আমাৰ জীৱনৰ প্ৰতিটো পল একেলগে উদযাপন কৰিব নোৱাৰিলেও আমি জীয়াই থাকিম আমাৰ মধুময় স্মৃতিৰে।*

আচলতে হওঁ বুলি কোনেও একো নহয়, আমাক সময়ে শিকায় আৰু আমি বাধ্য হৈ শিকি লওঁ। আমাৰ হিয়াত মির্জা গালিবৰ কবিতা থাকিলেও বাস্তৱত আমি 'শিলা চোলা' পিন্ধি ল'বলগীয়া হয়। আমি গুণগুণাব খোজোঁ গুলজাৰৰ শ্বায়েৰি, কিন্তু শিলৰ আৱৰণত ঠেকা খাই শব্দবোৰ কৰ্কশ হৈ পৰে। তুমি প্ৰায়েই আক্ষেপ কৰি কৈছিলা-

*"ৰাধা হ'ব নোৱাৰিলোঁ তোৰ...*
*নোৱাৰিলোঁ তোৰ বুকুলৈ শিপাই যাব... ।"*

কেনেকৈ বুজাওঁ যে মই স্তব্ধ পৃথিৱীৰ এজন 'জন নাশ্ব'! ভূপেন মামাৰ সুৰতেই মনো ক'ব খোজোঁ- "কলিৰ কৃষ্ণ বুলি নোজোকাবা মোক, মইতো তোমাক আজি মতা নাই ৰাধা বুলি।"

আমি মধ্যবিত্ত সমাজৰ বাসিন্দা। শিল হৈ যুঁজাটো আমাৰ তেজত শিপাই আছে। তুমিটো জানাই- আইৰ আঁচলৰ ৰঙেই মোৰ হাঁহিৰ উৎস আৰু পিতাইৰ পথাৰখনে আজিও মোক হাতবাউলি দি মাতে। আমি সকলোৰে এনেকৈয়ে শিকি লওঁ জীৱন জীয়াই থকাৰ কঠিন কাহিনী!

তুমি য'ত আছা, কুশলে থাকা। হয়তো সময়ৰ আনটো পাৰে আমি এদিন লগ হ'ম। জাতি-ভেদ, ধনী-দুখীয়াৰ সকলো প্ৰাচীৰ ভাঙি এদিন আমি 'আমি' হৈ পৰিম।

তাৰেই কামনাৰে-


ইতি,
তোমাৰ মৰমৰ 'হেঁপাহ'।

## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

**আমাৰ ঠিকনা**

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com



# খাৰলি




প্ৰথমে ক'লা সৰিয়হ ১কিলোমান ধুই টান ৰ'দত শুকুৱাব। সৰিয়খিনি ৰ'দত শুকাই মচমচীয়া হ'লে ঢেঁকী খুন্দি মিহি চালনীৰে চালি মিহি কৰি ল'ব। যিহেতু সৰিয়খিনি মিহি হ'লে খাৰলি ভাল হয়।

কলগছৰ পাত এখন কাটি টুকুৰা কৰি লৈ ধুই পানী নাইকিয়া কৰি ৰ'দত অলপমান সময় শুকুৱাই লেৰেলাই লৈ খুন্দি থোৱা সৰিয়হখিনি দি, তাতে ক'লা নিমখ আৰু ক'লা খাৰ অলপমান পানী দি সানিব। মনত ৰাখিব যে সানোতে পনীয়া নকৰিব। কিছু সময় সনাৰ পাছত সৰিয়হখিনি কিছু তেলেতীয়া হ'লে কলপাতখনৰ সৈতে টোপোলা কৰি বান্ধি দুদিনমান থৈ দিব আৰু দুদিনৰ পাছত টোপোলা খুলি ভাতৰ লগত খাব।

# চুজি আৰু নাৰিকলৰ ইদলি পিঠা



**উপকৰণ ঃ**

চুজি - ৩০০গ্ৰাম।
চেনি - ২০০গ্ৰাম।
নাৰিকল - এফাল।
ঘিউ - ১চামুচ।

**প্ৰণালী ঃ**

প্ৰথমে চুজি, চেনিখিনি মিশ্ৰণ কৰি ল'ব। তাৰ পাছত নাৰিকল এফাল ৰুকি লৈ চুজি আৰু চেনিৰ লগত সানি ল'ব। নাৰিকল ৰসাল নহ'লে অলপ এৰাঁ গাখীৰ দি থেপথেপীয়াকৈ ল'ব। এই সকলোখিনি কৰা যৰ পাছত ইদলি ষ্টেণ্ডত ঘিউ সানি তাতে চামুচেৰে মিশ্ৰণখিনি দি কুকাৰৰ ভিতৰত তল যোৱাকে পানী দি লৈ ইদলি ষ্টেণ্ড ডাল লাহেকে বহাই দিব। ২/৩টা চিটি মাৰিলে জুইৰপৰা কুকাৰটো নমাই থ'ব। আৰু তাৰ পাছত কুকাৰৰ ঢাকনি খোল খালে ষ্টেণ্ড ডাল লাহেকৈ উলিয়াই চামুচৰে ইদলি উলিয়াব আৰু পৰিৱেশন কৰিব।

# ঠেকুৰা



**উপকৰণ ঃ**

আটা একাপ।
চুজি ৪ ভাগৰ ১ ভাগ।
শুকান নাৰিকল ৰুকি লোৱা - ৩ টেবুল চামুচ।

ঘিউ - ২ টেবুল চামুচ।
গুড় - ৩ টেবুল চামুচ।
ইলাচি - ২টা (গুড়ি কৰি লোৱা)।
চফ - ১ চামুচ।
ৰিফাইন তেল - ভাজিবৰ বাবে।

**প্ৰণালী ঃ**

প্ৰথমে আটা, চুজি, মিহলাই লৈ ইলাচি, চফ, নাৰিকলখিনি দি মিহলাব লাগে। তাৰপাছত ঘিউ দি গোটেই মিশ্ৰণখিনি ভালদৰে সানি গুড়খিনি দিব। পুনৰ গুড়খিনি মিলি যোৱাকৈ ভালকৈ মিহলাই লৈ একদম সামান্য পানী দি দি গোটেইখিনি এটা দ'বনাই ল'ব। তাৰ পাছত এটা লাৰুৰ জোখেৰে হাতত লৈ চেপেটা কৰি ওপৰত সাঁচ দি কম জুইত ভাজিব আৰু ভজাৰ শেষত গৰমে গৰমে পৰিৱেশন কৰিব।

— ৰেখামণি চাৰিঙীয়া
ঠিকনা ঃ লিড়ু, তিনিচুকীয়া

# জেং পিঠা

ঠাই বিশেষে জেং পিঠাৰ জনপ্ৰিয়তা আজিও বাহাল আছে। স্থান বিশেষে জেং পিঠাৰ নামো হেৰফেৰ হয়। বৰা চাউলৰ পিঠাগুড়িৰ মিশ্ৰণ পলিথিন এটাত ঢালি, পলিথিনটোৰ কোণত বিন্ধা এটা কৰি, শুকান গৰম তেৰাত ইচ্ছানুযায়ী নক্সা তৈয়াৰ কৰক। নামনি অসমৰ বহু অঞ্চলত পিঠাগুড়িৰ মিশ্ৰণত হাতখন ডুবাই আঙুলিৰ ডগাৰে নিগৰা পিঠাগুড়ি গৰম তেৰাত দি জিলাপিৰ দৰে কিন্তু খুব সুক্ষ্মভাৱে নক্সা তৈয়াৰ কৰা হয়। তেৰাৰ পৰা উঠাই এইসমূহ ভালদৰে ৰ'দাব লাগে। জেং পিঠা বহুদিনলৈ সংৰক্ষণ কৰিব পাৰি। বিশেষকৈ বিহুৰ দিনা গৰম তেলত ভাজি গৰমে গৰমে পৰিৱেশন কৰিলে খাবলৈ বৰ সোৱাদ আৰু মুখতে পমি যোৱা এটা অনুভৱ কৰিব পাৰি।



## লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিট গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

# নিলাজী বনৰ সৈতে কাৰৈ মাছৰ আঞ্জা

'নিলাজী বন' হ'ল এক প্ৰকাৰৰ ঔষধি লতাজাতীয় উদ্ভিদ, যাক আমি সাধাৰণতে 'লাজুকীলতা' বুলিও জানো। এইবিধ লতাৰ বহুতো ঔষধি গুণ আছে।



**উপকৰণ ঃ**

নিলাজী বন - এমুঠি (কোমল পাত)।
মাছ - কেইটামান টুকুৰা।
সিজোৱা আলু - ১টা।
মিঠা তেল - আধা কাপ।
পিঁয়াজ - ১টা।
নহৰু - ৪/৫ ফুটা।
কেঁচা জলকীয়া - ২টা।
মেথিগুটি - কেইটামান।
মচলা - হালধি আৰু নিমখ (সোৱাদ অনুসৰি)।
ধনিয়া পাত - এমুঠি (সজাবলৈ)।

**প্ৰস্তুত প্ৰণালী ঃ**

প্ৰথমে নিলাজী বনৰ কোমল পাতখিনি ধুই মিক্সিত মিহিকৈ খুন্দি ল'ব। তাৰ পাছত খুন্দি লোৱা ৰসখিনিত জোখমতে পানী দি এটা পাত্ৰত গৰম কৰি ল'ব। কেৰাহীত তেল গৰম কৰি মাছখিনি নিমখ-হালধিৰে ভাজি ল'ব। আৰু সেই তেলতে মেথিগুটি, কটা পিঁয়াজ, নহৰুৰ পেষ্ট আৰু কেঁচা জলকীয়া দি ভাজিব। এই সকলোখিনি কৰাৰ পাছত সিজোৱা আলুটো ভাঙি দি নিমখ-হালধি মিহলাই অলপ সময় ভাজিব। আৰু পূৰ্বে গৰম কৰি থোৱা নিলাজী বনৰ জোলখিনি কেৰাহীত ঢালি দিব। জোল উতলি আহিলে ভজা মাছকেইটা দি দিব। আৰু শেষত ধনিয়া পাত ছটিয়াই নমাই থৈ পাছলৈ পৰিৱেশন কৰিব।

— মামণি বেজবৰুৱা
ঠিকনা ঃ বাঘৰবাৰী, পাঞ্জাবাৰী, গুৱাহাটী।

ইচ্ছুকসকলে আগন্তুক সংখ্যাৰ অন্যান্য শিতানৰ বাবে লেখা প্ৰেৰণ কৰিব পাৰে।

আমাৰ ঠিকনা

হোৱাটচ্ এপল নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com

ভ্ৰমণ | কাহিনী



# চেৰিফুলৰ দেশত মোৰ যাত্ৰা

— তৃষা কটকী


ঠিকনা ঃ গুৱাহাটী

মোৰ আটাইতকৈ প্ৰিয় চখ হ'ল ভ্ৰমণ। মন গ'লেই বা বন্ধৰ দিন পালেই মই ওলাই যাওঁ প্ৰকৃতিৰ সন্ধানত। এগৰাকী সহকৰ্মীৰ অনুৰোধত এই যাত্ৰাৰ কাহিনীটো লিখিবলৈ ম'বাইলৰ স্ক্ৰীণখন উলিয়াই লৈছোঁ।

পৃথিৱীখন যে সদায় ঘূৰণীয়া... সেই অনুভৱ হৃদয়ত লৈ ২২ নৱেম্বৰৰ ৰাতিপুৱা ৬ বজাত গুৱাহাটীৰ পৰা ৰাণী হৈ শ্বিলঙৰ সৌন্দৰ্য চাবলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। লগত আছিল এগৰাকী সম্পৰ্কীয় বাইদেউ আৰু এজন সহকৰ্মী। ৰাণী পাৰ হৈ দুয়োকাষৰ সেউজীয়া গছৰ মাজে মাজে ৰ'দালিৰ উমাল পৰশত আমি আগুৱাই গৈ থাকিলোঁ। মেঘালয়ৰ জিৰাং পাৰ হৈ উমলুঙৰ ঘাটত গাৰো পাহাৰৰ পৰা বৈ অহা নিজৰাৰ পানীত নিজকে বিলীন কৰি দিলোঁ।

তাৰ পৰা অলপ আগুৱাই যাওঁতেই দেখিবলৈ পালোঁ শাৰী শাৰীকৈ ফুলি থকা চেৰিফুল। ফটো তোলাৰ বৰ ইচ্ছা আছিল যদিও কিবা এটা কাৰণত সেই মুহূৰ্তটো কেমেৰাত বন্দী কৰিব নোৱাৰিলোঁ। গুলপীয়া চেৰিফুলে সদায় মোৰ মনত এক বিশেষ

*পৃথিৱীখন যে সদায় ঘূৰণীয়া... সেই অনুভৱ হৃদয়ত লৈ ২২ নৱেম্বৰৰ ৰাতিপুৱা ৬ বজাত গুৱাহাটীৰ পৰা ৰাণী হৈ শ্বিলঙৰ সৌন্দৰ্য চাবলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। লগত আছিল এগৰাকী সম্পৰ্কীয় বাইদেউ আৰু এজন সহকৰ্মী। ৰাণী পাৰ হৈ দুয়োকাষৰ সেউজীয়া গছৰ মাজে মাজে ৰ'দালিৰ উমাল পৰশত আমি আগুৱাই গৈ থাকিলোঁ। মেঘালয়ৰ জিৰাং পাৰ হৈ উমলুঙৰ ঘাটত গাৰো পাহাৰৰ পৰা বৈ অহা নিজৰাৰ পানীত নিজকে বিলীন কৰি দিলোঁ।*



ঠাই অধিকাৰ কৰি থাকে। প্ৰকৃতিৰ সৈতে ৰং মিলাই সাজ পিন্ধাটো মোৰ সৰুৰে পৰা অভ্যাস। কিন্তু সেইদিনা মই ক'লা সাজ পিন্ধিছিলোঁ। কিয়নো গুলপীয়া সাজ আৰু চেৰিফুলৰ সৈতে মোৰ বহু সুমধুৰ স্মৃতি জড়িত হৈ আছে।

পাহাৰীয়া একা-বেঁকা ৰাস্তাৰ মাজেদি আগুৱাই চেৰাপুঞ্জীৰ দিশলৈ যোৱা বাটেৰে শ্বিলং চহৰ পালোঁ। চহৰত অলপ সময় কটাই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ। ফটো আৰু ভিডিঅ' তুলি দিনটোৰ স্মৃতিবোৰ সংৰক্ষণ কৰি লৈ নঙপোহ হৈ যোৰাবাটৰ বাটেৰে গুৱাহাটী অভিমুখে উভতি আহিলোঁ। সন্ধিয়া প্ৰায় ৮.৩০ বজাত এটা জীপাল মন লৈ ঘৰ পালোঁহি।

কৰ্মব্যস্ততাৰ মাজৰ পৰা সময় উলিয়াই পথাৰ-পাহাৰৰ বুকুৰেদি বৈ যোৱা পথত যেতিয়া ওলাই পৰোঁ, মোৰ দেহ-মন দুয়ো সতেজ হৈ উঠে। আৰু ভ্ৰমণেও যেন মোক সদায় নতুনকৈ জীৱনটো অনুভৱ কৰিবলৈ শিকায়।


ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অসমীয়া মাহেকীয়া আলোচনী

'অসমীয়া বৰ্ণিল'ৰ তৰফৰ পৰা

ৰঙালী বিহুৰ উপলক্ষে

সদৌ অসম ভিত্তিত

কবিতা প্ৰতিযোগিতা

নিয়মাৱলী

- প্ৰতিযোগীসকলে প্ৰতিযোগিতালৈ কেৱল এটাকৈহে কবিতা প্ৰেৰণ কৰিব পাৰিব।
- প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা কবিতা অন্য কাকত বা আলোচনীত প্ৰকাশিত হোৱা হ'ব নালাগিব।
- প্ৰতিযোগিতাত **প্ৰথম, দ্বিতীয় আৰু তৃতীয়** স্থান নিৰ্বাচিত কৰা হ'ব।
- প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা কবিতা শিৰোনামৰ ওপৰত প্ৰতিযোগিতালৈ বুলি লিখি প্ৰেৰণ কৰিব লাগিব।
- কবিতাৰ লগত কবিৰ **সম্পূৰ্ণ নাম, ঠিকনা, ফোন নম্বৰ**সহ একপি ফটো আমালৈ প্ৰেৰণ কৰাটো বাধ্যতামূলক।
- স্থানপ্ৰাপ্ত প্ৰতিযোগীক অসমীয়া বৰ্ণিলৰ **অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত** স্মাৰক আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব।
- বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত।

কবিতা প্ৰেৰণৰ অন্তিম তাৰিখ ঃ ১৮ এপ্ৰিল, ২০২৬

আমাৰ ঠিকনা

অসমীয়া বৰ্ণিল

৮৬৩৮৮ ২৫৪৮৬

bornilmagazine2019@gmail.com

bornilmagazine2019@gmail.com Axomiyabornil

# এই মাহৰ মডেল ঃ



নন্দিতা দেউৰী

DIMPAL Creative
Mob : 91 847 28 314 62